# ধুমুহাৰ চিহ্ন

নীলিমা দত্ত

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী : ৭৮১০০১

প্ৰকাশক ঃ
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ ষ্ট'ৰচ
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

পৰিবেশক ঃ
ভাৰতী বুক ষ্টল
জি· এক· ৰোড
গোলাঘাট-৭৮৫৬২১

প্ৰচ্ছদ ঃ
পূৰ্ণেন্দু পত্ৰী

প্ৰথম প্ৰকাশ ঃ
চেপ্তেম্বৰ, ১৯৯২

মূল্য ঃ ৪০·০০ টকা

মুদ্ৰক ঃ
শ্ৰীতাপস কুমাৰ দলুই
পান্নালাল এণ্ড কোং
২৮ বি, অবিনাশ ঘোষ লেন
কলিকতা-৭০০০০৬

মৰমৰ ছাত্ৰী

অধ্যাপিকা প্ৰীতি বৰুৱাৰ হাতত

নীলিমা দত্ত

# পাতনি

বাস্তৱ অভিজ্ঞতাৰ ওপৰত কল্পনাৰ বোল দি লিখিবলৈ প্ৰয়াস কৰোঁতে 'ধুমুহাৰ পিছত' এই উপন্যাস খনিৰ, কেইটামান মূল চৰিত্ৰ মোৰ তৃতীয়খন উপন্যাস 'প্ৰাণ-শিখা'ৰ পৰাই অনা হৈছে। কিন্তু, সেই চৰিত্ৰ কেইটিক সময়ৰ গতিত, বিভিন্ন পৰিস্থিতিত অঁকা হৈছে। অসমৰ বুকুত সত্তৰৰ দশকৰ অন্তৰ্নিহিত শক্তি আশীৰ দশকত প্ৰচণ্ড ধুমুহাত পৰিণত হৈছে অকল শিক্ষাজগতত আৰু ছাত্ৰ আন্দোলনতে নহয়, ই যেন আঘাত কৰিছে অসমৰ সমগ্ৰ সামাজিক পৰিবেশতে। ইয়াৰ ফলত ব্যক্তি বিশেষৰ ধ্যান-ধাৰণাত ঘাত-প্ৰতিঘাত চলিছে, অনুষ্ঠান-প্ৰতিষ্ঠানৰ ৰূপ সলনি হৈছে, সেউজীয়া চাহনিৰ মাজতো মালিক-বনুৱাৰ ৰক্তাক্ত সংঘৰ্ষ ঘটিছে। কিন্তু, সময় ৰৈ নাথাকে, ইতিহাসৰ দাবিত ধুমুহাৰ অৱসান ঘটে। প্ৰচণ্ড ধুমুহাৰ ভগ্নস্তূপৰ মাজত আৱৰ্জনাই বেছি যদিও তাৰ মাজত মণি-মুকুতাও আছে। ধুমুহাৰ শেষত আকাশৰ সোণ-বৰণীয়া ৰ'দ পৃথিৱীৰ গছে-বনে জিলিকি উঠে, চাহনিত কুঁহিপাত ওলায়।

ইয়াকে ক'বলৈ বিচাৰিছোঁ মোৰ পুথিখনত। উপন্যাস হিচাপে পুথিখনৰ সাফল্যৰ বিচাৰ বিনীতভাৱে সহৃদয় আৰু সচেতন পাঠকৰ ওপৰত এৰিছোঁ। 'প্ৰকাশ' নামৰ আলোচনীত ধাৰাবাহিকভাৱে 'ধুমুহাৰ পিছত' প্ৰকাশিত হৈছিল ১৯৯০-৯১ চনত। সেই সময়ত সু-সাহিত্যিক শ্ৰীযুত কুমুদ গোস্বামীয়ে মোক যথেষ্ট উদগনি দিছিল পুথিৰ আকাৰত 'ধুমুহাৰ পিছত' প্ৰকাশৰ বাবে। এইখিনিতে শ্ৰীযুত গোস্বামীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। গুৱাহাটীৰ 'ষ্টুডেণ্টচ্ ষ্টৰচ'ৰ শ্ৰীবিজয় দত্তই একান্ত আগ্ৰহ আৰু আনন্দেৰে পুথিখনৰ প্ৰকাশৰ ভাৰ লৈ মোক সহায় কৰিছে। তেওঁলৈও মোৰ অশেষ শুভ ইচ্ছা আৰু আন্তৰিক ধন্যবাদ আগবঢ়াইছোঁ।

নীলিমা দত্ত

খাৰঘুলি,

৮।৭।৯২

# ধুমুহাৰ পিছত

# এক

প্ৰচণ্ড ধুমুহাত আকাশ-পাতাল জুৰি প্ৰলয়ৰ সৃষ্টি হোৱা যেন লাগিল অঞ্জনাৰ। বতাহৰ হোহোৱনিৰ মাজত বাটৰ বিজুলী চাকিবোৰ মুমাই গ'ল খন্তেকতে। আকাশ ভাঙো ভাঙো ঢেৰেকনিত খিৰিকিৰ আইনাবোৰৰ শব্দ হ'ল। হোষ্টেলটোৰ ছালৰ টিংবোৰ ঝন্‌ঝনাই গৈছে। বা-মাৰলিৰ প্ৰকোপত পৃথিৱীখন একোবাৰ কঁপি উঠিছে। হোষ্টেলৰ একজনীয়া কোঠাটোত অঞ্জনাই ভয় নাখালে। মেলা খিৰিকিখন বন্ধ কৰিবলৈ যাওঁতে বিজুলীৰ পোহৰে সমুখৰ ফুলনিখন জিলিকাই তোলাত অঞ্জনাই দেখিলে ধুনীয়া ফুল গছবোৰ শিল-বৰষুণে থেকেছি পেলাইছে। হঠাতে পৃথিৱীখন চুৰমাৰ হৈ যোৱাৰ অৱস্থা দেখি তাই বিছনাখনতে থৰ লাগি বহি পৰিল। দুই হাতে মুখখন ঢাকি ধৰি অঞ্জনাই কিবা এটা ভাবিব খোজোতেই চকু মেলি চালে আৰু লাহেকৈ উঠি গৈ চুইচটো টিপি দিলত দেখিলে পোহৰ আকৌ আহিছে। বেৰত আৰি থোৱা কেলেণ্ডাৰখনত বঙা আখৰৰ ১৯৮৪ চনটো জিলিকি উঠিলত অঞ্জনাৰ মনত পৰি গ'ল ১৯৬২ চনলৈ। সেই বছৰতে তাইৰ জন্ম হৈছিল। তাই জন্ম নৌ-হওঁতেই দেউতাক অৰূপ কাকতিয়ে আত্মহত্যা কৰিছে আৰু ১৯৭১ চনত তাই মাকক হেৰুৱালে। লগে লগে তাইৰ জীৱনলৈও প্ৰবল ধুমুহা নামি আহিল। ধুমুহা চলিল কিছুদিনলৈ। তাৰ পিছত ?

ধুমুহা শাম কাটি আহিল। লগে লগে ৰাতিপুৱাই আহিছে। কাউৰীয়ে কা, কা কৰিছে। তথাপি বেলিটো ওলাব পৰা নাই। পৃথিৱীখন শেঁতা পৰি আছে। অঞ্জনাই দুৱাৰখন মেলি ওচৰৰ বেচিনটোত হাত-মুখ ধুই ল'লে। হোষ্টেলৰ আন কোনো ছোৱালী তেতিয়াও উঠা নাই। অঞ্জনা একে কোবে ফুলনিখনলৈ সোমাই গ'ল। সৰা ফুল কেইপাহমান তাই আলফুলকৈ তুলি বাওঁখন হাতত

থ'লে। ইখন হাতেৰে হালিপৰা গছ এজোপা পোনাই দিব খুজিলে কিন্তু একো লাভ নহ'ল। হাত দিয়াৰ লগে লগে ফুলজোপা আৰু বেছিকৈহে হালি গ'ল।

ফুলনিৰপৰা ওলাই আহি অঞ্জনা নিজৰ কোঠাটোত সোমাল। আঁঠুৱাখন দাণ্ডি থৈ তাই বিছনাত বাগৰি পৰিল। বাওঁহাতৰ ফুল কেইপাহ লিৰিকি-বিদাৰি অঞ্জনাই মনত পেলাবলৈ চেষ্টা কৰিলে— এদিন সন্ধিয়া এথোপা এনেকুৱা ফুল মাকৰ মৃতদেহৰ ওপৰত পৰি থকা অসাৰ হাতখনত কেনেকৈ তাই গুজি দিছিল। অপাৰ বেদনাত কেনেকৈ তাই উচুপি উচুপি কান্দিছিল। কান্দি থাকোঁতেই ডাঃ দুৱৰাই তাইক গাড়ীত তুলি তেওঁৰ ঘৰলৈ লৈ গৈছিল। ডাঃ দুৱৰাই অন্তৰৰ অফুৰন্ত চেনেহ ঢালি দিয়াতো একোদিন অঞ্জনাৰ অবোধ শিশু প্ৰাণে কিবা এটা বিচাৰি হাবাথুৰি খাই ফুৰিছিল। শৈশৱৰ অবুজ মন একোদিন অশান্ত হৈ উঠিছিল। অঞ্জনাৰ মনত পৰিল ডাঃ দুৱৰাই তাইৰ পঢ়া-শুনাত বিশেষ চকু ৰাখিছিল। কাঞ্চীয়ে তাইৰ খোৱা-বোৱাত তদাৰকী কৰিছিল। স্কুলৰ শিক্ষয়িত্ৰী লীলা সাৰংগপানীয়ে মাজে মাজে তাইৰ খবৰ কৰি গৈছিল আৰু চেষ্ট-হস্পিতেলটোৰ নগা নাৰ্চ লিন্থান একোদিন অঞ্জনাৰ লগত উমলিবলৈ আহিছিল। এনেদৰেই প্ৰায় এবছৰ যোৱাৰ পিছত অৰুণ বৰুৱা আহি ডাঃ দুৱৰাৰ ঘৰ পালেহি। ডাঃ দুৱৰা সেই সময়ত ঘৰত নাছিল। তেওঁৰ পত্নী মানসী দুৱৰাই মানসিক অসুস্থতাৰ পৰা সকাহ পোৱাত তেওঁক ঘৰলৈ আনিবলৈ ডঃ দুৱৰা বাঁচী পাইছিলগৈ। অৰুণ বৰুৱাই অঞ্জনাক সাবটি ধৰি বেজাৰৰ চকুপানী নেপেলোৱাকৈ থাকিব নোৱাৰিলে। অঞ্জনাই অৰুণ বৰুৱাক পাই 'মামা' 'মামা' বুলি কান্দিবলৈ ধৰাত কাঞ্চীয়ে তাইক জোৰেৰে লৈ গ'লহি আৰু বিছনাত শুৱাই দিয়াত খন্তেকতে তাইৰ টোপনি আহিল। সাৰ পোৱাত অঞ্জনাৰ কিছু সকাহ পোৱা যেন লাগিছিল যদিও তাইৰ মনটো শেঁতা পৰিয়েই আছিল আজিৰ পুৱাটোৰ দৰে। শুই উঠি অৰুণ বৰুৱাক নেদেখি অঞ্জনাই সেইদিনা বুজি পোৱা নাছিল, কিয়নো মামাকে তাইক এৰি থৈ একে দিনাই গুঁচি

গ'ল। এনেদৰে ভাবি থাকোঁতেই হোষ্টেলৰ চাহৰ ঘণ্টা পৰিল। অঞ্জনা লৰালৰিকৈ চাহ খাবলৈ গ'ল। সুদা চাহ একাপ লৈ ডাইনিং হলৰ চুকৰ এখন টেবুলৰ ওচৰত তাই বহিলগৈ।

দূৰৰ এখন টেবুলৰ পৰা মাধুৰী শইকীয়াই অঞ্জনালৈ চাই মাতিলে, —কি অ' অঞ্জু? কি ভাবিছ? যোৱা ৰাতি ধুমুহাত বৰ ভয় খাইছিলি নেকি?

অঞ্জনাই মাধুৰীৰ প্ৰশ্নৰ উত্তৰ নিদি মাত্ৰ হাঁহিবলৈ চেষ্টা কৰিলে আৰু একেথৰে মাধুৰীলৈ চাই থাকিল নিৰ্বিকাৰভাৱে। অলপ পিছতে মাধুৰীয়ে প্ৰায় দুকাপ চাহ আৰু দুডোখৰ ব্ৰেড শেষ কৰি অঞ্জনাৰ ওচৰ পালেহি। অঞ্জনাই লাহে লাহে ঢোক মাৰি তেতিয়াও চাহ কাপৰ আধাও শেষ কৰিব পৰা নাই।

—কি কৰিছ? শেষ কৰিব পৰা নাই চাহ কাপ? কি খাবি? যিহে হোষ্টেলৰ চাহ। ক'লেও মেচ চেক্ৰেটেৰীয়ে বৰ বেয়া পায় বুজিছ? এদিন কলত তেওঁ কি উত্তৰ দিলে জান?

—কি?

মাধুৰীৰ কথা শুনি অঞ্জনাই প্ৰশ্ন কৰিলে অন্য মনস্কভাৱে।

—ক'লে, "তুমিয়েই মেচটো চলাব পাৰাচোন। ছাত্ৰ সন্থাৰ কাম কৰি যে সময় কটোৱা, হোষ্টেলৰ সমূহীয়া কাম কৰিব নোৱাৰা? তোমালোকৰ সন্থাই বজাৰৰ লাগতিয়াল বস্তুৰ দামৰ ভাও কমাব নোৱাৰেনে? অকল পৰীক্ষা পিছুৱাই থকাটোৱেই তোমালোকৰ কামনেকি?" চাচোন কি কয়। অসমৰ বা-মাৰলী তেনেকৈ শাম কটাই নাই। কত কাম আছে ছাত্ৰসকলৰ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে। চাহ, চেনিৰ দাম কমোৱাতকৈ সেইবিলাক কাম আৰু বেছি গুৰুত্বপূৰ্ণ নহয়নে?

মাধুৰীয়ে নিজকে নিজে কোৱা যেন লাগিল অঞ্জনাৰ। বান্ধৱীৰ অভিযোগ শুনি অঞ্জনাই মাত্ৰ ক'লে,

—নালাগে ক'ব। ইয়াতকৈনো আৰু কি ভাল চাহ দিব

হোষ্টেলত? বেনাৰসৰ হোষ্টেলতো এনেকুৱা চাহ খাইয়েই বি· এ পাছ কৰি আহিছোঁ।

—তেন্তে শেষ নকৰ কিয়? মাধুৰীয়ে সুধিলে।

—নাই, খাব নোৱাৰোঁ মাধু। ব'ল যাওঁগৈ ইয়াৰ পৰা।

—মোৰ কোঠালৈকে যাওঁ আহ। হঠাতে অঞ্জনাৰ গভীৰ মনৰ কিবা এটা গুপুত খবৰ পোৱাৰ দৰে লাগিলত, মাধুৰীয়ে অঞ্জনাৰ হাতত আবেগেৰে খামোচ মাৰি ধৰিলে। দুয়ো বান্ধৱী মাধুৰীৰ কোঠালৈ সোমাই গ'ল ভিতৰ সোমাই অঞ্জনাই মন কৰিলে—মাধুৰীৰ কোঠাটো ছেদেলি-ভেদেলি হৈ আছে। পঢ়া মেজখনৰ ওপৰত এদ'ম প্ৰচাৰ-পত্ৰ সিঁচৰতি হৈ পৰি আছে। চকীখনত শাৰীখন মেল খাই আছে। বিছনা-পত্ৰ তেতিয়ালৈকে সামৰা নাই। কোঠাত সোমায়ে মাধুৰীয়ে আঁঠুৱাখন খুলি থাকোঁতে অঞ্জনাৰ ফালে চাই সুধিলে।

—অঞ্জু, তই যে বেনাৰসত বি· এ. পাছ কৰিলি, এম· এ· টোও লগতে শেষ নকৰিলি কিয়?

—কেনেকৈ কৰ? মা-দেউতা অবিহনে মোৰ জীৱনটোলৈ বহুতো অসুবিধা নামি আহিল। ডাঙৰ অসুবিধা হ'ল—মোৰ অভিভাৱকৰ সংখ্যা বাঢ়ি গ'ল।

—তোৰ মামা আৰু মহাৰৰ কথা তই কৈছ। তেওঁলোকৰ বাহিৰেও আৰু কোনোবা অভিভাৱক ওলালনেকি অ'?

—আগতে নাছিল। পিছত ওলাল ক'ৰবাৰ পৰা আৰু এজন।

—হয়নেকি? কোন নো কচোন ক।

—কৃপা কাকতি।

—কৃপা কাকতি কোন আকৌ?

—মোৰ ককা। দেউতাৰ দেউতাক। উজনিৰ চাহ বাগিচাৰ মালিক। ককাই ত্যাজ্য পুত্ৰ কৰিবলৈ ওলোৱাত, দেউতাই বোলে তেওঁক আৰু মুখেই নেদেখুৱালে।

—তাৰ পিছত?

—এতিয়া বুঢ়া বয়সত ককাৰ নিজ কৰ্মৰ কাৰণে অনুতাপ আহিছে বুলি শুনিছোঁ। সেয়ে নাতিনীজনীক বিচাৰিছে। অকল সেয়েতো নহয়, কোনোবা এজন সুপাত্ৰও মোলৈ যোগাৰ কৰি মানসী মাহীহঁতক জুলুম কৰি আছিলহি। সেয়ে মানসী মাহীয়ে ভয়তে মোক আৰু বেনাৰসত পঢ়িবলৈ নপঠালে। তাতে গুৱাহাটী বিশ্ববিদ্যালয়ত মামাই শিক্ষকতা কৰে যেতিয়া মহা নিজে আহি মামাক সকলো কথা কৈ মেলি মোৰ পঢ়া-শুনা এই বিশ্ববিদ্যালয়তে ঠিক কৰি থৈ গ'ল।

মাধুৰীয়ে আঁঠুৱাখন জাপি বিছনাখনৰ শিতানত থৈ আকৌ সুধিলে অঞ্জনাক,

—বুঢ়াই পুতেকক ত্যাজ্য পুত্ৰ কৰিবলৈ ওলাইছিল নো কিয়?

—মাক দেউতাই ভাল পাই বিয়া কৰাইছিল, ককাৰ অমতত। কাৰণ সিমানেই।

কিবা এটা দকৈ ভাবিব খুজি মাধুৰীয়ে ক'লে,

—অ' বুজিলো। অতীতে মানুহৰ ভৱিষ্যতৰ বহুখিনি নিৰ্ধাৰণ কৰি দিয়ে নহয়? কথা হ'ল এতিয়া এইখন বিশ্ববিদ্যালয়ত তই কেতিয়াকৈ এম. এ. পাছ কৰিব পাৰ ক'ব পৰা নাই। তই মোৰ বিছনাতে বহচোন। মই গাটো ধুই আহোঁ। পিছত গ'লে কিউৰ মাজত অসুবিধা হ'ব।

মাধুৰী হুৰমূৰকৈ টাৱেল আৰু চাবোন-কেচটো লৈ ওলাই গ'ল গা ধুবলৈ। অঞ্জনাই মাধুৰীৰ কোঠাটো পৰিপাটিকৈ থবলৈ বিচাৰি প্ৰথমতে বিছনাখন জোকাৰি পাৰিলে। তাৰ পিছতে শাৰীখন জাপি বিছনাত থ'লে। মেজৰ ওপৰৰ প্ৰচাৰ-পত্ৰ আৰু কিতাপকেইখন ঠিক কৈ থলে। শেষত প্ৰচাৰ-পত্ৰ এখন হাতত লৈ বিছনাত বহি পঢ়িবলৈ ধৰিলে। এনেতে গা-ধোৱা পৰ্ব শেষ কৰি মাধুৰী ভিতৰ সোমাল। অঞ্জনালৈ চাই মাধুৰীয়ে ক'লে,

—অঞ্জু, তই মোৰ বিছনা-পত্ৰ ঠিক কৰি পেলালি? ভালেই কৰিলি। অলপ সময় লৈ তোৰ লগত কথা পাতিম। আজি বৰ লৰালৰি বুজিছ? এখন জৰুৰী মিটিং আছে। যাবলৈ ওলাইছোঁ।

—মাধু আজি তহঁতৰ মিটিং আছে? আমাৰ ক্লাছ হ'ব তো? অঞ্জনাই সুধিলে।

—নহয়। কালিয়েই জি. এছ. নোটিচ দিছে যে দেখা নাই?

—ওহোঁ, নাই দেখা।

—তয়ো এজনী ছোৱালী আৰু। পঢ়িব লাগে ছাত্ৰ-সন্থাৰ নোটিচ। কেতিয়াবা বৰ অসুবিধাত পৰিবি দেই এনেদৰে নোটিচবোৰলৈ আওহেলা কৰিলে।

—হ'ব দে। ক্লাছ নহয় যদি ময়ো যাওঁ মামাৰ তালৈকে। মামাই মোক মাতিছিল দুদিনমানৰ আগতে।

—যা, যা মুখখন সলাই আহগৈ। পিছে বৰলা মানুহৰ ঘৰত আঞ্জাৰ সোৱাদ কিটো পাবি?

মাধুৰীয়ে শাৰীখন কঁকালত খোছ মাৰি ক'লে।

—মামাৰ ভাত জেউতি মামীয়েহে ৰান্ধে। মিনাৰাম মামাই বজাৰ কৰে। জেউতি মামীয়ে জুতি লগাকৈ ৰান্ধে। ময়ো গ'লে জেউতি মামীয়ে ৰন্ধা ভাতহে খাওঁ। তোকো এদিন লৈ যাম ৰ জেউতি মামীয়ে ৰন্ধা আঞ্জাৰ সোৱাদ ল'বলৈ।

এনেদৰে কৈ উঠি অঞ্জনা নিজৰ কোঠালৈ গ'লগৈ। মিটিঙলৈ যাবলৈ খৰখেদা কৰাত অঞ্জনাৰ কথাৰ অৰ্থ বুজি ল'বলৈ মাধুৰী শইকীয়াৰ সময় আৰু নহ'ল সেইদিনা।

## দুই

অঞ্জনাই নিজৰ কোঠাটোত সোমাই কিছুসময় মাধুৰী শইকীয়াৰ কথাকে ভাবি আছিল। ভাবিছিল জীৱনৰ কিছু কথা মাধুৰীক তাই কৈছে, কিন্তু আৰু বহু কথাই কোৱা হোৱা নাই। ক'লেও মাধুৰীয়ে অঞ্জনাৰ সকলো কথা বুজিব নোৱাৰিব। বুজিব কেনেকৈ? অঞ্জনাৰ, জীৱনতকৈ মাধুৰীৰ জীৱন সম্পূৰ্ণ বেলেগ। তাতে, মাধুৰীয়ে কোনো

কথাই দকৈ ভাবি নাচায়। ভাবিবলৈ তাইৰ সময়ে বা ক'ত? আজি ইটো, কালিলৈ সিটো ছাত্ৰ-ছাত্ৰীৰ বিবিধ কামত তাই ব্যস্ত। অৱশ্যে এনে ব্যস্ততাৰ কাৰণে সিমান চিন্তাৰ প্ৰয়োজনো নাই। ছাত্ৰ সন্থাখনৰ কাৰ্যকৰী সমিতিত সোমাই লৈছে যেতিয়া তাই এনেদৰে সময় কটাবও লাগিব। মাধুৰীৰ কথা ভাবি ভাবি অঞ্জনা অৰুণ বৰুৱাৰ ঘৰলৈ যাবলৈ প্ৰস্তুত হ'ল।

কটন কলেজত শিক্ষকতাৰ কাম এৰি অৰুণ বৰুৱা বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক হোৱা কেইবা বছৰো হ'ল যদিও, বহু চেষ্টাৰ মূৰত এই বছৰহে তেওঁৰ বিশ্ববিদ্যালয়ৰ চৌহদত থকাৰ এটা সুবিধা হ'ল। নিয়মমতেই তেওঁ যেনিবা শেষত ঘৰ এটা পালেগৈ। ঘৰটো সৰু নমুনাৰ যদিও অৰুণ বৰুৱাৰ বিশেষ অসুবিধা হোৱা নাই। তেওঁ বেছিভাগ সময় লাইব্ৰেৰিতে কটায়। চৌহদলৈ অহাৰ পিছত অৰুণ বৰুৱাৰ আৰু এটা কাম বাঢ়িছে। ডাঃ কৰুণা দুৱাৰাৰ অনুৰোধত অৰুণ বৰুৱা অঞ্জনাৰ স্থানীয় অভিভাৱক হ'ব লগা হৈছে। অৱশ্যে, অঞ্জনাৰ লগত অৰুণ বৰুৱাৰ সম্বন্ধটো অকল অভিভাৱকত্বৰে নহয়। দেউতাক অৰূপ কাকতিৰ মৃত্যুৰ পিছত শৈশৱকাল ছোৱাত অঞ্জনাৰ মৰমৰ দাবীও পূৰাব লগা হৈছিল অৰুণ বৰুৱাই ভনীয়েক বন্দনা কাকতিৰ সহায়ৰ কাৰণে। সেই মৰমতে অৰুণ বৰুৱাই অঞ্জনাক একোদিন ছাত্ৰী-নিবাসৰ পৰা লৈ আহি ভাত-পানী খুৱাই পঠায়। নিজৰ বন্ধা-বঢ়াৰ কাৰণে অৰুণ বৰুৱাই ভাবিব নালাগে। তাহানিৰ ৰান্ধনি ল'ৰা মিনাৰামেও বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰিত পিয়নৰ লেখীয়া কাম এটা কৰে। অৰুণ বৰুৱাই নিজৰ কাৰণে দুটা কোঠা ৰাখি বাকীনি ঘৰটোৰে সৈতে আৰু প্ৰায় দুটা কোঠালি মিনাৰামৰ পৰিয়ালক এৰি দিছে। মিনাৰামে কটন কলেজৰ সোণাৰাম চকীদাৰৰ বুদ্ধিমতী জীয়েক জেউতিক বিয়া কৰাব লগা হ'ল। মিনাৰামৰ এতিয়া আৰু বন্ধা-বঢ়া কাম নাই। সেইখিনি জেউতিয়ে নিয়াৰিকৈ কৰিব পাৰে। অৰুণ বৰুৱাই মিনাৰামৰ লগতে খোৱা-বোৱা কৰে। তাৰ বাবে মিনাৰামক অৰুণ বৰুৱাই বজাৰ খৰচ নিয়মিতভাৱে দি থাকে। অৰুণ

বৰুৱা ওলাই গ'লে তেওঁৰ কোঠালি দুটা জেউতিয়ে সৰা মচা কৰে। মিনাবামে আগৰ দৰেই একোদিন অৰুণ বৰুৱাৰ কিতাপ-পত্ৰ জোকাৰি সজাই থয়। মিনাৰামৰো সহায়। তাৰ ছোৱালী দুজনী—ৰাণু-বিণুক ওচৰৰ মডেল স্কুলখনতে নাম লগাই দিছে। ৰাণু-বিণুক তদাৰকী কৰোঁতে অৰুণ বৰুৱাৰ কেতিয়াবা অঞ্জনাৰ শৈশৱ কালছোৱাৰ আবদাৰবোৰ মনত পৰি যায়। বাহিৰে আজিকালি আগতকৈ বহু কঠোৰ হ'লেও, অৰুণ বৰুৱাৰ সুকোমল মনৰ বান্ধোন প্ৰায় একেদৰেই আছে।

অঞ্জনাই ৰিক্সা এখনত উঠি ছাত্ৰীবাসৰপৰা অৰুণ বৰুৱাৰ ঘৰলৈ আহি থাকোঁতে তাইৰ চকুত পৰিল আগৰাতিৰ ধুমুহাৰ পিছত উজলি উঠা নিকা জালুকবাৰীখনৰ অপৰূপ দৃশ্য। বাটৰ কাষে কাষে শাৰী শাৰী সোণাৰু গছত হালধীয়া ফুলৰ ৰং কোমল ৰ'দ পাই আৰু উজ্জ্বল হৈ উঠিছে। ধুমুহাত সৰা কৃষ্ণচূড়াৰ ৰঙা পাহিবোৰ বাটৰ দুকাষৰ দুবৰি বনত পৰি আছে যদিও, অঞ্জনাই সমুখৰ ফালেহে চালে। দেখিলে—দূৰত জিলিকি উঠিছে নানাবোলৰ সেউজীয়া ৰং। তাই অলপ বিভোৰ ভাৱতে ৰিক্সাখন ৰখাবলৈ ক'লে। ৰিক্সাৱালাক পইছা দি অঞ্জনাই কোবাকুবিকৈ অৰুণ বৰুৱাৰ ঘৰলৈ সোমাই গৈ দুৱাৰ দলিতে থমকি ৰ'ল।

—অ' অঞ্জু তই আহিলি। ভালেই হ'ল।

মনৰ আনন্দতে অৰুণ বৰুৱাই ক'লে।

—তুমি মাতিছিলা নহয় কেইদিনমানৰ আগতে। আহিলোঁ সেয়ে। আজি বোলে ক্লাছো নহয়। আমাৰ জি· এছে· নোটিচ দিছে।

অঞ্জনাই কৈ গ'ল।

অঁ বুলি শলাগি অৰুণ বৰুৱাই মন কৰিলে—অঞ্জনাই সুধাংশু বৰুৱালৈহে ৰ লাগি চাই আছে। সুধাংশু বৰুৱা অৰ্থনীতি বিভাগৰ ৰিডাৰ হৈ বিশ্ববিদ্যালয়ত সোমোৱা প্ৰায় তিনি মাহেই হৈ গ'ল যদিও এই সময় ছোৱাৰ ভিতৰত প্ৰত্যেকটো বৰ্ষৰ দুটাকৈ তেওঁ প্ৰায় চাৰিটামানহে ক্লাছ ল'ব পাৰিছে। সিদিনা সুধাংশু বৰুৱে শেষান্ত বৰ্ষৰ শ্ৰেণীত সোমোৱাৰ আগে আগে দুৱাৰ মুখতে অঞ্জনাক পাই সুধিলে।

—তুমি অঞ্জনা কাকতি ?

—হয়।

নম্রসুৰে অঞ্জনাই উত্তৰ দিলে।

—ক্লাছত দেখা নাই কিয় ?

অঞ্জনাই কিবা এটা ক'বলৈ ওলাওঁতেই সুধাংশু ৰয় বেগেৰে ক্লাছৰ ভিতৰলৈ সোমাই গ'ল। তেতিয়ালৈকে সেই এদিনেই মাত্র অঞ্জনাই সুধাংশু ৰয়ৰ বক্তৃতা শুনিছিল। ক্লাছত সেইদিনা অঞ্জনা অভিভূত হৈ পৰিছিল। সুধাংশু ৰয়ৰ বক্তৃতাৰ মাজত দেশৰ ভৱিষ্যতৰ বাবে সুন্দৰ এখন আৰ্থ-সামাজিক আঁচনিৰ সম্ভাৱনাই অঞ্জনাৰ মনপ্ৰাণ পোহৰ কৰি পলাইছিল। সেইদিনা আবেলি অঞ্জনাই হোষ্টেলৰ ভিজিটৰ কমত অৰুণ বৰুৱাৰ আগত সুধাংশু ৰয়ৰ বক্তৃতাৰ কথা কওঁতে, অৰুণ বৰুৱাই অঞ্জনাক তেওঁৰ ঘৰলৈ মাতিছিল এই বুলি,—তই যাবি সময় পালে মোৰ তালৈ। সুধাংশু ৰয় কি বস্তু তোক ভালকৈ বুজাই ক'ম।

আজি কিন্তু অঞ্জনা অৰুণ বৰুৱাৰ ঘৰলৈ আহিছে সুধাংশু ৰয়ৰ কথা জানিবলৈ নহয়। তাই আহিছে মামাকৰ লগত কিছু সময় কটাবলৈ। আগৰাতিৰ ধুমুহা জাকে অঞ্জনাৰ ভিতৰ ফালটো ঠকা-সৰকা কৰি পেলাইছিল। তাই কিছু সময় মামাকৰ লগত থাকি সকাহ পাব বুলি ভাবিছিল। অঞ্জনাৰ মুখলৈ চাই অৰুণ বৰুৱাই ক'লে,

—বহ অঞ্জু। সুধাংশুৰ লগত বহুত পুৰণি কথা পাতি আছিলোঁ, সেই সংক্ৰান্তত তোৰ কথাও ওলাইছিল।

অঞ্জুৱে একো নেমাতিলে। সুধাংশু ৰয়ে তেতিয়া তলমূৰকৈ জি. এছ. ৰ নোটিচখনৰ কথা ভাবিবলৈ চেষ্টা কৰিছিল। ক্লাছ নহ'ব বুলি শুনি সুধাংশু ৰয় অলপ বিব্ৰত হৈছিল। অৰুণ বৰুৱাৰ মুখত নিজৰ নামটো শুনি সুধাংশুৱে অঞ্জনাৰ ফালে মূৰ তুলি চালে। অঞ্জনা বহি পৰিল ওচৰৰ চকী এখনত।

—সুধাংশু, তোমাৰ বাৰু মনত আছেনে সেই সৰু অঞ্জুজনীলৈ। এদিন যে আমাৰ কথাৰ মাজত তাই বৰ আমনি কৰিছিল ? আৰু তুমি লজেন্স দিম বুলি তাইক ফুচুলাইছিলা ?

অৰুণ বৰুৱাৰ কথা শুনি সুধাংশুৱে হাঁহিলে। ক'লে,

—ইমান মনত নাই। অৱশ্যে, এওঁৰ সৰুকালৰ চেহেৰাটো মনত আছে। কিন্তু, এতিয়া এওঁ একেবাৰেই বৰু বাইদেউৰ দৰে হৈ গ'ল দেখাত। সিদিনাতো দেখিয়েই মই অঞ্জনাক চিনি পাইছোঁ। অৱশ্যে আপুনি মোৰ আগত অঞ্জনাৰ কথা কৈ থৈছিল। সিও এটা কাৰণ।

—অঁ কৈছিলোঁ। অঞ্জুৰ পঢ়া-শুনাত অলপ চকু ৰাখিবলৈ। তুমি সেইদিনাহে প্ৰথম দেখিলা তোমাৰ ছাত্ৰী অঞ্জুক?

—হয় ছাৰ। আগৰ ক্লাছলৈ তেওঁ অহা নাছিল। কিন্তু তেওঁক মোৰ লগ পাবৰ মন গৈছিল আপোনাৰ মুখত তেওঁ বি· এইচ· উৰ পৰা ফাৰ্ষ্ট ক্লাচ ফাৰ্ষ্ট হৈ আহিছে বুলি শুনি।

সুধাংশুৰ কথাৰ পিছত অৰুণ বৰুৱাই এইবাৰ অঞ্জুৰ ফালে চাই সুধিলে,

—অঞ্জু, তোৰ সুধাংশুৰ কথা মনত আছেনে?

—সিদিনা দেখাৰ কথা মনত আছে। সৰু কালতে দেখাৰ কথা মনত নাই বুলি অঞ্জু যে গহীন হৈ পৰিল, সেইটো অৰুণ বৰুৱাই মন কৰিলে। কথাটো ঘূৰাবলৈ তেওঁ সহজভাৱে প্ৰস্তাৱ এটা দিলে।

—অঞ্জু, যাচোন, জেউতিক কগৈ, আমাৰ চাহৰ কথা।

অঞ্জনা ভিতৰলৈ সোমাই গ'ল। অঞ্জু যোৱাৰ পিছত সুধাংশুৱে অৰুণ বৰুৱাৰ ফালে চাই ক'লে,

—ছাৰ, ছাত্ৰসকলে ক্লাছ কৰিব নোখোজে, এইটো আচৰিত কথা।

—একো আচৰিত নহয়। তুমি ছাত্ৰসকলৰ মাজত এতিয়াই তোমাৰ বিদ্যা জাহিৰ নকৰিলেও হ'ব। তেওঁলোকে ক্লাছ কৰিলে কৰিব, নকৰিলে লাইব্ৰেৰিত বহি নিজৰ পঢ়া-শুনা কৰিবা।

—নিজৰ কাৰণে নপঢ়াওঁ নহয়। তথাপি শিক্ষক হিচাপে কিছু কথা ছাত্ৰসকলক কোৱাৰ প্ৰয়োজন নাই জানো আমাৰ?

—মই আজিকালি এনে প্ৰয়োজনৰ কথা একো নাভাবোঁ বুলি কোৱাৰ লগে লগে অঞ্জুৱে সৰু ট্ৰে এখনত দুকাপ চাহ আৰু প্লেট

এখনও কটা নিমকি লৈ আছিছে। অৰুণ বৰুৱা আৰু সুধাংশুৰ মাজত থকা সৰু মেজখনৰ ওপৰতে ট্ৰেখন থ'লে।

—তোৰ? অঞ্জুলৈ চাই অৰুণ বৰুৱাই সুধিলে—

—মই এতিয়া আৰু চাহ নাখাওঁ।

—ভাত খাই যাবি নহয়?

—অঁ। ভাত খাবলৈতো আছিছোঁ।

—তই দেখোঁ মই মতা কাৰণে আছিছ বুলি কলি। মই তোক সেইদিনা ভাত খাবলৈ মতা নাছিলোঁ।

—হ'ব আৰু।

অঞ্জুৱে অৰুণ বৰুৱাৰ কথাত বাধা দি ক'লে।

—বহু তেনেহ'লে। নিমকিকে চোবা।

অৰুণ বৰুৱাৰ নিৰ্দেশত বাধ্য ছোৱালীৰ দৰে অঞ্জু বহি পৰিল আৰু প্লেটৰপৰা দুটামান কটা নিমকি হাতত লৈ এটা এটাকৈ লাহে লাহে খাবলৈ ধৰিলে। অলপ সময়ৰ নীৰৱতা ভংগ কৰি অৰুণ বৰুৱাই সুধাংশুৰ ফালে চাই সুধিলে,

—তুমি সিদিনা ক্লাছত ইণ্ডিয়ান্ প্লেনিঙৰ ওপৰত কি লেক্‌চাৰ দিছিলাহে? তোমাৰ প্ৰশংসাত অঞ্জু একেবাৰে পঞ্চমুখ। এনেকুৱা সুন্দৰ বক্তৃতা বোলে আগতে তাই কেতিয়াও শুনা নাই।

—এই চাওক ছাৰ, আপুনি ভাবে আজিকালিৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ কথা শুনিবলৈ ভাল নাপায়। ময়ো সেইদিনা মন কৰিছিলোঁ—কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে বৰ মনোযোগেৰে শুনিছিল। সুন্দৰ ৰেপৰ্ট এটা হৈছিল আমাৰ মাজত।

সুধাংশুৱে কথা শেষ কৰি আৰু কিবা এটা ভাবিব খোজোঁতেই অৰুণ বৰুৱাই মাত দিলে,

—তোমাৰ বক্তৃতাত মনোযোগী হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অঞ্জুও যে এজনী, সেইদিনা মন কৰিছিলানে?

—ইমান মন কৰা নাছিলোঁ।

—তেনেহ'লে জানি থোৱা—অঞ্জনায়ো তোমাৰ বক্তৃতা মনোযোগেৰে শুনিছিল।

—ধন্যবাদ।

অঞ্জনালৈ চাই, অলপকৈ হাঁহি সুধাংশুৱে ক'লে।

—ধন্যবাদ আকৌ কিয় ছাৰ। আমিতো শিক্ষকৰ কথা মনোযোগেৰেই শুনিব লাগে। চাহৰ কাপ কেইটা লাহে লাহে ট্ৰেখনত তুলি লৈ অঞ্জু জেউতিৰ ওচৰ পালেগৈ। এইবাৰ জেউতি ওলাই আহিল। হাত দুখন মোহাৰি মোহাৰি সুধাংশুলৈ চাই সম্ভ্ৰমেৰে জেউতিয়ে ক'লে,

—ককাইদেউ, আজি দুপৰীয়া ভাত সাজ ইয়াতে খাই যাব।

—মোৰ ক্লাছ আছে নহয় জেউতি।

সুধাংশুৱে ক'লে।

—ক্লাছ আজি নহয় বুলি দেখোঁ অঞ্জুমনিয়ে কৈছে।

—তেওঁলোক নগ'লেও হ'ব। আজিকালিৰ ছাত্ৰ-ছাত্ৰীৰ কথাই সুকীয়া। কিন্তু আমিতো যাব লাগিব চাকৰি কৰিছোঁ যেতিয়া।

—শ্ৰেণীত ল'ৰা-ছোৱালী নাথাকিলে আপুনি কাক পঢ়াবগৈ ?

সহজ যুক্তিৰে জেউতিয়ে সুধাংশুৰ কথা কাটিবলৈ চেষ্টা কৰিলে।

—আমি অন্ততঃ ডিপাৰ্টমেণ্টত হাজিৰ হ'বগৈ লাগিব। বৰ্তমান শিক্ষা জগতখনতো তেনেকৈয়ে চলিছে।

কথাৰ মাজত সুধাংশুৰ বিৰক্তি ফুটি উঠিল।

—হেৰা সুধাংশু, ইমান ওজৰ-আপত্তি কিয় ? খাবৰ মন নাই নাখাবা।

অৰুণৰ কথা শুনি সুধাংশুৱে হাঁহি মাৰি ক'লে—হ'ব যোৱা জেউতি মোৰ বাবেও ভাত বহোৱাগৈ। কিন্তু অলপ সোনকালে দিব লাগিব। ভাত খাই গ'লেও হ'ব। ছাৰ, আপুনি কেতিয়া যাব ডিপাৰ্টমেণ্টলৈ।

মই নাযাওঁ। ক্লাছ নহয় যেতিয়া মই গৈ কিটো কৰিম ? মোৰ কথা হ'ল—ছাত্ৰ-ছাত্ৰী ক্লাছলৈ নাহিলে, শিক্ষকে ঘৰত জিৰাব।

জেউতি যা, আটাইলৈকে ভাত বহাগৈ। মিনাৰাম অহা নাই ৰাণু-বিণুক স্কুলত থৈ?

—নাই অহা, আজি বেলি হ'ব। বাহিৰে, বাহিৰে মালিগাঁৱলৈ গৈ মাহেকৰ বজাৰ কৰিব বুলি কৈ জেউতি ভিতৰলৈ সোমাই গ'ল। লগে লগে অঞ্জু ওলাই আহিল।

—তই আকৌ ভিতৰত কি কৰিছিলি? কিবা ৰান্ধিছনেকি?

অঞ্জুলৈ চাই অৰুণ বৰুৱাই সুধিলে।

—একো ৰন্ধা নাই। মই আলুহে কাটিছিলোঁ।

অঞ্জুৱে হাতৰ তলুৱাত লগা আলু কটাৰ দাগবোৰলৈ চাই ক'লে।

—আপোনালোক মামা-ভাগিনীয়ে কথা পাতক ৰন্ধা-বঢ়াৰ বিষয়ে। মই আপোনাৰ কিতাপ-পত্ৰকে চাওঁ বুলি সুধাংশু উঠিব খুজিছিল।

—কিতাপ আৰু কিমান পঢ়া? বহাচোন তোমাৰ লগত কথা আছে। অঞ্জু বহ।

অৰুণৰ গহীন সুৰত দুয়ো বহি পৰিল। সুধাংশুলৈ চাই এইবাৰ অৰুণে ক'লে।

—এটা কথা সুধাংশু, তুমি ছাত্ৰ-ছাত্ৰীৰ ওপৰত মন্তব্য দিওঁতে অলপ সাৱধান হ'বা। আজিকালিৰ ছাত্ৰ-ছাত্ৰী কিন্তু তোমালোকৰ দৰে হৈ থকা নাই। এই কথাটো মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই কৈছো।

—মানে?

—ছাত্ৰসকল আজিকালি পৰিৱৰ্তনৰ কাৰণে উত্ৰাৱল হৈ পৰিছে।

—পৰিৱৰ্তনৰো এটা নিয়ম আছে ছাৰ। পুৰণি নিয়ম ভাঙি প্ৰগতিৰ নতুন স্তৰলৈ যাব খুজি ছাত্ৰ-ছাত্ৰীয়ে দেখদেখকৈ কিবা এটা ভুল কৰিলে শিক্ষকে নিৰ্বাক হৈ চাই থাকিব?

—তেনেকুৱাই। আজিকালিৰ দস্তুৰ তেনেকুৱাই হৈছে। ছাত্ৰ-ছাত্ৰীয়ে ঠেকা খাই নিজেই শিকিব। শিক্ষকৰ শিকাবলগীয়া এই বিষয়ত একো নাই।

—সেইবিলাক বাজে কথা। এনেকুৱা কাৰণতে শিক্ষা জগতত আজি ইমান অৰাজকতা।

—অৰাজকতা বুলি নক'বায়েই। ছাত্ৰসকলেতো ভাবে—তেওঁলোকৰ শৃংখলাবদ্ধ জাগৰণৰ দৰে জাগৰণ ভাৰতবৰ্ষত আগতে কেতিয়াও হোৱাই নাছিল। আৰু এইটো কথাও ছাত্ৰসকলে ভাবে যে বিশ্ববাসী স্তব্ধ হৈ গৈছে তেওঁলোকৰ অভিনৱ আন্দোলনত।

মুঠেই নাভাবে ছাৰ ছাত্ৰসকলে সেইটো কথা। ছাত্ৰ সমাজৰ সমুখত আজি সমস্যাই দেখা দিছে। সমস্যা সমাধান কৰাত তেওঁলোক আজি বহু কাৰণত অপাৰগ হৈ উঠিছে। সেয়ে, সামান্য অজুহাত লৈ নিজৰ ভিতৰতে তেওঁলোকে খোৱা-কামোৰা কৰিছে। সেই অপাৰগতাৰ মাজত একাংশ শিক্ষকেও নিজৰ সুবিধা বিচাৰি ফুৰিছে। ছাত্ৰৰ সমস্যাক নিজৰ সমস্যা বুলি কেইজন শিক্ষক আগবাঢ়ি আহিছে কওকচোন।

—কি কৈছাহে সুধাংশু? ছাত্ৰৰ লগত শিক্ষকৰ সহযোগ সংখ্যাৰে বুজাব নোৱাৰি প্ৰায় সকলো শিক্ষকেই ছাত্ৰৰ লগত আছিল। শিক্ষক কিয় প্ৰায় সকলো অসমীয়া ৰাইজে এদিন ছাত্ৰৰ লগত সহযোগ কৰিছিল। তুমি তেতিয়া বিদেশত নিজৰ গৱেষণাত ব্যস্ত। তুমি মুশুনিলা অসমীয়া ৰাইজৰ সেই কদম খোজৰ শব্দ।

—ছাৰ, মই আপোনাক বুজাব পৰা নাই মোৰ আক্ষেপ। বিদেশী বিতাৰণৰ আন্দোলন ছাত্ৰৰ স্বকীয়া আন্দোলন নহয় ছাৰ। ই এটা জাতিৰ আন্দোলন। ছাত্ৰসকল আগত থিয় হৈছিল মাত্ৰ। পৃথিৱীৰ বহু দেশৰ ছাত্ৰসকলে একোটা সময়ত এনেদৰে গণ-বিপ্লৱৰ আগ ঠাই অধিকাৰ কৰি আহিছে বুলি ইতিহাসৰ ছাত্ৰ হিচাপে আপুনি ভালকৈয়ে জানে। আমাৰ জাতীয় আন্দোলনত অসমীয়া ৰাইজৰ কদম খোজৰ শব্দ মই শুনা নাই সঁচা কথা। কিন্তু সেই শব্দ-তৰংগৰ শক্তি মই দূৰৰ পৰাই উপলব্ধি কৰিব পাৰিছিলোঁ। আজি মই সেই জাতীয় জাগৰণৰ কথা কোৱা নাই। বিদেশী বিতাৰণৰ আন্দোলনৰ বিশ্লেষণ বেলেগ ধৰণে হ'ব। অসমবাসীয়ে সেই বিশ্লেষণ এদিন বিশেষ ধৰণে কৰিব পাৰিব লাগিব। আজি মই ক'ব খুজিছো শৈক্ষিক জগতত ছাত্ৰৰ কিছুমান নিজা সমস্যাৰ কথা। আপুনি ছাৰ বিদেশী বিতাৰণৰ আন্দোলন আৰু ছাত্ৰৰ শৈক্ষিক সমস্যা একাকাৰ কৰি পেলাইছে।

—মই কিয়, বহুতেই মোৰ দৰেই ভাবে।

—মই নাভাবো তেনেকৈ। মোৰ কথা হ'ল—আন্দোলনৰ ধুমুহাত যি হ'ল হ'ল। কিন্তু আন্দোলন শাম কটাৰ পিছতো শিক্ষা জগতত কিয় এনেদৰে ভাঙোনে ধৰিছে? অসমৰ অস্তিত্ব ৰক্ষাৰ লগত শিক্ষা জগতৰ এই ভাঙোনক আপুনি কেনেদৰে জড়িত কৰিব?

অৰুণ বৰুৱাই সুধাংশুৰ প্ৰশ্নৰ উত্তৰ নিদিওঁতেই মিনাৰাম সোমাই আহিল হাতত কেইটামান বজাৰৰ টোপোলা লৈ। দুৱাৰমুখতে অলপ বৈ মিনাৰামে ক'লে।

—মই বাটৰ পৰাই শুনিছো সুধাংশুৰ মাত। অ' অঞ্জুমনিও দেখোন? ভাল হৈছে, বৰ ভাল হৈছে। শুনিলোঁ—আজি বোলে ক্লাছো নহয়। বাটতে আটাইমখা ল'ৰা আৰু ছোৱালীয়ে জুম পাতি পাতি কথা পাতি আছে। আপোনালোক সকলোৱে ইয়াতে ধীৰে সুস্থিৰে ভাত মুঠি খাওক। বজাৰতো আজি জীয়া ভাঙোন মাছ-কেইটামান পালোঁ।

কৈ কৈ মিনাৰাম ৰান্ধনি ঘৰ পালেগৈ। টোপোলাকেইটা ৰান্ধনি ঘৰত থৈয়েই তুৰন্তে মিনাৰাম মনৰ আনন্দত ওলাই আহিল। অৰুণ বৰুৱাই মিনাৰামলৈ চাই ক'লে, আমাৰহে ক্লাছ নহয়। তইতো যাব লাগিব।

—যাওঁৱেই কিবা এমুঠি খাই। দহ বজাৰ লগে লগে অফিচ পামগৈ ককাইদেউ।

—জেউতিয়ে পাৰিবনে আমাৰ সকলোৰে খোৱা-বোৱা চম্ভালিব?

—পাৰিব পাৰিব, নোৱাৰিবলৈ কিটো আছে? আমাৰ অঞ্জু-মনিয়েও লাগি-ভাগি দিব দিয়া-মেলাত।

মুৰটো খজুৱাই খজুৱাই মিনাৰাম হাত-ভৰি ধুবলৈ গ'ল। মিনাৰামৰ নিৰ্দেশত অঞ্জনা গৈ জেউতিৰ ওচৰ পালেগৈ। সুধাংশুৱে কথাৰ সুৰ সলাই ক'লে, আপুনি ছাৰ বৰ 'লাকি' মানুহ।

—কেনেকৈ?

—এই মিনাৰামটোৰ ওপৰত ভেজা দি বেছ জীৱন কটাই দিলে।

খোৱা-বোৱা, হাট-বজাৰৰ চিন্তা কৰাতো আপোনাক কোনো দিনে নেদেখিলোঁ।

—হয়, হয়, ঠিকেই কৈছা। ইয়ো একৰকমৰ এক্সপ্লইটেচন্। কি কোৱা ?

সুধাংশু ৰয়ে এইবাৰ অৰুণ বৰুৱাক একো উত্তৰ নিদি ডাঙৰকৈ হাঁহিলে। মিনাৰামো হাঁহি হাঁহি ওলাই আহিল লাইব্ৰেৰিত উপস্থিত হ'বলৈ।

—যাওঁ ককাইদেউ, সুধাংশু বহিবা।

এনেদৰে কৈ মিনাৰাম যাবলৈ ওলাল।

—তই আহিবি নহয় ভাত খাবলৈ ? অৰুণ বৰুৱাই সুধিলে।

—আহিম, আহোতে ৰাণু-বিণুকো লৈ আহিম স্কুলৰ পৰা।

—অঁ, ৰাণু-বিণুকো অনাৰ কথাটো আছে নহয় ?

—হ'ব, সেইবিলাক আপুনি চিন্তা কৰিব নালাগে বুলি মিনাৰাম ততাতৈয়াকৈ ওলাই গ'ল। মিনাৰাম ওলাই যোৱাৰ পিছত অৰুণ বৰুৱাই আকৌ আৰম্ভ কৰিলে, সুধাংশু কোৱাচোন, মোক তোমাৰ কি ক'বলগীয়া কথা আছিল।

—মই আপোনাক এটা বিশেষ অনুৰোধ কৰাৰ প্ৰয়োজন বোধ কৰি আছোঁ চাকৰিত সোমোৱাৰ পৰা।

—স্পষ্টভাৱে কোৱা। তোমাৰ এইবাৰ বিয়া পাতি দিব লাগে ?

—নালাগে। আপোনাক অন্ততঃ মই সেই ভাৰ নিদিওঁ। বিয়া কৰোৱাৰ প্ৰয়োজন হ'লে মই মোৰ বিয়া নিজে পাতিম।

দুয়ো একেলগে আকৌ হাঁহিলে। হাঁহি হাঁহিয়েই অৰুণ বৰুৱাই ক'লে, কোৱা তেন্তে কি কথা।

—মই আপোনাক অনুৰোধ কৰিব খুজিছোঁ এখন কিতাপ লিখাৰ বাবে। ইতিহাসৰ গতি আৰু বেগ আপুনি ভালকৈ বুজে। লিখনিত সমাজৰ সৰু-বৰ ঘটনা সজোৱাৰ দক্ষতা আপোনাৰ আছে। উপন্যাসৰ সলনি আপুনি এইবাৰ অসমৰ বিদেশী বিতাৰণৰ আন্দোলনৰ ওপৰত বুৰঞ্জীমূলক এখন চিৰিয়াচ কিতাপ লিখক সৰ্বসাধাৰণে বুজি পোৱাকৈ।

সুধাংশুৰ অনুৰোধ উলাই কৰিব নোৱাৰি অৰুণ বৰুৱাই কিবা এটা দকৈ ভাবিবলৈ চেষ্টা কৰিলে, কিন্তু হঠাতে কৈয়েই পেলালে, তেনে কিতাপৰ প্ৰয়োজন এতিয়া আছে জানো ? যি হ'ল হৈয়েই গ'লতো।

—প্ৰয়োজন আছে ছাৰ। খুব বেছি প্ৰয়োজন এতিয়াই। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ কিছু সংখ্যকে আন্দোলনৰ থিমটো বুজিবই নোৱাৰিলে। তেওঁলোকক প্ৰকৃত ঘটনা বুজাই দিয়াতো শিক্ষকসকলৰ কৰ্ত্তব্যৰ অন্তৰ্গত নহয় জানো ছাৰ ?

—এস্ তুমি আক ভাল কথা কৈছা। আন্দোলনৰ থিম বুজিবলৈ ছাত্ৰসকলে অন্ততঃ মোৰ কিতাপ নপঢ়ে। কিছুমানেতো আমাৰ দৰে শিক্ষকক আন্দোলনৰ বিষয়ে বহু কথা শিকাব পাৰে বুলিহে ভাবে।

—শিক্ষকসকল এনেদৰে হাত সাবটি বহি থাকিলে, কিছুমান ছাত্ৰই তেনেদৰে ভবাটো একো আচৰিত কথা নহয় ছাৰ। কিন্তু ছাত্ৰসকলৰ মাজত চিন্তাশীল ছাত্ৰৰ সংখ্যাও কম নহ'ব। প্ৰকৃত ঘটনাবোৰ বুজিব পাৰিলে, তেওঁলোকে অসমীয়া সমাজ গতিশীল হোৱাত যথেষ্ট বৰঙণি যোগাব পাৰিব বুলি ভাবোঁ।

—ঠিক আছে। তোমাৰ এই বিশেষ অনুৰোধৰ কথা ভাবিব লাগিব বুলি অৰুণ বৰুৱা বহাৰ পৰা উঠিব খুঁজিলে।

—একো ঠিক নাই ককাইদেউ কেতিয়া কি হয় এই বিশ্ববিদ্যালয়-খনত বুলি মিনাৰাম ফোপাই-জোপাই আহিল।

—কি হ'ল অ' মিনাৰাম ? দুৱাৰমুখলৈ ওলাই গৈ অৰুণ বৰুৱাই সুধিলে।

—কি হ'ব আৰু ? ছাত্ৰৰ দুটা দলৰ মাজত মাৰপিট লাগিছে। এটা দলে গৈ অফিচবোৰো লণ্ড ভণ্ড কৰি দিছে।

—লাইব্ৰেৰী ?

—বন্ধ। মই গৈ নাপালোগৈয়ে নহয় ? কেন্টিনৰ সমুখত পুলিচৰ গাড়ী। মই ছোৱালী দুজনী লৈ আহোগৈ। আপোনালোক বহক।

—তাই যা বাণু-বিণুক লৈ আহগৈ। ময়ো ওলাই যাওঁ, চাওঁগৈ কিনো হৈছে।

মিনাৰাম ঘৰত নোসোমালেই। অৰুণ বৰুৱাৰ কথা শেষ নহওঁতেই সি পোনাই বেগাবেগিকৈ মডেল স্কুলৰ ফালে গ'লগৈ। অৰুণ বৰুৱাৰ লগত সুধাংশুও ওলাল ঘটনাটোৰ বুজ ল'বলৈ। সুধাংশু ওলোৱা দেখি অৰুণ বৰুৱাই ইতস্ততঃ কৰি অঞ্জনাক বিচাৰি ৰান্ধনি ঘৰ পালেগৈ আৰু ক'লে, অঞ্জু আমি অলপ ওলাই যাওঁ, বেলি হ'লে তই খাই-বৈ ল'বি। মই তোক সন্ধিয়া হোষ্টেলত থৈ আহিমগৈ।

অৰুণ বৰুৱাই মনতে কিবা এটা গুণা-গঠা কৰি ৰান্ধনি ঘৰৰ পৰা ওলাই আহিল। অৰুণ বৰুৱাৰ পিছে পিছে আহি অঞ্জনাই দেখিলে— গেট খুলি অৰুণ বৰুৱা ওলাই গ'ল। বাটত বৈ আছে সুধাংশু ৰয় অৰুণ বৰুৱাৰ লগত যাবলৈ। অঞ্জনাই মন কৰিলে এচপৰা ক'লা ডাৱৰ যেন সিমূৰে আকাশখনত ওপঙি আছে।

## তিনি

ডাঃ কৰুণা হুৱৰাই পুৱা গা ধুই উঠিছে। অলপ পিছতে ক্লিনিকলৈ যাব। মানসীয়ে হেলনীয়া চকীখনত মনোযোগেৰে বাতৰি কাকতখন পঢ়ি আছিল। ডাঃ হুৱৰা চাহ খাবলৈ অহা দেখি তেওঁ ঘপহকৈ উঠি হাতৰ বাতৰি কাকতখন বহি থকা চকীখনতে থৈ চাহ-জলপান সজোৱাত লাগিল। তাৰ মাজতে মানসীয়ে ক'লে—আকৌ লাগিল হুলু-স্থূলখন অঞ্জুহঁতৰ বিশ্ববিদ্যালয়ত। আপুনি বাতৰি কাগজত পঢ়া নাই?

—পঢ়িছোঁ।

ডাঃ হুৱৰাই মেজখনৰ ওপৰলৈ চাই ক'লে। চকীখন টানি ডাঃ হুৱৰা খাবলৈ বহিল। নিজৰ ভাগৰ কৰ্ণফ্লেক্সৰ বাটিটো ওচৰলৈ আনিলে। চামুচখন ল'বলৈ ট্ৰেখনলৈ হাতমেলি মানসীৰ চিন্তিত শুকান মুখখনলৈ এবাৰ চালে।

—বেনাৰসত পঢ়াবলৈ থলো, কৃপা কাকতিৰ ভয়ত তাইক গুৱাহাটীলৈ লৈ আহিলো। এতিয়া গুৱাহাটীত গোলমাল হ'লে কি বা কৰিব লাগে, একো ভাবি পোৱা নাই।

চাহকাপ লৰাই লৰাই মানসীয়ে আকৌ ক'লে।

—সিমান ভাবিব লগা একো হোৱা নাই। আজিকালি দেশৰ প্ৰায়বোৰ বিশ্ববিদ্যালয়তে এনেধৰণৰ ঘটনা ঘটি থাকে।

মানসীৰ অস্থিৰতা কমাবলৈ ডাঃ ছুৱৰাই লাহে লাহে কৈ গ'ল।

—এনেধৰণৰ লটি ঘটি হ'লে ল'ৰা-ছোৱালীয়ে সুস্থিৰভাৱে পঢ়াশুনা কৰিব কেনেকৈ?

—পঢ়াশুনা? পঢ়াশুনা তাৰ মাজতে কৰিব লাগিব। পঢ়াশুনাৰ নামত শৈক্ষিক পৰিবেশত সময় পাৰ কৰাটোও একৰকমৰ শিক্ষাই। সেয়ে ভাবিছো—অলপ গণ্ডগোলতে অঞ্জুক গুৱাহাটীৰপৰা লৈ অহাৰ কথা তুমি ভাবিব নালাগে। তাতে সেই কৃপা কাকতি আজি ছুপৰীয়া এইখিনি পোৱাৰ কথা। মানুহজনৰ ওচৰত আমি সুস্থিৰ হৈ থকাই ভাল হ'ব। নহ'লে—

—মানে?

—মানে বিশ্ববিদ্যালয়ৰ গণ্ডগোল সম্পৰ্কে আমি অস্থিৰ হোৱা যেন দেখুৱালে মানুহজনৰ সুবিধাই হ'ব অঞ্জুৰ বিয়াৰ কথা উলিয়াবলৈ।

—সেইটো কেনেকৈ হ'ব? শুনিছোঁ তেওঁৰ বাগিচাৰ মেনেজাৰ গগন বৰুৱা নামৰ ল'ৰাজন মদাহী বুলি। একোদিন মদ খাই মাতাল হৈ পৰি থাকে বোলে।

—তোমাক আকৌ সেইবোৰ খবৰ কোনে দিলে?

ডাঃ ছুৱৰাই কৌতূহল প্ৰকাশ কৰি সুধিলে।

—প্ৰধান শিক্ষয়িত্ৰীয়ে। তেওঁৰ সম্পৰ্কীয় হয় সেই ল'ৰাজন।

—ইতিমধ্যে তুমি প্ৰধান শিক্ষয়িত্ৰীৰ কাণত পেলালাই নে কৃপা কাকতিৰ প্ৰস্তাৱৰ কথা?

—ক'লো আৰু কথাই কথাই। বেয়া হ'ল নেকি?

ডাঃ ছুৱৰাৰ প্ৰশ্নত সতৰ্কিত হৈ মানসীয়ে উত্তৰ দিলে।

—বেয়া আৰু কি হ'ব। আৰম্ভে নকলেই ভাল আছিল।

—মই বুজিয়েই নাপালো নহয় ক'ব নালাগে বুলি।

—ক'লা, ক'লা বাৰু। তাকে ভাবি ভাবি এতিয়া মন বেয়া

কৰিব নালাগে। মই যাওঁ বুলি ডাঃ হুৱৰাই হাতৰ ঘড়ীটোলৈ চালে।

ডাঃ হুৱৰাৰ লগে লগে মানসী গাড়ীৰ ওচৰলৈকে গ'ল। ডাঃ হুৱৰা গাড়ীত উঠিলত মানসীয়ে পাহৰি যোৱা কথা এটা যেন মনত পেলাই সুধিলে।

—কৃপা কাকতি আপুনি অহাৰ আগতে আহি পালে কি ক'ম বাৰু?

—মই সোনকালে আহিম বুলি কৈ থ'বা। সোধপোছ কৰিবা। তুমি বিশেষ ভাবিব নালাগে। সকলো ঠিক আছে বুলি ডাঃ হুৱৰাই ড্ৰাইভাৰক গাড়ী চলাবলৈ ইংগিত দিলে। গাড়ীখন গুচি যোৱাৰ পিছত মানসী চিন্তিতভাৱে ভিতৰ সোমাই আহি দেখিলে—কাঞ্চীয়ে চাহৰ মেজৰপৰা কাপপ্লেটবোৰ সামৰিব খুজিছে।

—মই চাহ অলপ খাওঁ, ঢালি দেচোন কাঞ্চী বুলি আকৌ হেলনীয়া চকীখনতে মানসী আউজি বহিল।

—চাহ খোৱা নাই মেম চাহেব? ইয়াতে বহকছি। জলপানোতো খোৱা নাই চাগে?

কাঞ্চীয়ে মানসীলৈ চাই প্ৰশ্ন কৰিলে।

—জলপান নাখাওঁ। বিস্কিট এখন দিব পাৰ। তালৈ নাযাওঁ আৰু। ইয়াতে দে।

চাহকাপ বিস্কিট এখনেৰে সৈতে মানসীৰ হাতত তুলি দি কাঞ্চীয়ে সুধিলে,

—ৰাতি টোপনি হোৱা নাই?

—হৈছে। পুৱা খবৰ কাগজখন পঢ়িহে বেয়া লাগি গ'ল।

—কিয়?

—অঞ্জুহঁতৰ কলেজত গণ্ডগোল লাগিছে। ল'ৰাৰ মাজত মাৰধৰ হৈছে। গণ্ডগোল বাঢ়ি গ'লে, কলেজ বন্ধ কৰি দিবওতো পাৰে।

—টেলিগ্ৰাম কৰি দিয়ক, অঞ্জুমণি আহি যাব। হাল্লা-গুল্লাৰ মাজত কি পঢ়িব?

কাঞ্চিৰ কথাত সহাঁৰি দি মানসীয়ে ক'লে,

—তাকেতো ভাবিছো, কিন্তু তোৰ চাহাব ৰাজী নহ'ব নহয়।

—অংশুমণিৰ কথা আপুনি বেছি বুজিব। চাহাব কি জানে? খালি এটাই বুজে চাহাব—বিমাৰী আদমী।

কাঞ্চীয়ে মুখৰ ভিতৰতে ভোৰভোৰাই কাপ-প্লেটৰ ট্ৰেখন টেবুলৰপৰা লৈ গ'ল। মানসীয়ে কেইঢোকমান চাহ খাই খবৰ-কাগজখন আকৌ হাতত তুলি ল'লে। এনেতে কলিং বেলটো বাজিলত তেওঁ অকণমান পৰ থমকি ৰৈ বাহিৰলৈ ওলাই গ'ল।

—অ', আপুনি আহি পালেহি? আহক।

কৃপা কাকতিৰ হাতৰপৰা সৰু ব্ৰিফ্-কেচটো লৈ মানসীয়ে ক'লে,

—আপোনাৰ কাৰণে কোঠা এটা ঠিক কৰি থৈছোঁ। আপোনাক তালৈকে লৈ যাওঁ, ব'লক। হাতভৰি ধুই আপুনি তাতে নিৰলে জিৰাব পাৰিব। তেখেত দুই মান বজাৰ আগে আগে আহি পাবহি।

—হ'ব হ'ব। মই পালোহি যেতিয়া আৰু একো চিন্তা নাই। পুৱাৰ ভাগতেই পালে ভাল হ'ব বুলি ওলাই আহিলোঁ। আবেলিৰ ফালে ঘূৰি যাব পাৰিম।

—আজিয়েই যাবগৈ? আমি ভাবিছিলো আপুনি অন্ততঃ এৰাতিমান আমাৰ ইয়াত থাকিব। আহক ভিতৰলৈ।

মানসীৰ লগে লগে কৃপা কাকতি কোঠাটোৰ ভিতৰত সোমাল। মানসীয়ে ব্ৰিফ্‌কেচটো টেবুল এখনতে থৈ ক'লে,

—এইখন আপোনাৰ বিছনা। সেইটো বাথৰুম। তাতে চাবোন, তেল, টাৱেল সকলো আছে। আপুনি গা ধোৱে যদিও ধুব পাৰিব।

—মই গা-পা ধুই আহিছোঁ। ক'ৰবালৈ ওলালে মই গা নোধোৱাকৈ নোলাওঁ আইদেউ।

—আপুনি তেনে হাত-ভৰিকে ধোৱক। মই আপোনাৰ চাহৰ যোগাৰ কৰোঁগৈ।

কৃপা কাকতিক তেনেকৈ কৈ মানসী থোৱা কোঠালিৰ ফালে গ'ল। কাঞ্চীয়ে মানসীৰ কথামতে আলহীৰ বাবে চাহ-জলপান যতনালে। মানসী গৈ আকৌ কৃপা কাকতিৰ ওচৰ পালেগৈ।

—আপুনি হাত-ভৰি ধুলে নহয় ?

—ধুলো আইদেউ।

—আহক তেনেহ'লে এইফালে।

মানসীৰ পিছে পিছে কাকতিয়ে লাহে লাহে খোজ ল'লে। খোৱা টেবুলত বহিয়েই ক'লে,

—ইমানবোৰ নাখাওঁ।

—খাওক যি পাৰে। ভাত খাওঁতে আমাৰ অলপ পলম হয়।

—হ'ব, হ'ব। এতিয়া দহ বাজিলেই। তিনি-চাৰি ঘণ্টা সময় ইফাল-সিফাল কৰোতেই কাটি যাব। আজি ডাঃ দুৱৰাৰ লগত মূল কথা দুটামান পাতিলেই হ'ব। বাকীবোৰ পাছে পৰে হৈ থাকিব।

—প্ৰয়োজনীয় কথা শেষ নহ'লে আজি ৰাতিটো আমাৰ ইয়াতে থাকি যাবও পাৰে। কালিলৈ পুৱা যাবগৈ।

—নাই, নাই, কোনোপধ্যেই থাকিব নোৱাৰোঁ আইদেউ। বাগিচাখন মোৰ এটা গলগ্ৰহহে হৈ আছিছে।

—কিয় ?

—আগতে বাগানৰ কামত অসুবিধা পোৱা নাছিলো। কিন্তু, আজিকালি ৰাজনীতিয়ে বাগিচাৰ বনুৱাসকলৰ মন বিষাক্ত কৰি পেলালে। বিশেষকৈ যোৱাবাৰ ইলেক্‌চনত কংগ্ৰেছ প্ৰাৰ্থীজনে মোৰ বাগিচাৰ বনুৱাৰ প্ৰায় গোটেইখিনি ভোট সংগ্ৰহ কৰিলে। আমাৰ বনুৱাৰ ভোট নাপালে সেইবাৰ কংগ্ৰেছ প্ৰাৰ্থীয়ে ইমান সহজে জয়লাভ কৰিব নোৱাৰিলেহেঁতেন। সেই কথাটো বুজি পাই বাওঁপন্থীসকল এইবাৰ উঠি-পৰি লাগিছে বনুৱাসকলক কংগ্ৰেছ-বিৰোধী কৰিবলৈ। অৱশ্যে, বাওঁপন্থী সকলতকৈও এতিয়া ডাঙৰ শক্তি হ'ল সদৌ অসম ছাত্ৰ সন্থা। তেওঁলোকৰ সদস্যসকল আমাৰ বাগিচাৰ ভিতৰে ভিতৰে পিয়্ঁা পি দি সোমাই পৰিছে। তেওঁলোকৰ কথাৰ ওপৰত আমাৰ গগনইতৰ কথা মুঠেই নখজে। তাৰে মূল কাৰণ হ'ল অবিশ্বাস, বুজিছে আইদেউ, ঘোৰ অবিশ্বাস। ল'ৰাজনৰ কাৰণে মোৰ এতিয়া

ভয় হৈছে। বাগিচাৰ বনুৱাসকলে কেতিয়া কি কৰে একো ঠিক নাই। সেয়ে মই গগনক আশ্ৰয় এটা দিয়াৰ কথা ভাবিব লগা হৈছে।

—আপুনি ছাত্ৰসন্থাৰ সদস্যসকলৰ লগত কথা পাতি চাইছে জানো?

—নাই পতা। পাতো কেনেকৈ? আজিকালি ছালবেৰবো কাণ আছে। তাতে তেওঁলোকেও মোক আৰু বিশ্বাস নকৰে। অৱশ্যে, অবিশ্বাসৰ কাৰণো নোহোৱা নহয়। ভিতৰি মই তেওঁলোকক সমৰ্থন কৰিলেও, যোৱাবাৰ ইলেক্চনটোৰ সময়ত মই এই জাতীয় আন্দোলনটোৰ বিৰোধিতা কৰাৰ নিচিনাই হ'ল। কাৰণ, বনুৱাসকল মোৰ হাতৰ মুঠিত আছিল আৰু মোৰ কথা পেলাব নোৱাৰি সিহঁতে কংগ্ৰেছ প্ৰাৰ্থীক ভোট দিয়াটোও সঁচা কথা। বনুৱাসকলৰ আৰ্থিক অৱস্থা না জল না থল আইদেউ। এটা ভোটৰ বিনিময়ত কেইটামান টকা পালেও সিহঁতৰ একোখন ঘৰৰ কাৰণে ডাঙৰ সহায়। মোৰ স্বাৰ্থও হ'ল বাগিচাখন কোনোৰকমে ৰক্ষা কৰাটোহে।

—বাগিচাখন ৰক্ষা কৰিবলৈকে আপুনি গগন বৰুৱা নামৰ ল'ৰাজনক আপোনাৰ ঘৰত আশ্ৰয় দিব খুজিছে নেকি?

উৎকণ্ঠিত হৈ মানসীয়ে সুধিলে।

—সেইটোৱেই মূল কাৰণ নহয় আইদেউ।

তেওঁক মোৰ লগত ৰখাৰ দুটা কাৰণ। এটা হ'ল, বাগিচাখন, আনটো হ'ল—ল'ৰাজন আমাৰ অংশুমণিৰ জোৰৰ হ'ব বুলি ভাবিছো। মোৰতো আগলৈ পাছলৈ কোনো নাই। ভাই দুজন যি আছিল সিহঁত অগাপিছাকৈ ঢুকুৱাৰ পিছত সিহঁতৰ কুলাংগাৰ ল'ৰাকেইজনে আমাৰ পৈত্ৰিক সম্পত্তি প্ৰায় শেষ কৰিয়েই পেলালে। বাগিচাখন ভাগ্যক্ৰমে মই মোৰ নামত কোম্পানীৰ পৰা কিনি থৈছিলো বুলিহে কোনোৰকমে বৰ্তি আছে। সেইখনৰ ওপৰতো সিহঁতে এতিয়া পুৰা নজৰ ৰাখিছে। অৰূপ জীয়াই থকা হ'লে, সেইটো নহ'লহেঁতেন। তাৰো অঘটন ঘটিল। সকলো ভাগ্য আইদেউ, কি কৰিব!

কথা শেষ কৰি কৃপা কাকতিয়ে জেপৰ পৰা ৰুমালখন উলিয়াই

মুখখন মচিবলৈ ধৰিলে। এইবাৰ মানসীয়ে কাকতিৰ মুখলৈ চাই ক'লে।

—আপোনাক এটা কথা সুধিব খুজিছো, আপুনি যেন বেয়া নেপায়।

—নাই, নাই, মই বেয়া নেপাওঁ। সোধকচোন কি সুধিব খুজিছে।

কৃপা কাকতিয়ে মানসীৰ মুখলৈ চাই ক'লে,

—আপোনাৰ ল'ৰা অৰূপ কাকতিয়ে মগজুৰ বিকৃতিত আত্মহত্যা কৰিছিল বুলি শুনিছিলো। আপোনালোকৰ বংশত বাৰু আৰু কাৰোবাৰ তেনে বিকৃতি ঘটিছিলনেকি ?

—নাই, নাই, আমাৰ বংশত কাৰো তেনে বিকৃতি ঘটা নাই। অৰূপৰো বংশগত অসুখ হোৱা নাই নহয়। তাৰ মানসিক অস্থিৰতাৰ কাৰণে এফালৰপৰা ময়ে জগৰীয়া আইদেউ।

—কেনেকৈ ?

—সেইবিলাক বহুত কথা। কৈ থাকিলে ওৰ নপৰে।

মানসীয়ে হাতত ভেজা দি বৈ আছিল অৰূপ কাকতিৰ মানসিক অস্থিৰতাৰ কাৰণ শুনিবলৈ। হঠাতে পোন হৈ মানসীয়ে কৃপা কাকতিৰ ফালে চাই ক'লে,—অৰূপ কাকতিৰ অসুখৰ কাৰণ জানিবলৈ মোৰ কৌতূহল অকল অঞ্জুজনীৰ কাৰণে। পিতৃ-মাতৃৰ এনে অসুখ থাকিলে কেতিয়াবা ল'ৰা-ছোৱালীৰো হয় বুলি শুনিছো। সেয়ে মোৰ বৰ ভয় লাগি থাকে ছোৱালীজনীৰ কাৰণে।

—অঞ্জুমণিৰ কাৰণে আপুনি সমূলি ভয় নকৰিব। আপুনি নিশ্চিত থাকক অঞ্জুৰ এনে একো নহয়।

অভিজ্ঞলোকৰ দৰে কৃপা কাকতিয়ে মানসীক বুজনি দিলে।

—মাৰ্জনা কৰিব, আপোনাক এনেবোৰ কথা সুধি দুখ দিয়াৰ কাৰণে বুলি মানসীয়ে এটা দীঘলীয়া নিশ্বাস পেলালে।

একো দুখৰ কথা নহয়। এনে আলোচনাৰ প্ৰয়োজনো আছে অঞ্জুৰ বিয়াৰ আগে আগে। আপুনি শুনক। শুনিলে বুজিব পাৰিব আচল কথাটো।

মানসী বৈ থাকিল। কৃপা কাকতিয়ে আকৌ কৈ গ'ল,

—অৰূপৰ মাক আছিল বৃদ্ধস্য তৰুণী ভাৰ্যাৰ দৰে। মোৰ আগৰ গৰাকী পত্নী ঢুকুৱাৰ কিছু বছৰৰ পিছত মই তেওঁক বিয়া কৰাইছিলো। ছোৱালী মানুহ। অলপ কথাতে ঠেহ-পেছ লাগে। আকৌৰগোজো আছিল কিছুমান কথাত। নানা চিন্তাত মোৰো বৰ বেয়া খং এটা দিনক দিনে বাঢ়ি আহিছিল। তেওঁ এদিন কিবা এটা কথাত জেদ ধৰাত মই গৈ তেওঁৰ ডিঙিতে জোৰেৰে টেপা মাৰি ধৰিলোঁ। মানুহজনী থিতাতে অজ্ঞান হৈ পৰিল। অৰূপ আমাৰ ওচৰতেই আছিল। তেতিয়া সি প্ৰায় ছয়-সাত বছৰীয়াহে। সি মাকক সাবটি ধৰিলে। মাকৰ মুখত তেজ দেখি অৰূপে বৰ ভয় খালে। মাক ভাল হ'ল যদিও সি মাজে মাজে চক খাই প্ৰায়ে মাকক সাবটি ধৰা হ'ল। বয়সৰ লগে লগে অৰূপৰ ভয়ৰ ভাবটো বাঢ়ি গ'ল। গ্ৰহণী ৰোগত মাকৰ মৃত্যুৰ পিছত সি মাজে মাজে অচেতন হৈ যোৱা হ'ল। স্থানীয় ডাক্তৰে তাক বাঁচীত চিকিৎসা কৰোৱাৰ বাবে মোক দিহা-পৰামৰ্শ দিলে। সেইমতে মই তাক বাঁচিলৈ লৈ গলো। তাত কিছুদিন থকাৰ পিছত সি সুস্থ হৈ গুৱাহাটীৰ কলেজত পঢ়া-শুনা আৰম্ভ কৰিলে। সুনামো অৰ্জন কৰিলে পঢ়া-শুনাত, কিন্তু পঢ়াকালতে কেনেকৈনো অঞ্জনাৰ মাকৰ লগত তাৰ মিল হ'ল ক'ব নোৱাৰিলোঁ।

কৃপা কাকতিয়ে কিছুপৰ কথা বন্ধ কৰি কমালেৰে মুখখন মচিবলৈ ধৰিলে। সুৰুঙা পাই মানসীৰ মন ক'ব নোৱৰাকৈ আপোন ভাবত তন্ময় হৈ পৰিল। বাঁচীৰ মানসিক চিকিৎসালয়ৰ চৌহদৰ গছ-গছনিৰ মাজে মাজে মানসীৰ ভিতৰৰ মানুহজনী ঘূৰি ফুৰিবলৈ ধৰিলে। চিকিৎসালয়ৰ সেই দেৱতুল্য ডাক্তৰজন! তেওঁৰ আগতেই মানসীয়ে কৈ গৈছিল অন্তৰৰো অন্তৰত পুহি থকা আটাইতকৈ সত্য কথাটো। কিমান সুন্দৰ আৰু প্ৰশান্তিময় আছিল সেই স্বীকাৰোক্তি। হঠাতে মানসীয়ে বৃদ্ধ কৃপা কাকতিৰ মুখলৈ চাই উপলব্ধি কৰিবলৈ বিচাৰিলে— পুত্ৰশোকে যেন মানুহজনক বিহ্বল কৰি পেলাইছে। এক মানবীয়

মমতাৰে অন্তৰ উপচি পৰাত মানসীয়ে লাহেকৈ ক'লে—আপোনাৰ গভীৰ শোক উপলব্ধি কৰিব পাৰিছো।

—সেয়েহে কৈ গৈছো আইদেউ, শুনক। অৰূপে মোৰ আগত একো মুলুকুৱালে। সি যে সেই ছোৱালীজনী বিয়া কৰাবলৈ সিদ্ধান্ত লৈছে, সেই কথা স্পষ্টভাৱে মোক জনালে। ছোৱালীজনীৰ বিষয়ে মই একো নাজানিছিলো। খবৰ কৰাত জানিলো ছোৱালীজনীৰ দেউতাক বৰ টোকোনা বিধৰ মানুহ। তাতে, কোনোবা এটা মাউৰা ল'ৰাক তোলনীয়া কৰি লৈছে। ইফালে সেই ল'ৰাজনৰ লগত নিজৰ ছোৱালী সম্পৰ্কে চাৰিওফালে বু বু বা বা। তেনে অৱস্থাত মই মান্তি নোহোৱাত অৰূপে সেইজনী ছোৱালীক বিয়া কৰালে বুজিছে আইদেউ আৰু এবছৰ নৌ হওঁতেই আপোনঘাতী হ'ল।

এইবাৰো বৈ বৈ কৃপা কাকতিয়ে সঘনে মুখখন মচিবলৈ ধৰিলে।

—আপোনাক কোনোবা টুটকীয়া মানুহে ভুল খবৰ দিলে। সম্পূৰ্ণ ওলোটা কথা। মইতো অঞ্জনাৰ মাক বন্দনাৰ নলেগলে লগা বন্ধু আছিলো। বন্দনাৰ দেউতাক বৰ উদাৰ মনৰ মানুহ আছিল। তেখেতৰ তোলনীয়া পুত্ৰ অৰুণ বৰুৱাৰ কথা মই কি কম! কিমান যে তেওঁ সৎ আৰু জ্ঞানী আপুনি তেওঁক নেদেখিলে বুজি নাপাব।

—শুনিছোঁ, তেওঁ অবিবাহিত হৈয়ে থাকি গ'ল।

—হয়। কিন্তু সেইটো অন্য এটা কাহিনী। তেওঁ আন এজনী ছোৱালীক বিয়া কৰাব খুজিছিল। কিন্তু নোৱাৰিলে।

এনেদৰে কোৱাৰ পিছত মানসীয়ে আৰু একো ক'ব নোৱাৰি বৈ থাকিল। মানসীৰ মৌনতা লক্ষ্য কৰাত বৃদ্ধ কাকতিৰ মনলৈ চকা-মকাকৈ কিবা এটা উমান আহিল। সেই উমানৰ বিষয়ে আগ নাবাঢ়ি তেওঁ লাহেকৈ কৈ থলে,

—যিটো ঘটি গ'ল, সিটো আৰু ওলট নাখায় আইদেউ। আমাৰ দুৰ্ভপাল। এতিয়া এটাই মাত্ৰ মোৰ কৰিব পৰা কাম আছে বুলি ভাবিছোঁ।

—কি?

প্ৰশ্নটো যেন অজানিতে মানসীৰ মুখৰপৰা ওলাই আহিল।

—অঞ্জুক মই মোৰ ওচৰলৈ লৈ যাব পাৰোঁ। আপোনালোকে নিশ্চয় মোৰ এই ইচ্ছাত হয়ভৰ দিব।

—হয়ভৰ নিদিয়াৰ কোনো কথা নাই। কিন্তু অঞ্জুৰ বিয়া সম্পৰ্কে আপুনি খৰখেদা নকৰিব। তাই মোক স্পষ্টভাৱে কৈছে, এম. এ. পাছ নকৰালৈকে তাই বিয়া নকৰায়। বিয়াৰ পাত্ৰ জনো তাইৰ পছন্দ মতে হ'ব লাগিব। অৰ্থাৎ, তাই আনৰ কথা মতে যাকে তাকে বিয়া নকৰায়।

—যাকে তাকে আমি বিয়া দিমেই বা কিয়? গগনক অপছন্দ কৰাৰ কথাও নাই, আৰু বিয়া হৈ গ'লেও পঢ়া-শুনাত বাধা নপৰে। তাতে, যি ঘৰবাৰী, সা-সম্পত্তি সামান্য আছে, সেইখিনি মোৰ অবিহনে সিহঁতৰে হ'ব। ডাঙৰ কথা হ'ল—অঞ্জুৰ লগত মোৰ তেজৰ সম্বন্ধ আছে। তাইৰ মই অহিত নিচিন্তো।

—সেইটোতো হয়য়েই। কিন্তু আমাৰ লগত অঞ্জুৰ তেজৰ সম্বন্ধ নাই যদিও, তাই আমাৰ নিজৰ সন্তানৰ দৰে হৈ গ'ল।

—হয়, হয়, সেইটো মই স্বীকাৰ কৰিছো। আপোনালোকে তাইক তুলিতালি ডাঙৰ কৰিলে। আপোনালোক দুয়োৰো হৃদয় মহৎ নহ'লে, এইখিনি নহ'লহেঁতেন। আপুনি এতিয়া অঞ্জুক প্ৰকৃত মাকৰ দৰে বুজাব পাৰিব লাগিব যে ছোৱালীৰ সময় মতে বিয়া হ'ব লাগে। সেয়ে মই আপোনালোকৰ ওচৰলৈ বাটকুৰি বাই আহিছো।

কৃপা কাকতিৰ কথাত মানসী ক্ৰমে অস্থিৰ হৈ উঠিছিল। ধৈৰ্যচ্যুতি হওঁ হওঁ হৈছিল। উদ্বেগত ভাগৰি পৰি মানসীয়ে শেষত ক'লে,

—আপুনি অলপ জিৰাওকগৈ। মইও মোৰ কামত লাগো। তেখেত আহিবৰে হৈছে।

হ'ব, হ'ব। বাতৰি কাকতখন দিয়ক। মই বিছনাতে বাগৰ দি কাগজখনত চকু ফুৰাওঁগৈ।

বাতৰি কাকতখন লৈ কৃপা কাকতি ওলাই গ'লত মানসী একেকোবে ভিতৰ সোমাই নিজৰ বিছনাত বাগৰি পৰিল।

# চাৰি

মানসীয়ে বিছনাখনত ইকাতি-সিকাতি কৰি ছাটি-ফুটি কৰিবলৈ ধৰিলে। এবাৰ উঠি গৈ গড্‌ৰেজ আলমাৰীটো খুলি সযতনে থৈ দিয়া এলবামখন উলিয়াই আনিলে। বিছনাত এইবাৰ পেট পেলাই মানসীয়ে এফালৰপৰা বিভিন্ন বয়সত তোলা অঞ্জনাৰ ফটোবোৰ চাবলৈ ধৰিলে। অঞ্জুক তেওঁ সাবটি ধৰি চুমা খোৱা ফটো, মৰমেৰে অঞ্জুৰ চুলিত ৰিবন মাৰি দিব খোজা, স্কুললৈ যাবলৈ সাজু হোৱা, গাড়ীত, ফুলনিত, হাতত ফুল লৈ বিভিন্ন ৰূপত অঞ্জুৰ ছবি। মানসীয়ে একমনে এলবামৰ পাত লুটিয়াই যাওঁতে দুখনমান পাত এৰি দি দেখিলে— দাৰ্জিলিঙৰ লৰেটো স্কুলৰ মাদাৰৰ লগত অঞ্জু, ঘোঁৰাৰ ওপৰত অঞ্জু, চাইকেলত অঞ্জু। মানসীয়ে এলবামখন আকৌ ঘূৰাই চালে—ফ্ৰক পিন্ধা, চালোৱাৰ পাঞ্জাবীৰে, শাৰী পিন্ধা, মেখেলা-চাদৰেৰে অঞ্জনা। বেনাৰসত বি. এ. পঢ়া অঞ্জনা গুৱাহাটীত এম. এ. পঢ়িবলৈ যোৱাৰ আগতে মানসী আৰু ডাঃ দুৱৰাৰ মাজত থিয় হৈ থকা অঞ্জনা। ফটোবোৰ চাই চাই সন্তানহীনা মানসীয়ে ভাবিবলৈ চেষ্টা কৰিলে— তেওঁৰ বৈবাহিক জীৱন আকৌ মধুময় আৰু শান্তিময় হোৱাৰ গুৰিতে একমাত্ৰ অঞ্জুৱেই বুলি। ভাবি ভাবি অশান্তিত মানসীয়ে চটফটাবলৈ ধৰিলে। কৃপা কাকতিৰ লগত অঞ্জনাৰ তেজৰ সম্বন্ধ থকাৰ কথাটোৱে মানসীক থকাসৰকা কৰিলে। এবাৰ খণ্ডত একাকাৰ হৈ মানসীয়ে শিতানৰ গাৰুটো জোৰেৰে দলিয়াই দিলে। গাৰুটো গৈ ড্ৰেছিং টেবুলখনত পৰাত, দুটামান বস্তু টেবুলৰ পৰা উফৰি আহি মাটিত পৰিল। বস্তু পৰাৰ শব্দত সচকিত হৈ মানসীয়ে এলবামখন আকৌ আলমাৰীটোত আলফুলকৈ ভৰাই থ'লে। গাৰুটো বিছনাত থৈ, মাটিৰ পৰা বস্তুকেইটা তুলি আনি ড্ৰেছিং টেবুলত সজাই থ'লে। আইনাখনত নিজৰ প্ৰতিবিম্ব এবাৰ চাই মানসী বিছনাত আকৌ

বাগৰি পৰাৰ লগে লগে মনৰ গভীৰৰ পৰা এক জীৱন্ত সোঁৱৰণি দীপ্ত চেতনাত যেন ওপঙি উঠিল। মানসীৰ বোধ হ'ল—এই প্ৰদীপ্ত স্মৃতি সঁচাকৈয়ে অনুপম। অৰুণ বৰুৱা সুন্দৰ, সুস্থ আৰু জ্ঞানী। কিয় মানুহে ৰটনা কৰে—অৰুণ বৰুৱা অসৎ বুলি? তেওঁৰ প্ৰেম যে পবিত্ৰ! অৰুণ বৰুৱাৰ স্মৃতিত মানসীৰ অস্থিৰ মনটো ক্ৰমে জুৰ পৰি আহিল। হাতত সদায় এপাহ ফুল লৈ অহা ৰাঁচীৰ মানসিক চিকিৎসালয়ৰ সেই মৰমিয়াল ডাক্তৰজনে তেওঁক যেন আকৌ ক'লেহি, "তুমি অৰুণক পাহৰিব নোৱাৰা মানসী। পাহৰিবলৈ বৃথা চেষ্টা নকৰিবা। তেওঁৰ স্মৃতিয়ে যেন তোমাক শান্তি দিয়ে।"

মানসীয়ে লাহে লাহে সুস্থিৰভাৱে চিন্তা কৰিলে। এটা কথাত তেওঁ স্থিৰ হ'ল, কৃপা কাকতিৰপৰা যিকোনো উপায়ে নিস্তাৰ পাব লাগিব।

এনেতে ডাঃ হুৱৰাৰ গাড়ীৰ হৰ্ন শুনা গ'ল। কিন্তু, আনদিনৰ দৰে হৰ্ন শুনাৰ লগে লগে মানসী বাহিৰৰ দুৱাৰদলিত থিয় হ'বগৈ নোৱাৰিলে। মানসীক নেদেখি ডাঃ হুৱৰাই কিবা এটা ভাবি ভাবি সোমাই আহিল শোৱনি কোঠালৈ। ঠিকেই ভাবিছে তেওঁ। মানসী বিছনাত বাগৰি আছে। মানসীৰ ফালে চাই ডাঃ হুৱৰাই পোনেই সুধিলে, "আলহী আহিল নে?"

—আপুনি যোৱাৰ পিছতেই আহি পালেহি। এতিয়া আলহী-ঘৰত জিৰণি লৈছে।

—তুমি দেখো অসময়ত শুই আছা?

—ৰুগীয়া মানুহৰ বাবে শোৱাৰ সময়, অসময় কি আছে?

—গাটো বেয়া?

—অ'। খুব বেয়া। আপুনি কৃপা কাকতিক ভাত-পানী খুৱাই সোনকালে ইয়াৰ পৰা পঠাই দিয়াৰ ব্যৱস্থা কৰক। নহ'লে মই আকৌ পগলা হৈ যাম।

—ভাবিছো সেই কথাটো। তুমি পুৱা কিবা খালানে?

—খাইছিলো চাহ একাপ।

ডাঃ দুৱৰা ততালিকে ওলাই আকৌ উভতি আহিল শোৱনি-কোঠালৈ হাতত একাপ হৰলিক্স লৈ। পিছে পিছে কাঞ্চীও আহিছে পানী এগিলাচ লৈ। কাঞ্চীলৈ চাই ডাঃ দুৱৰাই ক'লে, "যা কাঞ্চী, আলহী আৰু মোলৈ খোৱাৰ দিহা কৰগৈ।"

—মেম চাহেবৰ ?

—তেওঁ ভাত খাব নালাগে। গাটো তেওঁৰ ভাল নহয়।

ডাঃ দুৱৰাৰ কথামতে কাঞ্চী ওলাই গ'লত তেওঁ মানসীক বহুৱাই লৈ হৰলিক্স একাপ খুৱালে। তাৰ পিছত এটা টোপনি অহা পিল খুৱাই হাতত পানীৰ গিলাচটো মানসীৰ মুখলৈ আগবঢ়াই দি ক'লে, তুমি এতিয়া জিৰণি লোৱা। আলহীৰ কথা তুমি ভাবিব নালাগে। মই সকলো ব্যৱস্থা কৰিম। মানসীয়ে পানী দোঢোকমান খাই ডাঃ দুৱৰাৰ কথামতে সৰু ছোৱালী এজনীৰ দৰে বিছানত শুই পৰিল। ডাঃ দুৱৰাই হাতৰ পানীৰ গিলাচটো ড্ৰেছিং টেবুলৰ ওপৰত থৈ আলহীৰ ওচৰ পালেগৈ।

—আপুনি আহি পালেহি।

ডাঃ দুৱৰাৰ প্ৰশ্নত কৃপা কাকতি চৰফৰাই বিছনাখনত বহি ক'লে,—হয়, হয়, ডাঃ দুৱৰা, পুৱাৰ ভাগতে মই আহি পালোহি। আইদেৱে পেট ভৰাই চাহ-জলপান খুওৱাৰ পিছত এপৰ আইদেউৰ লগত নানা কথা পাতিলো। অলপ আগতে আহিছে বাতৰি কাকতখনত চকু ফুৰাই জিৰাইছিলো। আবেলিলৈ ঘূৰি যামগৈ।

—হ'ব। ভাত-পানী খাওঁচোন আগেয়ে। আহক ভাত খাই লওঁ।

দুয়ো গৈ খোৱা কোঠালী পোৱাৰ পিছত ডাঃ দুৱৰাই কৃপা কাকতিলৈ লক্ষ্য কৰি ক'লে,—হাত ধুই লওঁ ইয়াতে আহক।

দুয়ো বাৰ্দ্ধান ঘৰৰ সমুখৰ বেচিনটোত হাত ধুই আহি সমুখা-সমুখিকৈ ভাত খাবলৈ বহিল।

—আইদেউক দেখা নাই ?

অলপ উৎকণ্ঠাৰ ভাবেৰে কৃপা কাকতিয়ে সুধিলে।

—তেওঁৰ গাটো আজি কেইদিনমানৰ পৰা ভাল নহয়। তেওঁ

শুই পৰিছে। মই তেওঁক ঔষধ খুৱাইছে আপোনাৰ ওচৰ পালোগৈ। তেওঁৰ জিৰণিৰ বৰ প্ৰয়োজন।'

—সেয়েহে। গাখীৰ-পানী এটোপা ?

—দি আহিছো।

এনেধৰণে দুই-এটা কথাৰে তেওঁলোকৰ দুয়ো খোৱা-বোৱা শেষ কৰাৰ পিছত ডাঃ দুৱৰাই মুখ ধুই উঠি ক'লে,—বলক, আমি আপোনাৰ কোঠালৈকে যাওঁ। মই আকৌ ক্লিনিকলৈ যাব লাগিব। আপুনি—

ডাঃ দুৱৰাই কথা শেষ নকৰোতেই কৃপা কাকতিয়ে ক'লে, মইও আপোনাৰ লগতে ওলাই যাম।

—আপুনি উভতিব কিহত ?

—মই গাড়ী লৈ আহিছো।

—বাহিৰত গাড়ী নেদেখিলোঁ ?

—গাড়ীখন ইয়াৰে ছোৱালী স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ ঘৰত আছে। তেওঁৰ সম্পৰ্কীয় মানুহ এজনো আহিছে মোৰ লগত। আমি দুয়ো একেলগে উভতি যাম।

—হয়নেকি ? মই আপোনাক তাতে নমাই থৈ যাব পাৰিম।

—হ'ব, হ'ব। মোৰ কথা বেছি নাই। বলক, আইদেউৰ আগত কৈছোৱেই। মূল কথাকেইটা আপোনাকো জনাই থওঁ।

—বলক।

তেওঁলোক দুয়ো গৈ আলহী কোঠাৰ দুখন বেতৰ চকীত বহিলগৈ। ডাঃ দুৱৰাই প্ৰথমতে সুধিলে, কি কথানো মোৰ আগত ক'ব লগা আছে, কওকচোন।

—মোৰ নাতিনীজনীৰ বিষয়ে কেইটামান কথা আপোনালোকৰ আগত ক'বলৈকে এইখিনি পাইছোহি। তাইৰ সবিশেষ খবৰ পোৱা দুবছৰো ওপৰ হ'ল যদিও তাইক মই লগ পাব পৰা নাই। ইয়াকে কয় অদৃষ্টৰ পৰিহাস! আজি এই কেইবছৰে অসমৰ বুকুত কত ঘটনা ঘটি গ'ল। সেই অনিশ্চয়তাৰ মাজত মই নাতিনীজনীক বিচাৰি নোপোৱাটো একো কথা নহয়, যিহেতু তাই আপোনালোকৰ ঘৰত

নিৰাপদে শিক্ষা-দীক্ষা লাভ কৰি আছে। আজি মই আপোনালোকৰ ওচৰলৈ আহিছো,—নাতিনীজনীক মোৰ ঘৰলৈ নিয়াৰ প্ৰস্তাৱ লৈ।

—আপুনি বৰ পলম কৰিলে কাকতি ডাঙৰীয়া। জন্মৰ আগতে অঞ্জনাই পিতৃক হেৰুৱাইছিল। ন বছৰ বয়সত তাইৰ মাকৰ মৃত্যু হ'ল। সেই পিতৃ-মাতৃহীন ছোৱালীজনীৰ জীৱনলৈ শৈশৱতে এক প্ৰবল ধুমুহা নামি আহিল। ছোৱালীজনীৰ ককাক এজন আঢ্যৱন্ত পুৰুষ আপুনি। আজি আপুনি আহিছে নাতিনী বিচাৰি তাই যেতিয়া একৈশ বছৰৰ দেওনা পাৰ হ'ল। ইমানদিনে আপুনি ক'ত লুকাই আছিল আৰু কি কাৰণে লুকাই আছিল কওক।

—অদৃষ্টই মোক লুকুৱাই ৰাখিছিল ডাঃ ছুৱৰা।

—তেন্তে অদৃষ্টৰ ওপৰতে বিশ্বাস ৰাখক, কাকতি ডাঙৰীয়া।

ৰাখিছো, ডাঃ ছুৱৰা।

—অৱশ্যে, আমাৰ ক'বলৈ একো নাই। অঞ্জু যদি যাব খোজে, আমি তাইক ধৰি নাৰাখো। কিন্তু তাইৰ ফাইনেল এম. এ. পৰীক্ষাৰ আগে আগে আপুনি তাইক আপোনাৰ ফালৰ পৰা অকণো অসুবিধাত নেপেলাব। তেতিয়াহে, নাতিনীৰ প্ৰতি প্ৰকৃত স্নেহ দেখুওৱা হ'ব বুলি ভাবোঁ।

ডাঃ ছুৱৰাৰ কঠোৰ সুৰ লাহে লাহে অনুৰোধৰ সুৰলৈ সলনি হোৱাত কৃপা কাকতিয়েও শান্ত হৈ বিনম্ৰ সুৰতে ক'লে—মই নাতিনীজনীক খন্তেকতে নিবলৈ অহা নাই ডাঃ ছুৱাৰা। আপোনালোক দুয়োকে অঞ্জুৰ পিতৃ-মাতৃ জ্ঞান কৰি মোৰ আশাৰ কথাটো মাত্ৰ আপোনালোকক জনাবলৈ আহিছো। কি কৰিলে ভাল হয়, সেই কথাটো আপোনালোকে কওক।

—আমি সেইটো কেনেকৈ ক'ম? এতিয়া অঞ্জুৰ নিজৰ ভাব নিজে ল'ব পৰা বয়স হ'ল। তাই যদি আপোনালোকৰ কৰ্তৃত্বত থকাটো ভাল বুলি বিবেচনা কৰে, আমাৰ আপত্তি কৰিবলৈ একো নাই। গৰমৰ বন্ধত অঞ্জু ইয়ালৈ আহিব তেতিয়াই সকলো কথা পাতিব পৰা যাব। এই তিনিমাহ আপুনি ধৈৰ্য ধৰিব লাগিব।

—সেয়ে হ'ব। মই আপোনালোকৰ মনত আঘাত নিদিওঁ।

—আমি আঘাত পাবলৈ একো নাই। ককা আৰু নাতিনীৰ মিলনত আমিও আনন্দহে পাম।

—আপুনি জ্ঞানী মানুহ, মোৰ ভুল নোহোৱা নহয়, কিন্তু মোৰ অন্তৰৰ শোক আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিছে।

—মই জ্ঞানী নে অজ্ঞানী ইমান সহজে ধৰা টান হ'ব। তথাপি আপোনাৰ দুখ উপলব্ধি কৰিবলৈ মোৰো এখন হৃদয় আছে।

—হয়, হয়।

—আপুনি এতিয়া জিৰাওক। মই তেওঁৰ অলপ খবৰ কৰোঁ। তাৰ পিছত চাহ একোকাপ খাই আমি ওলাব পাৰিম।

—হ'ব, হ'ব। যাওক আপুনি আইদেউৰ খবৰ লওকগৈ।

ডাঃ দুৱৰাই 'ভাল বাৰু' বুলি কোঠাটোৰ পৰা ওলাই গ'ল। নিজৰ শোৱনি কোঠাত সোমাই দেখিলে, মামসী লালকাল টোপনিত পৰি আছে। শান্ত মুখখনত এক অপূৰ্ব জেউতি জিলিকি উঠিছে। ডাঃ দুৱৰাই কাঞ্চীক মাতি মানসীৰ তদাৰকী কৰিবলৈ কৈ দুকাপ চাহ আলহী ঘৰলৈ পঠাই দিবলৈ ক'লে। ডাঃ দুৱৰা কৃপা কাকতিৰ ওচৰ পাওঁতে দেখিলে আলহী যাবলৈ প্ৰায় সাজু হৈছে। চাহ খাই তেওঁলোক গাড়ীত বহিলগৈ। গাড়ীতে ডাঃ দুৱৰাই ক'লে যে প্ৰধান শিক্ষয়িত্ৰীৰ লগত তেওঁলোকৰ পৰিচয় আছে যদিও আজি তেখেতৰ ঘৰত সোমাব নোৱাৰে।

ডাঃ দুৱৰাৰ কথা শুনি কৃপা কাকতিয়ে ক'লে,—জানো সেই কথা। তেওঁহে আমাক অঞ্জুৰ বিষয়ে সকলো খবৰ দিছে। লগতে গগন যে অঞ্জুৰ বাবে উপযুক্ত পাত্ৰ হ'ব, সেই কথাটোও তেওঁৱেই মোক প্ৰথমতে আঙুলিয়াই দিছিল।

—হয়নেকি বুলি কোৱাৰ লগে লগে ডাঃ দুৱৰাৰ মুখত সামান্যভাৱে হাঁহিৰ ৰেঙণি জিলিকি উঠিল। তাৰ পিছতে ডাঃ দুৱৰাই গাড়ী ৰখাই কৃপা কাকতিৰ মুখলৈ চাই ক'লে, আপুনি পাৰিব নহয় যাব এইখিনিৰ পৰা ?

—পাৰিম, পাৰিম।

—বাকচটো?

—হ'ব, হ'ব লৈ যাব পাৰিম।

ডাঃ দুৱৰা নামি গ'ল, সক বাকচটো কৃপা কাকতিৰ হাতত তুলি দি ক'লে,—নমস্কাৰ, যাব।

—নমস্কাৰ, আহিলোঁ।

## পাঁচ

এটা দেওবাৰে অঞ্জনাক লৈ অৰুণ বৰুৱা জালুকবাৰীৰপৰা গুৱাহাটীলৈ আহিব লগা হ'ল পুৰাৰ ফালৰ বিশ্ববিদ্যালয়ৰ বাছত। সাধাৰণতে দেওবাৰৰ এই বাছখন বৰ ভিৰ হয়। মামা-ভাগিনী দুয়ো বাছত থিয় হৈয়ে আহিল। পাণবজাৰ ষ্টপেজটোত কোনোৰকমেহে নামি ৰিক্সাৰে অৰুণ বৰুৱা পল্টন বজাৰত ৰ'লহি নিৰ্মলা ৰয়ৰ ঘৰৰ সমুখত। চৈধ্য-পোন্ধৰ বছৰৰ আগতে অৰুণ বৰুৱা প্ৰায়ে আহিছিল এইখন ঘৰলৈ সুধাংশুৰ ঘৰুৱা শিক্ষক হিছাপে। পদূলিমুখৰ অমৰা গছডালেৰে সৈতে ঘৰটো আগৰ দৰেই আছে। বিশেষ সাল-সলনি হোৱা নাই। আধা ভঙা ওখ পিৰালিত উঠি যাওঁতে পিছলৈ চাই অৰুণ বৰুৱাই অঞ্জনাক ক'লে,—চাবি, চিৰিকেইটা বেয়া হৈ আছে।

ব'লাচোন, তুমি আগবাঢ়া, বৈ গ'লা কিয়।

সক মাতেৰে অঞ্জনাই ক'লে। বাহিৰত মানুহৰ মাত শুনি নিৰ্মলা ৰয় ওলাই আহিল। বাহিৰৰ বহা কোঠাটো পাই দেখিলে, অৰুণ বৰুৱা।

—অৰুণ, তুমি যে আহিলা অতদিনৰ মূৰত! গাটো তোমাৰ ভাল নে বুলি নিৰ্মলা ৰয়ে তেওঁলোকক ভিতৰৰ কোঠালৈ লৈ গ'ল।

—আহা অৰুণ, ভিতৰতে বহাহি। নিৰ্মলা ৰয়ে খোৱা মেজৰ লগত থকা চকী দুখন টানিলে।

—হ'ব বাইদেউ, আমি বহিম নহয়, আপুনি ব্যস্ত নহ'ব। এয়া অঞ্জুমা, আপোনাৰ মৰমৰ ছাত্ৰী বন্দনাৰ ছোৱালী।

অৰুণ বৰুৱাই ক'লে।

—বৰ ডাঙৰ এজনী হ'ল! এনেদৰে কৈ নিৰ্মলা ৰয়ে অঞ্জনাক সাবটি ধৰি দুয়ো গালতে দুটা চুমা খালে আবেগেৰে। অঞ্জনায়ো নিৰ্মলা ৰয়ৰ বুকুৰ মাজত মৰমৰ উম ল'বলৈ ধৰোতেই সুধাংশু ৰয় একাষৰ পঢ়া কোঠালীটোৰ পৰা ওলাই আহি ক'লে, বাহ, তুমি মা অঞ্জনাক টপৰ টপৰকৈ চুমা খাই দিলা। তেওঁলোক আজিকালিৰ ছোৱালী। কি বুলি বা ভাবিছে তোমাক।

—কি হ'ল আজিকালিৰ ছোৱালী হ'ল? বন্দনাৰ ছোৱালীহে। নিৰ্মলা ৰয়ে পুতেকক উত্তৰ দি অঞ্জনাৰ মূৰৰ চুলিকেইডাল ঠিক কৰি দিলে।

—কি চাই আছা? তোমাৰ মা মোৰ মাৰ ছাত্ৰী। মা কিন্তু আগৰকলীয়া মানুহ। ভৰি চুই প্ৰণাম কৰা।

মাকৰ ভৰিৰ ফালে সুধাংশুৱে নিজৰ সোঁ হাতখন টোঁৱাই দেখুৱালত অঞ্জনাই সাউৎ কৰে নিৰ্মলা ৰয়ৰ ভৰি চুবলৈ আঁঠু কাঢ়িলে।

—হ'ব, বাছা সুখী হোৱা বুলি নিৰ্মলা ৰয়ে অঞ্জুক মূৰত ধৰি আশীৰ্বাদ দিলে। তাৰ পিছত সুধাংশুলৈ চাই ক'লে,

—যোৱা, তুমি গা পা ধোৱাগৈ। পুৱাৰপৰা কোঠাটোতে সোমাই ঘুটমুটাই আছা।

—পঢ়া কোঠাত সোমাই আছোঁ৷ ছাৰলৈ কেইখনমান বৰ দৰকাৰী কিতাপ বিচাৰি। জানা মা, ছাৰে এইবাৰ উপন্যাস এৰি অসমৰ বুৰঞ্জী লিখিব।

—ভাল কথা। অসমৰ প্ৰকৃত ইতিহাস এখন বৰ প্ৰয়োজন এইখিনি সময়ত।

নিৰ্মলা ৰয়ে গহীন সুৰত নিজৰ অভিমত দাঙি ধৰাত অৰুণ বৰুৱাই লাহেকৈ ক'লে,—সেই ইতিহাসৰ গৱেষণাত এইবাৰ মোৰ গাইড্ হ'ব ড° সুধাংশু ৰয়।

অৰুণ বৰুৱাৰ কথাত সুধাংশুৱে হো হো কৈ হাঁহি হাঁহি ক'লে,—বৰ ইংগ্লালে ছাৰ। সেই স্পৰ্ধা মোৰ নাই আপোনাক গাইডেন্স দিয়াৰ। আপোনাক বিনম্ৰ অনুৰোধহে কৰিছিলোঁ সেইদিনা। মা ৰতন আছেনে ?

—ৰতনক বজাৰলৈ পঠালোঁ। কিয় ?

—আমি চাহ খাব লাগিছিল। ছাৰ, কি কয় ?

—হ'ব বুলি অৰুণ বৰুৱাই সুধাংশুক সমৰ্থন জনালে।

—চাহ মই দিম নহয়।

এনেদৰে কৈ নিৰ্মলা ৰয় ৰান্ধনিঘৰৰ ভিতৰলৈ সোমাই গ'ল। অৰুণ বৰুৱাই অভিজ্ঞ শিক্ষকৰ দৰে প্ৰিয় ছাত্ৰৰ গতিবিধি লক্ষ্য কৰিবলৈ ধৰিলে। বগা পাঞ্জাবীটোৰ হাত দুখন কোঁচাই চ'বোন এডোখৰ হাতত লৈ সুধাংশুৱে অঞ্জনালৈ চাই ক'লে,—সেই পানীৰ জগটো লৈ আহাঁচোন অঞ্জনা। পুৰাৰপৰা কিতাপ জোঁকাৰি জোঁকাৰি হাত দুখন লেতেৰা কৰিলোঁ। তাতে নিগনি মৰা ঔষধো হাতত লাগিছে। চাবোনেৰে ধুই লওঁ। পানী ঢালি দিব পাৰিবা মোৰ হাতত ?

—পাৰিম বুলি অঞ্জনাই খোৱা মেজৰ ওপৰত থকা পানীৰ জগটো লৈ সুধাংশুৰ পিছে পিছে গ'ল পিছফালৰ বাৰাণ্ডাখনলৈ। সুধাংশুৱে হাত ঘঁহিছে চাবোনেৰে। অঞ্জনাই পানী ঢালিব খুজিছে তলৰ পকা নলাটোত পৰাকৈ। কিন্তু দুয়ো অগাপিছা কৰি হাঁহিছে ইজনে সিজনক কিবা একাষাৰ কৈ কৈ।

—তোমালোকৰ হৈছে কি নো সুধাংশু। আত্মপ্ৰকাশত হাঁহিছা নে মনৰ আনন্দত ?

অৰুণ বৰুৱাৰ কথা শুনি ওপৰৰ তাঁৰত আঁৰি থোৱা ফুলাম গামোচাখনেৰে হাত মচি মচি সুধাংশুৱে ক'লে, পানী পোনাই ঢালিব নাজানে। কি অদ্ভুত আজিকালিৰ ছোৱালী ! মোৰ কাপোৰ-কানিকে ভিজালে।

পানীৰ জগটো আকৌ খোৱা মেজখনত থৈ অঞ্জনাই ক'লে, মই হে ভিজিলোঁ। ছাৰে যে কি কৰে, হাঁহি মুঠিব নে ?

—কি কৰিছে নো ?

কৌতূহলত অৰুণ বৰুৱাই সুধিলে।

—মই পানী ঢালিব খুজিলে ছাৰে হাতখন আঁতৰাই নিয়ে, বাৰে বাৰে তেনে কৰিলে কাপোৰ নিভিজিব ?

একো লুক-ঢাক নকৰি সহজভাৱে অঞ্জনাই কৈ পেলালে।

—তোমাৰ ল'ৰালি নগ'ল আৰু অংশু ? অলপ শাসনৰ সুৰত মাত দি নিৰ্মলা বয়ে আকৌ ক'লে,

—প্ৰথম দিনা আহোঁতেই ছোৱালীজনীক কিয় জুলুম কৰিব লাগে ?

কথা কৈ যাওঁতে, অন্তৰৰ আনন্দত নিৰ্মলা বয়ৰ যে মুখখন উদ্ভাসিত হৈ উঠিছে, অৰুণ বৰুৱাই লক্ষ্য কৰি ক'লে আপুনি চাহ আনিলেই।

—আনিলোঁ। অঞ্জুমা তুমি চাহ কেইকাপ ঢালি দিব পাৰিবানে? মই কাপ-প্লেট কেইযোৰ আনি দিছোঁ।

—পাৰিম, কাপপ্লেট মই আনি ল'ম বুলি অঞ্জনাই বান্ধনিঘৰটোৰ ভিতৰ সোমাই চাৰিযোৰ কাপ-প্লেট লৈ আহিল। গাখীৰ, চেনি, চেকনি, চামুচ ট্ৰেখনতে আছিল টিপটটোৰ লগতে। অঞ্জুৱে টিপটৰ মুখ খুলি চামুচেৰে লৰাই লৈ কাপকেইটাত অলপ অলপকৈ গাখীৰ দি চাহ ঢালিবলৈ ওলাল। নিৰ্মলা বয়ে কোৱাৰ্টাৰ প্লেট এখনত কেইখনমান বিস্কুট আৰু কেইটামান নাৰিকলৰ লাড়ু লৈ আহি প্লেটখন মেজৰ ওপৰতে থ'লে আৰু ওচৰৰ টুলখন টানি আনি বহিবলৈ ওলোৱাত, অঞ্জনাই লৰালৰিকৈ ক'লে, সেইখনত মই বহিম। আপুনি চকীখনত বহক বুলি অঞ্জনা ঘূৰি গ'ল চাহ ঢালিবলৈ। নিৰ্মলা বয় অঞ্জনাৰ কথামতে চকীখনত বহিলহি অৰুণ বৰুৱাৰ ওচৰতে। চেনি কোনে কিমান খাব সুধি সুধি অঞ্জনাই চাহ ঢালি একোকাপকৈ আটাইকে দি গ'ল। শেষত নিজলৈ আধা কাপ চাহ ঢালি নাৰিকলৰ লাড়ু এটা হাতত ল'লে। লাড়ুটো অঞ্জনাই ঘূৰাই ঘূৰাই কিবা এটা কথা মনত পেলাই গহীন হৈ গৈছিল যে সুধাংশুৱে মন কৰিলে।

—নোখোৱা ? কি ভাবি আছা ?

অঞ্জুক উদ্দেশ্য কৰি সুধাংশুৱে প্ৰশ্ন কৰাত নিৰ্মলা ৰয় আৰু অৰুণ বৰুৱাই একেলগে অঞ্জনাৰ ফালে চালে।

—খাম। কিমান দিনৰ আগতে যে এনেকুৱা লাড়ু খাইছিলোঁ মনত পেলাব খুজিছোঁ।

অঞ্জনাই লাড়ুটো মুখত দিলে। সুধাংশুৰ প্ৰশ্নত আৰু সকলোৰে মনোযোগ আকৰ্ষণ কৰি অঞ্জনা সচকিত হৈ উঠিছিল। সেয়ে তাই সহজ হ'বলৈ চেষ্টা কৰি একমনে চাহ খালে যদিও ভিতৰত কঁপনি এটা অনুভৱ কৰিলে। এনেতে সুধাংশুৱে মাকক সুধিলে, মা, ভাত হ'ল নেকি?

—দালি-ভাত হৈ আছে। ভাজি এখনো কৰি থৈছোঁ কলদিলেৰে। অৰুণে ভাল পায় কলদিল। মাছ আনিবলৈ দিছোঁ, কিবা এখন ৰান্ধি দিম। পুৱাৰপৰা তোমাক বজাৰলৈ যাবলৈ কেইবাৰ ক'লো। ৰতনেও তাৰ ভাগৰ কাম-বন কৰিহে ওলাইছে বজাৰলৈ। আহিবৰ হৈছে। ভাত হ'ব। তুমি গাটো ধুই লোৱাচোন, জধলা হৈ আছা।

—ধুম মা। অলপ জধলা হৈ থাকিলোঁৱেই বা। কেতিয়াবা ভাল লাগে এনেকৈ থাকি।

সুধাংশুৰ কথা শুনি অঞ্জনাই অপলক দৃষ্টিৰে চাই ৰ'ল, সাজপাৰ সকলো চেৰ পেলাই সুধাংশুৰ মুখশ্ৰী যেন অভিনৱ ৰূপত জিলিকি উঠিছে। বৈ পৰা চেলাউৰি, মূৰত সামান্য কেঁকোৰা চুলি, মিঠা বৰণীয়া গাৰ ৰং আৰু প্ৰদীপ্ত চকু দুটাই সুধাংশুৰ ব্যক্তিত্বৰ গভীৰতাকে প্ৰকাশ কৰিছে।

মাক-পুতেকে কথা কৈ থাকোঁতেই ৰতন পিছ দুৱাৰেদি ৰান্ধনি-ঘৰ সোমাই পিতলৰ চৰিয়াটোত বজাৰৰ বস্তুখিনি বেগৰপৰা ঢালি দিলে। শব্দ শুনি নিৰ্মলা ৰয় উঠি গ'ল বজাৰৰ বস্তু সামৰিবলৈ। অৰুণ বৰুৱা গহীন হৈ সুধাংশুৰ পঢ়া কোঠাটোত সোমাল। সুধাংশু মাকৰ কথামতে উঠি গ'ল গা ধুবলৈ। কিন্তু, শোৱনিঘৰত সোমাই গভীৰ সুৰৰ গীত এটা জুৰি গুণগুণাই গাবলৈ ধৰিলে। গীতৰ সুৰত স্তব্ধ হৈ অঞ্জনাই টিপটটো ধৰি বৈ আছিল। খৰধৰকৈ আহি নিৰ্মলা ৰয়ে

অঞ্জুক ক'লে, সেইবিলাক থোৱা মা, ৰতনে নিব। সি কিবা অলপ খাবলৈ বহিছে, আহিব এতিয়াই। তুমি মোৰ ওচৰতে বহিবা আহাঁ, মই আঞ্জা এখন বহাওঁ। নিৰ্মলা বয়ৰ কথামতে অঞ্জনা গৈ ৰান্ধনি-ঘৰৰ মূঢ়া এটাত বহিল। আৰু নিৰ্মলা বয়ে পাভ মাছ কটা চাবলৈ ধৰিলে। অঞ্জনাই তাইৰ খেলি-মেলি হৈ যোৱা ভাববোৰ সংযত কৰিবলৈ চেষ্টা কৰিলে যদিও এবাৰ নিজকে দমাব নোৱাৰি সুধি পেলালে,—ছাৰ ডিগবৈলৈ যোৱাৰ কথা আছে ?

—আছে, কিন্তু কেতিয়া যায় সেইটো ঠিক হোৱা নাই। ৰিছাৰ্চ প্ৰজেক্টৰ কামত উজনিৰ চাহবাগিচা কেইখনমানত থাকিব লাগিব। সেই সময়তে মানসীৰ ঘৰলৈও যোৱাৰ কথা ভাবিছে। মানসীৰ গাটো ভালে নাথাকে বুলি শুনিছোঁ। সেয়ে ভাবিছোঁ, অংশু গ'লে মানসীৰ কিবা অসুবিধাই হয় নেকি ?

—একো অসুবিধা নহয়। মানু মাহীয়ে ছাৰৰ লগত কথা পাতি বৰ ভাল পাব। কিন্তু আমাৰ কোৰ্চ শেষ নকৰাকৈ যাবনে ছাৰ ?

—সেইবিলাকো চিন্তা কৰিছে অংশুৱে। সেই কাৰণেই যোৱাৰ দিনটো ঠিক কৰিব পৰা নাই। অংশুৱে তোমালোকক ভালকৈ পঢ়াব পাৰেনে মা ?

—ছাৰৰ ক্লাছেই আমাৰ আটাইতকৈ ভাল লাগে।

তলমূৰকৈ অঞ্জনাই উত্তৰ দিলে।

গৌৰৱৰ হাঁহি এটাৰে নিৰ্মলা বয়ে ক'লে, পঢ়াওঁতে ভালকৈ পঢ়াব, কিন্তু মোৰ ভয় লাগে, অংশুৱে কাক কেতিয়া কি কৈ বেয়া পোৱায়।

—ছাৰৰ কথাত কোনেও বেয়া নেপায়।

—হয়নেকি বুলি নিৰ্মলা বয়ে হাঁহি মুখে আফুৰে ৰন্ধা বৰিয়লা মাছৰ চৰ্চৰিখন নমালে। তাৰ পিছত কেৰাহিটো আওখালি থাকোতে নিৰ্মলা বয়ে অঞ্জনাৰ ফালে চাই ক'লে, পাভ মাছ ভাজিব খুজিছোঁ, তেল ছিটিকি গাত পৰিব পাৰে। তুমি অলপ সময় আকৌ তাতে বহাঁগৈ।

অঞ্জনা আহি আগৰ ঠাইতে বহিলহি।

—মা কি ৰান্ধিছা বুলি সুধাংশু সোমাই গ'ল মাকৰ ওচৰলৈ। •ভিণ্ডি মেলি কেৰাহিলৈ চাই ক'লে, অ' পাভ মাছ, বঢ়িয়া।

সুধাংশুৱে ইফালে-সিফালে চোৱা দেখি মাকে সুধিলে, কি বিচাৰিছা তুমি ?

—গা-ধোৱা ঘৰৰ মগটো।

—ৰতনে নিছে ছাগে, তাক সোধাচোন।

সুধাংশুৱে ৰতনৰ হাতৰপৰা মগটো লৈ একেকোবে যে গা-ধোৱা ঘৰত সোমালগৈ, মাকে মন কৰিলে। পাভ মাছৰ আঞ্জাখন ঢাকি দি নিৰ্মলা বয় খোৱা ঘৰৰ চকী এখনত বহিলহি। পুৰণা সৰু টাৱেল এখনেৰে হাত দুখন মচি মচি অঞ্জনাৰ ফালে চাই ক'লে, অঞ্জনাৰ ভোক লাগিছে ছাগে ?

—নাই, নাই, ভোক লগা নাই। চাহ খাওঁ নহয়।

—যি হে চাহ খালা।

নিৰ্মলা বয়ৰ মাত শুনি অৰুণ বৰুৱা পঢ়া কোঠাটোৰপৰা ওলাই আহিল।

—আঁহা অৰুণ, ইমান দিনৰ মূৰত আহিলা। মন খুলি তোমাৰ লগত কথা এবাৰ পাতিব পৰা নাই।

অৰুণ বৰুৱা আহি আন এখন চকীত নিৰ্মলা বয়ৰ ওচৰত বহিলহি। তাৰ পিছত নিৰ্মলা বয়ৰ ফালে চাই ক'লে, আপুনি দিল্লীৰপৰা অহা এবছৰেই হ'ল যদিও মই সুবিধা কৰিব পৰা নাই আপোনাৰ ওচৰলৈ আহিবলৈ। আপোনাৰ মনটো নিশ্চয় এতিয়া বহুখিনি ফৰকাল হৈছে। ল'ৰা উপযুক্ত হৈ ঘূৰি আহিল। আপোনাৰ কষ্ট সাৰ্থক হ'ল।

—মোৰ অৱসৰৰ পাছত দিল্লীত গৈ এবছৰ আছিলোঁ যদিও তাত থাকি ভাল লগা নাছিল। ভাই আৰু ভাই-বোৱাৰীয়ে যথেষ্ট যত্ন লোৱাতো নিজৰ ঘৰখনলৈহে মনত পৰি থাকে। অৱশ্যে, অংশু বিদেশত থাকোতে, সঘনে তেওঁৰ খবৰ পোৱাত সুবিধা হ'ব বুলি ভাবিহে ভাইটোৱে মোক দিল্লীত জোৰকৈ ৰাখিছিল। অৱসৰ পোৱাৰ

আগতেও গ'লো কেইবাবাৰো যেতিয়াই ছুটী পাওঁ। শেষত অংশুৱে অসমতে থকাটো ঠিক কৰাত আকৌ ঘূৰি আহিলোঁ নিজৰ ঘৰখনলৈ। এইকেইটা বছৰ যে আমাৰ কেনেকৈ গ'ল ক'ব নোৱাৰিলোঁ। জীৱনৰ ধুমুহা ইমান প্ৰচণ্ডভাৱে আহিব বুলি আগতে ভবা নাছিলোঁ।

—আপোনাৰ জীৱনলৈ ধুমুহা আহিছিল বুলিয়েই ভাবিছিলোঁ। কিন্তু আপোনাৰ মনোবল, ধৈৰ্য আৰু আত্মবিশ্বাস দেখি অবাক মানিছিলোঁ।

অৰুণৰ কথা শুনি নিৰ্মলা ৰয়ে দীঘলকৈ নিশ্বাস পেলাই আকৌ ক'বলৈ ধৰিলে,—এতিয়াহে বৰকৈ ভাগৰ লাগিছে অৰুণ। সুধাংশুৰ বিয়াখন পাতি দিব পাৰিলে তেওঁক মই সংসাৰৰ ভাৰ দিব পাৰোঁ। সংসাৰৰ ভাৰ মানে তেওঁৰ ভাৰটোৰ কথাই কৈছোঁ। অংশুৰ বিয়াৰ বিষয়ে দিহা-পৰামৰ্শ লোৱাৰ কথা ভাবিহে তোমাক মাতি পঠাইছিলোঁ। তুমিতো তেওঁৰ সকলো কথা জানা। সেয়ে তোমাক বিচাৰিছিলোঁ।

—ভাবোঁ আহিম বুলি, কিন্তু নহয়গৈ। তাতে এই অঞ্জুজনী হোষ্টেলত থাকে। তাই কেতিয়াবা মোক বিচাৰি আহে আৰু ময়ো যাওঁ তাইৰ হোষ্টেললৈ।

—ইয়ালৈ আহিলে, তুমি অঞ্জুমাক লৈ আহিবা। আজিয়েই ঘৰখন মোৰ কিমান যে পোহৰ হৈছে, তোমালোক দুয়ো অহাত। এসময়ত অংশুৱে যেতিয়া আত্মগোপন কৰি ফুৰিছিল, তুমি আৰু বন্দনাই মোক যি সাহস আৰু সংগ দিছিলা, সেই ঋণ মই পৰিশোধ কৰিব নোৱাৰিম অৰুণ।

—আপুনি তেনেকৈ কিয় ভাবিছে? সুধাংশু জানো আপোনাৰেই সন্তান? সুধাংশুৰ লগত আমাৰো এটা সম্বন্ধ আছে।

—বন্দনা আজি নাই। তেওঁৰ সন্তান অঞ্জুমাক অকণমান দেখা পালে, এসাজ ভাত ৰান্ধি খুৱাব পাৰিলে, মোৰো দগ্ধ হিয়াখন জুৰ পৰিব। অৰুণ, তুমি যেতিয়াই আহাঁ, অঞ্জুমাক মোৰ ওচৰলৈ লৈ আহিবা। আহিবানে অঞ্জুমা?

অঞ্জুলৈ চাই নির্মলা বয়ে অনুনয়ৰ সুৰত সুধিলে। অঞ্জনায়ো নির্মলা বয়ৰ ফালে চাই লাহেকৈ ক'লে, আহিম।

—ৰ'বাচোন, আঞ্জাখন নমাই আহোঁ। নির্মলা বয় সজল নয়নেৰে উঠি গ'ল।

—তেখেতৰ কি হৈছিল মামা?

সৰু মাতেৰে অঞ্জনাই উৎকণ্ঠাত অৰুণ বৰুৱাক সুধিলে।

—সেইবিলাক বহুত কথা। পিছত ক'ম। তোৰ বেয়া লাগিছে নেকি সুধাংশুৰ কথা শুনি?

—নাই লগা।

গেছটো মুমুৱাই থৈ নির্মলা বয়ে দেখিলে, গা ধুই উঠি সুধাংশু ওলাই আহিছে। গামোচাখনেৰে মুখটো মচি মচি সুধাংশুৱে ক'লে, বহুদিন মুখ ধোৱা নাছিলো ছাৰ। আজি ধুলোঁ। মা, ভাত হৈছেনে? হৈছে যদি বেলি নকৰিবা। দি দিয়া। ছাৰৰ সময়মতে ভাত খোৱাৰ অভ্যাস।

—মই কিবা হোষ্টেলত থাকোঁনে? সময়ৰ ঘণ্টা বাজিলে ভাত খোৱাৰ অভ্যাস কৰিবলৈ? তোমাৰ কথাৰ অৰ্থ মই নাই বুজা বুলি ভাবিছা কিয়?

অৰুণ বৰুৱাৰ কথাত ৰং পাই সুধাংশুৱে আকৌ ডাঙৰকৈ হাঁহিবলৈ ধৰিলে। নির্মলা বয়ে আনন্দেৰে ক'লে, অংশুৱে এনেকৈ ঘৰত কাকো নাপায়তো মুকলিমনে কথা পাতিবলৈ। আজি বৰ স্ফূৰ্তি হৈছে তেওঁৰ তোমালোকক পাই।

—আপোনাৰ ল'ৰাক চিনি নাপাওঁনে? মহা ধুৰন্ধৰ। নিজক লুকুৱাই আনৰ মনৰ ভিতৰ ফালটো উদঙাই দিয়াত ওস্তাদ। আমাৰ কাকোতো আজি সুখেৰে এৰা নাই। ময়ো চাইহে আছোঁ, কিমান দূৰলৈ যাব পাৰে, যাওকচোন।

—দোষী সাব্যস্ত কৰিব পাৰিলে, শাস্তি দিব নেকি ছাৰ?

—নিশ্চয় দিম।

—ইমানতে শাস্ত হোৱা হে কথা। মই আহোঁ বাক মুখটো

আঁচুৰি। মা ভাত বাঢ়। যোৱাচোন অঞ্জনা, মাক অলপ সহায় কৰি দিয়া। সুধাংশুৰ কথামতে অঞ্জনা ৰান্ধনি-ঘৰত সোমাল নিৰ্মলা ৰয়ৰ লগতে।

—ছাৰ, মই লৰালৰি কৰিছোঁ অন্য এটা কথা ভাবিছে। আজি দেওবাৰ। সন্ধিয়াৰ ছয় বজাৰ বাছখন বৰ ভিৰ হয়।

—সন্ধিয়া কিয়, পুৱাৰ বাছখনো আজি বৰ ভিৰ আছিল। আমি দুয়ো থিয় হৈয়ে আহিলোঁ।

—হয় নেকি ? আপোনাৰ লগত মাৰ কিবা কথাও আছে বুলি সুধাংশু মূৰ ফণীয়াবলৈ ভিতৰ সোমাল।

—আহঁা তেন্তে সোনকালে। আমাৰ আচল কথা পতাই হোৱা নাই।

শোৱনি-কোঠাত সুধাংশুৰ কাণত পৰাকৈ অৰুণ বৰুৱাই অলপ ডাঙৰকৈ ক'লে।

—পাতিম ছাৰ কথা, আগতে খাই-বৈ লওঁ। নহ'লে কথাৰ মাজত পাভ মাছ উটি যাব পাৰে চকুৰ পানীত।

কথা শেষ কৰি সুধাংশু এখন চকীত বহি পৰিল। অঞ্জনাই অৰুণ বৰুৱা আৰু সুধাংশুৰ আগত থাল-গিলাচ দিবলৈ ধৰিলে।

—কি কবিতা গালাহে সুধাংশু ?

হাঁহি হাঁহি অৰুণ বৰুৱাই সুধিলে।

—কথা-কবিতা, ছাৰ।

—মই মন কৰিছোঁ—তুমি আজি বৰ মুডত আছাদেই।

শিক্ষক আৰু ছাত্ৰৰ মাজত হো-হোকৈ আকৌ হাঁহিৰ ৰোল উঠিল। নিৰ্মলা ৰয়ৰ নিৰ্দেশক্ৰমে অঞ্জনা সুধাংশুৰ মুখামুখিকৈ মেজখনৰ সিমূৰে টুলখনত বহিল। নিৰ্মলা ৰয়ে এবিধ এবিধকৈ থালত বস্তুবোৰ দিবলৈ ধৰিলে। সুধাংশু আৰু অৰুণ বৰুৱাই খাবলৈ আৰম্ভ কৰিলে। অঞ্জনাই নিৰ্মলা ৰয় বহালৈ বাট চালে যে অৰুণ বৰুৱাই মন কৰিলে। সুধাংশুৱে অঞ্জনাৰ ফালে চাই ক'লে, আৰম্ভ কৰা।

—কৰিম।

—অঞ্জুৰে বাইদেউ বহাৰৈ বাট চাইছ, নহয় ?

অৰুণ বৰুৱাই অঞ্জনালৈ চাই সুধিলে। লগে লগে নিৰ্মলা ৰয়ে ক'লে, মই বহিম। তুমি আৰম্ভ কৰা মা।

—আপুনিও বহকচোন।

লাহেকৈ অঞ্জনাই ক'লে। অঞ্জনাক সমৰ্থন কৰি সুধাংশুৱেও অনুনয়ৰ সুৰতে ক'লে, মা, বহা না। আমাক যি লাগে নিজে নিজে লৈ ল'ম।

আনন্দমনে নিৰ্মলা ৰয় বহি পৰিল। নিজৰ থালত ভাত, ডাইল আৰু অলপ ভাজি লৈ ভাত খাবলৈ আৰম্ভ কৰাৰ লগে লগে অঞ্জনায়ো খাবলৈ ধৰিলে। সুধাংশুৱে অঞ্জনালৈ চাই সুধিলে, অঞ্জনা, পাভ মাছ ভাল পোৱা ?

—খু-ব।

—পাভ মাছ ৰান্ধিব জানা ?

—জানো।

—ৰান্ধিছা নে কেতিয়াবা ?

—ৰান্ধিছোঁ।

—ক'ত ?

—ক'ত মানে ? আমাৰ ঘৰত।

—চৰি।

অৰুণ বৰুৱাই সুধাংশুক আৰু আগবাঢ়িব নিদি মাজতে মাতিলে, কি হে সুধাংশু ? তুমি অঞ্জুৰ ইণ্টাৰভিউ ল'বলৈ আৰম্ভ কৰিলা দেখোন ?

—ইণ্টাৰভিউ নহয় ছাৰ। কথা হ'ল, আজিকালিৰ ছোৱালীৰ বহুতে আমাৰ মাইঁতৰ দৰে ৰন্ধা-বঢ়া নাজানে।

—আপুনি উদাহৰণ স্বৰূপে কেইগৰাকীমান ছোৱালীৰ নাম ক'ব পাৰিবনে।

অঞ্জনাৰ প্ৰশ্নত এইবাৰ সুধাংশু জব্দ হ'ল। অৰুণ বৰুৱাও স্তব্ধ হ'ল।

—তেনেকৈ নাম কোৱাৰ অসুবিধা নোহোৱা নহয়।

অঞ্জনাৰ ফালে চাই সুধাংশুৱে ক'লে।

—অৰ্থাৎ, আজিকালিৰ ছোৱালীৰ ওপৰত এনেয়ে এটা অপবাদ আপুনি জাপি দিলে?

অঞ্জনাৰ কথা শুনি অৰুণ বৰুৱাই বৰ ৰং পাই ক'লে, এইবাৰ সুধাংশু ভালকৈয়ে ধৰা পৰিছা ছাত্ৰীৰ হাতত। যিফালেই যোৱা, সেইফালেই মৰণ।

—হয় ছাৰ। স্বীকাৰ কৰিছোঁ। ছাত্ৰীৰ বুদ্ধি প্ৰখৰ যে মানি লৈছোঁ। সঁচাকৈয়ে এটা কথাত ভাল লাগিল। অন্যায় আৰু অসত্যৰ প্ৰতিবাদ কৰিব পৰা ক্ষমতা ছাত্ৰীৰ আছে। ছোৱালীৰ এই ক্ষমতাৰ বৰ প্ৰয়োজন বৰ্তমান সমাজত।

এইবাৰ অংশুৱে স্বীকাৰ কৰিব লাগিব মৌনতাৰ শক্তি।

নিৰ্মলা ৰয়ে গহীনভাৱে অভিমত দাঙি ধৰিলে।

—শেষত মাও অঞ্জনাৰ ফালেই ঢাল খালে। মই বৰ অকলশৰীয়া অনুভৱ কৰিছোঁ।

—নিজৰ দোষত।

অৰুণ বৰুৱাই মন্তব্য কৰিলে। এনেকৈয়ে কথাবতৰা পাতি আটাইকেইজনে পৰিতৃপ্তিৰে খোৱা-বোৱা শেষ কৰিলে। মুখ ধুই অৰুণ বৰুৱা আৰু সুধাংশু পঢ়া কোঠাৰ ডিভানখনত উঠি বহিলগৈ। ৰতনে তেওঁলোকৰ দুয়োৰো মাজত তামোলৰ বঁটাটো থৈ গ'ল। দুয়ো দুখন তামোল মুখত গুজি লোৱাৰ পিছত সুধাংশুৱে মাকক মাতিলে,

—আহাঁ মা, তোমাৰ কাম শেষ হ'ল যদি।

—অলপ কাম আছে শেষ কৰি গৈ আছোঁ।

—খৰধৰতো একো নাই। তেখেতে অলপ পৰ জিৰাই আহক।

—অৰুণ বৰুৱাই ক'লে।

আপুনিও তেনেহ'লে জিৰাওক ছাৰ।

সুধাংশুৱে অৰুণ বৰুৱাক তেনেকৈ কৈ ডিভানখনৰপৰা নামিব খোজোঁতেই নিৰ্মলা ৰয় আহি কোঠাটোত সোমালহি।

—আপুনি অলপ জিৰণি নল'লে?

অৰুণে নিৰ্মলা বয়ক লক্ষ্য কৰি সুধিলে।

—মোৰ তেনেকৈ জিৰোৱাৰ অভ্যাস নাই। তুমি যদি জিৰাব খুজিছা জিৰাই লোৱা।

—ময়ো নিজিৰাওঁ এতিয়া। আমি সুধাংশুৰ বিয়াৰ কথা শেষ কৰোঁ। অথনি আৰম্ভ কৰিয়েই এৰি দিলোঁ। এতিয়া সুধাংশুৱেও আমাৰ কথা-বতৰাত যোগ দিব পাৰিব।

—আপোনালোকে এই বিষয়ে কথা পাতিছিল নেকি? সুধাংশুৱে সুধিলে।

—অ', তুমি গা ধুই থাকোতে অৰুণৰ আগত কথাটো উলিয়াইছিলো। এতিয়া অৰুণে তোমাৰ লগত আলোচনা কৰক। নিৰ্মলা বয়ে ক'লে।

—বাৰু সুধাংশু, তুমি তোমাৰ বিয়াৰ কাৰণে প্ৰস্তুত হৈছা জানো? অৰুণে সুধাংশুক সুধিলে।

—প্ৰস্তুত হ'বলৈ কি আছে? চাকৰি এটা হৈছে। ঘৰ-বাৰী আছে এয়া। মাৰ মতে মোৰ বিয়াৰ বয়সো হৈছে। তাতে মাৰ এতিয়া অলপ জিৰণিৰো প্ৰয়োজন। মই সেই হিছাপত ভাবি চাইছোঁ। এজনী উপযুক্ত ছোৱালী পালে বিয়া কৰোৱাত আপত্তি নাই। কিন্তু, বিয়াৰ গতানুগতিক অনুষ্ঠানৰ আড়ম্বৰৰ প্ৰয়োজন বোধ নকৰোঁ। খুব কম সময় আৰু কম খৰছত বিয়াৰ ব্যৱস্থাৰ কথা ভাবিছোঁ। ছোৱালী সম্বন্ধে মাৰ কথা হ'ল—মোৰ পছন্দই মাৰ পছন্দ। মোৰ কথা হ'ল—জীৱনটো মোৰ যথেষ্ট আনুকলীয়া। ছাৰ, মোক আপুনি মোতকৈও বেছিকৈ চিনি পায়। আপোনাক আৰু কি ক'ম?

সুধাংশুৰ কথা শুনি অৰুণ বকৱাই ক'লে,—বৰ ডাঙৰ চাৰ্টিফিকেট দি দিলা তুমি মোক। সেই দায়িত্বতে তোমাক এটা কথা সোধোঁ—পোনপটিয়াকৈ।

—সোধক ছাৰ।

—তোমাৰ পছন্দৰ ছোৱালী ক'ৰবাত ঠিক হৈ আছে নেকি?

—নাই। তেনে কিবা কথা থাকিলে ইমান দিনে আপুনি

নাজানিলেহেঁতেননে ? মই গুৱাহাটীলৈ অহা ছমাহ হৈ গ'ল। অহাৰ পিছদিনাই মই প্ৰথমতে আপোনাকে লগ ধৰিছোঁ।

বৰ গহীন সুৰত কোৱা সুধাংশুৰ কথাই অৰুণ বৰুৱাৰ অন্তৰ স্পৰ্শ কৰি গ'ল। তেওঁ ইফালে-সিফালে চাই নিৰ্মলা ৰয়ক লক্ষ্য কৰি সুধিলে—অঞ্জু বাৰু শুলেগৈ নেকি ?

—চাওঁ ৰ'বা, বুলি নিৰ্মলা ৰয় উঠি গ'ল। ৰান্ধনিঘৰৰ মূঢ়াটো লৈ গৈ অঞ্জু পিছফালৰ চোতালত বহি আছিল। অলপ আঁতৰত কেইটামান পাৰ চৰায়ে খুদ-চাউল খাই আছে। নিৰ্মলা ৰয়ে চোতাল পাই অঞ্জনাক সুধিলে, অকলে বহি আছা অঞ্জুমা ? আমি অংশুৰ পঢ়া-কোঠাতে কথা পাতিছোঁ। আহা তালৈকে।

নিৰ্মলা ৰয়ৰ কথাত অঞ্জনাই থিয় হৈ ক'লে, মই পাৰকেইটা চাই আছিলো। আমাৰ বেনাৰসৰ হোষ্টেলতো বহুত পাৰ আছিল। বিস্কুট খাবলৈ পালে কেইটামান পাৰ যে মোৰ কোঠাৰ পৰা যাবই নুখুজিছিল।

—এই কেইটা অংশুৰ পাৰ। নিৰ্মলা ৰয়ে ক'লে।

—ক'ত থাকে পাৰকেইটা ?

—সেয়া সজা সাজি দিছো।

বাৰাণ্ডাখনৰ সিমুৰে থকা সজাকেইটালৈ নিৰ্মলা ৰয়ে আঙুলিয়াই দিলে। সজাকেইটা চাই মনৰ আনন্দত অঞ্জনা নিৰ্মলা ৰয়ৰ পিছে পিছে আহি সুধাংশুৰ কোঠা পালেহি। নিৰ্মলা ৰয়ে এখন চকীত বহি আনখন চকীত অঞ্জনাক বহিবলৈ দি ক'লে,—এওঁ পিছফালৰ চোতালত বহি পাৰ চাই আছিল।

—পাৰ চাই আছিল ? বেছতো। সুধাংশুৱে আনন্দতে ক'লে।

—তই গৈ পাৰ চাই আহ। আমি ইয়াত সুধাংশুৰ বিয়াৰ বিষয়ে আলোচনা কৰি আছোঁ।

অৰুণ বৰুৱাৰ কথাত অঞ্জনাৰ প্ৰতিক্ৰিয়া চাবলৈ সুধাংশুৱে প্ৰতীক্ষা কৰিলে।

—ছাৱৰ বিয়াৰ বিষয়ে তুমি এখনিয়ে আলোচনা আৰম্ভ

কৰিছিলা। সেই আলোচনা এতিয়াও শেষ হোৱা নাই? অৰুণ বৰুৱালৈ চাই অঞ্জনাই প্ৰশ্ন কৰিলে।

—হৈছে শেষ।

অৰুণ বৰুৱাৰ সলনি সুধাংশুৱেই উত্তৰ দিলে অঞ্জনাক।

—কেতিয়া ছাৰ আপোনাৰ বিয়া? অঞ্জনাই ৰং পাই সুধিলে।

—অহা বাৰিষাৰ শেষত। শৰতৰ আৰম্ভ পতে। বিয়া ডাঙৰকৈ নাপাতোঁ। মানুহ-দুনুহো তেনেকৈ নামাতোঁ। তোমাক আজিয়েই নিমন্ত্ৰণ কৰিলোঁ। আহিবানে অঞ্জনা সেইদিনা নিঃসংকোচে?

সুধাংশুৰ প্ৰশ্নত অঞ্জনাই তপৰাই উত্তৰ দিলে, নিশ্চয় আহিম ছাৰ। সংকোচ কৰিবলৈ কি আছে।

অভিভূত হৈ নিৰ্মলা বয়ে সুধাংশুৰ মুখলৈ চালে। এক অপৰূপ পোহৰে যেন কোঠালিটো উদ্ভাসিত কৰি পেলালে। অঞ্জনাৰ কথা শুনি সুধাংশুৱে থিয় হৈ ক'লে, আজিলৈ হ'ব ছাৰ। আকৌ এদিন সোনকালে আপোনাৰ লগত কথা হ'ম এই বিষয়ে।

## ছয়

অঞ্জনাক লৈ অৰুণ বৰুৱা ঘৰলৈ উভতি যোৱাৰ পিছত সুধাংশু আহি শোৱনিকোঠাত সোমাই নিজৰ বিছনাখনত বাগৰি পৰিল। নিৰ্মলা বয়ে চোতালৰ পৰা কেইখনমান শুকান কাপোৰ আনি জাপি জাপি আলনাডালত থৈ গৈছিল। সুধাংশুৱে বাগৰ সলাই বিছনাত পেট পেলাই মাকে কাম কৰা চাই আছিল যদিও ভাবিছিল নিজৰ কথাহে। এনে ধৰণে ব্যক্তিগত চিন্তাত বেছি পৰ মগ্ন হোৱাৰ অভ্যাস সুধাংশুৰ অতদিনে নাছিলেই বুলিব পাৰি। সম্পূৰ্ণ নিজৰ কাম এটা কৰিবলৈ লওঁতেও হ'লে হ'ব, নহ'লে নহ'ব—এনে এটা ভাবৰ লগতহে সহজে সুধাংশু সাঙোৰ খাই পৰিছিল। বিশ্ববিদ্যালয়ৰ কামত সোমাবলৈও বেছি নভবাকৈয়ে এপ্লিকেচন এখন দি থৈছিল মাত্ৰ।

চাকৰিটো হ'লে ভাল, নহ'লে বেয়া বুলি ভবাবো অৱকাশ সুধাংশুৰ হোৱা নাছিল। ছমাহৰ আগতে এপ্লিকেচন দি সুধাংশু অসমৰ গাঁও-ভূঁই চাইহে ঘূৰি ফুৰিছিল। কটন কলেজৰ প্ৰাগ্‌বিশ্ববিদ্যালয়ৰ শ্ৰেণীত পঢ়ি থাকোঁতে তেওঁ আত্মগোপন কৰি ডেৰ বছৰ কাল অসমৰ গাঁৱৰ ভিতৰুৱা অঞ্চলত জন-চেতনাৰ ব্যাপকতাৰ বাবে কাম কৰি ফুৰিছিল। সেইবোৰ অভিজ্ঞতাৰ ভিত্তিত অসমৰ গাঁও অঞ্চলত কিমানদূৰ উন্নতি হৈছে, তাক চাবলৈ এটা হেঁপাহ হোৱাত গাঁৱে গাঁৱে ফুৰি অসমৰ গাঁৱলীয়া মানুহৰ বৰ্তমান অৱস্থাৰ বিতং খবৰ সুধাংশুৱে নিজে লৈ আছিছে। যোৱাটো আন্দোলনত গাঁৱলীয়া মানুহৰ ত্যাগৰ চানেকিয়ে সুধাংশুক স্তম্ভিত কৰিছে। ধন গ'ল, জন গ'ল, কাৰোবাৰ পুত্ৰ কাৰোবাৰ পিতৃ গ'ল। কত তৃতীয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ ওৰ পৰিল। সেইবোৰ অথলে যাবনে? "নিঃশেষে প্ৰাণ যে কৰিবে দান, ক্ষয় নাই তাৰ ক্ষয় নাই।" বিশ্বকবিৰ এই সুৰ একো সময়ত সুধাংশুৰ প্ৰাণত বাজি উঠিছে। সেই স্বতস্ফূৰ্ত ত্যাগৰ মূল্যায়ন কৰিবলৈ আজি গভীৰ বিশ্লেষণমূলক চিন্তাৰ প্ৰয়োজন। নহ'লে অসমৰ ভৱিষ্যতক এচাম স্বাৰ্থপৰ মানুহে অন্ধকাৰ কৰি পেলাব পাৰে। সেই বিপদৰপৰা অসমক ৰক্ষা কৰিব গাঁৱৰ দীন-হীন মানুহজাকেই। কিন্তু, তাৰ আগতে এই বুভুক্ষু মানুহজাকে অৰ্থনৈতিক দিশত ক্ৰমে টনকিয়াল হৈ আহিব লাগিব শিক্ষাৰ প্ৰকৃত পোহৰ পাবলৈ। প্ৰকৃত শিক্ষাইহে তেওঁলোকৰ চিন্তা শুদ্ধ পথত পৰিচালিত কৰিব পাৰিব আৰু একোটা অৱস্থাৰ, ঘটনাৰ, বিদ্ৰোহৰ, বৈপ্লৱিক আন্দোলনৰ বিশ্লেষণ প্ৰকৃত অৰ্থত কৰিব পাৰিব এনে ভাৱত মগ্ন হৈ থাকোঁতেই সুধাংশুৱে সকলো বাধা পাৰ হৈ বিশ্ববিদ্যালয়ত সোমাল। সুধাংশুৰ চাকৰিটো পাবলৈ যিবোৰ আপত্তি উঠিছিল নিয়োগ ক্ষেত্ৰত গোপনে, সেইবোৰৰ লগত সুধাংশুৰ পৰিচয় নোহোৱা নহয়। শেষত কামটো পোৱাত সুধাংশু সুখী হৈ সাহসেৰে সোমাল যদিও, নতুন এখন শিক্ষাজগতত সোমোৱা যেন লাগিল সুধাংশুৰ। এইখন শিক্ষাজগতত দেখোঁ পঢ়া-শুনা প্ৰকৃত অৰ্থত নহয়। সুধাংশুৰ ভাব হ'ল যেন—চিন্তাহীন ব্যস্ততা আৰু কৰ্মহীন

দেশপ্ৰেমৰ ভিত্তিত শিক্ষা যন্ত্ৰটো চলি আছে মাত্ৰ। শিক্ষাজগতৰ এনে অভিজ্ঞতা সুধাংশু ৰয়ৰ আগতে কেতিয়াও হোৱা নাছিল। বিদেশতটো হোৱা নায়েই, অসমৰ মহাবিদ্যালয়ৰ ছাত্ৰ হৈ থাকোতেও তেওঁ শিক্ষা-জগতৰ এনে বিপৰ্যয় দেখা নাছিল। কি হ'ল এইখন বুলি যোৱা তিনি মাহে সুধাংশু ৰয় যথেষ্ট বিৰক্তও হৈছে। নানা অসুবিধাৰ মাজতো সুধাংশু ৰয়ে ছাত্ৰসকলৰ কাষ চাপি তেওঁলোকৰ সমস্যাবোৰ বুজিবলৈ চেষ্টা কৰিছে! পাঁচ-ছদিন ছাত্ৰসকলক ক্লাছতো পাইছে। অধিকাংশ ছাত্ৰৰ চিন্তাৰ গভীৰতা নোহোৱা নহয়। তথাপি কিছু সংখ্যক ছাত্ৰই একোটা ঘটনাক বিশ্লেষণ কৰি চাব জনা নাই। চিন্তাৰ দৈন্যৰ মাজত গজালি মেলা নীচাত্মিকা ভাবে সেই ছাত্ৰসকলক খুলি খুলি খাইছে। এইসকল হতাশাগ্ৰস্ত ছাত্ৰই নানা ধৰণে কোলাহল কৰি শিক্ষাজগতত তল-ওপৰ কৰি আছে। এনে অৱস্থাৰ সুবিধা লৈ এশ্ৰেণী শিক্ষকেও ছাত্ৰসকলক বিভ্ৰান্ত কৰিছে। তাৰ মাজতে সুধাংশু ৰয়ে নিজৰ জীৱনাদৰ্শ চাকৰি-জীৱনৰ লগত কেনে ধৰণে সাঙোৰ খুৱাব ভাবি ওৰ পোৱা নাই, যদিও সদ্যহতে তেওঁ এটা ৰিছাৰ্চ প্ৰজেক্ট আৰম্ভ কৰিব অসমৰ চাহ-বাগিচাৰ বনুৱাসকলৰ অৰ্থনৈতিক দিশত। ইয়াৰ মাজতে কেইদিনমানৰ আগতে নিৰ্মলা ৰয়ে পুতেকৰ আগত বিয়াৰ কথা উলিয়াই অৰুণ বৰুৱাক মাতি পঠালে। তেওঁলোকৰ আলোচনাৰ ভিত্তিতে সুধাংশুৱে আজি নিজৰ সমস্যাটো যিমানে ভাবিছে, সিমানে চিন্তাৰ বিষয়টোৱে ক্ৰমে জটিল ৰূপ ধাৰণ কৰিছে।

কাপোৰ কেইখন জপা হ'লত নিৰ্মলা ৰয় কোঠাটোৰ পৰা নীৰৱে ওলাই যাব খোজাত সুধাংশুৱে মাকক মাতিলে,

—মা?

নিৰ্মলা ৰয়ে পুতেকৰ মুখলৈ ঘূৰি চাই সুধিলে,

—অংশু, কি হ'ল?

—তুমি কামেই কৰি থাকিবানে? বহাঁচোন মোৰ কাষত।

—কাম হ'লেই।

নিৰ্মলা ৰয় পুতেকৰ কাষত বহিবলৈ অহাত সুধাংশু অলপ আঁতৰি

গৈ ক'লে, ইয়াতে তুমি বাগৰ দি জিৰণি লোৱা বুলি পোন হৈ বহিল।

—মই বাগৰ নিদিওঁ এতিয়া। বহিলেই হ'ব।

—তেন্তে ভৰি তুলি ভালকৈ বহাঁ। তোমাৰ লগত মোৰ আজি বিশেষ কথা আছে। পিছতো কথা পাতিলে হ'ল হয়; কিন্তু, সেই আলোচনা সোনকালে শেষ কৰাৰ কথা ভাবিছোঁ।

সুধাংশুৰ কথা মতে মাকে বিছনাত ভৰি তুলি বহিল, আৰু পুতেকক ক'লে,

—কোৱা অংশু, কি কথা?

বাক মা, অঞ্জনাক আজি তোমাৰ কেনে লাগিল? মই চিঁৰিয়াছলি সুধিছোঁ। তুমি অকণো লুক-ঢাক নকৰিবা তোমাৰ অভিমতত।

—অঞ্জনাক মোৰ বৰ ভাল লাগিল। ভাল নালাগি নোৱাৰি নহয়। ইমান সহজ-সৰল, গহীন-গম্ভীৰ, নিৰহংকাৰী ছোৱালী। একেবাৰে মাক চাই জীয়েক হৈছে। সাত-আঠ বছৰ কাল লবেটোত শিক্ষা লৈছিল যেন নালাগেই।

—তুমি ঠিকেই ভাবিছা। এতিয়া মই যদি অঞ্জনাক বিয়া কৰোৱাৰ প্ৰস্তাৱ কৰোঁ, কেনে পাবা তুমি?

—মই বৰ আনন্দ পাম অংশু।

—ইমান দিনৰ মূৰত সিদিনা অঞ্জনাক দেখি মোৰো মনটো আনন্দিত হৈছিল। তাৰ পিছতো অঞ্জনাক লগ পাইছোঁ ছাৱৰ ঘৰত আৰু ক্লাছত। যিমানে লগ পাইছোঁ, সিমানে ছোৱালীজনীয়ে মোৰ মনৰ ভিতৰত গভীৰ ছাপ এটা পেলাবলৈ ধৰিলে। মোৰ মনৰ অৱস্থা এনেকুৱা আগতে কেতিয়াও হোৱা নাই। ইয়াত পঢ়োঁতে, ৰাজনীতি কৰোঁতে, দিল্লীত পঢ়া-শুনা কৰোঁতে, বিদেশত গৱেষণা কৰোঁতে কত ছোৱালী লগ পাইছোঁ, কিন্তু এনেকুৱাতো হোৱা নাই মা! মামী মাই মোক বেয়াই পালে তেওঁৰ ভনীয়েক সুৰমাক বিয়া কৰাবলৈ ৰাজী নোহোৱাত। মোৰ উদ্দেশ্য আছিল, কেতিয়াবা যদি বিয়া কৰাওঁ,

তেতিয়াহ'লে মোৰ কামত সহায় কৰিব পৰা এজনী সাধাৰণ অসমীয়া ছোৱালী বিয়া কৰাম।

সুধাংশুৰ কথা শুনি নিৰ্মলা ৰয়ে ক'লে,—আমাৰ পৰিয়ালত অসমীয়া ছোৱালী বিয়া কৰোৱাটো নতুন কথা নহয়। তোমাৰ ঠাকুৰ দাদাই অসমলৈ চাকৰি কৰিবলৈ আহি অসমীয়া ছোৱালীহে পছন্দ কৰিলে বিয়াৰ ক্ষেত্ৰত।

—জানোঁ মা। ঠাকুৰ দাদাই আমাৰ ঠাকুৰ মা মিনতি চৌধুৰীক বিয়া কৰাইছিল। ঠাকুৰ মাতো অসমীয়া আছিল ?

—অঁ, তেখেত অসমীয়া সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী আছিল। অৱশ্যে, শাহুৰ পিতৃ-মাতৃৰ মৃত্যুৰ পিছত, সেই পৰিয়ালৰ আন মানুহৰ লগত সম্বন্ধ নোহোৱা হৈ আহিল। শাহুৱে মোৰ বিয়াত এযোৰ মুগাৰ আৰু এযোৰ পাটৰ বন কৰা ৰিহা-মেখেলা দিছিল। মই দুয়োযোৰ কাপোৰ দুদিন পিন্ধি মৰমতে সাঁচি থৈছিলো। পিছত আৰু পিন্ধাই নহ'ল। তুমি ডাঙৰ হৈ অহাত পুত্ৰ-বধূক দিম বুলি ঠিক কৰিছিলোঁ। সোণৰ অসমীয়া গহনা—এটা জোনবিৰি আৰু এডাল গলপতাও মোক দিছিল। সেই দুডালো একে চিনে আছে।

নিৰ্মলা ৰয়ে আবেগত কথাখিনি কৈ যোৱা শুনি সুধাংশুৱে ক'লে,

—ৰ'বাচোন, তোমাৰ পাটৰ-মুগাৰ কাপোৰ আৰু গহণাপাতি পুত্ৰ-বধূক দিবা বাৰু। ডাঙৰ কথা হ'ল বাবাই মোৰ আৰু ঠাকুৰ মাৰ লগত অসমীয়াতে কথা কৈছিল। মোকতো অসমীয়া মাধ্যমতে লিখা-পঢ়া শিকাবলৈ ধৰিলে।

সেয়াই নে ? শহুৰ মহাশয়েও শাহুৰ লগত অসমীয়াতে কথা পতা শুনিছিলো আৰু তোমাৰ বাবাই মোক কি কৈছিল জানা ?

—কি মা ?

—কৈছিল, আমাৰতো আৰু নিজ ঠাইলৈ ফিৰি যোৱা নহ'ব। তুমি ভালকৈ অসমীয়া শিকি লোৱা। যিখন ঠাইত থাকিব লগা হয়, মানুহে সেইখন ঠাইৰ ভাষা শিকিব লাগে। মই তেতিয়া ভঙা ভঙা অসমীয়া কওঁ। তেওঁ হাঁহি হাঁহি মোৰ কথা শুদ্ধ কৰি যায়।

সেইবোৰ দিন! কত যে তেওঁৰ অসমীয়া ক্লায়েণ্ট। গাঁৱৰ মানুহে তেওঁক বৰ ভাল পাইছিল অংশু। আন এটা কথা হ'ল ইয়াৰ মাজতো মোৰ পিতৃ-কুলৰ মানুহে কিন্তু আমাৰ অসমীয়া-প্ৰীতি সমূলি ভাল নাপাইছিল।

—সেয়েহে মামা-মামীয়ে অসমীয়া মানুহক চকু পাৰি দেখিব নোৱাৰে।

—সেই বাবেই তুমি তেওঁলোকক বেয়া পাব নালাগে অংশু। তেওঁলোকে আমাৰ বহু উপকাৰ কৰিলে।

—সেই বিনিময়ত আমি আমাৰ মনুষ্যত্ব বিক্ৰী কৰিব নোৱাৰোঁ মা।

—সকলো মানুহৰ দৃষ্টিভঙ্গী একে নহয় অংশু। তুমি তোমাৰ মতে কাম কৰি যোৱা।

—তাকেই ক'ব খুজিছোঁ মা। মই এতিয়া নিজকে এজন অসমীয়া বুলি ভাবিব পৰা হৈছোঁ। এজনী অসমীয়া ছোৱালী বিয়া কৰোৱাত সেইফালৰ পৰা মোৰ বাধা থাকিব নালাগে।

—নিশ্চয় নালাগে।

—অৱশ্যে, মই ভবাৰ দৰে অঞ্জনা সাধাৰণ ছোৱালী নহয়। তেওঁৰ চৰিত্ৰত ডাঃ দুৱৰা পৰিয়ালৰ আভিজাত্যৰ ছাপ পৰিব পাৰে। মই ভবাৰ দৰে মোৰ কামত অঞ্জনাই সহায় কৰিব নোৱাৰিবও পাৰে। কিন্তু—

—তোমাৰ লগত অঞ্জনাৰ বহু কথাতে মই মিল দেখা পাইছোঁ, অংশু।

—যেনে।

—তোমাৰ দৰেই অঞ্জুৱেও নিজৰ প্ৰচাৰ নিবিচাৰে। তোমালোক দুয়ো নিৰহংকাৰী। তোমাৰ দৰেই তেওঁৰ ভাব-ভংগী মধুৰ। সেইটো মূল সাদৃশ্যৰ বাহিৰেও সৰু সৰু কিছুমান কথাত তোমালোক দুয়োৰো মিল আছে। মিলৰ উপৰিও তোমালোকৰ বিবাহোপযোগী বয়স হৈছে। এই বয়সত এগৰাকী উপযুক্ত পাত্ৰীক বিয়া কৰাবলৈ মন যোৱাটো একো অস্বাভাৱিক কথা নহয় অংশু।

—মা, মই কিন্তু অলপো আগবঢ়া নাই অঞ্জনাৰ লগত বিয়াৰ

সম্ভাৱনা সম্পৰ্কে। ছাৰে ইয়াৰ মাজতে হঠাতে মোৰ বিয়াৰ কথা উলিয়াইছিল। মই বন্ধ কৰি থ'লোঁ। অঞ্জনাৰ কথা কৈ মোক ছাৰে টোকৰ মাৰি চাইছিল। গম্ভীৰভাৱে মই নিৰ্বিকাৰ হৈ দেখুৱালোঁ। আজি তোমাক প্ৰথমতে পোনপটীয়াকৈ সুধিছোঁ। তোমাৰ সমৰ্থন পালে, ছাৰক জনাম। তাৰ পিছত অঞ্জনাক সুধিম। অঞ্জনাৰ মতৰ ওপৰতহে শেষত বিয়াৰ সম্ভাৱনা নিৰ্ভৰ কৰিব।

—মোৰ সমৰ্থনেই নহয় অংশু, মোৰ আশীৰ্বাদো আছে। তুমি যেন সফল হৈ সুখী হ'ব পাৰা।

মনৰ কথাখিনি কৈ নিৰ্মলা ৰয়ে নিজৰ সোঁহাতখন পুতেকৰ মূৰত থৈ চকু দুটা মুদি দিলে।

—হ'ব মা। তেন্তে কালিলৈ মই ছাৰৰ আগত কথাটো উলিয়াম আৰু দুই-এদিনৰ ভিতৰতে ছাৰক তোমাৰ ওচৰলৈ লৈ আহিম আকৌ।

—হ'ব অংশু। শুভ কাৰ্য শীঘ্ৰে সমাপন কৰাই ভাল।

—শীঘ্ৰে হ'বলৈ কথাবোৰ বৰ সহজ হৈ থকা নাই কিন্তু।

—সেইটো মই জানো। তথাপি।

—বাৰু মা, তুমি জানানে অঞ্জনাৰ দেউতাক অৰূপ কাকতিয়ে আত্মহত্যা কৰিছিল বুলি ?

—কিয় নাজানিম ?

—অকল সেইটোৱে নহয়। মানসিক বিকৃতিত তেওঁ আত্মহত্যা কৰাটো হয়নেকি ?

—মানসিক বিকৃতিও বহু বিধৰ আছে নহয়? মনটো স্থিৰ থাকিলে মানুহে আত্মহত্যাও কৰিব নোৱাৰে।

—কিন্তু কথা হ'ল, তোমাৰ ফালৰ পৰা সেইবোৰ কথা চিন্তা কৰি চাইছানে মোক সমৰ্থন দিওঁতে ?

—চাইছোঁ। জীৱনৰ আগবঢ়াৰ পথত অতীতে এইবোৰ কথা একো নহয় বুলি শিকাইছে অংশু।

—তেন্তে ঠিক আছে। মোক চাহ একাপ দিয়া। মই যাওঁ মোৰ পঢ়া-কোঠালৈ।

—এতিয়াই পঢ়িবানে ? অলপ জিবাই লোৱা।

—নপঢ়ো বিশেষ। ছাৰৰ কাৰণে কিতাপ কেইখনমান বান্ধি থওঁ। উঠি যাবলৈকে এলাহ লাগিছে। সেয়ে আৰু একাপ চাহ খাব খুজিছোঁ। চাহকাপ অথনি বৰ পাতল হ'ল।

—নহ'বনে পাতল। তুমি যিহে অঞ্জনাক বাৰে বাৰে ভয় খুৱাই দিছা।

—আমাৰ ঘৰত অঞ্জনাক অলপ সহজ হ'বলৈহে এটা চেষ্টা দিছিলো আজি। ছোৱালীজনী ৰিজাৰ্ভড্‌তো। বেছি গহীন হ'লেও মানুহৰ ভিতৰ ফালটো ধৰা নপৰে। যি দেখিলোঁ, অঞ্জনাৰ বহু কথা আজি বুজি পোৱা গ'ল।

—তোমালৈ অঞ্জনাৰ যে বৰ শ্ৰদ্ধা আছে, সেই কথাটো মই তেওঁৰ লগত কথা-বতৰা পাতি বুজি পাইছোঁ।

—হ'ব মা। অঞ্জনাৰ কথা ইমানতে এৰোঁ। ছাৰে কিতাপখন লিখি উলিয়াব পাৰিলে এটা ভাল কাম হয়। অসমৰ বুকুত আন্দোলনটোৰ মাধ্যমত বহুতো ভুল বুজাবুজি হৈছে। সেই সকলোবোৰ সামৰি ছাৰে কিতাপখন লিখি উলিয়ালে হয় এতিয়া। চাহ একাপ দিয়া মা।

—দিওঁ।

নিৰ্মলা ৰয় সুধাংশুৰ ওচৰৰ পৰা লাহেকৈ উঠি গ'ল।

## সাত

বিশ্ববিদ্যালয়ৰ মাজ মজিয়া আকৌ উত্তপ্ত হৈ উঠিল। এইবাৰ অকল যে পৰীক্ষা পিছুওৱাই ছাত্ৰসকলৰ দাবি, সেইটো নহয়। সেই মূল দাবিৰ লগতে আনুষংগিক আৰু কিছুমান দাবিত ছাত্ৰসকলে শ্ৰেণী-বৰ্জনতো কৰিছেই ইয়াৰ উপৰিও বিশ্ববিদ্যালয়ৰ প্ৰশাসন বন্ধ কৰাৰ কাৰণে ঘেৰাও, পিকেটিং আদিও কাৰ্যসূচীত লোৱাত বিশ্ববিদ্যালয়ৰ

কাম-কাজ সম্পূৰ্ণ অচল হৈ পৰিছে। খোলা আছে মাত্ৰ লাইব্ৰেৰিটো। তাতো পঢ়া-শুনা কৰা ছাত্ৰৰ সংখ্যা যথেষ্ট কমি আহিছে।

পুৱাতেই অঞ্জনাই গা ধুই উঠিছে। নিজৰ কোঠাটো পৰিপাটিকৈ থৈ অঞ্জনাই মাধুৰী শইকীয়ালৈ বাট চাই আছিল। মাধুৰী অঞ্জনাৰ ওচৰলৈ আঠ বজাতে অহাৰ কথা। ন বাজি যোৱাৰ পিছতো মাধুৰী নহা দেখি অঞ্জনা আগফালৰ বাৰাণ্ডালৈ ওলাই গ'ল। বাৰাণ্ডাৰ পৰা অঞ্জনাই দেখিলে—গেটৰ মুখত মাধুৰী আৰু আন দুগৰাকীমান ছাত্ৰীৰ লগত কেইজনমান ছাত্ৰই কথা পাতি আছে। অঞ্জনা নিজৰ কোঠালৈ ঘূৰি আহিল। অলপ পৰ নীৰৱে বহি থকাৰ পিছত, মাধুৰী খৰধৰকৈ কোঠাটোত সোমাই ক'লে—অঞ্জু, দেৰি হৈ গ'ল নহয়? তই ছাগে বিৰক্ত হৈ গৈছ—মোৰ কাৰণে বৈ বৈ।

—মুঠেই নাই হোৱা। বিৰক্ত হ'বলৈ কি আছে? তোৰ ব্যস্ততাৰ কথা জানোতো?

—একেবাৰে ভাল লগা নাই, বুজিছ, ইয়াত এনেভাৱে ব্যস্ত হৈ থকাত। দেউতাৰো টেলিগ্ৰাম আহিছে—ঘৰলৈ তুৰন্তে যাব লাগে।

—কিয়? অঞ্জুৱে সুধিলে।

—পঢ়া-শুনা যদি নহয়, ইয়াত থাকি কি লাভ? ময়ো ঘৰলৈ যোৱাৰ কথাকে ভাবিছোঁ। কিন্তু এটা অসুবিধাও হৈছে—ঘপহকৈ ঘৰলৈ গুচি যোৱাত। কথাটো তোক কওঁ বাৰু। তই কিন্তু ঘুণাক্ষৰেও হোষ্টেলৰ কোনো ছোৱালীৰ আগত কথাটো খুলিয়াবি। শেষত সিহঁতে জানিবই সকলো কথা। তথাপি আগতেই তোৰ বা মোৰ মুখেদি ওলোৱাটো ঠিক নহ'ব। শুনিছো, বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আজি উপাচাৰ্যৰ বাস-ভৱনত মিটিং পাতিব। দৰকাৰ হ'লে, আমাৰ হোষ্টেলবোৰো বন্ধ কৰি দিয়াৰ কথা আছে। বিছুৰ বন্ধ আগুৱাই গৰমৰ বন্ধৰ লগত সাঙুৰি দিব বুলিও শুনিছোঁ। আমাৰ ছাত্ৰসন্থাৰ সভ্যসকল ঘূৰি ফুৰিছে। যদি কৰ্তৃপক্ষই হোষ্টেল বন্ধ কৰিবলৈ ওলায়, তেন্তে তেওঁলোকে প্ৰতিবাদ কৰিব। ইফালে শুনিছোঁ—হোষ্টেলে হোষ্টেলে আধা ল'ৰা-ছোৱালী গ'লেই। এই গণ্ডগোল আৰু নকমে।

বেছি হোৱাবহে লক্ষণ দেখা গৈছে। আমাৰ হোষ্টেলবো হোৱালী বহুত গ'ল। কিবা এটা চেলু লৈ মত্নো যামগৈ বুলি ভাবিছোঁ। এই কথাটো জনাবলৈকে তোক লগ পাবলৈ আহিম বুলি কৈছিলোঁ যোৱা ৰাতি। তই এতিয়া কি কৰিবি? অৱশ্যে তোৰ একো অসুবিধা নাই। অৰুণ বৰুৱা ছাৰ আছে যেতিয়া কিবা এটা কৰিব।

—লাইব্ৰেৰিও বন্ধ হ'ব নেকি? অঞ্জুৱে সুধিলে।

—বন্ধ হ'লে সকলো বন্ধ হ'ব। কালিৰ ভিতৰতে শিক্ষক আৰু আন আন কৰ্মীসকলক দৰমহা দিয়াৰ বাবে কিবা এটা ব্যৱস্থা কৰিব। শিক্ষক সন্থাৰ অনুৰোধত, সেই সময়ত গণ্ডগোল নকৰিবলৈ ছাত্ৰসন্থা মান্তি হৈছে।

মাধুৰীৰ কথা শুনি অঞ্জনাই শেষত ক'লে,—তই বিশ্ববিদ্যালয়ৰ ভিতৰৰা কথা বহুত জান। আমি এইবোৰ একো ক'ব নোৱাৰো।

—সেয়েহে কওঁ মাজে মাজে তোক অলপ গমগতি ল'বলৈ। হ'বদে, মই যাওঁ। আমাৰ তাৰ দুজনমান ছাত্ৰ গেটতে ৰৈ আছে। সিহঁত আজি ৰাতিৰ বাছত ঘৰলৈ যাব।

মাধুৰী গুচি যোৱাৰ পিছত অঞ্জনা লাইব্ৰেৰিলৈ যাবলৈ ওলাল। মাধুৰীয়ে দিয়া বিশ্ববিদ্যালয়ৰ খবৰবোৰে অঞ্জনাৰ বুকুখন কঁপাই দিছিল। মনৰ অস্থিৰতা কমাবলৈকে তাই লাইব্ৰেৰিটোত কিছু সময় নিৰলে বহি থকাৰ কথা ভাবিলে।

অঞ্জনাই লাইব্ৰেৰিৰ ৰিডিং ৰুমত বহি এনেয়ে কিতাপ এখন মেলি লৈ চকু ফুৰাই গৈছে। ৰিডিং ৰুমত আৰু কেইজনমান ছাত্ৰ-ছাত্ৰীয়েও নীৰৱে পঢ়ি আছে। এনেতে, কোনোবা এজন চকীখনৰ পিছফালে থিয় হোৱা যেন গম পাই অঞ্জনাই ঘূৰি চালে। দেখিলে সুধাংশু বৰুৱা। ঘপহকৈ অঞ্জনা থিয় হ'ব খোজাত, বাওঁ হাতেৰে সুধাংশু বৰুৱে অঞ্জনাক বহিবলৈ ইংগিত দিলে। অঞ্জনা বহি থাকিল। সুধাংশু বৰুৱে অঞ্জনাই পঢ়ি থকা কিতাপখন হাতত লৈ থিয় হৈয়ে সূচীপত্ৰখন চালে। তাৰ পিছত কিতাপখন আগৰ ঠাইত থৈ অঞ্জনাৰ বহীখনত দুখন কিতাপৰ নাম লিখি দি সুধাংশু বৰুৱে ৰিডিং ৰুমৰ পৰা ওলাই আহিল নিঃশব্দে।

অঞ্জনাই পঢ়া এৰি বহীখনত লিখি থৈ যোৱা সুধাংশু বয়ৰ আখৰকেইটা চাই চাই ভাবিলে—এই অধ্যাপকজন ঘৰত ইমান স্ফূৰ্তিবাজ, কিন্তু শিক্ষক হিছাপে এনে গাম্ভীৰ্যপূৰ্ণ আচৰণৰ গৰাকী হ'ব পাৰিছে কেনেকৈ? এনেদৰে অঞ্জনাই ভাবি ভাবি ৰিডিং ৰুমৰ খিৰিকিৰে বাহিৰলৈ চালে। জিৰ্ জিৰ্ বতাহত ওখ গছবোৰৰ দীঘলীয়া পাতবোৰ লৰিছে। অলপ দূৰত যাত্ৰীৰে ভৰা সেউজীয়া বাছ এখন গুৱাহাটী মুখে গৈ থকা দেখি তাইৰ মাধুৰীয়ে কোৱা কথালৈ মনত পৰিল—হোষ্টেলৰ যে ছাত্ৰ-ছাত্ৰীসকল ঘৰলৈ যাবলৈ ওলাইছে। অৱশ্যে, আগত ৰঙালী বিহু। ঘৰে ঘৰে চাগে বিহুৱান, পিঠা-পনা আৰু কত ৰং-ৰহইচ আৰম্ভ হৈছে!

সুধাংশু ৰয়ে অঞ্জনাৰ বহীত নাম লিখি থৈ অহা কিতাপ দুখন লাইব্ৰেৰিৰ ৰেকত বিচাৰি পালে। কিতাপ দুখন একেবাৰে নতুন হৈয়ে আছে। পাঠকে আগতে নিয়াৰ কোনো চিন-মোকাম নাই। তেওঁ কিতাপ দুখন লৈ আকৌ ৰিডিং ৰুমত সোমাল। অঞ্জনাৰ সমুখত কিতাপ থৈ, বহীখনত আকৌ লিখি দিলে—কিতাপ দুখন লৈ যাবলৈ। আজিয়েই যে কিতাপ দুখন নিব নোৱাৰিব—সেই কথা সৰু মাতেৰে অঞ্জনাই সুধাংশু ৰয়ক ক'লে, কাৰণ লাইব্ৰেৰিৰ নিয়ম মতে নিব পৰা কিতাপ তাইৰ হাতত আছেই। আগৰ কিতাপ ঘূৰাই দিহে এই দুখন কিতাপ নিব পাৰিব। সুধাংশু ৰয়েও এইবাৰ সৰুকৈ অঞ্জনাক অৰুণ বৰুৱাৰ ঘৰলৈ আহিবলৈ কৈ সেই কিতাপ দুখন হাতত তুলি ল'লে। কাউণ্টাৰলৈ আহি নিজৰ নামত কিতাপ লৈ সুধাংশু লাইব্ৰেৰিৰ পৰা ওলাই আহিল আৰু অৰুণ বৰুৱাৰ ঘৰলৈ যাবলৈ খোজ ল'লে। কেন্টিনৰ ওচৰৰ বাছ ষ্টপেজটোত বাকচ-বিছনা লৈ লৈ বহু ছাত্ৰ-ছাত্ৰী বৈ আছে। দৃশ্যটো সুধাংশু ৰয়ৰ ভাল নালাগিল। তেওঁ কেন্টিনৰ সমুখেদি আহি হস্পিটেলটোৰ ওচৰ পাইছেহি মাত্ৰ। এনেতে অঞ্জনা বিজ্ঞাৰ পৰা নামি পৰিল আৰু সুধাংশু ৰয়ৰ ফালে চাই সুধিলে, "ছাৰ, আপুনি মামাৰ তালৈ যাব এতিয়া?"

—হঁ, ছাৰৰ তালৈকে আহি আছোঁ।

—মষো যাম মামাৰ তালৈ। উঠক ছাৰ ৰিক্সাত।

নম্রভাৱে অঞ্জনাই সুধাংশু ৰয়ক অনুৰোধ জনালে।

—এইখিনি খোজ কাঢ়ি যাবলৈ তোমাৰ অসুবিধা হ'বনেকি? সুধাংশুৱে গহীনভাৱে সুধিলে।

—একো অসুবিধা নহয় ছাৰ। ৰিক্সাখন এৰি দিওঁ বুলি অঞ্জনাই বেগটো খুলি খুচমুচাই থাকোঁতে সুধাংশু ৰয়ে নিজৰ বেগটোৰ পৰা সাউৎ কৰে টকা এটা উলিয়াই ৰিক্সাৱালাক বিদায় দিলে।

—ব'লা গৈ থাকোঁ। ছাৰৰ তাতে তোমাক লাইব্রেৰিৰ কিতাপ দুখনো দিব পাৰিম। সুধাংশু ৰয়ে ক'লে।

—বুজিব পাৰিছোঁ।

—কি বুজিছা?

—আপুনি যে মোক কিতাপ দিবলৈকে মাতিছে।

—কেনেকৈ বুজিলা? লাইব্রেৰিততো মই তোমাক কিতাপ দিবলৈ মাতিছোঁ বুলি কোৱা নাছিলোঁ। তোমাক লগ পোৱাৰ অন্য কাৰণ থাকিব নোৱাৰে নেকি?

—অন্য কি কাৰণ ছাৰ?

—তোমালোকে এইবিলাক কথা সমূলি নাভাবা নেকি?

—কোনবিলাক?

—এই যে শ্রেণী-বর্জন, ঘেৰাও, পিকেটিং আদিৰ কথা। পঢ়া-শুনাতো এনে পৰিৱেশত হ'ব নোৱাৰে।

সুধাংশু ৰয়ে কঠোৰ সুৰত অঞ্জনাৰ পৰা উত্তৰ বিচাৰিলে।

—ভাবি কি কৰিম? আমাৰ কথামতেতো একো নহয়।

—কিয় নহ'ব? লাইব্রেৰিলৈ যোৱাৰ আগতে কেইবাজনো ছাত্রক লগ পালোঁ। ক্লাছ হৈয়ো যাব পাৰে বুলি তেওঁলোক আহিছিল। পঢ়া-শুনা কৰাৰ বাবে ইচ্ছা কৰা ছাত্র-ছাত্রীসকল একেলগ হৈ এই অৰাজকতাৰ প্রতিবাদ কৰিব নোৱৰা?

—বেছি সংখ্যক ছাত্র-ছাত্রীৰে পঢ়া-শুনা কৰাবে ইচ্ছা। তথাপি প্রতিবাদ কৰিব নোৱাৰি। ইয়াত সেইটো হ'ব নোৱাৰিব।

—কিয় ?

—প্ৰতিবাদ কৰিবলৈ গ'লেই দেখদেখকৈ দুটা দলৰ মাজত মাৰধৰ হ'ব। চৌহদলৈ পুলিচ আহিব। পুলিচ আহিলে চৌহদৰ পবিত্ৰতাৰ প্ৰশ্ন উঠিব আৰু বহুত কথা।

—হোঁ।

অঞ্জনাৰ কথা শুনি সুধাংশু ৰয়ে কিবা এটা চিন্তা কৰিব খুজিলে। অঞ্জনাই আকৌ ক'লে,—অলপতে ছাত্ৰৰ দুটা দলৰ মাজত মাৰধৰ হোৱা সময়ত চৌহদত পুলিচ সোমোৱা কথাটো লৈয়ে এইবাৰ এই অচল অৱস্থা ঘটিছে। শুনিছোঁ—এই অৱস্থাৰ সহজে শেষ নহয়।

—অঁ বুজিলো বুলি সুধাংশু ৰয়ে আৰু বিশেষ কথা নুলিয়ালে। দুয়ো গৈ অৰুণ বৰুৱাৰ ঘৰৰ সমুখত থিয় হওঁতেই বাৰাণ্ডাৰ পৰা অৰুণ বৰুৱাই তেওঁলোকক দেখি আগবাঢ়ি আহিল।

—কিহে সুধাংশু! একেবাৰে ছাত্ৰীক লৈ দেখো ?

—এওঁলোকৰ শ্ৰেণী বৰ্জনতো। আপোনাৰ ইয়াতে অলপ পঢ়াই দিবলৈ ছাত্ৰীক লৈ আহিছোঁ।

—ভাল কথা, আহাঁ।

দুয়ো সোমাই গ'ল অৰুণ বৰুৱাৰ পিছে পিছে। অৰুণ বৰুৱাই নিজৰ পঢ়া টেবুলখন আজৰাব খোজোঁতেই সুধাংশুৱে মাত দিলে,—ছাৰ, একো আঁতৰাব নালাগে। আজি মাত্ৰ ছাত্ৰীক পঢ়িবলৈ দুখন ভাল কিতাপ দিম।

সুধাংশু ৰয়ে বেগৰপৰা কিতাপ দুখন উলিয়াই অঞ্জনাৰ হাতত দিলে।

—তোমালোকৰ কথা-বতৰা ঠিক ধৰিব পৰা নাই সুধাংশু।

—কওঁ ৰ'ব। আচলতে মই আজি আপোনাৰ ওচৰলৈহে আহিছিলোঁ। সিদিনা আহি আপোনাক নেপাই কিতাপকেইখন জেউতিৰ হাততে দি গ'লো।

সুধাংশুৱে ক'লে।

—পাইছোঁ পাইছোঁ। ভাবে দুখনমান কিতাপ মই বিচাৰি

ফুৰিছিলো। তোমাৰ তাত আছে বুলি জনাই নাছিলো। তুমি এনেদৰে আমাক কিতাপ যোগোৱা কামটো কৰি ভালেই কৰিছা।

—অঞ্জনাৰ কিতাপ দুখন মই লাইব্ৰেৰিৰপৰাহে আজি লৈছোঁ, ছাৰ।

—হ'লেই বা লাইব্ৰেৰিৰ। তথাপিতো তুমি কষ্ট কৰিছা।

—যোৱাচোন অঞ্জনা, আমালৈ দুকাপ চাহ লৈ আহাঁ।

কথাৰ মাজতে সুধাংশুৱে অঞ্জনালৈ চাই ক'লে। অঞ্জনাই হাতৰ কিতাপ দুখন আৰু বেগটো টেবুলতে থৈ চাহ আনিবলৈ গ'ল।

—তোমালোক দুয়ো লগ হ'লা কেনেকৈ? আজিতো ক্লাছ নহ'ব বুলি জনা কথা।

সুধাংশুক অৰুণ বৰুৱাই জেৰা কৰিলে। অলপকৈ হাঁহি সুধাংশুৱে অৰুণ বৰুৱাৰ উত্তৰ দিলে—

বিশ্ববিদ্যালয়লৈ গ'লোঁ আচল ঘটনাবোৰৰ ভু ল'বলৈ। তাতে দৰমহা পোৱা নাই। অফিচবোৰো বন্ধ। লাইব্ৰেৰি পালোঁগৈ। ৰিডিং ৰুমত অঞ্জনাই পঢ়ি থকা দেখি চালোঁগৈ—অৰ্থনীতিৰ এখন কাল্টু কিতাপ মেলি লৈছে। মনোযোগেৰে বোধকৰোঁ পঢ়াও নাছিল। মই দুখন কিতাপৰ নাম তেওঁৰ বহীত লিখি দিলোঁ লৈ যাবলৈ। লাইব্ৰেৰিৰ নিয়ম মতে বোলে আজি আৰু তেওঁ কিতাপ নিব নোৱাৰে। সেয়ে কিতাপ দুখন মোৰ নামতে লৈ মই আপোনাৰ ইয়ালৈ আহি আছোঁ। বাটতে অঞ্জনাই মোক লগ ধৰিলেহি ৰিক্সাৰে আহি। মই তেওঁক এতিয়াই আহিবলৈ কোৱা নাছিলো। ক'লো নহয়—পঢ়াত মনটো তেনেকৈ লগোৱা নাছিল। সুবিধা এটা পাই আপোনাৰ ঘৰলৈ বুলি গুচি আহিছে।

—মোৰ ইয়ালৈকে আহিছে নে তোমাক বাটত লগ ধৰিবলৈকে আহিছে, সেইটো কথা কোৱা টান বুজিছা সুধাংশু। মানুহৰ মনোজগত বিচিত্ৰ।

—আপোনাৰ এই কথাটো মই স্বীকাৰ কৰিছোঁ ছাৰ।

এনেতে অঞ্জনাই চাহ দুকাপ লৈ আহিল কেইখনমান পিঠাৰে সৈতে।

—অ' পিঠা, বঢ়িয়া ! বিহু আহিলেই নহয়। পিঠাবো আৱিৰ্ভাৱ হ'ল। এটা সময়ত গাঁৱে গাঁৱে যে পিঠা খাই ফুৰিছিলো, ছাৰ ভাবিয়েই ভাল লাগে।

সুধাংশুৱে আনন্দ মনেৰে ক'লে।

—বিহু আহিল হয়, বিহুৰ বন্ধ বাৰ এপ্ৰিল মানৰপৰা হ'বই চাগে। বিহুৰ আগে আগে দৰমহাটো হ'লে ভাল আছিল।

অৰুণ বৰুৱাই ক'লে।

—মইতো আজি শুনি আহিলোঁ। বিহুৰ আগে আগে বোলে আৰু ক্লাছ নহ'বই।

সুধাংশুৰ কথা শুনি অৰুণ বৰুৱাই ক'লে,

—তুমি ক্লাছৰ কথা কৈছা। মই অফিচ খোলাৰ কথাহে ভাবিছোঁ। অফিচ নুখুলিলে দৰমহাও নাপাম।

—পে দিব ছাৰ কালিলৈ আৰু পৰহিলৈ পুৰা এঘাৰ বজাৰ পৰা। সেইখন নোটিচ মই পঢ়ি আহিছোঁ।

—আমাৰ তেনেহ'লে আৰু কোৰ্ছ শেষ নহ'বগৈ। অঞ্জুৱে এইবাৰ মাত লগালে চিন্তিতভাৱে।

—কেনেকৈ হ'ব ? এনে অৱস্থাত ?

সুধাংশুৱে বিৰক্তি প্ৰকাশ কৰি অঞ্জনাক উত্তৰ দিলে। অৰুণ বৰুৱাই অঞ্জুৰ ফালে চাই ক'লে,

—তোৰ কোৰ্ছ শেষ কৰি দিব নহয় সুধাংশুৱে। ইমান ভাবিছ কিয় ?

—আন কেইখন পেপাৰ ?

ক'ব নোৱৰাকৈ অঞ্জনাৰ মুখৰপৰা প্ৰশ্নটো ওলাই আহিল। অঞ্জনাই তেতিয়া ভাবি আছিল মাধুৰী শইকীয়াই কোৱা কথাটো, বিশ্ববিদ্যালয় যে বন্ধ হৈ যাব পাৰে বহুদিনলৈ। অঞ্জনাৰ চিন্তিত মুখলৈ চাই অৰুণ বৰুৱাই সকাহ দিবলৈ ক'লে—সেই কেইখনো শিকাব পাৰিব সুধাংশুৱে। তই সুধাংশু বৰুক এলাপেছা অধ্যাপক বুলি ভাবিছ নেকি ?

অৰুণ বৰুৱাৰ কথাত সুধাংশুৱে স্ফূৰ্তি পাই ডাঙৰকৈ হাঁহিলে। মামা-ভাগিন দুয়ো সেই হাঁহিত যোগ নিদি নোৱাৰিলে।

চাহ খোৱা হ'লত অঞ্জুৱে কাপ-প্লেট লৈ যাব খোজোঁতে সুধাংশুৱে সুধিলে অঞ্জনাৰ ফালে চাই,

—তুমি চাহ-পিঠা একো নাখালা দেখোঁ ?

—খামগৈ ভিতৰত জেউতি মামীৰ লগত।

—যোৱা, চাহ খোৱাগৈ ভিতৰতে। মই ছাৰৰ লগত অলপ দৰকাৰী কথা আলোচনা কৰোঁ।

—চাহ খাই মই হোষ্টেললৈ যামগৈ। আপোনালোকে কথা পাতক বুলি কাপ-প্লেট লৈ অঞ্জনা কোঠাৰপৰা ওলাই গ'ল। সুধাংশুৱে যে অঞ্জুৰ বেগ আৰু কিতাপৰ ওপৰত চকু পেলালে, অৰুণ বৰুৱাই তাকে মন কৰি ক'লে—অঞ্জু আকৌ ইয়ালৈ আহিব লাগিব। কিতাপ আৰু বেগ ইয়াতে আছে।

—তাকে চালোতো, অৱশ্যে কিতাপ বেগ পাহৰিবও পাৰে। কিবা ভাবি থাকে অনবৰত ছোৱালীজনীয়ে।

—তোমাৰ কিতাপ নাপাহৰে। তুমি দেখিছোঁ অঞ্জুক বিশেষভাৱে পৰ্যবেক্ষণ কৰিবলৈ আৰম্ভ কৰি দিছা।

—অঞ্জনাক অলপ বুজিবলৈহে চেষ্টা কৰিছোঁ ছাৰ।

—কিবা প্ৰয়োজনত ?

—হয় ছাৰ। আপোনাক আৰু লুকুৱাব নোৱাৰি। এই সংক্ৰান্তত আপোনাক বিশেষ কথা এটা ক'ব লাগিব বুলি ভাবি আছোঁ।

—কোৱা তেন্তে। ময়ো তোমাক কিবা এটা সোধোঁ সোধোঁ বুলি সুধিব পৰা নাই।

—আপুনিয়েই সোধক ছাৰ তেনেহ'লে।

দুয়ো কিছুসময় নিমাতে থাকিল। মৌনতাই দুয়োকো চিন্তান্বিত কৰি তুলিলে। জীৱনৰ নতুন এটা অৱস্থাৰ প্ৰস্তুতিৰ দায়িত্বই যেন দুয়োকো গম্ভীৰ কৰি তুলিলে। শেষত নীৰৱতা ভংগ কৰি অৰুণ

বৰুৱাই সুধাংশুৰ ফালে কাতৰভাৱে চাই ক'লে, সুধাংশু, তোমাৰ লগত মোৰ এটা নিঃস্বাৰ্থ সম্বন্ধ আছিল অ'তদিনে।

অৰুণ বৰুৱাৰ কথা আৰু আগবাঢ়িব নিদি সুধাংশুৱে ততালিকে ক'লে,

—সেই সম্বন্ধ সদাই থাকিব ছাৰ।

—অঁ। তুমি ভুল নুবুজাতো?

—আপুনি ছাৰ একোটা মুহূৰ্তত বৰ আবেগিক হৈ পৰে। ময়ে পোনপটীয়াকৈ কথাটো নিস্পত্তি কৰোঁ। কথাটো হ'ল, অঞ্জনাৰ সম্মতি থাকিলে মই তেওঁক বিয়া কৰাব খোজোঁ।

—বৰ ভাল কথা। অঞ্জনাক সেই বিষয়ে সুধিছা নেকি?

—নাই সোধা। সুধিলোঁ ক'ত? আপোনালোক অহাৰ পিছত সেইদিনা মই মাক কৈছিলোঁ মোৰ ইচ্ছাৰ কথা। মাই সুখী হ'ব বুলি কোৱাই নহয়, মোৰ মূৰত ধৰি আশীৰ্বাদো দিছে। তাৰ পিছতে, আপোনাৰ মত জানিব খুজিছোঁ অঞ্জনাক কথাটো সোধাৰ আগতে। মাক আৰু আপোনাক নোসোধাকৈ মই আগ নাবাঢ়োঁ নহয়। কওক, এতিয়া কথাটো কেনে হ'ব।

মইতো ভাবোঁ অঞ্জু তোমাৰ উপযুক্ত জীৱনসংগিনী হ'ব বুলি।

—বৰ ভাবুক ছোৱালীজনী, সংকোচো হয় সুধিবলৈ।

—তাই তোমাক বৰ শ্ৰদ্ধা কৰে। কিন্তু দুয়ো পৰিয়ালৰ কথাও এই সংক্ৰান্তত ভাবিব লগা আছে।

—ভাবিব লগা আছে বুলি মই জানো। কিন্তু অঞ্জনাৰ নিজস্ব মত থাকিলে বাকীবোৰ কথাই অসুবিধা নকৰিব যেন লাগে।

—শেষত দেখিছোঁ, তুমি অঞ্জনাৰ প্ৰেমতে পৰিলা।

—হয় ছাৰ। অৱশ্যে, প্ৰেম কি সেই কথা মই এতিয়াও উপলব্ধি কৰিব পৰা নাই। তথাপি অঞ্জনাক লগ পালে মোৰ ভাল লাগে। এক অনুপম আনন্দত মনটো অভিভূত হ'ব খোজে। এনে ধৰণেই প্ৰেম আৰম্ভ হয় নেকি তাকো ক'ব নোৱাৰো।

—হয়, হয় ঠিক তেনে ধৰণেই।

আনন্দতে দুয়ো একেলগে হাঁহিলে। অকল হহাঁই নহয়, দুয়ো কিছুপৰ নীৰৱে থাকি উপলব্ধি কৰিবলৈ বিচাৰিলে প্ৰেমৰ অমোঘ শক্তি।

এনেতে, আগফালৰ বাৰাণ্ডাত মিনাৰামে কৈ উঠিল—ককাইদেউ, বৰ গণ্ডগোল লাগিছে বিশ্ববিদ্যালয়ত।

—কি হ'ল আকৌ মিনাৰাম?

অৰুণ বৰুৱা আগফাললৈ ওলাই আহি সুধিলে। পিছে পিছে সুধাংশুও আহিল।

—চব বন্ধ হ'ব কালিৰপৰা। মিনাৰামে ক'লে।

—কিয়? অৰুণে সুধিলে।

কোনোবা দুজন ছাত্ৰনেতাক পুলিচে ধৰি নিছে। সেয়ে জাক জাক ছাত্ৰ আহি বিশ্ববিদ্যালয়ৰ মুখিয়াল লোকসকলৰ বহুতকে বেয়া ব্যৱহাৰ কৰিছে। আজিৰ ভিতৰতে বিশ্ববিদ্যালয় বন্ধ হ'ব। কালিলৈ হোষ্টেলবিলাকো বন্ধ হৈ যাব। বন্ধৰ নোটিচ পোৱাত আধামান ছাত্ৰ-ছাত্ৰী বিছনা-পত্ৰ লৈ বাছত উঠা দেখি আহিছোঁ। কালিৰপৰা আমাৰ লাইব্ৰেৰিও বন্ধ।

—কেতিয়া খুলিব?

—সেইবোৰ একো নাজানো।

—বন্ধ দিলে কোনে? ছাত্ৰই নে প্ৰশাসকে?

গহীন সুৱত সুধাংশুৱে প্ৰশ্ন কৰিলে।

উপাচাৰ্যৰ ঘৰত আজি পুৱাৰ ভাগতে মিটিং বহিছিল। সেই মিটিঙতে ঠিক কৰা হ'ল হেনো বন্ধ দিয়াৰ কথা।

তেওঁলোকে এনেদৰে কথা পাতি থাকোতেই অঞ্জনা আৰু জেউতি আহি দুৱাৰমুখত থিয় হৈ আছিল। অঞ্জনাৰ অবাক দৃষ্টিত সুধাংশুৱে তলমূৰ কৰিলে।

# আঠ

আগ ৰাতি বৰষুণ হৈছিল। পুৱা বতৰটো গোমোঠা মাৰি আছে। আকাশৰ বিস্তাৰৰ পৰা পৃথিৱীৰ বননিলৈকে গোটেইখন যেন নিমাও-মাও। বিশ্ববিদ্যালয়ৰ হোষ্টেলবোৰ উদং। ছাত্ৰ-ছাত্ৰী নাই। ছাত্ৰ সন্থাৰ কেইজনমান ছাত্ৰই আজি অ'ত কালি ত'তকৈ কটাইছে। গৰমৰ বন্ধৰ আগতে ক্লাছ আৰু হ'বনে নহয় একো ঠিক হোৱা নাই। আনহাতে, পৰীক্ষাৰ তাৰিখৰ বাবে কৰ্তৃপক্ষ কোনো সিদ্ধান্তলৈ আহিব পৰা নাই। অৱশ্যে, অফিচ আৰু লাইব্ৰেৰি খুলিছে। লাইব্ৰেৰিটোত গৱেষণা কৰা স্থানীয় ছাত্ৰ দুই-এজনো বহিছেগৈ।

পোষ্ট অফিচটোৰ ওচৰৰে ষ্টপেজটোত বাছৰ পৰা নামি সুধাংশু ৰয়ে খৰ গতিৰে একেকোবে অৰুণ বৰুৱাৰ ঘৰ পালেগৈ। গো-গোকৈ ভিতৰলৈ সোমাই গৈ দেখিলে অৰুণ বৰুৱাই ভাত খোৱা থাল-বাটিবোৰ টেবুলৰপৰা তুলি নিবলৈ যো-জা কৰিছে। এনেতে সুধাংশু আহি সমুখত থিয় হোৱাত অৰুণ বৰুৱাই আনন্দতে ডাঙৰকৈ ক'লে,—অ', সুধাংশু কি হ'লহে? তোমাৰ দেখোঁ দেখাদেখি নাই? অৱশ্যে, নানা কথাৰ মাজত ময়ো তোমাৰ খবৰ ল'ব পৰা নাই। বহাঁ, বহাঁ। মই আহিছোঁ ৰ'বা বুলি ভাত খোৱা থাল-বাটি হাতত লৈ অৰুণ বৰুৱা ৰান্ধনি-ঘৰ পালেগৈ। থাল-বাটিবোৰ ধুই থৈ নতুন ফুলাম গামোচাৰে হাত দুখন মচি মচি অৰুণ বৰুৱা ওলাই আহিলত সুধাংশুৱে সুধিলে,—জেউতিহঁত নাইনেকি ছাৰ?

—নাই। কিয়?

—বৰ নিতাল যেন লাগিছে ঘৰটো।

—অঁ, মিনাৰামহঁত গাঁৱলৈ গৈছে। জেউতি বহুদিন মাকৰ ঘৰলৈ যোৱা নাছিল, তাতে ভায়েকৰ বিয়াৰ কথা ওলাইছে। তাৰে খবৰ কৰিবলৈও গৈছে। আজি কালিতো অহাব কথা। লাইব্ৰেৰি আৰু

অফিচ পৰহিয়েই খুলিছে। বিশেষ অসুবিধা নহ'লে, মিনাবাম আজি আবেলিৰ ফালে ওলাবহি।

—অঁ, সেয়েহে।

—অঁ, সেয়েহে মই খোৱা থাল-বাটি তুলি নি ধুই থৈ আহিলোঁ। যাক তোমাৰ খবৰ কোৱাচোন, ইমানদিন অহা নাই কিয়? কাৰো অসুখ-বিসুখ হোৱা নাইতো?

—নাই। কাৰো অসুখ-বিসুখ হোৱা নাই। কিন্তু মাই মামাৰ অসুখ হোৱা বুলি ভাবিছিল। সেয়ে মই কলিকতালৈ যাব লগা হ'ল। কালি আবেলিহে আহি পাইছোঁ।

—কেতিয়া গ'লাহে কলিকতালৈ?

—যোৱা বুধবাৰেই গ'লোঁ। পাঁচ ৰাতি আছিলোঁ কলিকতাত মামীমাৰ দেউতাকৰ ঘৰত। মামা-মামীমা দিল্লীৰ পৰা আহি তাতে আছিল। মোক জৰুৰী টেলিগ্ৰাম কৰি মতা দেখি মা চিন্তিত হ'ল, মামাৰ হাৰ্টৰ অসুখ হোৱা বুলি। গৈতো বিপদতেই পৰিলোঁ।

—বিপদ মানে?

—সেইবোৰ বহুত কথা।

—ক'ব নোৱাৰি নেকি?

—কিয় নোৱাৰি? খুব ভালকৈয়ে পাৰি।

—মোৰ ইয়ালৈ তুমিতো পোন্ধৰ দিনমান অহা নাই। কলিকতালৈ যোৱা সাতদিনহে হ'ল। তাৰ আগৰ কেইদিনোতো তুমি নাহিলা?

আপোনাৰ হিচাপ ঠিকেই আছে দেখিছোঁ। কলিকতালৈ যোৱাৰ আগতে এদিন আহিম বুলি ভাবি থাকোঁতেই মামাৰ টেলিগ্ৰামখন পালোঁ। তাৰ পিছত সময় নহ'ল। প্লেনৰ টিকেটৰ বাবেও লৰা-ঢপৰা কৰিব লগা হ'ল। কলিকতাৰ পৰা দুদিনৰ ভিতৰতে ঘূৰি অহাৰ কথা ভাবি ৰিটাৰ্ন টিকেট সেইমতে কৰিছিলোঁ। কিন্তু মামা-মামীৰ পাল্লাত পৰি আৰু তিনি দিনৰ বাবে জালত বান্ধ খালোঁ।

—কিহৰ জালনো? ধৰিব পৰা নাই। বুজাই কোৱাত অসুবিধা নাইতো?

—অসুবিধা? নাই। এটা কথা কওকচোন ছাৰ আগতে, মিনাৰামহঁত গাঁৱলৈ কেতিয়া গ'ল?

—উককাৰ দিনাই গ'ল। পুৱা ইয়াতে অৱশ্যে উককাৰ ভোজ খাই-বৈ গৈছে। সেইদিনাও তোমাৰ কথা আমাৰ মাজত ওলাইছিল। অ' পাহৰিছোঁ ৰ'বা, জেউতিয়ে তোমালৈ এনেকুৱা এখন বিছৱান থৈ গৈছে মোৰ হাততে।

নিজৰ গামোচাখন দেখুৱাই অৰুণ বৰুৱাই ক'লে।

—তাৰ মানে এই সাত দিন আপুনি নিজে ৰন্ধা-বঢ়া কৰিছে।

—কালিলৈকেতো অঞ্জুৱেই ৰন্ধা-বঢ়া কৰিলে। কালিহে তাই ডিগবৈলৈ গ'লগৈ। হোষ্টেল বন্ধ হোৱাৰ পিছত অঞ্জু মোৰ ইয়াতে আছিলহি। ক্লাছ হোৱাৰ সম্ভাৱনা নোহোৱাত কালি তাইক প্লেনেৰে ডিব্ৰুগড়লৈ পঠাই দিলো। ডাঃ ছুৱৰাহঁতে ডিব্ৰুগড়ৰপৰা তাইক লৈ যোৱাটো ফোনেৰে ঠিক কৰা হ'ল। কালি তাই যোৱাৰ আগতে ৰান্ধি থৈ যোৱা আঞ্জা, তৰকাৰী আছিলেই। আজি ভাতকেইটা সিজালোঁ মাত্ৰ। সেইটো আৰু কি কথা? কোৱা এতিয়া তোমাৰ কাহিনী।

—মোৰ কথা অলপ দীঘলীয়া হ'ব। প্ৰথমতে, বিশ্ববিদ্যালয়ৰ ঘটনা আৰু তাৰ পিছত কলিকতাৰ ঘটনাৰ কথা ক'লে বুজি পাব ছাৰ মোৰ মনৰ অৱস্থা। বাৰু, চাহপাত-চেনি আছেনে?

—কিয় নাথাকিব? চাহ খাব খুজিছাতো?

—অঁ। আপুনি ঠিক ধৰিছে। মই নিজে কৰি লম ছাৰ চাহ কাপ।

—হ'ব দিয়া। জানাতো চাহ কৰিব?

—কিয় নাজানিম?

—হ'লা তেনে বান্ধনিঘৰলৈকে।

শিক্ষক, ছাত্ৰ দুয়ো গৈ বান্ধনিঘৰত সোমাল।

—ঘৰ আটোম-টোকাৰিকৈ থৈছে পাকঘৰটো। সুধাংশুৱে চাৰিওফালে চাই লৈ ক'লে।

—এই কেইদিন অঞ্জুৰনো কাম কি ? বন ছাকা কৰা আৰু বন্ধা-বঢ়াতে সময় কটালে। পঢ়া-শুনা মুঠেই কৰা নাই ছোৱালীজনীয়ে।

কথা কৈ কৈ অৰুণ বৰুৱাই গেচটো জ্বলাই সৰু কেটলিটোত পানী অলপ বহাই দিলে। সুধাংশুৱে গেচটোলৈ ৰ লাগি চাই থাকিল। গৰম পানী অলপ ঢালি অৰুণ বৰুৱাই টিপটটো আওখালি ল'লে, তাৰ পিছত টিওৰপৰা এচামুচ চাহপাত উলিয়াই টিপটটোত দিলে। গেচটো কমাই থৈ কেটলিটোৰ উতলা পানী টিপটটোত ঢালিবলৈ ওলাওঁতেহে সুধাংশুৱে টোপনিৰপৰা সাৰ পোৱা মানুহৰ দৰে দৃষ্টি লৰচৰ কৰিলে। তাৰ পিছত তেওঁ ক'লে,

—আপুনিয়েই চাহ ঢালিলে দেখোন ছাৰ ?

—তাত কি হ'ল ?

সুধাংশুৱে লৰালৰিকৈ কাপ-প্লেটযোৰ ঠিক কৰি কাপটোত চেনি এচামুচ দিলে। টিপটটোৰ মুখখন খুলি চামুচ এখনেৰে চাহখিনি লৰাবলৈ ধৰিলে। অৰুণে সৰু চচ্‌পেনটোত গাখীৰ অকণমান গৰম কৰি চাহৰ কাপত ঢালি দিলে।

—আপুনি নাখায় ছাৰ ?

এইমাত্ৰ ভাত খালোহে। তুমি ভাত খোৱাতো নাই ছাগে ?

—খাইছোঁ, খাইছোঁ।

সুধাংশুৱে চাহকাপ লৈ খোৱা-ঘৰলৈ আহিল। টেবুলত চাহৰ কাপ-প্লেটযোৰ থৈ চকী এখন টানি লৈ বহিল। অৰুণ বৰুৱাই প্লেট এখনত নাৰিকলৰ পিঠা আৰু কটা নিমকি সুধাংশুৰ আগত থ'লে।

—এইবিলাক নহ'লেও হ'ল হয়। চাহ একাপৰহে দৰকাৰ আছিল। বৰ পিয়াহ লাগিছে।

—খোৱা, খোৱা। অঞ্জুৱে এইবোৰ কৰিছিল। বিহুত তুমি অহিবা বুলি তাই বৰ আশা কৰিছিল।

—ময়ো বৰ আশা কৰিছিলোঁ, এইবাৰ বিহুত অঞ্জনাৰপৰা বিহুৱান এখন পাম বুলি। মোলৈ অঞ্জনাই বিহুৱানো থৈ যোৱা নাইনে ?

—নাই বুলি অৰুণ বৰুৱাই হাঁহিলে।

—সেইখিনিতেই গাঁৱলীয়া জেউতি আৰু নগৰীয়া অঞ্জনাৰ ভিতৰত প্ৰভেদ। মই আচলতে গাঁৱৰ অসমীয়া ছোৱালী এজনীহে বিয়া কৰাম বুলি ভাবিছিলোঁ।

—তুমি যে আকৌ নগৰীয়া ছোৱালীৰ প্ৰেমত পৰিলা ?

—প্ৰেম আৰু বিয়াৰ মাজত সম্পূৰ্ণ এৰাব নোৱৰা সম্বন্ধ এটা আছে জানো ছাৰ ?

—এনে প্ৰশ্ন তোমাৰ মনত উদয় হ'ল ! অঞ্জুৰ ওপৰত তোমাৰ খং উঠিছে নেকি কিবা কাৰণত ?

কথাখিনি কৈ যাওঁতে অৰুণৰ মনৰ ভিতৰত সুধাংশুৰ প্ৰশ্নটোৰ প্ৰতিধ্বনি হ'ল—প্ৰেম আৰু বিয়া অনিবাৰ্যভাৱে বান্ধ খাই আছে জানো ? এই প্ৰশ্নৰ আকুলতা ঢকাৰ সামৰ্থ্য অৰুণ বৰুৱাৰ আছে। সেয়ে অৰুণ বৰুৱাৰ প্ৰশ্নৰ উত্তৰ সুধাংশুৱে সহজে দিব পাৰিলে,— উঠিছে, অঞ্জনাৰ ওপৰত খুব খং উঠিছে।

—কোৱাচোন কি হৈছে ?

—কওঁ ছাৰ এটা এটাকৈ।

সুধাংশুৱে ইতিমধ্যে চাহ কাপ শেষ কৰি জলপানৰ প্লেটখন অলপ আঁতৰাই থ'লে আৰু চাহৰ কাপটো প্লেটখনৰ ওপৰত থৈ, তলমুৰৈ কিবা এটা দকৈ ভাবিলে। কাপ-প্লেটযোৰ আকৌ হাতেৰে ধৰি সুধাংশুৱে ক'লে, এইযোৰ এইবাৰ মই ধুম। কিন্তু কথা শেষ হ'লে ধুম। আপুনি আকৌ কথাৰ মাজতে মই খোৱা কাপ-প্লেটযোৰ ধুবলৈ উঠি নাযাব ছাৰ।

—হ'ব, তুমিয়েই ধুবা বাৰু। মই উঠাই নিনিওঁ। কাপ-প্লেটযোৰ সাক্ষী থাকক আমাৰ কথাৰ।

শিক্ষক-ছাত্ৰ দুয়ো হাঁহিলে। অৰুণ বৰুৱাই সুধাংশুক লক্ষ্য কৰি ক'লে, কোৱা এতিয়া বিশ্ববিদ্যালয়ত কি হ'ল ?

—মই কেতিয়াও ভবা নাছিলোঁ এনে হ'ব বুলি। অঞ্জনাই আপোনাক একো কোৱা নাই সেই কদৰ্য ঘটনা সম্পৰ্কে ?

নাইতো, একো কোৱা নাই।

—আচৰিত! সামাজিক সত্তা এটাই গঢ়েই লোৱা নাই এতিয়ালৈকে।

—কাৰ ?

—অঞ্জনাহঁতৰ দৰে ছাত্র-ছাত্রীৰ।

—মুকলিভাৱে নোকোৱা কিয় ঘটনাটো সম্পর্কে ?

—ক'বলৈকে ওলাইছোঁ। সেই আপোনাৰ ইয়াৰ পৰা যোৱাৰ পিছদিনা মই বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীৰ মাজত যথেষ্ট অপমানিত হৈছোঁ ছাৰ। জীৱনত প্রথম বাৰৰ বাবে এনে অপমান সহ্য কৰিব লগা হ'ল। মোক ছাত্র-ছাত্রীৰ একাংশই পিঠিত কিলাবলৈহে বাকী থাকিল। মোৰ প্রতি অতি অশ্লীল বাক্য-বাণৰতো শেষ নাই!

—কিয় ?

—এইবোৰ অসভ্যালিৰ কিবা যুক্তিযুক্ত কাৰণ থাকিব পাৰে জানো ? ছাত্র-ছাত্রীৰ মানসিক দৈন্যৰো এটা সীমা আছে ছাৰ। তেওঁলোকে সেই সীমাও চেৰাই গৈছে। মই আচৰিত হৈছোঁ ভাবি সেই উদণ্ড দলটোৰ ভিতৰত অঞ্জনাও আছে।

—ভয়তে হয়তো।

—উচ্চ শিক্ষাৰ জগতত ছাত্র-ছাত্রীৰ তেনে ভয় একেবাৰে পছন্দ নকৰোঁ আৰু ডাঙৰ কথা হ'ল, অঞ্জনাই যে সেই কথা আপোনাক ঘুণাক্ষৰেও জানিবলৈ দিয়া নাই।

—ৰ'বা, তুমি উত্তেজিত নহ'বাচোন। ছাত্র-ছাত্রীৰ একাংশই যে উদণ্ড হৈ কিবাকিবি কৰিছিল, সেই কথা অঞ্জনাই মোক কৈছিল। এনেধৰণৰ ঘটনা বিশ্ববিদ্যালয়ৰ মাজ-মজিয়াত হৈয়ে থাকে। সেয়ে মই তাইৰ কথাত বিশেষ গুৰুত্ব দিয়া নাছিলোঁ। মোৰ অন্যমনস্কতাক লক্ষ্য কৰিয়েই হয়তো তাই তোমাৰ কথা একো খুলিয়ালে।

অঞ্জনা আপোনাৰ ইয়াত কেইবাদিনো আছিল ছাৰ। মোৰ প্রতি এই জঘন্য অপমানৰ কথা ক'বলৈ সময় নাপালে ? অকল ঘৰ চাফা কৰিলে কি হ'ব ? মন চিকুণ কৰাৰ কথাও ভাবিব লাগে।

—ৰ'বা, তুমি অঞ্জনাৰ অৱস্থাটো দকৈ ভাবি চোৱা নাই। তোমাৰ কথা অৰ্থাৎ তোমাৰ অপমানৰ কথা তাই মোক বহু কাৰণত্তে নক'ব পাৰে।

—আৰু কি কাৰণ থাকিব পাৰে ছাৰ?

—ধৰাচোন, তোমাৰ অপমানৰ কথা অঞ্জুৰ মুখেৰে ৰাষ্ট্ৰ হ'লে সেই দগাবাজমখাইতো তাইক সুখেৰে নেৰিব।

—নেৰক সুখেৰে। তথাপি মনৰ সন্তুষ্টি থাকিল হয়।

—মই তোমাক পূৰ্বেই কৈছিলোঁ, ছাত্ৰ-ছাত্ৰী সম্পৰ্কে অভিমত য'তে ত'তে নিদিবা। তোমালোকে ভাবিব নোৱৰা এচাম ছাত্ৰ-ছাত্ৰীৰ যে কিমান অধঃপতন হৈছে।

—মই ভাবোঁ ছাত্ৰ-ছাত্ৰীৰ অধঃপতন কিমান দূৰলৈ গৈছে—তাক জনাটো শিক্ষকৰ কৰ্তব্য। আৰু সেই অধঃপতনৰপৰা ছাত্ৰ-ছাত্ৰীক উদ্ধাৰ কৰিবলৈ কিবা এটা কৰিব লাগে বুলিও মনলৈ ভাব আহিব লাগিব। মই মাত্ৰ পঢ়া-শুনাৰ বাবে ইচ্ছুক ছাত্ৰসকলক একগোট হ'বলৈ ক'বলৈহে পাৰোঁ—

—কি কৰিবা? যি জাগি শোৱে, তাকতো জগাব নোৱাৰি।

—জাগি শুবলৈ দিয়া হৈছে কাৰণে তেওঁলোকৰ প্ৰকৃত জাগৰণ নহয়। আপোনালোকে কি সত্তে ছাত্ৰ-ছাত্ৰীক এনেধৰণে জাগি শুবলৈ সমৰ্থন দিছে?

—তুমি ভবা মতেতো জগতখন নচলে।

—তেতিয়াহ'লে মই সেই জগতৰপৰা আঁতৰি আহিব লাগিব ছাৰ।

—আঁতৰি থাকিবলৈ তোমাক প্ৰথমতে কোৱা হৈছিল?

—নাই কোৱা। আপুনি মোক অঞ্জনাক বিয়া কৰোৱাৰ ইচ্ছাত উৎসাহেই দিছিল।

—অ, তোমাৰ গোটেই খণ্টো এতিয়া অঞ্জুৰ ওপৰতহে।

—নিশ্চয়।

—তেন্তে—

—আপুনি মোৰ বিয়াৰ ইচ্ছা সম্পৰ্কে এইকেইদিনৰ ভিতৰত কিবা ক'লে নেকি অঞ্জনাক ?

—অঁ। সুধিছিলোঁ অঞ্জনাক, তুমি তাইক বিয়া সম্পৰ্কে কিবা কথা কৈছানেকি। একো কোৱা নাই বুলি ক'লে অঞ্জনাই। মই আকাৰে-ইঙ্গিতে তোমাৰ ইচ্ছাৰ কথা তাইক জনাইছিলোঁ।

—এই আকাৰে-ইংঙ্গিতে কোৱাৰ নিয়মৰ বাবেই আপোনালোকৰ যত অসুবিধা হয়। অঞ্জনাই কি ক'লে মোৰ ইচ্ছা সম্পৰ্কে জানি ?

—বিয়া সম্পৰ্কে অঞ্জুৱে পৰীক্ষাৰ পিছতহে ভাবিব বোলে।

—আপুনি মোৰ ইচ্ছা সম্পৰ্কে নক'লেই ভাল আছিল।

—কিয় ?

—মোৰ ইচ্ছাটোৰ পৰিৱৰ্তন ঘটাব খুজিছোঁ।

—সময় আছে তাৰ বাবে। কালিকতালৈ গৈ কিবা নতুন প্ৰস্তাব পালা নেকি ?

—আপুনি জানিলে কেনেকৈ ?

—জানিলো মানে ভাবিছোঁহে।

—সেই প্ৰস্তাৱো মই মূলতেই নাকচ কৰিছোঁ ছাৰ।

—কিয় ?

—সুৰমা নামৰ ছোৱালীজনীৰ লগত মোৰ যে বিয়া হ'ব নোৱাৰে, সেইটো অসমলৈ ঘূৰি অহাৰ বহুদিনৰ আগতেই নিৰ্ধাৰিত হৈ গৈছে।

—কিয় ?

—কাৰণটো আপোনাক বহলাই ক'ব লাগিব।

—কোৱা।

—কাপ-প্লেটবোৰ আগতে থুই আহোঁ ছাৰ। ই এটা বেলেগ পৰ্ব, অলপ বিৰক্তি লাগিব।

সুধাংশুৱে কাপ-প্লেটবোৰ হাতত তুলি লৈ একেকোবে বাজনিঘৰ পালেগৈ। চাহৰ টিপটটো বিচাৰি সুধাংশুৱে দেখিলে সেইটো কোনোবা পলকত অকণ বকৰাই থুই বেকত থৈ গৈছে। সুধাংশু অকণমান পৰলৈ বিচলিত হ'ল ? এনেতে ক'ব নোৱাৰাকৈ কাপটো

সুধাংশুৰ হাতৰপৰা পকাত খহি পৰাত কেইবাডোখৰ হ'ল আৰু কাপটো ভঙাৰ ঠনৰ্ ঠনৰ্ শব্দত অৰুণ বৰুৱা বান্ধনিঘৰলৈ সোমাই আহি দেখিলে সুধাংশুৱে প্লেটখনকে আওখালি আছে। অৰুণ বৰুৱাক দেখি সুধাংশুৱে ক'লে,—কাপটো ভাঙিলো ছাৰ। ধুনীয়া আছিল কাপ-প্লেটযোৰ।

—একো নহয়। অঞ্জুক ইয়াতকৈও ধুনীয়া আৰু এযোৰ কাপ-প্লেট আনি দিব পৰা যাব।

—অঞ্জনাৰ নেকি কাপ-প্লেটযোৰ? তেন্তিয়া হ'লেতো—

—কি হ'ল তাতে? অঞ্জনাই ইমান সৰু কথাটোত বেয়া নেপায়।

—ভাল পোৱা ডিজাইনৰ কাপ-প্লেট এযোৰ ভাঙি গ'লে বেয়া লগাটোৱেই স্বাভাৱিক ছাৰ।

সুধাংশুৰ বিমূঢ় মুখখনলৈ চাই অৰুণ বৰুৱাই কিবা এষাৰ ক'বলৈ ওলাওঁতেই দুইহাতে দুটা টোপোলা লৈ মিনাৰাম সোমাই আহি ক'লে,—কি হ'ল ককাইদেউ? দুয়ো বান্ধনিঘৰত সোমাই কিবা ভঙা-ছিঙাৰ কথা পাতি আছে?

—নক'বা আৰু মিনাৰাম। নিজে খোৱা কাপ-প্লেট ধুবলৈ আহি কাপটো ভাঙিলোঁ। আমি হ'লো মুখেন মাৰিতং জগত। কামত তথৈবচ। কাপযোৰ বোলে তাতে অঞ্জনাৰ। আজিকালিৰ পঢ়া-শুনা কৰা ছোৱালীয়ে কাপ-প্লেটৰ ডিজাইনত বৰ মূল্য দিয়ে। ঠিক এনেকুৱা এযোৰ কাপ-প্লেট বজাৰত পোৱা যাবনে মিনাৰাম?

সুধাংশুৱে মিনাৰামলৈ চাই সুধিলে।

—কিয় নাযাব? পিছে আমাৰ অঞ্জুমণি তুমি কোৱা ছোৱালীৰ দৰে নহয়দেই সুধাংশু। ককাইদেউ, আপোনালোক এতিয়া যাওকচোন। সুধাংশু ওলোৱা ইয়াৰ পৰা। যি য'ত কৰিব লাগে মই কৰিম নহয়। যাওকচোন। সুধাংশু যোৱা।

অৰুণ বৰুৱাই বাহিৰলৈ আহিব খুজি মুখ ঘূৰাই মিনাৰামক সুধিলে—কেইতি নাহিল মিনাৰাম?

—কালিলৈহে আহিব বোলে।

—বাণু-বিষ্ণুক লৈ অকলে আহিবলৈ জেউতিৰ অসুবিধা নহ'বনে বাটত ?

—কি অসুবিধা হ'ব ? সোণকণে গুৱাহাটীলৈ অহা বাছত তুলি দিব। ছুবণ্টাৰ বাট। পুলিচ পইণ্টত নামিব। বিন্নো তাতে থাকেই। এখন লৈ গুচি আহিব। একো অসুবিধা নহয় ককাইদেউ। লাইব্ৰেৰি খুলিছে বুলি শুনিহে মই গুচি আহিছোঁ লৰালৰিকৈ। এতিয়া লাইব্ৰেৰিত উপস্থিত হওঁগৈ।

—ভাত-পানী ?

—খাই আহিছোঁ।

—হয় নেকি বুলি অৰুণ বৰুৱা আগবাঢ়িল। সুধাংশুও অৰুণ বৰুৱাৰ পিছে পিছে আহিব খোজোঁতে মিনাৰামে মাতিলে,—ৰ'বাচোন সুধাংশু।

অৰুণ বৰুৱা আৰু সুধাংশু বৈ গ'ল। ঘৰৰ পৰা অনা টোপোলা ছুটা কথাৰ মাজতে খুলি মিনাৰামে অলপ শাক-পাচলি আৰু চিৰা-সান্দহ উলিয়াই থৈছে। কাগজত মেৰিয়াই থোৱা পিঠাৰ টোপোলাটো উলিয়াই মিনাৰামে সেইটো সুধাংশুৰ হাতত তুলি দি ক'লে—এইখিনি তোমাৰ সুধাংশু। জেউতিয়ে তোমালৈ বুলি বান্ধি দিছে।

সুধাংশুৱে আগ্ৰহেৰে টোপোলাটো হাতত লৈ ক'লে—বাঃ, দেখিছে ছাৰ, জেউতিৰ আন্তৰিকতা ?

—দেখিছোঁ। জানো সুধাংশু—জেউতিয়ে যে তোমাক বৰ শ্ৰদ্ধা কৰে।

—সেই শ্ৰদ্ধাত আন্তৰিকতাও আছে ছাৰ।

শিক্ষক আৰু ছাত্ৰ কথা কৈ কৈ অৰুণ বৰুৱাৰ শোৱনি-কোঠালৈ সোমাই গ'ল। মিনাৰামে হাত-ভৰি ধুই মুখখন মচি ল'লে। আৰু অৰুণ বৰুৱাৰ ওচৰলৈ গৈ ক'লে—ককাইদেউ, মই আহোঁগৈ লাইব্ৰেৰিৰপৰা।

—চাহ-জলপান খাই যাব পাৰিলি হয়।

—নাখাওঁ এতিয়া। আহি খামহি ককাইদেউ। আপুনি খাই যদি চাহ একাপ কৰি দিওঁ।

—নালাগে দে। তই আহগৈ আগতে।

—আহোঁ তেনে ককাইদেউ, সুধাংশু বহিবা।

অঁ বুলি দুয়ো একেলগে শলাগিলে।

মিনাৰাম ওলাই যোৱাৰ পিছত দুয়ো শোৱনি-কোঠাৰ দুখন চকীত বহিল। অৰুণ বৰুৱাই লাহেকৈ ক'লে—বিৰতি বহু পৰলৈ হ'ল সুধাংশু। এতিয়া আৰম্ভ কৰিব পাৰা তোমাৰ দ্বিতীয় পৰ্ব। কলিকতাত কিহৰ জালত পৰিলা ? কি হৈছিলনো ?

—হৈছিল বহুত কথাই। প্ৰথমৰ পৰা শুনক।

—কোৱা।

—মই বিদেশৰ পৰা অহাৰ পৰাই মামীমাই তেওঁৰ সম্বন্ধীয় ভনীয়েক সুৰমাক বিয়া কৰাব লাগে বুলি কৈ আছিল মোক। সেইবাবে সেইবাৰ সুৰমাক দিল্লীলৈ মাতি নিয়াও হৈছিল। সুৰমায়ো বিয়া সম্পৰ্কে দায়িত্বপূৰ্ণভাৱে মোৰ লগত কথা-বতৰা হ'ল, কিন্তু মামীমাক আৰু সুৰমাক মই কথা দিব নোৱাৰিলোঁ। তাৰ পিছতেই মই অসমলৈ গুচি আহিলোঁ। এইবাৰ মামাই নিজেই এটা চেষ্টা দিলে। মামাই মোক পোনপটীয়াকৈ সুধিলে, ময়ো মামাক স্পষ্ট উত্তৰ দিলোঁ। তাৰ পিছতো মামা-মামীমাই অনেক চেষ্টা দিলে। শেষত, উপায় নেপাই তেওঁলোকৰ সকলো চেষ্টাত পানী ঢালি দি গুচি আহিলোঁ। মোৰ অলপো বেয়া লগা নাই মামা-মামীমাক সন্তুষ্ট কৰিব নোৱাৰি। মাৰহে মুখখন বিমৰ্ষ যেন দেখিছোঁ, সেই কাৰণে অলপ অশান্তিত আছোঁ।

—নিৰ্মলা বাইদেৱে ইচ্ছা কৰে নেকি সুৰমাক বোৱাৰী হিচাপে গ্ৰহণ কৰিবলৈ ?

—মুঠেই নকৰে।

—বাইদেউৰ অশান্তি হোৱা বুলি ক'লা যে ?

—মাৰ অশান্তিৰ কাৰণ—মই মামাক বৰ টান কথা শুনাই আহিছোঁ, আৰু মাৰ মতে মামা আমাৰ বিপদৰ বন্ধু। মামা অবিহনে মোৰ পঢ়া-শুনা নহ'ল হয়।

—অঁ বুজিলোঁ। বিয়া সম্পৰ্কে এতিয়া তোমাৰ পৰিকল্পনা ?

—অসমৰ গাঁৱলৈ ছোৱালী বিচাৰি যাব লাগিব। অৱশ্যে, অঞ্জনাৰ প্ৰতি মোৰ বৰ্তমান সলনি হোৱা ভাবৰ বিষয়ে মাক এতিয়াও একো কোৱা নাই। মাই হয়তো ভাবি আছে—মই অঞ্জনাৰ কাৰণেই মামাৰ প্ৰস্তাৱ নাকচ কৰিছোঁ।

—বাইদেউক সেই বিষয়ে জনাব লাগিবনে ?

—মাই এটা সময়ত জানিবই।

—তেতিয়ালৈকে তোমাৰ মনটোও সলনি হ'বগৈ পাৰে।

—আপুনি একেবাৰে জ্যোতিষীৰ দৰেই কথা ক'বলৈ আৰম্ভ কৰিছে।

সুধাংশুৰ কথা শুনি অৰুণ বৰুৱাই এইবাৰ হোঁ-হোঁ কৈ হাঁহিবলৈ ধৰিলে। শেষত হাঁহি সামৰি অৰুণ বৰুৱাই সুধাংশুকে সুধিলে,—তুমি বাৰু সুৰমা নামৰ ছোৱালীগৰাকীক বিয়া কৰাবলৈ ৰাজী নহ'লা কিয় ?

—আচল কথালৈ এতিয়াহে আহিছে। সেইটোৱেইতো কথা। সুৰমা ছোৱালী হিচাপে ঠিকেই আছিল। কিন্তু সুৰমাক বিয়া কৰালে মই আকৌ পুৰা বঙালী হৈ যাব লাগিব। কাৰণ মোৰ পিতৃ-পুৰুষো আছিল বঙালী। সুৰমাক বিয়া কৰাবলৈ ৰাজী নহ'লোঁ কাৰণ মই এজন প্ৰকৃতপক্ষে অসমীয়া হ'বলৈ বিচাৰিছোঁ। এজন ব্যক্তিক অসমীয়া হ'বলৈ যিবোৰ চৰ্ত লাগে, সেইবোৰ চৰ্ত মোৰ প্ৰায় পূৰণ হৈ আহিছে। মোৰ আইতা অসমীয়া আছিল। মোৰ ককা অৰ্ধেন্দু ৰয়ে এগৰাকী অসমীয়া ছোৱালী বিয়া কৰাইছিল। মোৰ বাবা পূৰ্ণেন্দু ৰয়। তেওঁ মোৰ লগত সকৰেপৰা অসমীয়া কৈছিল। বাবায়ো সৰু কালৰপৰা তেওঁৰ মাতৃৰপৰা অসমীয়া শিকিছিল। মোক বাবাই অসমীয়া মাধ্যমত শিক্ষা দিছিল। মই এতিয়া অসমীয়া ছোৱালী বিয়া কৰালে মোৰ বংশধৰসকলে অসমীয়াত্ব পাবলৈ সহজ হৈ পৰিব। মোৰ এই উদ্দেশ্যটো জানি অসমীয়া-বিদ্বেষী মামা-মামীমা ৰবকৈ আহত হৈছে। কথা সিমানেই।

—অঁ, বুজিলো। কথা হ'ল—অঞ্জনাৰ প্ৰতি থকা প্ৰেমে তোমাৰ

উদ্দেশ্য সফল হোৱাত সহায় কৰিব বুলি ভাবিছিলা। একেবাৰে বাস্তৱত ৰক্ষিতা খোৱা কথাটো হঠাৎ সলনি হৈ যাব খুজিছে। ঘটনা-প্ৰবাহটোৰ বিশ্লেষণৰ প্ৰয়োজন আছে যেন লাগিছে সুধাংশু।

—বিশ্লেষণৰ প্ৰয়োজন আৰু নাই ছাৰ। মই এতিয়া অফিছলৈ যাওঁ। আমাৰ ৰিছাৰ্চ প্ৰজেক্টৰ কি হ'ল খবৰ কৰোঁগৈ। ঠিক হৈছে যদি উজনিৰ বাগিচাকেইখনমানলৈ যাব লাগিব প্ৰজেক্টৰ কাম আৰম্ভ কৰি দিবলৈ।

—ভালেই হ'ব। তেতিয়া তুমি ডাঃ হুৱৰাৰ আবাসলৈ গৈ তেওঁলোকৰ লগত চা-চিনাকি হ'ব পাৰিবা।

—প্ৰয়োজন ?

—প্ৰয়োজন আছে।

—আপোনাৰ আদেশ যদি যাব পাৰো।

—আদেশ নহয়, নিৰ্দেশ মাত্ৰ সুধাংশু।

## ন

সুধাংশু বৰুৱে লাইব্ৰেৰিত বহি অৰুণ বৰুৱাৰ নতুন কিতাপখনৰ বিষয়ে ঘূৰাই-পকাই ভাবি আছিল। অসমৰ ইতিহাস, অসমীয়াৰ জাতীয় সত্তাৰ ইতিহাস, বিদেশী-বিতাৰণৰ ইতিহাস—এই সকলোবোৰ কথা একেলগে নাহিব জানো ? আহিব, আহিব। অৰুণ বৰুৱাৰ মূল বিষয়-বস্তুৰ লগত সুধাংশু বৰুৱে আজি আৰু বহুত কথাই জোৰা দিবলৈ বিচাৰিছে। অসমৰ চাহ-বাগিচাৰ আৰ্থসামাজিক অৱস্থাটো ইয়াৰ লগতে সংযুক্ত কৰিব নোৱাৰিবনে ? পাৰি পাৰি। তেওঁৰ গৱেষণামূলক কামটোৰ উদ্দেশ্য অৰুণ বৰুৱাৰ কিতাপখনৰ বিষয়-বস্তুৰ লগত দেখোঁ সাঙোৰ খাই আছে। আজি কেইবাদিন ধৰি আউল লগা চিন্তাৰ জট ভাঙি সুধাংশু বৰুৱে একেকোবে উঠিল আৰু লাইব্ৰেৰিৰ পৰা ওলাই দ্ৰুতভাৱে খোজ ল'লে অৰুণ বৰুৱাৰ ঘৰলৈ। বাটত তেওঁ মন কৰিলে,

আকাশৰ তাৰবোৰ ক্ৰমে আঁতৰিছে আৰু ক্ৰমান্বয়ে উজ্জ্বল হৈ অহা পোহৰবোৰ বাগৰি গৈছে আলুকবাৰীৰ গছে-পাতে। খোজ কাঢ়ি গৈ থাকোঁতে সুধাংশু বয়ৰ এই কেইদিনৰ অৱসাদ কমি যোৱা যেন লাগিল আৰু নতুন উদ্যমত তেওঁ আগবাঢ়ি গ'ল।

পঢ়া-কোঠাটোৰ খিৰিকিৰে অৰুণ বৰুৱাই দেখিলে, গেট খুলি সুধাংশু ভিতৰলৈ সোমাই আহিছে। কোঠালিটোৰ দুৱাৰখন খুলি বাৰাণ্ডাৰ পৰা অৰুণ বৰুৱাই মাতিলে,—আহাঁ সুধাংশু, বৰ ভাল হ'ল তুমি আহিলা। তোমাৰ কথাই ভাবিছিলো অলপ আগতে।

—হয়নেকি ছাৰ? কওকচোন কিয় ভাবিছিল মোৰ কথা।

—বহাঁহি আগতে। ক'ম তাৰ পিছত।

—অৰুণ বৰুৱাই বহা চকীখন আগবঢ়াই দিব খোজাত সুধাংশু বয়ে ক'লে—মই ল'ম নহয় চকীখন, আপুনি বহকচোন।

—আজি ছয় বজাৰ পৰা বহি আছোঁ। প্ৰায় পাঁচ ঘণ্টা লিখি ভাবিব লগা হ'ল—কিনো লিখিলোঁ। কাৰোবাক লিখাখিনি দেখুৱাব পাৰিলে ভাল আছিল বুলি ভাবোঁতে তোমাৰ কথাই মনত পৰিছিল সুধাংশু। চোৱাচোন, চোৱা পঢ়ি।

অৰুণ বৰুৱাই বহীখন সুধাংশুলৈ আগবঢ়াই দিলে। বহীখন আগ্ৰহেৰে লৈ সুধাংশুৱে ক'লে,—ওপৰে ওপৰে পঢ়িলে নহ'ব। এইখন মনপুতি পঢ়িব লাগিব। আগতে চাহ একাপ খাই লওঁ। জেউতি আহিছে বুলি ক'লে লাইব্ৰেৰিত মিনাৰামে। ছাৰ, আজি ভাত খাই অহা নাই। ভাতো খাম ইয়াতে।

—হ'ব। মইতো গাকে ধোৱা নাই। তুমি চাহ কাপ খাই আহি মোৰ পাণ্ডুলিপি পঢ়া। মই গা-পা ধুই আহোঁ। একেলগে ভাত খাম।

—হ'ব ছাৰ।

—যি দেখিছোঁ তুমি আগৰ মুডটো ঘূৰাই পাইছা যেন লাগিছে, সুধাংশু।

—হয় ছাৰ আপুনি ঠিক ধৰিছে। আজি মোৰ মনটো বহুখিনি ফৰকাল হৈছে। তাতে অকিহুত খবৰ কৰি জানিব পাৰিলোঁ

আমাৰ বিছাৰ্চ প্ৰজেক্টৰ কামত অহা সপ্তাহত যাব পাৰিম। সেই বিষয়ে আপোনাৰ লগত আলোচনা কৰিব লগা আছে।

—হ'ব। তুমি জেউতিক কোৱাগৈ চাহ কৰিবলৈ। মই গাটো ধুই আহোঁ।

অৰুণ বৰুৱা কোঠালিটোৰ পৰা ওলাই যোৱাৰ পিছত সুধাংশুৱে একেকোবে ৰান্ধনিঘৰলৈ সোমাই গ'ল। জেউতিয়ে আপোন মনে ৰান্ধনিঘৰত লাউ কুটি আছিল। জেউতিৰ ফালে চাই সুধাংশুৱে ক'লে,—জেউতি, তুমি দিয়া বিহুৱান আৰু বিহুৰ পিঠা পাই বৰ ভাল পালোঁদেই।

—খাব পাৰিলেনে পিঠা ?

—কিয় নোৱাৰিম ? মাই বিশেষকৈ বৰ ভাল পাইছে পিঠা খাই। বহুদিন বোলে মাই এনে ধৰণৰ পিঠা খোৱাই নাছিল।

—হয়নেকি ? মাহীদেৱে ভাল পাইছে যদি আকৌ কেতিয়াবা পিঠা পঠাব পাৰিম।

—হ'ব বাৰু। মোক এতিয়া চাহ একাপ দিব পাৰিবানে জেউতি ?

—অ' গোসাঁই, কিয় নোৱাৰিম ?

—ভাতো খাম ইয়াতে আজি ছাৰৰ লগত।

—সঁচাকৈয়ে খাবনে ককাইদেউ ?

—মিছা মাতিবলৈ কি আছে জেউতি ?

হাঁহি হাঁহি জেউতিয়ে চাহ কাপ কৰিবলৈ ওলাওঁতে সুধাংশুৰ ফালে চাই সুধিলে, অঞ্জুমণিৰ কিবা খবৰ পাইছেনে ককাইদেউ ?

—মোলৈতো খবৰ দিয়াৰ কথা নাছিল ? তোমালোকে একো খবৰ পোৱা নাই ?

—নাই পোৱা। ইমান দিন হ'ল যোৱা। খবৰ এটা দিয়া নাই অঞ্জুমণিয়ে।

—ডাঙৰ মানুহৰ ছোৱালী। আমালৈ আৰু কি খবৰ দিব ?

—তেনেকৈ নক'ব ককাইদেউ অঞ্জুমণিৰ কথা। তেওঁৰ মানত সকলো মানুহ, ডাঙৰ মানুহ নাই।

—নাইনেকি ?

—নাইতো।

—তেন্তে ঠিক আছে।

সুধাংশুৱে চাহ কাপ জেউতিৰ হাতৰ পৰা লৈ আকৌ ক'লে, মই ছাৰৰ কাম এটা কৰোঁগৈ, তুমি ভাতৰ যোগাৰ কৰা।

—যোগাৰ হৈ আছে ককাইদেউ।

—সেয়া দেখোঁ। লাউ কুটিলাহে।

—বহাওঁ নহয়, বহালেই হ'ব।

—হ'ব তেন্তে বুলি চাহ কাপ লৈ সুধাংশু ওলাই আহিল।

সুধাংশু অৰুণ বৰুৱাৰ পঢ়া কোঠালিত বহিলগৈ। এহাতে চাহৰ কাপটো লৈ আৰু আনখন হাতেৰে পাণ্ডুলিপিৰ পাত লুটিয়াবলৈ তেওঁ ব্যস্ত হৈ পৰিল। প্ৰথম পাতটোতে পুথিৰ নামকৰণ—'অসমৰ পৰা বিদেশী-বিতাৰণৰ কথা' বুলি কৰা হৈছে। সূচীপত্ৰত পাঁচটা অধ্যায় আছে ঃ (১) অসম, (২) অসমত বিদেশী কোন, (৩) দেশ আৰু ৰাজ্য তথা ভাৰত আৰু অসম, (৪) বিদেশী-বিতাৰণৰ আন্দোলন, (৫) আন্দোলনৰ ঐতিহাসিক আঁচোৰ। ইতিমধ্যে সুধাংশুৱে চাহ কাপ শেষ কৰি অলপ ৰ'ল। তাৰ পিছত খপহকৈ চতুৰ্থ অধ্যায়টো মেলি লৈ পঢ়িবলৈ ধৰিলে। এই অধ্যায়ৰ আৰম্ভণিতে এটা প্ৰশ্ন তোলা হৈছে—কিয় বিদেশী-বিতাৰণৰ আন্দোলনটো ভাৰতবৰ্ষৰ বুকুত অসমীয়াইহে কৰিব লগা হ'ল। এই প্ৰশ্নত সুধাংশু ৰয়ে এক বিশেষ তাৎপৰ্য উপলব্ধি কৰিলে। এনেতে, অৰুণ বৰুৱাই গা ধুই ওলাই আহিল। মূৰটো ফণিয়াই তেওঁ পঢ়া-কোঠালি পালেহি। সুধাংশুৰ ফালে চাই অৰুণ বৰুৱাই সুধিলে,

—চাহ খালা সুধাংশু ?

—খালো ছাৰ। আপোনাৰ গা ধোৱা হৈ গ'ল।

—অঁ, হ'ল।

কাপ-প্লেটযোৰ হাতত লৈ সুধাংশু থিয় হ'ল। জেউতি ভিতৰ

সোমাই আছি সুধাংশুৰ হাতৰ পৰা কাপ-প্লেট নিজৰ হাতত লৈ সুধিলে অৰুণ বৰুৱাৰ ফালে চাই—ভাত বাঢ়োগৈনে ককাইদেউ ?

—অঁ, বাঢ়গৈ যা। ব'লা সুধাংশু, ভাত খাই লওঁ।

—ব'লক।

অৰুণ বৰুৱাৰ পাণ্ডুলিপিখন ঠিক কৈ থৈ সুধাংশু অৰুণ বৰুৱাৰ পিছে পিছে গ'ল। খাবলৈ বহি সুধাংশুৱে আৰম্ভ কৰিলে, আপোনাৰ পাণ্ডুলিপি ওপৰে ওপৰে চকু ফুৰাই চালোঁ। অৰ্থাৎ পুথিৰ নাম আৰু সূচীপত্ৰত অন্তৰ্ভুক্ত কৰা অধ্যায়কেইটাৰ নামহে পঢ়ি চালোঁ অতপৰে। অৱশ্যে, লগতে চতুৰ্থ অধ্যায়টোৰ কিছু অংশ পঢ়িলোঁ। অধ্যায়টোৰ প্ৰথমতে আপুনি অৱতাৰণা কৰা প্ৰশ্নটোৱে পাঠকৰ চিন্তাৰ উদ্ৰেক কৰিব যেন লাগিছে। মই কিন্তু এই প্ৰশ্নৰ বিষয়ে অলপো সজাগ নাছিলো যদিও আন্দোলন সম্পৰ্কে অহৰহ কিবাকিবি কৈ আছিছোঁ।

সুধাংশুৰ কথা শুনি অৰুণ বৰুৱাই লাহেকৈ হাঁহিলে। তাৰ পিছত সুধাংশুৰ ফালে চাই ক'লে, "এতিয়া ভাত খোৱাচোন পেট ভৰাই। ভাল লাগিছেনে আঞ্জাখন ?"

—লাগিছে ছাৰ। বৰ ভাল হৈছে টেঙা আঞ্জাখন।

—মই ৰান্ধিছোনে ? ভাল হৈছে যদি জেউতিক কোৱা এবাৰ।

—অস্, লাজ নিদিব ছাৰ আৰু। সঁচাকৈ আমি এফালে মন দিলে আনফালে পাহৰি যাওঁ।

—ঐতিহাসিকে সেইটো নকৰে সুধাংশু। এটা ঘটনাক ফ'কাছত আনিবলৈ প্ৰকৃত ঐতিহাসিকৰ সেই ঘটনাৰ বেক্‌গ্ৰাউণ্ডৰ কিছুমান লাগতিয়াল দিশ আঁজুৰিব লগা হয়। বহু ঐতিহাসিকে একোটা ঘটনাৰ বিৱৰণত সেই কথাটোকে পাহৰি যায়।

সুধাংশুৱে অৰুণ বৰুৱাৰ কথাত একো নেমাত্তি শিক্ষকৰ মুখলৈ ৰ লাগি চাই ৰ'ল। অৰুণ বৰুৱায়ে সুধিলে শেষত, কি ভাবিছা সুধাংশু ?

—ভাবিছোঁ আপোনাৰ কথা। ইমান নীৰৱ আপুনি, অথচ

আপোনাৰ মনত অজবোৰ কথাই জীপ লৈ আছে যে সেইটো ভাবিবলগীয়া।

—মোৰ গুণ-কীৰ্তন এৰা এতিয়া। আমি আচল কথালৈ আহিব লাগিব।

—হয় ছাৰ।

—মই কি ভাবিছোঁ জানা সুধাংশু? উত্তৰৰ সলনি সুধাংশুৱে মাত্ৰ অৰুণ বৰুৱাৰ ফালে চাই ৰ'ল।

—মই ভাবিছোঁ—আন্দোলনটো অসমৰ বুকুত এটা প্ৰচণ্ড ধুমুহা। সেই ধুমুহাৰ ভগ্নস্তূপত আৱৰ্জনাই বেছি। কিন্তু, তাৰ মাজতে মূল্যবান মণি-মুকুতাও আছে। আমি এতিয়া সেইবোৰ বিচাৰি বিচাৰি উলিয়াব লাগে গভীৰ দৃষ্টিৰে।

—একজেক্‌টলি ছাৰ।

—মোৰ কিতাপখনৰ থীমটো তুমি নিশ্চয় বুজিব পাৰিছা।

—পাৰিছোঁ। গহীন সুৰত সুধাংশুৱে ক'লে।

—হ'ব তেন্তে। এতিয়া তোমাৰ প্ৰজেক্টৰ বিষয়ে কোৱাচোন, শুনো।

—কওঁ।

ভাত খাই উঠি শিক্ষক আৰু ছাত্ৰই হাতমুখ ধুলে। দুয়ো গৈ আকৌ অৰুণ বৰুৱাৰ পঢ়া-কোঠাত সোমালগৈ। টেবুলতে কাঁহৰ সৰু বটা এটাত তামোল সজোৱা আছিল। দুয়ো দুখন তামোল মুখত গুঁজি লৈ দায়িত্বপূৰ্ণভাৱে বহিল। সুধাংশুৱে আকৌ পাণ্ডুলিপি হাতত তুলি লোৱাত অৰুণ বৰুৱাই ক'লে,—সেইখন এতিয়া থোৱা। মই শেষ কৰি লওঁ, তেতিয়া এবাৰ চাই দিবা। এতিয়া কোৱাচোন তোমাৰ কথা।

পাণ্ডুলিপি হাতত লৈয়ে সুধাংশুৱে ক'লে,—মোৰ প্ৰজেক্টৰ কথা সুধিছেতো?

—হঁ।

—আপুনি বুজিবই পাৰিছে—মই যে কামটো অৰ্থনৈতিক দিশৰ

পৰা কৰিবলৈ ওলাইছোঁ, কিন্তু এই দিশটো ঐতিহাসিক ভিত্তিত ব্যাখ্যা কৰিব লাগিব। আৰু আপুনি কোৱাৰ দৰে বাস্তৱ তথ্যৰদ্বাৰা সেইটো প্ৰতিপন্ন হ'ব লাগিব। মোৰ মূল বিষয় হ'ল, অসমৰ চাহ-মজদুৰ জনগোষ্ঠী। অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ মাজত চাহ-মজদুৰ জনগোষ্ঠী এটা বৃহৎ জনগোষ্ঠী ?

—নিশ্চয়।

—তাতে এই জনগোষ্ঠীটোৰ কেইটামান বৈশিষ্ট্যও আছে। মূল কথা হ'ল এই জনগোষ্ঠীটোৱে নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ ওলাইছে। অসমীয়া ভাষা, লিপি, পূজা-পাৰ্বণ আদি সামাজিক প্ৰথা গ্ৰহণ কৰি অসমীয়া সংস্কৃতিক নিজৰ কৰি ল'বলৈ বিচাৰিছে।

—নহ'লেনো সেই মজদুৰসকলে গাব পাৰেনে, "আসাম দেশৰ বৈশাখ বিহু কৰম পূজাৰ সমান ৰে।"

—কি গালে, গাওকচোন ছাৰ আকৌ। সুধাংশুৱে হাঁহি মাৰি সুধিলে।

—চাহ-মজদুৰে আজিকালি নতুনকৈ ঝুমুৰ গীত ৰচনা কৰি গায়,

"আসাম দেশৰ বৈশাখ বিহু
কৰম পূজাৰ সমান ৰে
সৃষ্টিৰ কথা আছে গাথা
ছমুতে সমান ৰে"

—বঢ়িয়া।

—এনেকুৱা বহুত দৃষ্টান্ত পাবা বিচাৰিলে।

—বিচাৰিব লাগিব। এই দৃষ্টান্তবোৰত ভেটি কৰিয়েই দেখুৱাব লাগিব কেনেদৰে চাহ-মজদুৰসকলক আৰু নেওচা দি থাকিব নোৱাৰি। সামাজিক বহু দিশত তেওঁলোকে মানৱীয় অধিকাৰ আৰু মৰ্যাদা পাব লাগিব।

—অৰ্থনৈতিক দিশত মজদুৰসকলৰ ক্ষেত্ৰত 'হেনেক নেচা সেই এনেচা' নীতি অৱলম্বন নকৰি এটা যথোপযুক্ত মানৱীয় নীতি ল'ব লাগিব নহয় জানো ?

—হয় ছাৰ।

—তোমাৰ কামটোৰ প্ৰাসংগিকতাও আছে যেতিয়া ই নিশ্চয় গ্ৰহণযোগ্য হ'ব।

—আপোনাৰ কিতাপত চাহ-মজদুৰৰ সমস্যাটো কিবা প্ৰকাৰে সংযুক্ত কৰিব নোৱাৰিনে ?

—পাৰি, পাৰি। দ্বিতীয় অধ্যায়টোত চাহ-মজদুৰসকলৰ কিছু কথা আছেতো।

—হয় নেকি ? মই দ্বিতীয় অধ্যায়টো পঢ়ি চোৱা নাই। চতুৰ্থ অধ্যায়টোৰ কিছু অংশহে লৰালৰিকৈ পঢ়িলো।

—হ'ব। সময়মতে আলোচনা কৰিব পৰা যাব। এতিয়া কোৱাচোন তোমাৰ আন আন খবৰ।

—আন খবৰৰ ভিতৰত এটা হ'ল অফিছলৈ গৈ জানিব পাৰিলো —ইউ. জি. চিএ আমি বিচৰা অনুদানৰ একাংশ পঠাইছে। সেইখিনিৰে আমি কাম কৰি দেখুৱাব পাৰিলে বাকীখিনিও দিব। সেইমতে মোৰ লগত আৰু দুজন ছাত্ৰকো লৈছো। দুয়োজন ছাত্ৰই অৰ্থনীতি-বিষয়ত গৱেষণা কৰি আছে।

—তোমাৰ তলত নে ?

—মোৰ তলত নহ'লেও, অসুবিধা হ'ব নালাগে।

—ইয়াত আকৌ তেনেবিলাক কথাতে কেতিয়াবা অসুবিধা হয়। বাৰু, সেইবিলাক এতিয়া ভাবিব নালাগে। প্ৰজেক্টৰ বাহিৰে আন খবৰ আৰু আছেনে ?

—আন খবৰ মানে অহা সপ্তাহত উজনিলৈ যাম বুলি ভাবিছো। তাত থকা-মেলাৰ সুবিধা কৰি ল'ব লাগিব।

—তোমাৰ লগত ছাত্ৰও দুজন আছে। ছাত্ৰৰ লগতে তুমি সকলো সময়তে থাকিব লাগিবনেকি ?

—নালাগে। একো সময়ত অৱশ্যে লগ হৈ কিছুমান বিশেষ কাম কৰিব লাগিব।

—তেনেহ'লে, এই সুযোগতে তুমি এবাৰ ডিগবৈলৈ যাব পাৰা।

—প্ৰজেক্টৰ বাবে ভাত কিবা সহায় পাম নেকি ?

—সহায় বিচাৰিলে পাবা। উজনিত ডাঃ করুণা ফুকনৰ বহুতো জনা-শুনা বাগিচা আছে। সেইবোৰ বাগিচাৰ লগত তুমি যোগাযোগ কৰিবলৈ তেখেতৰ পৰা কিছু অন্ততঃ নির্দেশ পাবা আৰু এটা দৰকাৰী কথা তোমাক সোধোঁ।

—সোধক ছাৰ।

—অঞ্জুক লগ পাবৰ তোমাৰ মন নাযায়নে ?

—আপুনি এইবাৰ বৰ পোনপটীয়াকৈ কথাটো সুধিলে।

—পোনপটীয়া কথা তোমাৰ ভাল লাগে যে। কোৱা এতিয়া।

—উত্তৰ দিয়াৰ সলনি সুধাংশু গহীন হৈ তলমূৰকৈ থাকিল। অৰুণ বৰুৱাইও কিছু সময় নীৰৱ হৈ থাকি শেষত ক'লে, তুমি এবাৰ ডিগবৈলৈ গৈ অঞ্জু সংক্রান্তত ব্যক্তিগত কথাবোৰ নিষ্পত্তি কৰিব লাগে বুলি ভাবিছোঁ, সুধাংশু।

—প্ৰজেক্টৰ লগত মোৰ ব্যক্তিগত কথাৰ কিবা সম্বন্ধ আছে জানো ?

—নিশ্চয় আছে।

—ভাঙি কওক, ছাৰ।

ভাঙি ক'বলৈ কি আছে ? তুমিও জানো চাহ-মজদুৰসকলৰ দৰে নিগাজীকৈ অসমীয়া হ'বলৈ বিচৰা নাই।

দুয়ো একেলগে ডাঙৰকৈ হাঁহিলে।

## দহ

ব'হাগ মাহৰ শেষ ভাগত দুপৰীয়াৰ ৰ'দ ক্রমে চোকা হৈ আহিছে যদিও এজাক জিৰ জিৰ বতাহে চাৰিওফালৰ উত্তাপ যেন কমাই ৰাখিব খুজিছে। বাৰীৰ চুকৰ আমজোপাৰ ওপৰত কুলি চৰাইটোৰ মাতে মানুহৰ মন দূৰলৈ কঢ়িয়াই নিব খুজিছে। দুপৰীয়াৰ এনে বিষণ্ণ পৰত অঞ্জনাই ভাত খাই উঠি নিজৰ বিছনাখনত ইফালৰপৰা সিফালে বাগৰ

সলাই একো ঠিক কৰিব পৰা নাই পৰীক্ষা দিব নে নিদিয়ে। পৰীক্ষা দিব লাগিলে মনোযোগেৰে পঢ়া-শুনা কৰিব লাগিব। কিন্তু তাৰ জোখাই মনৰ স্থিৰতা আনিব পৰা নাই অঞ্জনাই। বহুদিন তাই পঢ়া-শুনা কৰিব পৰা নাই আৰু পৰীক্ষাৰ কথাও ভাবিব লগা হোৱা নাই। কিন্তু আজিৰ পুৱাৰ কাগজত খবৰ ওলাইছে—এম এ· পৰীক্ষা আগষ্ট মাহৰ মাজ ভাগত হ'ব বুলি। মন দি পঢ়িলে মে'ৰপৰা এই তিনিমাহ অঞ্জনাৰ বাবে যথেষ্ট সময়। পৰীক্ষা দিয়াৰ কথা ভাবি অঞ্জনা বিছনাৰপৰা ঘপহকৈ উঠি গ'ল আৰু ওচৰৰ পঢ়া মেজখনত কিতাপ এখন মেলি ল'লে। কিতাপৰ পাত লুটিয়াই কিন্তু কোনো কথাতে মন বহুৱাব নোৱাৰি পৰ্দাখন আঁতৰাই অঞ্জনাই দূৰলৈকে চাই দেখিলে —খা-খা কৈ পৰি আছে এখন পথাৰ-সদৃশ খৰাং বহল ভূমিখণ্ড। পাৰে পাৰে বৈ যোৱা সৰু শীৰ্ণ নৈখনেও প্ৰখৰ ৰ'দৰ জিলমিলনিত হেৰুৱাই পেলাইছে যেন সোঁতৰ বেগ আৰু বুকুত উঠানমা কৰা ঢৌবোৰ। ইপাৰ-সিপাৰ একো নমনি। মনৰ গহনত কিবা এটা যন্ত্ৰণা অনুভৱ কৰি অঞ্জনাই মেলা কিতাপখন বন্ধ কৰি থ'লে। মেজৰ ওপৰত মূৰটো থোৱাৰ লগে লগে ছুটোপাল চকুপানী তাইৰ গালেদি বাগৰি গ'ল। এনেতে মানসী ছুৰবাই কোঠালিটোত সোমাই অঞ্জনাক মাত দিলে,

—অঞ্জু ?

—মান্নুমাহী ?

অঞ্জনাই মানসীক কোনোমতে মাত দি ছুইহাতেৰে মুখখন ঢাকি ধৰিলে আৰু বিছনাত বহিলহি।

—অঞ্জু তোৰ হৈছে কি ? আজিকালি তই বৰ মন মাৰি থকা হলি।

মানসীৰ কথা শুনি অঞ্জনাই উচুপিবলৈ ধৰিলে। মানসী অঞ্জনাৰ কাষত বহিলগৈ আৰু তাইৰ চুলিকেইডাল মৰমেৰে ঠিক কৰি দি সুধিলে,

—অঞ্জু, ক চোন তোৰ কি হৈছে। ককাৰৰ বাগিচালৈ যাবিনেকি ?

যাব যদি ওলা। আমি তোক তেওঁৰ ওচৰলৈ লৈ যাওঁ। কৃপা কাকতিয়ে তোক সিদিনা মাতি থৈ গৈছে।

—যাব পাৰোঁ মানুমাহী। ককাৰ অৱস্থাটো ভাবিলে মোৰ কিন্তু বৰ দুখ লাগে। মানুহৰ ভুল হয় আৰু সেই ভুলৰ যন্ত্ৰণাত ছটফটাই থাকোঁতে আনৰ সহানুভূতিৰো তেনে মানুহৰ প্ৰয়োজন নহয় জানো মানুমাহী ?

—নিশ্চয় হয়। তই বৰ বুজা হলি অঞ্জু। তই যে কেতিয়া ডাঙৰ হৈ গ'লি ক'বই নোৱাৰিলোঁ।

—সময় কাৰো কাৰণে বৈ নাথাকে মানুমাহী।

—এৰা, সময় যে বৈ নাথাকে তাকে ভাবিছোঁ। আমি তোক ককাৰৰ ওচৰলৈ লৈ যোৱাটো ভাল হ'ব। কালিলৈকে তোক লৈ যাওঁ। কিন্তু এটা কথা। আমি কালিলৈ ঘূৰি আহিব লাগিব। মহাৰেও তাকেই কৈছে।

—মহা যাব ?

—অঁ, যাব ? মহাৰেই কথাটো কৈছে মোক।

—ময়ো ঘূৰি আহিম। পৰীক্ষাৰ নোটিছ দিছে যেতিয়া পঢ়া-শুনা আৰম্ভ কৰো এইবাৰ। কিন্তু, পঢ়া-শুনা কৰাৰ আগতে মনটো স্থিৰ কৰাৰ কথা ভাবিছোঁ।

—সেইটো একো ডাঙৰ কথা নহয় পঢ়া-শুনাত লাগিলেই মনটো স্থিৰ হৈ আহিব।

—কিতাপ মেলিলেই দেখোঁ মনটো বেছিহে অস্থিৰ হৈ উঠে।

—তই এতিয়া উঠচোন, হাত-মুখ ধোগৈ। মহাৰলৈ প্ৰঃ সুধাংশু বয়ৰ চিঠি এখন আহিছে। তোকো দেখুৱাওঁ।

—ছাৰৰ চিঠি ? চাওঁ, চাওঁ, কি লিখিছে ছাৰে।

—আগতে মুখখন ধুই আহগৈ। এনেকৈ মূৰ গুঁজি কান্দি থাকিবি। পিছত মূৰ বিষালে পঢ়িবি কেনেকৈ ?

অঞ্জনা গাধোৱা ঘৰত সোমাল মানসীৰ নিৰ্দেশ ক্ৰমে। মানসীয়ে লবালবিকৈ পঢ়া চিঠিখনকে আকৌ এবাৰ লাহে লাহে পঢ়িলে। পঢ়ি

উঠি ঠিৰাংকৈ বুজি পালে—সুধাংশু ৰয়ে যে কেইদিনমানৰ ভিতৰতে ডিগবৈলৈ আহিব। নির্মলা ৰয়ৰ এই প্রখৰ বুদ্ধিৰ ল'ৰাজন এতিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক। আজি কিছুদিনৰপৰা অঞ্জুৰ মুখত প্রঃ সুধাংশু ৰয়ৰ কথা শুনি শুনি মানসীয়ে তেওঁৰ বিষয়ে বহুতো কল্পনা কৰিছে। অৰুণ বৰুৱাৰ অতি প্রিয় ছাত্র এইজন সুধাংশু এসময়ত বন্দনাৰো বৰ মৰমৰ আছিল। আজি বন্দনা নাই, কিন্তু অঞ্জনাই সুধাংশুক বৰ শ্রদ্ধা কৰে। শ্রদ্ধাই নহয়, তাইৰ কথাৰ সুৰ আৰু গভীৰ বুলি মানসীয়ে উপলব্ধি কৰিব পাৰিছে।

গাধোৱা ঘৰৰ পৰা গুণগুণাই ওলাই আহি অঞ্জনাই মানসীলৈ চাই ক'লে,

—চিঠিখন চাই কি ভাবিছা মাহুমাহী? ছাৰে কি বা লিখিছে চাওঁ দিয়া।

—নে।

মানসীয়ে সুধাংশুৰ চিঠিখন অঞ্জনালৈ আগবঢ়াই দিলে। চিঠিখন একেকোবে পঢ়ি অঞ্জনাই মন্তব্য কৰিলে,

—নতুন কথা একো নাই। ছাৰ প্রজেক্টৰ কামত ইয়ালৈ আহিব বুলি আগেয়ে জানো।

—তইহে জান। আমিতো নাজানো।

—সেয়ে এতিয়া তোমালোকক জনাইছে।

—তইতো আমাক এবাৰ ক'ব পাৰিলি হয়, সুধাংশু ৰয় ইয়ালৈ আহিব বুলি।

—তেনেকৈ খাটাংকৈ কোৱা নাছিল। তাতে যিহে খেয়ালী মানুহ বুলি অঞ্জনাই হাঁহিবলৈ ধৰিলে।

—হাঁহিছ কিয়?

—কথা এটা মনত পৰিছে।

—কিনো?

—ছাৰ যে কি অদ্ভুত মানুহজন! ক্লাছত ইমান গহীন-গম্ভীৰ।

ঘৰত আকৌ বৰ খেমেলীয়া অদ্ভুত অদ্ভুত কাণ্ডবোৰ কৰি ফুৰে। বাক, মহাই ছাৰৰ চিঠিখন পঢ়িলেনে ?

—অঁ পঢ়িলে। পঢ়ি উঠি মোক দিলে। তোকো দেখুৱাবলৈ ক'লে চিঠিখন।

—মহা ক্লিনিকলৈ গ'লনেকি ?

—গ'ল। ক্লিনিকৰ পৰা আহি তোৰ লগত কথা পাতিব।

—কি কথা মান্নুমাহী ?

—সুধাংশু ৰয়ৰ চিঠি সম্পৰ্কে।

—সেই সম্পৰ্কে মোৰ লগত কথা পাতিব লগা আছেনেকি ?

—আছে হয়তো। মইনো কেনেকৈ ক'ম কি কথা ?

—কিবা এটা অনিশ্চয়তাৰ মাজত মোৰ বিষয়ে আজিকালি তুমি কথা কোৱা।

—সঁচাকৈয়ে তই ধৰিব পাৰিছ। তোৰ বিষয়ে নিশ্চয়কৈ কথা কোৱাৰ অধিকাৰ মোৰ কমি আহিছে।

—কিয় ?

—তোৰ লগততো মোৰ তেজৰ সম্বন্ধ নাই অঞ্জু।

—তুমিও শেষত তেনেকৈ ক'লা মান্নুমাহী ?

মানসীয়ে চাদৰৰ আচলেৰে চকু দুটা মচি ল'লে কঠোৰ হ'বলৈ।

—ককাৰ কথাত তুমি নধৰিবা। তেওঁ এজন বৰ দুৰ্ভগীয়া মানুহ। জীৱনত বহু সম্পদ পায়ো নিজৰ দোষত তেওঁ প্ৰায় সকলো হেৰুৱালে। শেষ বয়সত অনুতাপত দগ্ধ হৈ ককাই এনেদৰে তেজৰ সম্বন্ধৰ কথা উলিয়াব লগা হৈছে। আমি তেওঁক কিবা উপায়ে সহায় কৰা প্ৰয়োজন মান্নুমাহী।

—ভাবিছোঁ তাকে অঞ্জু। সেয়ে তোক তেওঁৰ ওচৰলৈ লৈ যাম। ইচ্ছা কৰিলে তই তাতে থাকি যাবও পাৰ।

—থাকি যাম কিয় ? মৃত্যুৰ আগতে বুঢ়া মানুহজনৰ মনত অকণমান শান্তি দিয়াৰ কথাহে ভাবিছোঁ। মই সদায় তোমালোকৰ হৈয়ে থাকিম মান্নুমাহী। অন্তৰৰ সম্বন্ধ তেজৰ সম্বন্ধতকৈ বেছি

শক্তিশালী বুলিহে লাহে লাহে বুজি আহিছোঁ। সেয়ে তুমি ককালৈ ভয় কৰিব নালাগে।

—মই কৃপা কাকতিলৈ ভয় কৰা নাই সমূলি। তই এনেয়ে ভাবিছ। এটা দৰকাৰী কথা তোক সোধোঁ সোধোঁ বুলি সুধিব পৰা নাই। আজি কথাটো বৰকৈ মনলৈ আহিছে যেতিয়া সোধোৱেই।

—সোধা, নোসোধা কিয় ?

—কথা হ'ল, তোৰ বিয়াৰ কথা আমি ভাবিব লগা হৈছে। পৰীক্ষা পৰীক্ষা বুলি বৈ থাকিলে নহয় আৰু।

—নহয়তো।

কথাষাৰ কৈ অঞ্জনাই হাঁহিবলৈ ধৰিলে। তাৰ পিছত ক'লে, তোমালোকে মই সৰু হৈ থকা বুলি ভাবি আছা, ইফালে যে মোৰ বিয়াৰ বয়স পালেহিয়েই।

অঞ্জনাই আকৌ হাঁহিলে।

—ৰ চোন। তোৰ লগত মই ধেমালি কৰা নাই ? প্ৰকৃততে সুধিছোঁ। কচোন তই বিয়াৰ বিষয়ে কি ভাবিছ।

—মই বিয়াৰ বিষয়ে কি ভাবিম ? তোমালোকেহে ভাবিবা। ৰ'বাচোন পৰীক্ষাটো দি লওঁ।

—তোৰ প্ৰফেছাৰ আহিলে তেওঁৰ আগত কথাটো উলিয়াব লাগিব।

—ছাৰৰ আগত পঢ়াৰ কথা মুলিয়াই বিয়াৰ কথা উলিয়াবা ? আচৰিত কাণ্ড।

—পঢ়াৰ কথাও উলিয়াম, বিয়াৰ কথাও উলিয়াম।

—ছাৰে বৰ স্ফূৰ্তি পাব দেই তোমাৰ কথাত। মোৰ বাবে দৰা ঠিক হৈ আছেনেকি মাহুমাহী ?

দৰা ? নাই হোৱা ঠিক। মাজতে কৃপা কাকতিয়ে কোনোবা গগন বৰুৱা নামৰ ল'ৰা এজনৰ কথা কৈছিল। এতিয়া দেখোঁ ঠেহোঁ-পেহোঁ কৰিছে। ল'ৰাজন বোলে ভাল নহয়।

—ককাই সেইজন পাত্ৰক নাকচ কৰিছে। আৰু ককাৰ ইচ্ছামতে

মোৰ বিয়া নহয় ব'বা। মই ককাক কৈ দিছোঁ সকলো কথা। ককা মান্তি হৈছে।

—কি কথাত তেখেত মান্তি হৈছে অঞ্জু ?

মানসীয়ে উৎকণ্ঠাত সুধিলে।

—কৈছিলোঁ ককাক যোৱাবাৰ আহোঁতে যে মোৰ বিয়াত তেওঁ কর্তৃত্ব কৰিব নোৱাৰিব। কিন্তু, তোমালোকে মোৰ ইচ্ছা অনুসৰি পতা বিয়াখনত তেওঁ আনন্দ অনুভৱ কৰিব লাগিব। ককা মান্তি হৈছে স্বতস্ফূর্তভাৱে।

—হৈছে মান্তি ?

—অঁ, হৈছে।

—মই মানুহজনৰ বিষয়ে ভুল ধাৰণা এটা লৈ আছোঁ তেনেহ'লে।

—ককাৰ বিষয়ে তুমি ভুল ধাৰণা লোৱা নাই। অধিকাৰৰ প্ৰশ্নত ককাৰ অহমিকা নোহোৱা নহয়। কিন্তু মোৰ অধিকাৰবোধে তেওঁৰ অধিকাৰৰ অহংকাৰ খৰ্ব কৰিছে। ককাক শুদ্ধ পথলৈ আনিব পৰা যাব মানুমাহী। তুমি নিশ্চিন্ত হৈ থাকা।

—মই একো ধৰিব পৰা নাই—তই এইবিলাক কি কৈছ ?

—একো টান কথা কোৱা নাই। তেনেই সহজ কথা। ককাৰ কিবা অধিকাৰ থাকিব পাৰে মোৰ ওপৰত, কিন্তু, মোৰ অধিকাৰ মোৰ ওপৰত তাতোকৈ বহুত বেছি নহয় জানো ?

—হয়, হয় অঞ্জু।

—তেন্তে ? দৰা বিচাৰা। তোমালোকৰ ভাল লগা দৰাজনক মোৰ যদি ভাল লাগে, তোমালোকেই বিয়া পাতিবা। মোৰ কথা হ'ল—উপযুক্ত দৰাৰ লগতে নিজাকৈ এটা ডিগ্ৰিও মই বিচাৰিছোঁ। অৱশ্যে, অকল ডিগ্ৰিৰ মোহত নহয়। ডিগ্ৰিৰ ভিতৰেদি এটা অৰ্থনৈতিক নিৰাপত্তা লাগে মানুমাহী।

—ইমানবোৰ কথা একেলগে ভাবিছ যেতিয়া তোৰ মনটো তল-ওপৰ হোৱাটো স্বাভাৱিক। এতিয়া কথা হ'ল—তই উপযুক্ত বুলি

ভৰা ল'ৰা এজনক আমি বিচাৰিব লাগিবনে তই কাৰবাক আঙুলিয়াই দিবি, সেই কথাটো ঠিক হ'ব লাগিব।

—ঠিক হ'ব। সেইটো ইমান ডাঙৰ কথা নহয়। মামাৰো সহায় ল'ব পাৰা দেখোঁ?

—অৰুণদাৰ সহায়?

—অঁ।

—অৰুণদাৰ লগত তই কথা পাতিছনেকি?

—ঠিক কথা পতা নাই। মামাই উলিয়াই কেতিয়াবা মোৰ বিয়াৰ কথা। পৰীক্ষাৰ পিছত কথা হ'ম বুলি কৈছিলো। এতিয়া পৰীক্ষাটো দি লওঁ। তাৰ আগতে কালিলৈ ককাৰ তালৈ গৈ ককাক শান্ত কৰি আহোঁ। তাৰ পিছত হ'ব কিবা এটা।

—অৰুণদাৰ লগত মহাৰেও কথা পাতিব পাৰিব তোৰ ভৱিষ্যৎ সম্পৰ্কে।

—হ'ব মাহুমাহী, মোৰ ভৱিষ্যৎ উজ্জ্বলেই।

—উজ্জ্বল হ'বই লাগিব। মানুহৰ সদায় একেদৰে যাবনে? আমাৰ লগত থকা দিনকেইটাত তোৰ নানা ধৰণৰ অসুবিধা গৈছে।

—তেনেকৈ নক'বা মাহুমাহী। মই আকৌ কান্দি দিম।

—নকওঁ মাজনী। তই কান্দিব নালাগে।

এক উৎফুল্ল আনন্দত অঞ্জনাক মানসীয়ে সাবটি ধৰিলে।

## এঘাৰ

সেউজীয়া মাথোঁ। বহুদূৰলৈকে সেউজীয়া বাগিচাখনত জোপোহা-জুপুহি গছত নিমজ কুমলীয়া কুঁহিপাতে উকি মাৰি মাৰি যেন চাইছে বাহিৰলৈ। ওখ ওখ শাল, কৃষ্ণচূড়া, শিৰীষ গছবোৰ পোন হৈ চাহনিৰ মাজে মাজে প্ৰহৰীৰ দৰে থিয় হৈ আছে। পুৰাৰ ৰ'দৰ পোহৰ ক্ৰমে সতেজ হৈ আহিলত চাহনিৰ মাজে মাজে পৰি থকা

পোৰা কয়লাৰ আলিবাটৰ বুকুৰপৰা মাটি আৰু আলকতৰাৰ এক মিশ্ৰিত গোন্ধ ওলাই চাৰিওফালে বিয়পি পৰিছে। সেই বাটেদিয়েই পিঠিত টুকুৰি বান্ধি বনুৱা তিৰোতাসকলে কৰ্ম-অভিযান আৰম্ভ কৰিছে। অঞ্জনাই ককাক কৃপা কাকতিৰ লগত কথা পাতি বনুৱা তিৰোতাৰ পিছে পিছে গৈ আছিল। হঠাৎ বৈ অঞ্জনাই উভতি চালে—এখন বিস্তীৰ্ণ সেউজীয়া ভূমিত যেন চলিছে এটি কুঁহি দুটি পাতৰ এক অপূৰ্ব সমাৰোহ। বনুৱাসকলৰ কাম আৰু ঘামৰ বিনিময়ত এই সমাৰোহৰ পাতনি। অঞ্জনাৰ সুধাংশুলৈ মনত পৰি গ'ল। লগতে মনত পৰিল সুধাংশু ৰয়ৰ ৰিছাৰ্চ প্ৰজেক্টৰ কথা। চাহ মজদুৰসকলৰ ওপৰত চলাব খোজা আৰ্থ-সামাজিক গৱেষণা। তাই ভাবিলে—ডাঃ দুৱৰাই সিদিনা সুধাংশু ৰয়ৰ চিঠি পঢ়ি কৈছিল যে তেওঁ কৃপা কাকতিৰ ঘৰত থাকি বিছাকপি বাগিচাখনত কিছু কাম কৰিব পাৰে। কিন্তু কৃপা কাকতিৰ মনত উদয় হোৱা নতুন অধিকাৰবোধক সুধাংশু ৰয়ে বা কেনেকৈ লয় আৰু কৃপা কাকতিয়েও সুধাংশু ৰয়ৰ কামত কিমানখিনি গুৰুত্ব দিয়ে তাই নাজানে। মজদুৰসকলৰ ওপৰত কৃপা কাকতিৰ মালিকী স্বত্বও আছে যেতিয়া তেওঁ সুধাংশু ৰয়ৰ সকলো কথা সমৰ্থন নকৰিবও পাৰে। সুধাংশু ৰয়েও কৃপা কাকতিৰ অধিকাৰবোধৰ উত্তপ্ত আক্ৰোশটোক সহজভাৱে ল'ব নোৱাৰিবও পাৰে। কথাবোৰ ওলট-পালট কৈ ভাবি ভাবি অঞ্জনা বৈ যোৱাত কৃপা কাকতিও ৰ'ল। হাতৰ লাঠিডালৰ ভৰ মাটিত থৈ তেওঁ অঞ্জনাক সুধিলে,

—অঞ্জনা, তই বৈ গলি যে ভাগৰ লাগিছে নেকি ?

—নাই, নাই ভাগৰ কিয় লাগিব ?

—তোৰ এনেকৈ খোজ কঢ়া অভ্যাস আছে জানো।

—কিয়, মই দাৰ্জিলিঙত পঢ়োঁতে কত খোজ কাঢ়োঁ—পাহাৰ বগাওঁ। আলিবাটৰ কত উঠা-নমা। সেইবোৰতো খোজ কঢ়াৰ অভ্যাস আছিল। বেনাৰসত থাকোঁতে গঙ্গাৰ পাৰে পাৰে কত দূৰলৈকে যে খোজ কাঢ়ি গৈছিলো। জালুকবাৰীতহে যোৱা দুবছৰে

যেছি খোজ কঢ়া নাই। ক্লাছৰপৰা আহিলেও সাউতকৰে বিস্নাখনতে উঠোঁ। অৱশ্যে, এই ছুবছৰতে খোজ কঢ়াৰ অভ্যাস নোহোৱা হৈ যাবনে? মই হঠাতে বৈ যোৱাৰ কাৰণ মোৰ ভাগৰ নহয়। প্ৰকৃত কাৰণ হ'ল সৌন্দৰ্য উপভোগ। বাগিচাখন যে কিমান সুন্দৰ তাকেহে চাইছোঁ।

—বাহিৰে দেখাত সুন্দৰেই। ভিতৰতহে যত অথন্তৰে বাগিচাখনত বাহ লৈছে।

—কি অথন্তৰ ককা?

—সেইবোৰ তই নুবুজিবি।

—কিয় নুবুজিম, নুবুজিলে, বুজিবলৈ চেষ্টা কৰিব লাগিব।

ককা, নাতিনীয়ে আকৌ খোজ ল'লে।—ককা, নিমাতে থাকিলা যে?

কৃপা কাকতিলৈ চাই অঞ্জনাই সুধিলে। কৃপা কাকতিয়ে একো নমতা দেখি অঞ্জনাই আকৌ ক'লে,

—ধৰা, কালিলৈ এই বাগিচাখন ময়ে চলাব লগা হ'ল, তেতিয়া? তুমিতো তোমাৰ সকলো সম্পত্তি মোৰ বুলিয়েই কৈছা?

—তোৰেইতো। তোৰ বাহিৰে মোৰ আৰু কোন আছে? সকলো তোৰ।

—তেনেহ'লে? বাগিচাখন যদি মোৰ, তেন্তে ইয়াৰ অথন্তৰবোৰো মোৰ। সেইবিলাক অথন্তৰ মই ক'ত বান্ধি থৈ বাগিচাৰ সম্পদ ভোগ কৰিম? অৱশ্যে, তুমি যদি সদায় অমৰ হৈ থাকিলা হয়, তেতিয়াহ'লে কথাটো সুকীয়া হ'ল হয়। তোমাক অথন্তৰখিনি দি মই সম্পদৰ গৰাকী হ'লো হয়।

কৃপা কাকতিয়ে অঞ্জনাৰ কথাত স্ফূৰ্তি পাই হাঁহিলে। হাঁহি হাঁহিয়েই ক'লে—

—হ'ব, হ'ব। তই বাগিচাখনৰ সকলো কথা বুজি লবি বাৰু। আৰু এটা কথা—তোৰ অসুবিধাৰ ভাৰ লোৱা মানুহ এজন লাগিব। তেওঁৱে ল'ব অথন্তৰৰ ভাৰ।

—তুমিতো গগন বৰুৱাক নাকচ কৰিলাই। আকৌ ক'ত ওলাব তেনে এজন মানুহ ?

—ওলাব, ওলাব। মানসী আইদেউহঁতে তোলৈ এজন উপযুক্ত দৰা বিচাৰিব নহয়। আচলতে গগন বৰুৱা ল'ৰাজন দগাবাজ। সেয়ে তাক মই নাকচ কৰিলোঁ।

—আগতে দগাবাজ বুলি বুজি পোৱা নাছিলা ? চোৱা, এই বয়সলৈকে মানুহ চিনি পোৱাৰ অভিজ্ঞতা তোমাৰ হোৱা নাই। আচলতে, বাগিচা এখনৰ প্ৰকৃত মালিক হ'বলৈ মানুহ চিনি পোৱাৰ অভিজ্ঞতা বৰ প্ৰয়োজন ককা।

—নিশ্চয়। তই বৰ বুজন ছোৱালী হৈছ। তোক ডাঃ তুৱৰাহঁতে প্ৰকৃত শিক্ষা দিব পাৰিছে।

—হয়নেকি ? ককা, ব'লা এতিয়া উভতি যাওঁ।

—মই নকৈছোঁ—তোৰ ভাগৰ লাগিছে বুলি।

—ভাগৰ আচলতে লগা নাই। বাগিচাখনৰ ওপৰত আৰু গভীৰ আলোচনাৰ প্ৰয়োজন। সেই আলোচনা এনেকৈ নহয়। ঘৰত বহি ভালকৈ আলোচনা কৰিব লাগিব।

—হ'ব, হ'ব। ব'ল উভতি যাওঁ।

—তোমাৰ লগত আৰু এটা কথা আলোচনা কৰিব লগা আছে।

—কি ?

—ঘৰতে ক'ম গৈ, ব'লা যাওঁ।

ককা-নাতিনী দুয়ো ঘৰমুৱা হ'ল। বাটৰ দুয়ো কাষে চাহ-গছৰ মাজে মাজে বনুৱা তিৰোতাই চাহপাত তুলিছে খৰ গতিত। অবাক দৃষ্টিৰে সেই তিৰোতাসকলে অঞ্জনাৰ ফালে চাইছে যদিও হাত দুখন কিন্তু বৈ যোৱা নাই। একোগৰাকী তিৰোতাৰ ক'লা পৰা উদং পিঠিত ব'দ পৰাত ঘামৰ টোপালবোৰ জিলিকি উঠিছে। নাতিনীৰ খোজত খোজ মিলাই মনে মনে নানা কথা গুণা-গঁথা কৰি কৃপা কাকতিও ভলমুৱাকৈ আগবাঢ়িছে। এনেতে তেওঁলোকক আগচেটি-

থৰি এজনী গাভৰু বয়ুৱা ছোৱালীয়ে সুধিলে, "বুঢ়া দেউতা, এইটো তোৰ কি লাগে ?"

—অ', ফুল দেখোন। ক'ৰপৰা ওলালিহি ? এইজনী মোৰ নাতিনী।

—নাতিনী ? নাতিনী আকৌ ক'ত পালি ? গগনবাবু কৈছিলে তোৰ কোনো নাই। তাকে তই বেটা বনাই লৈছ। আৰু সেই কথা কৈ কৈ মোক আহি সি ভুলায়।

ফুলে কৃপা কাকতিক জেৰা কৰিলে।

—সি মহা বদমাচ। মিছা কথা কৈছে।

—গগনে মিছা কথা কয় নহয় ? মিছা কথা ক'লে নহ'ব। মোক চাদী নকৰিলে কিন্তু আমাৰ বাগানত হাঙ্গা লাগি যাব। মই তোৰ ওচৰত যাম। যা এতিয়া।

ফুল বেগাবেগিকৈ আঁতৰি যোৱাত কৃপা কাকতিয়ে অঞ্জনাক ক'লে, দেখিলি অংশুমণি ? এই সুন্দৰ বাগিচাখনৰ ভিতৰত কিমান লেতেৰা কথা চলে ?

—বাগিচাৰ গৰাকী হিচাপে তুমি যে দুৰ্বল। তোমাৰ দুৰ্বলতাৰ সুবিধা গগন বৰুৱাই বাৰকৈয়ে লৈছিল।

—কথাটো ঠিকেই কৈছ—গগনে মোৰ পৰা সুবিধা ল'বলৈকে বিচাৰিছিল। হয়, কথাটো হয়।

কৃপা কাকতিয়ে জেপৰ পৰা কমালখন লৈ মুখখন মচিবলৈ ধৰিলে। অঞ্জনাই ৰ লাগি কৃপা কাকতিলৈ চালে। নিৰীক্ষণৰ দৃষ্টিৰে অঞ্জনাই ককাকৰ মনৰ ভিতৰলৈ সোমাব বিচাৰি থমকি ৰ'ল আৰু লাহেকৈ ক'লে, "যি হ'ল হ'ল। ব'লা, এতিয়া ঘৰলৈ যাওঁ।"

দুয়ো আগমুৱা হ'ল ঘৰৰ ফালে। ঘৰ পাই দুয়ো দুখন চকীত বহি পৰিল। বান্ধনি ল'ৰাটোৱে আহি চা-জলপান দিয়াৰ কথা সুধিলেহি।

—দে, দে অংশুমণিৰ ভোকেই লাগিছে চাগে।

অঞ্জনাই একো নেমাতিলে। বান্ধনি ল'ৰাটোৱে পুৱাৰ জলপান



ধু. পি—৭

টেবুলত যতনাই দি তেওঁলোকক মাতিলেহি। দুয়ো খোৱা টেবুলত বহিলগৈ। চাহ এঢোক খাই কৃপা কাকতিয়ে ক'লে,—"তোৰ কথাটো আৰম্ভ কৰ এতিয়া।"

—মোৰ কথা?

—অঁ। পাহৰিলিনে? বাটত যে কৈছিলি কিবা কথা আলোচনা কৰিব লগা আছে।

—অঁ, তোমাৰ কিন্তু বৰ মনত আছেতো?

—তই কোৱা কথা মনত নেথাকিবনে?

—অঞ্জনাই হাঁহি হাঁহি ক'লে,—তোমাৰ ইয়াত আমাৰ প্ৰফেচাৰ এজনক কিছুদিনৰ কাৰণে ৰাখিব লাগিব। প্ৰায় এমাহ থাকিব।

—কিবা কাৰণত?

—অঁ।

—কি সকাম কচোন।

—কথা হ'ল, আমাৰ প্ৰফেচাৰ গৰাকীয়ে চাহ-বাগিচাত এটা আৰ্থ-সামাজিক প্ৰজেক্টৰ কাম কৰিব লাগিব বিশ্ববিদ্যালয়ৰ হৈ। সেই সংক্ৰান্তত বাগিচাৰ মজদুৰসকলক তেওঁ লগ ধৰিব, বাগিচাৰ ভিতৰত সোমাই ফিল্ড ৱৰ্ক কৰিব। সেইবোৰ কেনেকৈ কি কৰে তোমাক জনাব। মই মাত্ৰ তেওঁ ইয়াত থকাৰ আৰু তোমাৰ বাগিচাত এনে ধৰণৰ কাম কৰাৰ বাবে তোমাৰ অনুমতি বিচাৰিছোঁ।

—কথাটো ভাবিব লাগিব।

—ভাবা। ভাবি ক'বা।

—প্ৰফেচাৰ এজন মোৰ ঘৰত থকাৰ অসুবিধা নহ'ব, কিন্তু—

—কিন্তু, বাগিচাত কাম কৰাৰ বাবে ভাবিব লাগিব নহয়?

—অঁ, কেনে ধৰণৰ কাম সেইটো নিশ্চয় জানিব লাগিব। তাতে গগনক ঘৰত ৰাখি এতিয়া পাইছোঁ এ.সকা। বাটত নেদেখিলিনে মজদুৰী গাঁভক ছোৱালীজনীয়ে মোক কেনেকৈ জেৰা কৰিছে?

—তুমি ঠেকা খাই খাই শিকিছা। ভাল লাগিছে তোমাৰ মানসিক

প্ৰতিক্ৰিয়াটোৰ কথা বুজিব পাৰি। বাৰু, ভাবি-চিন্তি ক'বা তেন্তে মই যোৱাৰ আগতে। মই কালিলৈ যাম কিন্তু।

—হ'ব। প্ৰফেচাৰজনৰ নাম কি?

—সুধাংশু ৰয়।

—ৰয়? বঙালী মানুহ?

—তাতে চক খাবলৈ কি হ'ল?

—চক খোৱা নাই। কৈছোঁহে।

—কৈছা মানে তুমি কিবা এটা ভাবিয়েই কৈছা।

—নভবা নহয়। আজিকালি যেনোৰ মনত বঙালী, বাংলাদেশী একাকাৰ হৈ গৈছে।

—সেয়ে তোমাৰ সুধাংশু ৰয়ক ৰাখিবলৈ ভয় লাগিছে।

—ভয় লগা নাই। তথাপি আজিকালি সৰু সৰু কথাতে ডাঙৰ কেলেংকাৰী হয়গৈ।

তেতিয়াহ'লে 'ৰয়' গুচাই শইকীয়া কৰিব লাগিব নেকি তোমাৰ অনুমতি পাবলৈ?

—এস্, তই বৰ আউল লগাই পেলালি।

—মই আউল ভাঙিবহে খুজিছোঁ। ক'ত আউল লগালোঁ? তোমালোকৰহে মনত যত আউল—ধৰ্মৰ আউল, জাতিৰ আউল, তেজৰ আউল আৰু বা কত কি।

—বাৰু হ'ব। তই আউল ভাঙি যাবি যেতিয়া মই নিশ্চিন্ত।

—মই আউল ভাঙিবলৈকে জন্ম লৈছোঁ।

—হয়নে মোৰ আইজনী?

—নহয় কি? ভাবি চোৱাচোন মোৰ কাৰণে তোমাৰ মনৰ কিমান পৰিৱৰ্তন হৈছে।

—মনৰ পৰিৱৰ্তন? হৈছে, হৈছে।

—আজি তুমি তেজৰ সম্বন্ধতে গুৰুত্ব দিয়া নে?

—নিদিওঁ।

—মোৰ কাৰণে তোমাৰ আৰু পৰিৱৰ্তন হ'ব লাগিব।

—মই কথা দিছোঁ। পৰিৱৰ্তনলৈ আৰু মই ভয় নকৰোঁ।

—নকৰাতো?

—নকৰোঁ।

—মোৰ আৰু এটা পৰিকল্পনা আছে। সেই বিষয়ে মই তোমাৰ সহায় বিচাৰিব লাগিব।

—কচোন কি পৰিকল্পনা।

—মই এটা শিশু-নিদান খুলিব খোজোঁ দেউতাৰ সম্পত্তিৰে। নাম দিব খুজিছোঁ 'অৰূপ-বন্দনা'। দেউতাৰ সম্পত্তি মই তোমাৰপৰা যি পাব লাগে—সেই সম্পত্তিৰ মূল্যৰ সহায়ত নিদান এখন খোলা হ'ব। কথাটো প্ৰথমতে তোমাকেই কৈছোঁ। তুমি মান্তি হ'লেহে মই মহা-মাহীক ক'ম। টকাৰ পৰিমাণ লৈ নিদানৰ ৰূপ দিব পৰা যাব। তুমি মোক সেই টকা উইল কৰি দিব লাগিব। মোৰ পৰীক্ষা হৈ গ'লেই সেই কাম আৰম্ভ কৰিম। তুমি মোৰ এই প্ৰস্তাৱটো ভাবি চাই ক'বা। মোৰ বিয়াখনত তুমি টকা খৰচ কৰিব নালাগে। মোৰ বিয়া হ'লেও খুব সাধাৰণভাৱে কম খৰচত হ'ব।

—তোৰ বিয়াৰ কথা ওলাইছেনেকি?

—ওলোৱা নাই, ওলাব।

—কাৰ লগত?

—সেইবিলাক একো ঠিক হোৱা নাই।

—তোৰ নিদানৰ পৰিকল্পনা অপৰূপ হৈছে, "অৰূপ-বন্দনা"!

—অকল নামটোৱেই অপৰূপ নহয় ককা, শিশুৰ চিকিৎসাৰ কাৰণেহে "অৰূপ-বন্দনা" হয়তো এদিন মহৎ অনুষ্ঠান হৈ উঠিব। সেই নিদানত অপাৰগ শিশুৰ চিকিৎসা হ'ব। বঞ্চিত শিশুৰ মানসিক বিকৃতি তাত ধৰা পৰিব।

—তেনে এটা নিদানৰ কাৰণে মই টকাহে দিব পাৰিম, কিন্তু আন আন কথাবিলাক নাজানো।

—টকা দিলেই হ'ব ককা। আন ব্যৱস্থাত মই মহাৰপৰা সহায় ল'ব পাৰিম। মহা এগৰাকী সু-চিকিৎসক যেতিয়া সেই কামটোত

তেওঁ অকল দিহা-পৰামৰ্শ ই নহয়, হাতে-কামেও লাগিব পাৰিব। মোৰ মাৰ ঘৰ এটা আছে গুৱাহাটীত আৰু মোৰ কিছু জমা টকা আছে ঘৰটোৰ ভাৰাবপৰা। সেইবোৰ সকলো সেই নিদানত লগাব পাৰিম।

—তেনেকুৱা এটা অনুষ্ঠান মোৰ জীৱনকালতে হ'লে, মোৰ প্ৰাণটোৱে অকণমান শান্তি পাব অঞ্জুমণি।

—ময়ো ভাবিছোঁ সেই কথাটো—তুমি জীৱনকালত অকণমান শান্তি পাব লাগিব। এনে এটা নিদানৰ পৰিকল্পনাৰ গুৰিতে সিও এটা কাৰণ কৰা।

—হ'ব, অঞ্জুমণি বুলি কৃপা কাকতিয়ে কমালেৰে চকুপানী মচিবলৈ ধৰিলে। অঞ্জনাই কৃপা কাকতিলৈ চাই থৰ লাগি ৰ'ল।

## বাৰ

গুৱাহাটীৰপৰা সুধাংশু ৰয় নাইট চুপাৰত আহি ৰাতিপুৱাৰ লগে লগে ডিব্ৰুগড় পালেহি। সুধাংশু সেই বাছৰপৰা নামি ডিগবৈলৈ অহা বাছত উঠি পৰিল। লগৰ ছাত্ৰ দুজন ডিব্ৰুগড়তে ৰৈ গ'ল। ৰাতিটো নাইট চুপাৰত টোপনি অহা নাছিল যদিও সুধাংশুৰ একো অসুবিধা হোৱা নাই। পুৱাৰ পোহৰ আহি সুধাংশুৰ গায়ে-মুখে পৰিছেহি। সেই পোহৰতে উজলি উঠিছে বাটৰ দুয়ো কাষৰ চাহনিৰ সেউজীয়া শোভা। বাছৰ গতিতকৈ সুধাংশুৰ মন আৰু বেগেৰে আগবাঢ়ি যাব খুজিছে নিজৰ লক্ষ্যস্থানৰ ফালে। বিশ্ববিদ্যালয়ৰ কৰ্ম-আঁচনিৰ কথা ভাবিব খোজোঁতে সুধাংশুৰ মন কিন্তু অন্য এক ভাবতহে বিভোৰ হৈ পৰিল: অঞ্জনাৰ খং উঠি আছে নেকি বাৰু? এনেদৰে ভাবি সুধাংশু চমক খাই উঠিল।

—কিয় খং উঠিব অঞ্জনাৰ? তেওঁৰ নিজৰ হে খং উঠি আছিল অঞ্জনাৰ ওপৰত। খং উঠিব পৰা সম্বন্ধ এটাই বা অঞ্জনাৰ লগত কেতিয়া হ'ল? নিজৰ ওচৰতে নিজে ধৰা পৰাৰ ভাবত সুধাংশু

সচকিত হৈ উঠিল। অঞ্জনাৰ ওপৰত উঠা খংটো সম্পূৰ্ণ মাৰ যোৱা যেন লাগি গ'ল সুধাংশুৰ।

পুৱা প্ৰায় ন বজাৰ লগে লগে সুধাংশু ডিগবৈ বাছষ্টেণ্ডত নামি পৰিল। এখন অট'ৰিক্সা লৈ সুধাংশু ৰয় ডাঃ করুণা দুৱৰাৰ ঘৰলৈ যাবলৈ ওলাল। অট'ৰিক্সাৰ চালকজনে ডাঃ দুৱৰাৰ ঘৰ চিনি পোৱাৰ কথা কোৱাত সুধাংশু সেই বিষয়ে নিশ্চিন্ত হ'ল। দহ-পোন্ধৰ মিনিটৰ ভিতৰতে অট'ৰিক্সা ৰখাই চালকজনে ক'লে, "সেয়াই ডাঃ দুৱৰাৰ ঘৰ। নামক ইয়াতে।"

চালকজনক ভাৰা দি বাকচটো হাতত লৈ সুধাংশু নামি পৰিল। অট'ৰিক্সাখন ঘূৰি যোৱাৰ পিছত সুধাংশু অকণমান পৰ বৈ চাৰিওফালে চালে। অলপ দূৰত এটা আহল-বহল বাংলো-টাইপ ঘৰ। সমুখত বিস্তৃত মুকলি ঠাই আৰু সেই ঠাইৰ দুয়োফালে ফুলেৰে জাতিষ্কাৰ হৈ থকা ফুলনি। ইফালে-সিফালে সৰু সৰু দুই-এটা খেৰৰ ঘৰো দেখিবলৈ পোৱা গ'ল। সুধাংশু ৰয়ে লাহে লাহে গৈ সেই ডাঙৰ ঘৰটোৰ আগ-দুৱাৰৰ ওচৰৰ চুইচটো টিপি দিয়াত পায়জামা-পাঞ্জাবী পিন্ধা এগৰাকী গহীন-গম্ভীৰ বয়সিয়াল মানুহ ওলাই আহিল। দুয়ো দুয়োকো যেন নিমিষতে চিনি পালে। তথাপি সুধাংশু ৰয়ে গহীনভাৱেই ক'লে, "মই সুধাংশু ৰয়।"

—ধৰিব পাৰিছোঁ, আহক ভিতৰলৈ।

ডাঃ দুৱৰাৰ পিছে পিছে আহি সুধাংশু ৰয় কোঠাটোৰ সোমাজত ৰ'লহি আৰু লগে লগে ক'লে, "আপুনি অঞ্জনাৰ মহা নহয়নে?"

—হয়।

—আপোনাক প্ৰথমতে এটা অনুৰোধ কৰিব খুজিছোঁ। মোক 'আপুনি' বুলি নক'ব মহা।

এইবুলি কৈ সুধাংশু ৰয় আগবাঢ়ি গ'ল ডাঃ দুৱৰাৰ ভৰি চুই সেৱা কৰিবলৈ। ডাঃ দুৱৰাই লগে লগে কৈ উঠিল, "কি কৰে, কি কৰে? বহকচোন আগতে।"

—মই বহিম নহয়। আপুনি ব্যস্ত নহ'ব।

সুধাংশু বয়ে ডাঃ দুৱৰাৰ বাধা নামানি তেওঁক ভৰি চুই সেৱা কৰিলে। ডাঃ দুৱৰাই অভিভূত হৈ নিজৰ হাতখন সুধাংশুৰ মূৰত থ'লে। এনেতে মানসী আনটো কোঠাৰপৰা ওলাই আহিল।

—এওঁ সুধাংশু বয় বুজিছা ? .

ডাঃ দুৱৰাই মানসীৰ ফালে চাই ক'লে।

—ইমান ডাঙৰ হৈ গ'ল এওঁ।

মানসীৰ কথা শুনি ডাঃ দুৱৰাই ওভোটাই ক'লে, নহ'বনে ? এতিয়া তেওঁ বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ। বহা সুধাংশু।"

সুধাংশু বহি পৰিল চকী এখনত। হাতৰ বাকচটো চকীখনতে আঁউজাই থৈ অনুনয়ৰ সুৰত ক'লে, "আপোনালোকো বহক।"

ডাঃ দুৱৰা বহিল। লগে লগে ওচৰৰ চকী এখনত মানসীও বহিল।

—অঞ্জনা আছে নহয় ? সুধাংশুৱে মানসীৰ ফালে চাই সুধিলে।

—নাই। "মানসীয়ে লাহেকৈ ক'লে।"

—ক'ৰবালৈ গৈছে ?

এইবাৰ ডাঃ দুৱৰাৰ ফালে চাই সুধাংশুৱে অঞ্জনাৰ কথা জানিব খুজিলে।

—অঁ। অঞ্জু ককাকৰ বাগিচালৈ গৈছে। ডাঃ দুৱৰাই গহীনাই ক'লে।

—"হয় নেকি ? ককাক মানে ?"

—তেখেত কৃপা কাকতি, অঞ্জুৰ দেউতাকৰ দেউতাক।

—মই ইয়াতে অঞ্জনাক লগ পাম বুলি ভাবি আহিছিলোঁ।

—লগ পাবা। আজি তাইৰ অহাৰে কথা। তুমিতো আমাৰ ইয়াত দুদিনমান আছা ?

—মই বিশ্ববিদ্যালয়ৰ কামতহে আহিছোঁ মহা। আজি আবেলিৰফালে ঘোৰাৰ কথাই ভাবিছোঁ ইয়াৰ পৰা।

—সেইটো কেনেকৈ হ'ব ? মই তোমাৰ প্ৰজেক্টৰ কথা ভাবি আছোঁ। সেই বিষয়ে তোমাৰ লগত কথা পাতিব লাগিব।

—অ' মোৰ চিঠিখন পাইছে তেন্তে ?

—পাইছোঁ। পাইছোঁ। উত্তৰ নিদিলোঁ। তুমি আহিবা বুলিয়েই। তোমাৰ কামৰ সুবিধাৰ্থেই অঞ্জুক ককাকৰ ওচৰলৈ পঠোৱা হৈছে। কৃপা কাকতিৰ চাহ বাগিচা আছে।

—হয়নেকি ? অঞ্জনাইঁতৰ বাগিচা আছে বুলি নাজানিছিলোঁ।

—ককাক আছে বুলি জানিছিলা জানো ?

—নাজানিছিলোঁ। আজি প্ৰথম শুনিলোঁ। সুধাংশু বয়ৰ চিন্তিত মুখলৈ চাই ডাঃ দুৱৰাই ক'লে, "সেইবোৰ ক'ম বাৰু। সম্প্ৰতে তুমি এতিয়া হাত-মুখ ধুই খোৱা-বোৱা কৰা অলপ। মানসী, এওঁক ভিতৰলৈ লৈ যাবানেকি ?"

—নিওঁ বুলি মানসী আগুৱাই আহি সুধাংশুৰ বাকচটো তুলিব খুজিলে।

—আপুনি এৰক, মই নিম বাকচটো।

সুধাংশুৱে সাউৎকৰে থিয় হৈ বাকচটো হাতত তুলি ল'লে আৰু মানসীৰ লগতে ভিতৰলৈ সোমাই গ'ল। পিছে পিছে ডাঃ দুৱৰাও।

যিটো ওচৰৰ কোঠাত মানসী সোমালগৈ, সেই কোঠাটো আহল-বহল আৰু পৰিপাটি। যিখন দুৱাৰেদি সোমাল, সেইখনৰ বিপৰীতে সমুখৰ বেৰত আঁৰা আছে এগৰাকী মহিলাৰ থিয় হৈ থকা এখন ডাঙৰ ফটো—এনলাৰ্জড্ কৰোৱা। কোঠাটোত সোমাই মানসীয়ে ক'লে, এইখন টেবুলতে বাকচটো থোৱা সুধাংশু। মই চাহ লৈ আহোঁ, তোমালোক বহা ইয়াতে।

—মোক এতিয়া একাপ সুদা চাহ দিয়ক মাত্ৰ মাহী। চাহকাপ খালেহে গাটো ধুই ল'ব পাৰিম।

—হ'ব। তুমি মুখ ধুই লোৱা। এতিয়া তেনে অকল একাপ চাহকে দিওঁ, বিস্কুট দিমনে লগত ?

—নালাগে, অকল চাহ হ'লেই হ'ব। গা ধুই উঠি যি হয় খাম।

—হ'ব।

মানসী চাহ আনিবলৈ ওলাই গ'ল। সুধাংশুৱে ডাঃ দুৱৰাৰ নিৰ্দেশ

ক্ৰমে বাহিৰলৈ যোৱা ছুৱাৰমুখৰ ওচৰত থকা বেচিনটোত মুখ ধুই ল'লে আৰু টাৱেল এখনেৰে মুখ মচি মচি ক'ব নোৱাৰাকৈ ফটোখনৰ সমুখত থিয় হ'লগৈ। আঁতৰৰ পৰাই ফটোখনৰ মানুহগৰাকী সুধাংশুৰ চিনাকি চিনাকি লাগিছিল। এতিয়া ওচৰ পাই ক'লে, "এয়া দেখোন বন্দনা বাইদেউ।"

কথাষাৰ কৈ সুধাংশুৱে ডাঃ ছুৱৰাৰ কালে চালে।

—হয়, সেয়া বন্দনা কাকতি। আমাৰ অঞ্জনাৰ মাক।

—জানো মহা। বন্দনা বাইদেউৰ লগত মোৰ আত্মীয়তা আছিল। তেওঁ আছিল মোৰ মাৰ বৰ প্ৰিয় ছাত্ৰী। আৰু আমাৰ অৰুণ বৰুৱা ছাৰৰ ভনীয়েক। সেই সূত্ৰেই আমাৰ পৰিচয়। অঞ্জনাকো সৰুতেই মই লগ পাইছিলোঁ। বুলি সুধাংশুৱে তেওঁৰ বাকচটো খুলিলে আৰু এখন চিঠি উলিয়াই ডাঃ ছুৱৰাক দিলে।

—এইখন অৰুণ বৰুৱা ছাৰে আপোনালৈ দিছে।

সুধাংশুক বহিবলৈ নিৰ্দেশ দি ডাঃ ছুৱৰাই আন এখন চকী টানি আনি বহিল আৰু চিঠিখন খুলি পঢ়িবলৈ আৰম্ভ কৰিলে। এনেতে মানসী সোমাই আহি চাহ একাপ সুধাংশুলৈ আগবঢ়াই দিলে।

—তুমি গা-পা ধুই উঠিলেহে জা-জলপান দিম।

—হ'ব মাহুমাহী। মই যি ভাল লাগে খাম। আপুনি একো চিন্তা নকৰিব। মোক মাত্ৰ দেখুৱাই দিয়ক বাথ-ৰুমটো আৰু বিছনা এখন।

—সেয়া বাথ-ৰুম। তাতে তোমাৰ গা ধোৱাৰ বাবে সকলো ঠিক কৰি থৈ আহিছোঁ। বিছনা এইখনতে জিৰাব পাৰিবা। তোমাক আলহীঘৰত নথওঁ। নিজৰ ল'ৰাৰ দৰে ভিতৰতে দিছোঁ।

মানসীয়ে কৈ গ'ল। ডাঃ ছুৱৰাই চিঠিখন পঢ়ি শেষ কৰিছিল মাত্ৰ।

—সুধাংশুক নিজৰ ল'ৰা হিচাপে ভাবিবলৈকে প্ৰফেছাৰ অৰুণ বৰুৱাই আমাক অনুৰোধ কৰিছে। পঢ়া মানসী, এয়া প্ৰফেছাৰ বৰুৱাৰ চিঠি।

মানসীয়ে আগ্ৰহেৰে চিঠিখন পঢ়িলে আৰু আনন্দত উৎফুল্ল হৈ ডাঃ দুৱৰাৰৈ চালে।

—ছাৰে বা কি লিখিছে—ক'ব নোৱাৰোঁ। সুধাংশুৱে লাহেকৈ ক'লে।

—নাজানা কি লিখিছে?—ডাঃ দুৱৰাই সুধিলে সুধাংশু ৰয়লৈ চাই।

—নাজানোঁ। চিঠিখন বৰ দৰকাৰী বুলি আপোনাক দিবলৈ ক'লে ছাৰে। সেয়ে ৰাতি ক'ৰবাত হেৰায় বুলি বাকচত ভৰাই আনিছোঁ।

—এৰা, দৰকাৰীয়েই। তোমাৰ বিষয়ে সকলো দৰকাৰী খবৰ চিঠিখনত আছে। মানসী, চিঠিখন এওঁক দিয়াচোন পঢ়িবলৈ। মানসীয়ে আগবঢ়াই দিয়া চিঠিখন হাতত লৈ সুধাংশুৱে মনোযোগেৰে পঢ়িবলৈ ধৰিলে। পঢ়া হ'লত সুধাংশুৱে যে এটা গভীৰ নিঃশ্বাস পেলালে, ডাঃ দুৱৰাই মন কৰিলে। তিনিও কিছু সময় নীৰৱে থাকিল।

—মই গাটো ধুই লওঁ মামুমাহী। নীৰৱতা ভংগ কৰি সুধাংশুৱে ক'লে।

—বলা, মই দেখুৱাই দিওঁ বাথ-ৰুমটো।

কোঠাটোৰ এমূৰে সংযুক্ত হৈ থকা বাথ-ৰুমটোৰ দুৱাৰখন খুলি দি মানসীয়ে ক'লে, এই কোঠাটো অঞ্জনাৰ।

মানসীৰ কথা শুনি সুধাংশুৱে তপৰাই ক'লে, "হয়নেকি? তেনেহ'লে মই এই ৰুমৰ পৰা আজিয়েই ওলাব লাগিব। অঞ্জনাৰতো আজি অহাৰ কথা।"

—তাতে কি হ'ল? অঞ্জু আমাৰ সিফালে থাকিব দুই-তিনি দিনৰ কাৰণে।

—হ'ব বুলি সুধাংশুৱে হাঁহিবলৈ ধৰিলে। সেই হাঁহিত ডাঃ দুৱৰা আৰু মানসীয়ে যোগ দিলে।

—এওঁ দেখিছোঁ বৰ যেমেলীয়াদেই।

ডাঃ দুৱৰাৰ অভিমতত মানসীয়ে ক'লে, "অঞ্জুৱে কৈছে নহয়, এওঁ ঘৰত বোলে বৰ স্ফূৰ্তিবাজ, বাহিৰত কিন্তু অসম্ভৱ গম্ভীৰ

—অঞ্জনাই আপোনালোকৰ আগত মোৰ বিষয়ে খবৰা-খবৰ দি বহুতখিনি কথা আগবঢ়াই থৈছে তেন্তে ?

আকৌ হাঁহিৰ ৰোল উঠিল। হাঁহি হাঁহি সুধাংশুৱে বাকচটো খুলি পিন্ধা কাপোৰ উলিয়াই ল'লে। লগতে টাৱেল এখনো।

—টাৱেল নালাগে উলিয়াব সুধাংশু। মই ধোৱা টাৱেল থৈ আহিছোঁ। আজি ধুই দিব লগা কাপোৰ তুমি বাথ-ৰুমতে থৈ আহিবা। ধোৱা মানুহ আছে।

মানসীৰ কথামতে, টাৱেলখন বাকচৰ ওপৰতে থৈ সুধাংশু গাধোৱা ঘৰত সোমাল।

—বৰ মৰম লগা ল'ৰাদেই। মানসীয়ে সক মাতেৰে ডাঃ দুৱৰাৰ কাণে চাই ক'লে। তাতোকৈও সৰুকৈ ডাঃ দুৱৰাই সুধিলে, "অঞ্জুৰ কাৰণে ল'ৰাজন পছন্দ হৈছে নে মানসী ?

—নোহোৱাৰ কাৰণটো একো নাই। অৰুণদাই এনেয়ে লিখিব নে ? তাইৰ মত হ'লে হয় এতিয়া ? যিহে আঁকৰী ছোৱালী।

—দুয়োৰো মনৰ মিল আছে বুলিয়েইতো বৰুৱাই লিখিছে।

—মনৰ মিল থাকিলেই যে বিয়া হ'বই সেইটো ক'ব নোৱাৰি। বিয়াৰ কাৰণে মনৰ মিলৰ বাহিৰেও আৰু বহুত কথা উঠিব।

—অ' বুলি অন্যমনস্কভাৱে ডাঃ দুৱৰা কোঠাটোৰপৰা ওলাই গ'ল। মানসীয়ে তৎপৰ হৈ লাহেকৈ ক'লে, ময়ো যাওঁ। সুধাংশুৰ বাবে জা-জলপান যতনাওঁগৈ।

খোৱা টেবুলত সুধাংশুৰ বাবে মানসীয়ে জলপান সজাইছিল। ডাঃ দুৱৰাই তাকে আঁতৰৰ পৰা চাই আছিল যদিও তেওঁ সুধাংশুৰ লগত দায়িত্বপূৰ্ণভাৱে কেইটামান কথা আলোচনা কৰিব বুলি ভাবি আছিল। অৰ্থাৎ প্ৰঃ অৰুণ বৰুৱাৰ নিৰ্দেশমতে তেওঁ সুধাংশুক কেইটামান প্ৰয়োজনীয় কথা সুধিব।

গা ধুই উঠি সুধাংশু ওলাই আহিল। পায়জামা-পাঞ্জাবীৰে

সুধাংশুক আগতকৈ ওথ যেন দেখা গৈছে। মূৰ আঁচোৰা ধৰণটোৱেও সুধাংশুৰ প্ৰকৃত স্বভাৱটো প্ৰকাশ হোৱাত সহায় কৰিছে।

—বহা সুধাংশু। যি হয় সামান্য বস্তু দিছোঁ। খাব পাৰা নে নোৱৰা বা ?

—নোৱাৰিবৰ কি কাৰণ আছে। কিন্তু, মই এই গাখীৰৰ বস্তুখিনি খাবলৈ অসুবিধা পাম।

—হয় নেকি ? যোৱা ৰাতি ভাত খাইছা নে নাই নাজানো কাৰণে ও'টচ অলপ দিছিলোঁ। নোখোৱা যদি থাওক। তাৰ সলনি অন্য কিবা অলপ আনোগৈ।

—নালাগে আন একো মান্নুমাহী। কণী আৰু ব্ৰেড মোৰ কাৰণে যথেষ্ট। কলো নাখাওঁ, লৈ যাওক।

অলপকৈ হাঁহি ডাঃ হুৱৰা টেবুলৰ ওচৰলৈ আহি ক'লে, "মালভোগ কল নোখোৱা কিয় ? খোৱা।"

—বহক মহা আপুনিও। মান্নুমাহী, কল থৈ যাওক মহাৰ আদেশ উলংঘা কৰিব নোৱাৰি। কল খাবই লাগিব।

—খোৱা, খোৱা।

ডাঃ হুৱৰাই সুধাংশুৰ পিঠিত থপৰিয়াই ক'লে। তেওঁ সুধাংশুৰ ওচৰৰ চকীখনত বহি পৰিল আৰু লাহেকৈ ক'লে, "কল খালে বল হয়।"

দুয়ো আকৌ একেলগে হাঁহিলে।

সুধাংশুৰ জলপান খোৱা শেষ হ'লত, তিনিও ওচৰৰ বহা কোঠালিত বহিলগৈ। ডাঃ হুৱৰাই সুধাংশুক নিৰীক্ষণ কৰি বুজিব পাৰিলে যে তেওঁ কিবা এটা শুনিবলৈ উৎসুক হৈ আছে। সেয়ে সুধিলে, "মই বাৰু তোমাক কথা এটা সোধোঁ সুধাংশু।"

—সোধক মহা।

—প্ৰঃ বৰুৱাৰ চিঠিখনতো তুমি পঢ়িলা ?

—হয়।

—সেই সম্বন্ধে তোমাৰ কিবা সুধিব লগা আছেনে আমাক ?

ডাঃ ছুৰবাৰ প্ৰশ্ন শুনি সুধাংশুৱে উত্তৰ দিলে, "ছাৰে চিঠিখন লিখাৰ সম্বন্ধে ?"

—অৰ্থাৎ অঞ্জুক লৈ যিখিনি কথা লিখিছে, সেই সম্বন্ধে।

—আচলতে মই সেই কাৰণেই ইয়ালৈ আহিছোঁ। আপোনা-লোকৰ লগত মুকলি মনে, পোনপটীয়াকৈ অঞ্জনাৰ লগত মোৰ বিয়াৰ সম্ভাৱনাৰ বিষয়ে কথা পতাটো উচিত হ'ব বুলি ভাবিছোঁ।

—আমিও সেইটো বিচাৰোঁ।

—ছাৰে এটা বিশেষ কাৰণত চিঠিখন লিখিব লগা হ'ল যেন লাগিছে।

—কোৱাচোন।

—কওঁ। ছাৰে মোক অত্যন্ত স্নেহ কৰে।

—সেইটো বুজি পাইছোঁ।

—স্নেহৰ তাগিদাত ছাৰে মোৰ বিষয়ে উচ্চ ধাৰণা এটা পোষণ কৰি আহিছে কাৰণেই মোৰ বুদ্ধি-বৃত্তি, পঢ়া-শুনা, বিদেশৰ ডিগ্ৰী আদিৰ কথা আপোনালোকলৈ লিখিব লগা হৈছে। এনে কথাত মই কিন্তু বেছি গুৰুত্ব নিদিওঁ।

—ছোৱালী এজনী বিয়া দিবলৈ ওলালে সাধাৰণতে ছোৱালীৰ অভিভাৱকে তেনে ধৰণৰ কথাত গুৰুত্ব দিয়ে কাৰণেই প্ৰঃ বৰুৱাই আমালৈ লিখিছে যেন লাগে।

—হয়। তেতিয়াহলে মই আৰু অলপ কথা যোগ দিব লাগিব।

—দিব পাৰা।

—আমি চহকী মানুহ নহয়। মধ্যবিত্ত পৰিয়ালৰ ল'ৰা মই। মোৰ দেউতা নাই। সকৰেপৰা মাই মোৰ অভিভাৱকত্ব কৰি আহিছে। বিশেষ কথা হ'ল মই বঙালী ল'ৰা।

—তাতে আৰু কি হ'ল ? ডাঃ ছুৰবাই কৈ পেলালে।

—আপোনাৰ একো অসুবিধা নহ'ব পাৰে, কিন্তু পৰিয়ালৰ আন কাৰোবাৰ এই কথাটো লৈ ভাবিব লগা হ'ব পাৰে। ধৰক, অঞ্জনাৰ ককা কৃপা কাকতিয়ে আমাৰ বিয়াৰ ক্ষেত্ৰত বাধা দিবও পাৰে যিহেতু

মই বঙালী। মই এটা উদাহৰণহে দিছোঁ। মই অঞ্জনাক বিয়া কৰাবলৈ ইচ্ছা কৰিছোঁ যদিহে অঞ্জনাৰ নিজা মত থাকে। মোৰ মত আৰু অঞ্জনাৰ মতৰ ভিতৰত কিছু প্ৰভেদো আছে। মোৰ মতেই মোৰ একমাত্ৰ অভিভাৱক মাৰো মত। অঞ্জনাৰ ক্ষেত্ৰত সেইটো নহ'বও পাৰে। অঞ্জনাৰ ইচ্ছা থাকিলেও অভিভাৱকৰপৰা বাধা আহিব পাৰে। অৱশ্যে, অঞ্জনাই মত দিয়া নাই বা ইচ্ছা প্ৰকাশো কৰা নাই।

—তুমি অঞ্জুক বিয়াৰ বিষয়ে সুধিছিলা জানো ?

—নাই, নিজে সোধা নাই। কাৰণ অঞ্জনাৰ লগত প্ৰকৃততে পঢ়া-শুনাৰ বাহিৰে মই আন একো কথা পতা নাই। বিশেষ কথা পাতিম বুলি ভাবোতেই বিশ্ববিদ্যালয় বন্ধ হৈ গ'ল। অৱশ্যে ছাৰে সোধাত তেওঁ পৰীক্ষালৈ ৰ'বলৈ কৈছে। সমুখত পৰীক্ষা থাকিলেও অঞ্জনাই বিয়াৰ কথাত নিজ ইচ্ছা প্ৰকাশ কৰিব পাৰিলে হয় অন্ততঃ ছাৰৰ আগত।

—সকলো সময়তে অঞ্জুৱে পৰীক্ষাৰ কথা কয়। মই এনেয়ে বিয়াৰ কথা উলিয়ালেও তাই পৰীক্ষা হৈ যোৱাৰ পিছতহে ক'ম বুলি কয়।

মানসীয়ে কথাটো পাতলাই ক'লে।

—হয় মামু মাহী,পৰীক্ষাটোৰ কথা মযো নভবা নহয়। অঞ্জনা নিজে পৰীক্ষাৰ্থী কাৰণে সেই কথাটোৰ ওপৰত বেছিকৈ জোৰ দিছে বুলিও বুজি পাইছোঁ কাৰণ আজিকালিৰ ছোৱালীয়ে অৰ্থনৈতিক মুক্তি বিচাৰে। মযো সেইটো কথা পছন্দ কৰোঁ। কিন্তু, এই বিষয়ে অঞ্জনাৰ লগত একো আলোচনা কৰিব নোৱাৰিলোঁ।

—কৰিব পাৰিবা আলোচনা ইয়াতে, আৰু সেই আলোচনাৰ মই আঁত ধৰিব লাগিব। ডাঃ দুৱৰাই হাঁহি হাঁহি ক'লে।

—বৰ ভাল কথা মহা। মই বিয়াৰ কথাটোতে লাগি থাকিব নোৱাৰোঁ। আপোনাৰ সহায়ত কথাটোৰ সোনকালে মীমাংসা হ'লে ভাল হয়। আপোনালোকক জনাবলগীয়া আৰু এটা বিশেষ কথা:

হ'ল পিতৃপুৰুষসকল যদিও বঙালী, মোৰ আইতা কিন্তু অসমীয়া আছিল।

—হয় নেকি ?

—হয়। মোৰ দেউতাই সৰুতে মাকৰ লগত অসমীয়া কোৱা কাৰণে অসমীয়া ভাষা তেওঁৰ মাতৃভাষা হোৱাৰ দৰে হ'ল। মই দেউতাৰ কৰ্তৃত্বত অসমীয়া মাধ্যমতে পঢ়া-শুনা আৰম্ভ কৰিলোঁ। দেউতাৰ কাৰণে মায়েও বহু অসমীয়া আচৰণ শিকিব লগা হৈছিল, দেউতা আৰু মোৰ লগত অসমীয়া ক'ব লগা হৈছিল। মোৰ এতিয়া উদ্দেশ্যই হৈছে এজনী অসমীয়া ছোৱালী বিয়া কৰোৱা। অঞ্জনাক বিয়া কৰাব নোৱাৰিলেও, বিয়া কৰালে মই পৰাপক্ষত এজনী অসমীয়া ছোৱালী বিয়া কৰাম মহা। অসমত আমাৰ পৰিয়ালে ইমান দিন কটালে যেতিয়া, মই এতিয়া নিজকে অসমীয়া বুলি চিনাকি দিব পৰা হৈছোঁ।

—নিশ্চয়, বাৰু, আৰু এটা কথা সোধোঁ তোমাক।

—তুমি কিবা কাৰণত অঞ্জনাৰ ওপৰত অভিমান কৰি আছা বুলি প্ৰঃ বৰুৱাই লিখিছে। কথাটো কেনেকুৱা জানিব পাৰোঁনে ?

—কথাটো সম্পূৰ্ণ ব্যক্তিগত মহা। মই অলপ বিচলিত হৈছিলোঁ মোৰ আদৰ্শক লৈ। অৱশ্যে মোৰো বুজাত ভুল হ'ব পাৰে। অঞ্জনা আহক, সেই বিষয়ে আলোচনা কৰিব পৰা যাব। সেইবোৰ কথাই মূল কথাটোৰ একো সাল-সলনি কৰিব পৰা নাই। মূল কথাটো হ'ল মোৰ অঞ্জনাক বিয়া কৰোৱাৰ ইচ্ছা। কিয় যে সেই ইচ্ছা হ'ল তাকো ক'ব নোৱাৰোঁ। কিন্তু অঞ্জনাৰ ইচ্ছা-অনিচ্ছাৰ কথা একেবাৰেই নাজানিলোঁ।

সুধাংশু বৈ গ'ল। অলপ সময় আটায়ে নীৰৱে থকাৰ পিছত ডাঃ দুৱৰাই ক'লে, মই অঞ্জুৰ লগত তোমাৰ বিষয়ে সাধাৰণভাৱে কথা পাতি বুজিব পাৰিছোঁ অঞ্জুৱেও তোমাক বিচাৰে। অৱশ্যে সেই ইচ্ছা কিমান গভীৰ তাক ধৰিব পৰা নাই।

ডাঃ দুৱৰাৰ অভিমতত মানসী আৰু সুধাংশু নীৰৱ হৈয়ে থাকিল

কিছু পৰলৈ। তাৰ পিছত সুধাংশুৱে মূৰ তুলি প্ৰশ্ন কৰিলে, "এই সংক্ৰান্তত বাক আপোনালোকৰ কি মত ?

—অঞ্জনাৰ মতেই আমাৰ মত। আমি এতিয়া নিজকে ভাগ্যবান বুলি ভাবিছোঁ অঞ্জনাৰ অভিভাৱক হিচাপে। তোমাৰ নিচিনা গুণী-জ্ঞানী ল'ৰা এজন আগবাঢ়ি আহিছা অঞ্জুক বিয়া কৰাবলৈ। এইটো কম গৌৰৱৰ কথা নহয় সুধাংশু।

—তেনেকৈ নক'ব মহা। বাৰু অঞ্জনাই ককাৰ সমৰ্থন পাবনে মহা ?

—তেখেত অঞ্জনাৰ ককাকহে অভিভাৱক নহয়। সেইবিলাক বহুত কথা ; মই তোমাক ক'ম লাহে লাহে।

—হ'ব মহা। মোৰ প্ৰস্তাৱত আপোনালোকৰ আশীৰ্বাদ পালোঁ। মায়ো মোক আশীৰ্বাদ দিছে। ছাৰৰ শুভ ইচ্ছা তেখেতৰ আনন্দতে প্ৰকাশ পাইছে। এতিয়া কথা হ'ল অঞ্জনাৰ মত।

—অঞ্জুৰ মত হ'ব বুলিয়েই ভাবিছোঁ সুধাংশু।

—নহ'লেও কিবা এটা হ'ব। মই অলপ জিৰাওঁগৈ মামু মাহী।

—ব'লা বিছনা ঠিক কৰি থৈছোঁ। তুমি অলপ জিৰোৱা, ৰাতিটো টোপনি হোৱা নাই চাগে।

—অঞ্জনাই বেয়া নেপায়তো তেওঁৰ কোঠাটো দখল কৰাত ?

—নাপায় নাপায় বুলি মানসী হাঁহি হাঁহি আগবাঢ়ি গ'ল। পিছে পিছে সুধাংশু। ডাঃ তুৱৰাই অপলক দৃষ্টিৰে সুধাংশু যোৱা চাই ৰ'ল।

## তেৰ

ভাত খাই উঠাৰ পিছত সুধাংশুৰ তুঘণ্টামান লালকাল টোপনি আহিল। এনেদৰে দিনত শোৱাৰ অভ্যাস সুধাংশুৰ নাই বুলিয়েই ক'ব পাৰি। কিন্তু কিছুদিনৰপৰা মনৰ ভিতৰত তোলপাৰ লগাই থকা উৎকণ্ঠাৰ বহুখিনি আজি হঠাতে কমি যোৱাত সুধাংশুৱে গভীৰ প্ৰশান্তিত জিৰণি ল'ব পাৰিছে। চাবি বজাৰ অলপ আগতে

সুধাংশুৱে সাৰ পালে। হাতৰ ঘড়ীটোলৈ চাই তেওঁ ধপহকৈ উঠি পৰিল। হাত-মুখ ধুই মূৰটো ফণিয়াই ল'লে আৰু কোঠাটোৰপৰা ওলাই আহিল। ডাঃ হুৱৰা আৰু মানসীয়ে হাতত একোকাপ চাহ লৈ তেতিয়া ড্ৰয়িংৰুমত বহি আছিল।

—উঠিলা সুধাংশু ?

—উঠিলোঁ মহা। ইমান সময় যে শুলোঁ ক'বই নোৱাৰো।

লাজ লাজ ভাৱেৰে সুধাংশুৱে ডাঃ হুৱৰাৰ ফালে চালে।

—ৰাতি টোপনি হোৱা নাইতো।

মানসীয়ে নিজা অভিমত প্ৰকাশ কৰি সুধাংশুলৈ চাহ একাপ আনিবৰ মনেৰে থিয় হ'ল।

—মোকো একাপ চাহ দিব মান্নুমাহী।

হামিয়াব খুজি সুধাংশুৱে হাঁহিলে।

—তোমাক চাহ দিবলৈকে উঠিছোঁ। অণুজনী এতিয়ালৈকে আহি নাপালে।

নিজ মনে কৈ কৈ মানসী বান্ধনি ঘৰৰ ফালে গ'ল।

—দুপৰীয়া ভাত-পানী খাই অহাৰ কথা ভাবিলে চাগৈ। এতিয়াও অহাৰ সময় আছে।

ডাঃ হুৱৰাৰ কথাত একো মন্তব্য নিদি সুধাংশু অন্য এটা কথা শুনিবলৈহে ব্যগ্ৰ হৈ পৰিল।

—আপুনি কৃপা কাকতিৰ কথা কওঁ বুলি কৈছিল নহয় মহা, কওকচোন।

—অঁ, এতিয়াই শুনিবানে ?

—শুনিবৰ মন গৈছে।

—তেন্তে, কওঁ বাৰু।

এনেতে মানসী আহি চাহ কাপ সুধাংশুৰ হাতত দি, তেওঁ আকৌ ভিতৰলৈ ঘূৰি গ'ল। ডাঃ হুৱৰাই ক'বলৈ আৰম্ভ কৰিলে,

—কৃপা কাকতিৰ একমাত্ৰ সন্তান আছিল অৰূপ কাকতি। তথাপি ঘটনা চক্ৰৰ কাৰণে পিতা-পুত্ৰৰ মাজত বিচ্ছেদ ঘটিল।

ডাঃ ছবৰা থমকি ৰোৱাত সুধাংশুৱে ক'লে,

—কওক মহা, কিয় এনে হ'বলৈ পালে।

—অৰূপ কাকতিয়ে যেতিয়া বন্দনাক বিয়া কৰাবলৈ ওলাল, কৃপা কাকতিয়ে কথাটো ভাল ভাৱে ল'ব নোৱাৰিলে। ফলত, অৰূপ কাকতিয়ে বন্দনাক বিয়া কৰালে দেউতাকৰ অমতত। কৃপা কাকতিয়ে অৰূপৰ অবজ্ঞাক ক্ষমা কৰিব নোৱাৰিলে। তেওঁ যথেষ্ট কঠোৰ হৈ পুত্ৰৰপৰা বিচ্ছেদ বিচাৰিলে। অৰূপ কাকতিৰ মৃত্যুৰ পিছত বন্দনাৰ মনৰ অৱস্থাৰ কথা তুমি জানা নিশ্চয়।

—জানো মহা। বন্দু বাইদেৱে সেই কালছোৱা বৰ কষ্টত কটালে।

—সেই কষ্টৰে কিছু অংশ লাঘৱ কৰিবলৈ বন্দনাই শেষত আঠ বছৰীয়া অঞ্জুক লৈ ডিগবৈ পালেহি। আৰু ইয়াৰে ছোৱালী স্কুলখনৰ কাম এটাত সোমাল।

—তেতিয়াৰপৰা মই আৰু বন্দু বাইদেউক লগ পোৱা নাই।

—বন্দনা মানসীৰ বন্ধু আছিল বুলিও জানা চাগে।

—জানো। বন্দু বাইদেউহঁতৰ ঘৰতে মানুমাহীক দেখা মনত পৰে।

—মানসীৰ বন্ধু কাৰণেই মোৰ লগতো বন্দনাৰ চিনাকি হ'ল। সেয়ে নহয়, চিকিৎসক হিচাপে মই বন্দনাৰ ক্ষয় ৰোগটো চিনাক্ত কৰিব লগা হ'ল। জোৰকৈ তেওঁক হস্পিতেলত ভৰ্তি কৰিব লগাতো পৰিল। তেতিয়াৰ পৰাই অঞ্জু প্ৰায় আমাৰ লগতে।

—কৃপা কাকতিয়ে সেই সময়ত অঞ্জনাৰ এনে বিপৰ্যয়ৰ একো খবৰ পোৱা নাছিল?

সুধাংশু উৎকণ্ঠিত হ'ল।

—মই নিজে একো খবৰ দিয়া নাছিলো। জনাও নাছিলো কৃপা কাকতিৰ বিষয়ে। কাৰণ, বন্দনা কাকতিয়ে মোক অন্ততঃ এনে ধৰণৰ কথা কোৱা নাছিল। তাতে ঘটনাবোৰ তুৰন্তে ঘটিছিল। অনিবাৰ্য আন এটা ঘটনাহে যেন ঘটিবলৈ বৈ আছিল।

ডাঃ চুৰবা আকৌ বৈ গ'ল।

—তাৰ পিছত ?

—হস্পিটেলত বন্দনাৰ মৃত্যু হ'ল।

ডাঃ চুৰবাৰ মুখ বিবৰ্ণ হৈ উঠিল যে সুধাংশুৱে মন কৰিলে যদিও একো ক'ব নোৱাৰিলে।

—মই তেওঁক বচাব নোৱাৰিলো। অসুখটো বন্দনাৰ ভিতৰত বৰ বেয়াকৈ শিপাইছিল। বন্দনাৰ মৃত্যুৰ দিনা মই কিংকৰ্তব্যবিমূঢ় হৈ পৰাৰ নিচিনা। মোৰো ঘৰত বিপদ। মানসীৰ মানসিক বিকাৰ ঘটিছিল। তাৰ মাজতে মই এটা প্ৰতিজ্ঞা কৰিলোঁ, অৰ্থাৎ সংকল্প ল'ব লগা হৈছিল দৃঢ়ভাৱে। সেই প্ৰতিজ্ঞাৰ কথা শুনিবানে ?

—শুনিবলৈকে বৈ আছোঁ মহা।

—মোৰ সংকল্প আছিল—মই অঞ্জনাক সন্তানৰ মৰ্যাদা দিম। আৰু সেই দিন ধৰি মই অঞ্জুৰ অভিভাৱকত্ব কৰি আহিছোঁ। আমাৰ অভিভাৱকত্বত প্ৰঃ অৰুণ বৰুৱা সন্তুষ্ট হৈছিল। মানসীৰ অসুখেই ভাল হৈ গ'ল অঞ্জুক সন্তান হিচাপে পাই। আমি নিসন্তান মানুহ বুজিছা। আমাৰ এটা ডাঙৰ স্বাৰ্থ পূৰণ হ'ল অঞ্জুৰ বিকাশত সহায় কৰি। কিন্তু অঞ্জুৰ কি ক্ষতি বা উপকাৰ হ'ল তাক সঠিক কৈ ক'ব পৰা নাই।

—ক্ষতি আৰু কি হ'ব ?

—ৰ'বা। ইয়াৰ মাজতে আজি প্ৰায় দুবছৰ মানৰ আগতে কৃপা কাকতিয়ে তেখেতৰ নাতিনী সম্পৰ্কে কিছু খবৰ যোগাৰ কৰিলে। অঞ্জুৱে আমাৰ তত্বাৱধানত শিক্ষা-দীক্ষা লৈ আছে বুলিও শুনিছে। চাৰি মাহমানৰ আগতে তেখেত আমাৰ ইয়ালৈ আহিছিল। তেতিয়া অঞ্জু গুৱাহাটীত। দুমাহমানৰ আগতে আৰু এবাৰ আহিল। এইবাৰ কৃপা কাকতিয়ে অঞ্জুক তেওঁৰ ওচৰলৈ নিয়াৰ কথা উলিয়ালে। তেখেতৰ প্ৰস্তাৱত আমি অলপ বিব্ৰত হ'লো। মানসী যথেষ্ট অস্থিৰ হৈ উঠিল।

—তেনে হোৱাটো স্বাভাৱিক। এনে অৱস্থাত অঞ্জনাৰ ককাৰ ওচৰলৈ যোৱাটো অনুচিত হৈছে। তেওঁ যাব নালাগিছিল।

—অঞ্জনাৰ একো অনুচিত হোৱা নাই সুধাংশু। তাই ককাকক ওচৰলৈ গৈছে মানুহজনক অকণমান শান্তি দিবলৈহে। হেজাৰ হ'লেও তেজৰ টান। এতিয়াও ককাকৰ হৃদয় পৰিবৰ্ত্তন কৰাৰ সময় আছে বুলি ভাবিছে অঞ্জুৱে।

—অৰ্থাৎ ?

—কথা হ'ল, কৃপা কাকতিয়ে অঞ্জুক বিয়া দিবলৈ এজন ল'ৰাও ঠিক কৰিছিল।

—সেয়ে অঞ্জনাই ছাৰৰ প্ৰস্তাৱত ঘেঁহো-মেহো লগাইছিল।

—নহয়, নহয়। সেইটো নহয়। তাইৰ সমূলি মন নাই সেই ল'ৰাৰ লগত বিয়া হোৱাৰ বাবে।

ডাঃ দুৱৰাৰ কথা শুনি সুধাংশুৱে ক'লে,

—মই ঠিক সেইটো কোৱা নাই। মই ক'ব খুজিছোঁ যে ককাৰ প্ৰস্তাৱত অঞ্জনাৰ মনত খেলিমেলি হ'ল কিছু।

—খেলিমেলি অঞ্জুৰ মনত একো হোৱা নাই। তাই স্পষ্টকৈ ককাকক কৈ দিছে যে তাইৰ বিয়াৰ কথাত তেখেতৰ কৰ্তৃত্ব মুঠেই নচলিব।

ডাঃ দুৱৰাৰ কথা শুনি সুধাংশুৰ মুখত হাঁহি ওলাল। তেওঁৰ ভাল লাগিল। ডাঃ দুৱৰাই শান্তভাৱে আকৌ ক'বলৈ ধৰিলে,

—কিন্তু অঞ্জুৱে এইটো কথাও কৈ দিছে যে তাইৰ মতৰ বিৰুদ্ধে আমাৰ কৰ্তৃত্বও নচলিব। আৰু তাইৰ নিজা মতত আমি সকলোৱে সমৰ্থন দিবহে লাগিব।

—আচলতে সেইটোৱেই হোৱা উচিত মহা। বিবাহৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ উভয়ৰে স্বাধীনতা থকা উচিত।

—তোমাৰ চিন্তাৰ লগত অঞ্জুৰ চিন্তাৰ মিল আছে, অৰ্থাৎ দুজন ব্যক্তিৰ বিবাহ-বন্ধনত সেই দুজনৰ স্বাধীন মতৰহে প্ৰয়োজন প্ৰথমতে বুলি অঞ্জুৱেও ভাবে।

—হয় মহা, আমাৰ মাজত তেনে বিশেষ মতৰ অমিল নাই এতিয়া। অঞ্জনা আহি পালে মই তেওঁক পোনপটীয়াকৈ সুধিম।

—হ'ব সুধাংশু। তোমালোক দুয়ো বিয়া সম্পৰ্কে এটা সিদ্ধান্তলৈ আহিব পাৰিবা বুলি ভাবিছোঁ। বাক, মই অলপ ওলাই যাওঁ। তোমাকো মোৰ লগতে লৈ যাব খুজিছোঁ। তুমি যাবানে ?

—যাব পাৰোঁ।

সুধাংশুৰ আনন্দ হ'ল ডাঃ দুৱৰাৰ প্ৰস্তাৱত হয়ভৰ দিবলৈ।

শেষ ৰশ্মিখিনি পশ্চিম আকাশত ঢালি দি বেলিটো লহিয়াইছে। এক অপূৰ্ব হেঙুলীয়া আভা চৌপাশে সিঁচৰতি হৈ পৰিছে। এনে সময়তে ডাঃ দুৱৰা আৰু সুধাংশু বয়ক লৈ যোৱা গাড়ীখন ডিগবৈ চহৰৰ এক প্ৰান্তত অৱস্থিত চেষ্ট-হস্পিতেলটোৰ সমুখত ৰ'লগৈ। তেওঁলোক দুয়ো গাড়ীৰ পৰা নামি পৰিল। গেট খুলি ডাঃ দুৱৰা চৌহদৰ ভিতৰলৈ সোমাই গ'ল। পিছে পিছে ইফালে-সিফালে চাই সুধাংশু বয় গৈ থাকিল।

সপ্তাহৰ এটা দিনত এনেদৰে পুৱাৰ ফালে ডাঃ দুৱৰাৰ হস্পিতেলটোলৈ অহাৰ নিয়ম। ৰোগীসকলৰ কাৰণেও সোমবাৰটো বৰ আনন্দৰ দিন। হস্পিতেলৰ প্ৰতিজন ৰোগীয়ে ডাঃ দুৱৰাক আপোনজন সদৃশ জ্ঞান কৰে। আজি পুৱাৰেপৰা ৰোগীসকলে ডাঃ দুৱৰালৈ বাট চাই আছিল। আবেলিলৈকে ডাঃ গৰাকী নহা দেখি তেওঁলোক আমনজিমনকৈ আছিল। বিছনাত পৰি দুজনমান ৰোগীয়ে খিৰিকিয়েদি পশ্চিম আকাশৰফালে চাইছিল। বেলিটো ভেতিয়া প্ৰায় ডুবো ডুবো হৈছে। দুজনমান উদাস ভাৱেৰে আগফালৰ বাৰাণ্ডাখনতে লাহে-ধীৰে অহা-যোৱা কৰি আছে। হঠাতে তেওঁলোকে ডাঃ দুৱৰাক দেখি আনন্দত অধীৰ হৈ উঠিল। নাঠুৰা নামৰ মানুহজনে চিঞৰি ক'লে,

—ডাঃ দুৱা, ডাঃ দুৱা আজি কিয় ইমান দেৰি হৈ গ'ল ? আমি যে আপনালৈ সেই ফজিৰৰ পৰা বৈ আছোঁ।

নাঠুৰাই ডাঃ কৰুণা দুৱৰাক ডাঃ দুৱা বুলি মাতে। আজি কেইবাবছৰৰ আগতে নাঠুৰাক ডাঃ দুৱৰাই ওচৰৰ চাহ বাগিচাৰ

বস্তিখনৰ পৰা লৈ আহিছিল এই হস্পিটেলটোলৈ তাৰ চিকিৎসাৰ কাৰণে। নাঠুৰাৰ টি. বি. হৈছিল। তাৰ অসুখ ভাল হ'ল যদিও সি হস্পিতেলতে ৰৈ গ'ল ৰোগীসকলৰ পৰিচৰ্যাৰ কামত। এতিয়া ৰোগী আৰু ডাক্তৰৰ বাহিৰে নাঠুৰাৰ আপোন বুলিবলৈ কেও নাই। নাঠুৰাই হস্পিতেলৰ পৰিৱেশত সময় কটাবলৈ অভ্যস্ত হৈ গৈছে যদিও, একো সময়ত সি অস্থিৰ হৈ উঠে—অতীতৰ সেই চাহ বাগিচাৰ কথা ভাবি। আদহীয়া বয়সতো সি একোদিন ঝুমুৰ নাচত বিভোৰ হোৱাৰ সপোন দেখে। সেই সময়ত ডাঃ দুৱৰা আহিলে তেওঁৰ আগত নাঠুৰাই তাৰ গুপুত মনৰ গোপন কথা কৈ বহুখিনি সকাহ পায়। সেয়ে আজি ডাঃ দুৱৰাক দেখি সি আগবাঢ়ি গৈছিল যোৱা ৰাতি দেখা তাৰ আমোদজনক সপোন এটাৰ কথা ক'বলৈ। কিন্তু সি ৰৈ যাব লগা হ'ল ডাঃ দুৱৰাৰ লগত কোনোবা এজন অচিনাকি মানুহ অহা দেখি।

—আজি মোৰ ঘৰুৱা কাম আছিল অ' নাঠুৰা। মই আহি লোপোৱাত তোৰ বেয়া লাগিছিল নহয় ?

—অঁতো। নাঠুৰাই চমুকৈ কৈ থ'লে।

—বাৰু, আহিলোঁ নহয়। এতিয়া কোৱাচোন তোমালোক কোন কেনে আছা।

এইবাৰ ৰোগীসকলৰ ফালে চাই ডাঃ দুৱৰাই সুধিলে।

—আমি কগীয়া মানুহ দেউতা। আমাৰ আৰু কি ভাল বেয়া আছে।

এজন ৰোগীয়ে মনৰ কথা দুখ লগাকৈ ক'লে। ডাঃ দুৱৰা কথাৰ লগে লগে উঠি গ'ল। লগতে সুধাংশুও। ওচৰৰ কেবিনকেইটাৰ পৰা কেইবাজনো ৰোগী আহি ডাঃ দুৱৰাক বেৰি ধৰিলে।

—এওঁনো কোন দেউতা ? ৰোগীসকলৰ মাজৰে এজনে সুধাংশুৰ কথা সুধিলে।

—তেওঁ মোৰ ল'ৰা।

—এহ, আপোনাৰ ল'ৰা নাই বুলি জানো আমি। ইয়াতে মৰি

যোৱা ৰোগী এজনীৰ ছোৱালীজনীকহে আপুনি তুলি লৈছে। নহয় দেউতা ?

—তোমালোকে এইবিলাক কথা কেনেকৈ জানিলা ?

—কিয় লিন্‌ঠান্ বাইটিয়ে আমাক নকৈছে ?

—লিন্‌ঠানৰ আৰু কাম নাই ? ক'ত আছে লিন্‌ঠান ?

—তেওঁৰ অসুখ দেউতা।

—অসুখ ভাল হোৱা নাই এতিয়াও ?

—হৈছে। লিন্‌ঠান্ সমাহিত হৈ ৮ নং কেবিনৰ পৰা ওলাই আহিল।

—অ' লিন্‌ঠান্ ওলালিহি দেখোন ? ৮ নং কেবিনত এই সন্ধ্যাপৰত তই কি কৰি থাক লিন্‌ঠান্ ?

—প্ৰাৰ্থনা কৰোঁ—বন্দনা বাইদেউৰ আত্মাই যাতে শান্তি পায়।

—পাহৰা নাই বাইদেৱেৰক।

—কেনেকৈ পাহৰোঁ ? বাইদেউৰ পবিত্ৰ প্ৰাণটো যে এতিয়াও ইয়াৰ চাৰিওফালে গছে-বনে, ফুলে-পাতে মিলি আছে।

ডাঃ ছুৰবাই সুধাংশুৰ ফালে চাই সুধিলে, "এওঁৰ কথা বুজি পাইছানে ?"

—বুজি পাইছোঁ মহা। সুধাংশুৱে লাহেকৈ মুৰ দুপিয়ালে।

—তই ঠিক আছতো লিন্‌ঠান্ ? ডাঃ ছুৰবাই সুধিলে।

—আছোঁ।

—তেনে ৰোগীসকলক ভালকৈ চোৱা-চিতা কৰিবি।

—ডাঃ বাৰ্ণছেও আজি পুৱা মোক তাকে কৈছে। বাৰু এখেতক চিনি পোৱা নাই ? লিন্‌ঠানে কথাৰ মাজতে সুধিলে।

—তেওঁ অঙ্কুৰ প্ৰফেছাৰ।

—নমস্কাৰ। লিন্‌ঠানে সুধাংশুৰ ফালে চাই হাতযোৰ কৰিলে।

—নমস্কাৰ। প্ৰতি নমস্কাৰ দি সুধাংশুৱে একেথৰে লিন্‌ঠানৰ ফালে চালে।

—এখেত বাৰু প্ৰফেছাৰ বয় নেকি ?

—অঁ, তই কেনেকৈ জানিলি ? আচৰিত হ'ল ডাঃ হুৱৰা।

—মোক অঞ্জুমণিয়ে কৈছিল এখেত আহিব বুলি।

—কেতিয়া ?

—কেইদিনমানৰ আগতে এদিন মই গৈছিলো আপোনালোকৰ ঘৰলৈ। আপুনি আৰু বাইদেউ ওলাই গৈছিল। অঞ্জুমণিৰ লগত সেইদিনা বহুত সময় কথা পাতিলো। অঞ্জুমণিৰ যে কি স্ফূৰ্তি প্ৰফেছাৰ ৰয় আহিব বুলি।

লিন্‌ঠানৰ কথাত ডাঃ হুৱৰাই আনন্দতে হাঁহিলে। আৰু সুধাংশুৱে আৱিষ্কাৰৰ ভাবেৰে কথাটো নতুনকৈ আপোনমনে বিশ্লেষণ কৰিবলৈ বিচাৰিলে।

—অঁ, বুজিলো। আমি যাওঁ এতিয়া।

ডাঃ হুৱৰাই সুধাংশুৰ ফালে চালে। সুধাংশু অলপ পৰলৈ আপোন পাহৰা হৈ পৰিছিল।

—আজি তোমালোকৰ বিশেষ খবৰ কৰিব নোৱাৰিলো। ঘৰত অলপ জৰুৰী কাম আছে। আজি লৈ যাওঁ।

ডাঃ হুৱৰাই ৰোগীসকলৰ ফালে চাই ক'লে।

—যাওঁক দেউতা।

কেইবাজনো ৰোগীয়ে আকুল দৃষ্টিৰে একেলগে ক'লে।

—ব'লা সুধাংশু।

—ব'লক মহা।

ডাঃ হুৱৰা আৰু সুধাংশুক অলপ আগবঢ়াই দি লিন্‌ঠানে ক'লে, "তেনেহ'লে আপোনালোক যাব। মই ওলটো।"

—যা, যা। তই এতিয়া সকলো ৰোগীৰে হৈ প্ৰাৰ্থনা কৰগৈ।

ডাঃ হুৱৰাই ক'লে। লিন্‌ঠান্ বেজাৰ মনেৰে উলটি গ'ল। ডাঃ হুৱৰাৰো মনটো গধুৰ হ'ল। তেওঁ সুধাংশুক লগত লৈ এজোপা জোপোহা গছৰ ওচৰত ব'লহি। গছজোপাৰ সেউজীয়া ৰং যেন দিনটোৰ শেষবাৰলৈ ৰঙচুৱা হৈ জিলিকি উঠিছে। গছজোপাৰ চাৰিওপাশে ৰঙা ঠোঁটেৰে সেউজ-হালধীয়া ভাটো এজাকে জপিয়াই ফুৰিছে।

—ইমানবোৰ ভাটৌ একেলগে! আনন্দতে সুধাংশু বিভোৰ হ'ল।

—অঁ। এই গছজোপালৈ এনেদৰে এজাক ভাটৌ আহে। এই ভাটৌজাক চাই চাই বন্দনাই জীৱনৰ শেষৰ সন্ধিয়োবোৰ কটাইছিল সুধাংশু। আজি আচলতে ভাটৌ পৰা গছজোপাক কেন্দ্ৰ কৰি হস্পিতেলৰ পৰিবেশটো দেখুৱাবলৈ তোমাক লৈ আহিছোঁ। যিটো কেবিনৰপৰা সেই জিন্‌ঠান্ নামৰ নাৰ্চগৰাকী ওলাই আহিল, সেই ৮নং কেবিনতে বন্দনাই শেষ নিশ্বাস পেলাইছিল। বন্দনাৰ মৃত্যুত অধীৰ হৈ সেইদিনা নই গছজোপাৰ ওচৰলৈকে আহিছিলো। সন্ধিয়াৰ এইখিনি পৰত মই মোৰ সংকল্পটো লৈছিলো সুধাংশু। আজি বহু বছৰ হ'ল সেই সংকল্পৰ জোৰত মই অঞ্জুৰ ওপৰত পিতৃৰ দৰে অভিভাৱকত্ব কৰি আহিছোঁ।

ডাঃ দুৱৰাই ক'ব নোৱাৰাকৈ এটা হুমুনিয়াহ পেলালে। সুধাংশুৱে ডাঃ দুৱৰাৰ কথা শুনি গৈছিল। তেওঁৰ বিমৰ্ষ মুখলৈ চাই সুধাংশুৱে ক'লে,

—অঞ্জনাৰ ওপৰত অভিভাৱকত্ব আপুনি সদায় কৰিব পাৰিব মহা।

—নহয়, নহয় সুধাংশু। তুমি ঠিক ধৰিব পৰা নাই মোৰ কথা। অভিভাৱকত্বৰ সেই দিশটোৰ কথা মই কোৱা নাই। মই অন্য এটা কথাহে ক'ব খুজিছোঁ।

—কওকচোন।

—অঞ্জুৰ অপূৰণীয় ক্ষতিৰ চকুলো আমি মচি দিব পৰা নাই বুলি এতিয়াহে উপলব্ধি কৰিছোঁ। ককাকক আপোনকৈ পালে হয়তো তাইৰ গভীৰ দুখ পাতলিব পাৰে। সেয়ে তাইক ককাকৰ ওচৰলৈ পঠাইছোঁ সুধাংশু।

—ঠিক আছে। তেনেহ'লে আপুনি বিচলিত হোৱাৰ কাৰণ নেদেখো মহা।

—বিচলিত? তুমি ঠিকেই ধৰিছা এইবাৰ। একোটা মুহূৰ্তত

একোটা বিশেষ পৰিবেশে একোজন মানুহক বিচলিত কৰিব খোঁজে যে সঁচা কথা। আমি সকলো মানুহ বুজিছা ?

—সেইটোতো হয়েই। ব'লক মহা, আমি এতিয়া ঘৰলৈ যাওঁ।

সুধাংশুৱে ডাঃ দুৱৰাৰ হাতখন খামোছ মাৰি ধৰিলে ক'ব নোৱাৰাকৈ।

—ব'লা, ব'লা সুধাংশু।

## চৈধ্য

ডাঃ কৰুণা দুৱৰা আৰু সুধাংশু ৰয় গাড়ীৰ পৰা নামিব খোঁজোতেই অঞ্জনা আগবাঢ়ি গ'ল। সুধাংশু গাড়ীৰপৰা ওলাই অহাত তেওঁৰ ফালে চাই অঞ্জনাই ক'লে,

—ছাৰ, শেষত ডিগবৈ পালেহি।

—পালোহি। কিন্তু, পাই দেখোঁ তুমি নাই।

—আপুনি আজি আহিব বুলি ভবা নাছিলোঁ ছাৰ।

—মই এনেকৈ আহি যাম বুলিয়েই ভবা নাছিলা হয়তো।

—কিয় নাভাবিম ? আপুনি মহালৈ লিখিছিল দেখোঁ আহিম বুলি ?

—অৱশ্যে, লিখিছিলো।

সুধাংশু আৰু অঞ্জনাই কথা পাতি লাহে লাহে আহি থাকোতেই ডাঃ দুৱৰা বেগাই আগবাঢ়ি গৈ ভিতৰ সোমাল। সুধাংশু ড্ৰয়িং ৰুমতে বহি পৰিল আৰু অঞ্জনাৰ ফালে চাই ক'লে,

—পানী এগিলাচ দিব পাৰিবা অঞ্জনা ?

—দিওঁ, চাহ খাব নেকি ছাৰ ?

—পানী দিয়া।

—আনো।

ভিতৰৰপৰা সাউৎকৰে আহি পানীৰ গিলাচটো আগবঢ়াই দিয়াত সুধাংশুৱে অঞ্জনাৰ মুখলৈ চাই ৰ'ল একেথৰে।

—লওক পানী খাব। কি হ'ল ?

—পানী গ্ৰহণ কৰাৰ আগতে তোমাক এবাৰ চাই লৈছোঁ।

—কিয় ?

—একে আছাতো ?

—একে নাথাকিবলৈ কি হৈছে ?

—বহুত কথা সলনি হোৱা নাই জানো ? এজন ককা পালা। লগতে এখন চাহ বাগিচাও। তোমাৰ পৰিৱৰ্ত্তনৰ কথা সেয়ে ভাবিব লগা হৈছে অঞ্জনা।

—ককা মোৰ আগৰেই আছিল। সেইটো নতুনকৈ হোৱা কথা নহয়। জীৱনৰ এনে এটা চৰম সত্য বিনাশ কৰিব পৰা শক্তি ক'ৰবাত আছে জানো ?

—নিশ্চয় নাই। দিয়া বাৰু এতিয়া পানীগিলাচ।

সুধাংশুৱে হাতখন আগবঢ়াই দিলে। কিন্তু অঞ্জনাৰ হাত কোঁচ খাই ব'ল। হাতৰ পানী গিলাচ আহত হৈ যেন কঁপিবলৈ ধৰিলে।

—কি হ'ল অঞ্জনা ?

অঞ্জনাই একো নামাতি থৰ হৈ থাকিল। বহাৰপৰা থিয় হৈ সুধাংশু বিমোৰ হ'ল। শেষত নিজেই পানীগিলাচ ল'ব খোজাত অঞ্জনাই গিলাচটো আগবঢ়াই দিলে। সুধাংশুৱে ঢক ঢককৈ পানী খাবলৈ ধৰিলে।

—বহা, অঞ্জনা। তোমাৰ লগত মোৰ অলপ দৰকাৰী কথা আছে।

সুধাংশুৱে গিলাচটো টেবুলত থৈ আকৌ বহি পৰিল। খন্তেক পিছতে অঞ্জনাও ওচৰৰ চকীখনত বহি তলমূৰৈ থাকিল।

—মই কালিলৈ পুৱাতেই ডিব্ৰুগড়লৈ যাবগৈ লাগিব। সেয়ে আজিয়েই মই তোমাক বিশেষ কথা এটা সুধিব খুজিছোঁ অঞ্জনা।

—সোধক।

—ছাবে বাৰু তোমাক এটা প্ৰস্তাব দিছিল নে ?

—প্ৰস্তাব ?

—অঁ। একৰকম তেনেকুৱাই। অৱশ্যে, ময়ে দিছিলো প্ৰস্তাৱটো ভাবি চাবলৈ। কথাটো আছিল মোৰ লগত তোমাৰ বিয়া সম্পৰ্কে। উত্তৰত তুমি ছাৰক কি ক'লা ?

—মামাই কোৱা নাই ?

—কৈছে। কিন্তু—

—মোৰ পৰীক্ষা হৈ গ'লে ভাবিম বুলি কৈছিলো।

—তোমাৰ পৰীক্ষাৰ কথা নভবাকৈ মই বিয়াৰ প্ৰস্তাৱ দিছিলো বুলি কেনেকৈ ভাবিলা ?

—কাৰণ আপুনি মোৰ সেই পৰীক্ষাৰ বিষয়ে একো নাজানে।

—নাজানো ?

—কেনেকৈ জানিব ? মই অহা এম. এ. পৰীক্ষাৰ কথা কোৱা নাই। সেই পৰীক্ষাত সহজে উত্তীৰ্ণ হৈ যাব পাৰিম বুলি মোৰ আত্মবিশ্বাস আছে। কিন্তু মোৰ জীৱনত নতুন পৰীক্ষা এটা আৰম্ভ হৈছে। সেই পৰীক্ষাত উত্তীৰ্ণ নোহোৱাকৈ আমাৰ বিয়া সম্পৰ্কে এটা সিদ্ধান্ত লোৱা মোৰ অসুবিধা হৈছে।

—অঞ্জনা ?

—কওক ছাৰ।

—তোমাৰ এজন শুভাকাংক্ষী হিচাপে মই সেই নতুন পৰীক্ষাটোৰ বিষয়ে জানিব পাৰোঁ নে ?

—ক'ম ছাৰ আপোনাক। এতিয়া ব'লক ভিতৰলৈ। মামু মাহীয়ে আবেলিৰ জা-জলপান কৰি বৈ আছে।

—ব'লা যাওঁ তেনে।

দুয়ো অঞ্জনাৰ কোঠালিলৈ সোমাই গ'ল।

—বাকচত মই বেছি কাপোৰ অনা নাই। এই যোৰা সাইল পায়জামা-পাঞ্জাবী পিন্ধোঁ। তুমি অলপ সময়ৰ কাৰণে কমটোৰপৰা ওলাই যাবা নেকি ?

সুধাংশুৱে জোতাযোৰ খুলি চেণ্ডেলযোৰ ভৰিত সুমুৱাই ল'লে।

—আপুনি বাথৰুমত পিন্ধি আহক গৈ।

—গুড্ আইডিয়া।

সুধাংশু বাথৰুমলৈ সোমাই গ'ল। অঞ্জনাই সুধাংশুৰ জোতাযোৰ কোঠাটোৰ একাষে ঠিক কৰি থ'লে। কাপোৰ সলাই সুধাংশু বাথৰুমৰ-পৰা ওলাই আহিল। অঞ্জনা আগবাঢ়ি গৈ সুধাংশুৰ হাতৰপৰা চার্ট-পেণ্টযোৰ খুজি নিজৰ হাতত ল'লে আৰু হেঙাৰ এডালত কাপোৰযোৰ ওলোমাই থ'লে। তাৰ পিছত টেবুল ক্লথখন আৰু বেড কভাৰখন টানি টানি ঠিক কৰোঁতে ক'লে—ব'লক ছাৰ চাহৰ টেবুললৈ। মামুমাহী চাগৈ আপোনালৈ বৈ আছে?

—ব'লা।

সুধাংশুক দেখি মানসীয়ে মাতিল,

—আহা, সুধাংশু। দেৰিয়েই হৈ গ'ল তোমাক জলপান দিওঁতে।

—আমিহে দেৰি কৰিছোঁ মামুমাহী। মহাৰ লগত গৈ চেষ্ট-হস্পিতেলটো চাই আহিলো। মহাক দেখি ৰোগীসকলে যে কেনেকুৱা কৰে।

—ক্লিনিক্টো আৰু হস্পিতেলটো হ'ল তেওঁৰ প্ৰাণ সুধাংশু।

চাহৰ টেবুলৰ ওচৰত থিয় হৈয়ে মানসীয়ে সুধাংশুৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিলে, অঞ্জনাই টেবুলত চাহ-জলপান যতনাবলৈ ধৰিলে। চেষ্ট-হস্পিতেলৰ নামটো শুনি তাই সচকিত হৈ উঠিল। বহুদিনৰ আগৰ বেদনাময় ছবিখন অঞ্জনাৰ সমুখত ভাহি উঠিব খোজোতে তাই সতর্কতাৰে সাৱধান হ'ল যাতে কোনোৰকমে সুধাংশুৰ আগত দুর্বলতা দেখুৱাব লগা নহয়। এনেতে, ডাঃ দুৱৰা ভিতৰৰ পৰা ওলাই আহিল।

—বহা সুধাংশু। সোমবাৰেহে এই সময়ত মই ঘৰত থি হয় অলপ খাওঁ। অন্য দিনা এনে সময়ত মই ক্লিনিকতে থাকোঁ। ভাত খাই উঠি যাওঁৱেই। আহোতেও দেখি হয়।

—এটা মহৎ কামত আপোনাৰ ব্যস্ত জীৱনৰ কথা ভাবি ভাল লাগিছে মহা।

সুধাংশুৰ মুখখন উদ্ভাসিত হৈ উঠিল।

—নিজৰ স্বাৰ্থত কৰা কামক মহৎ বুলিব নোৱাৰি সুধাংশু।

ডাঃ দুৱৰাই পায়সৰ বাটি এটা নিজৰফালে টানি আনিলে।

—আপোনাৰ চিকিৎসাসেৱাক নিজা স্বাৰ্থ বুলি ক'ব নোৱাৰি। আমাৰ প্ৰজেক্টৰ কাম আৰু আপোনাৰ চিকিৎসাসেৱাৰ মাজত প্ৰভেদ সেইখিনিতেই।

সুধাংশুৰ কথা শুনি ডাঃ দুৱৰাই লৰালৰিকৈ ক'লে—"অ' ৰবাচোন। তুমি ভাল মনত পেলাই দিলা, তোমাৰ ৰিছাৰ্চ প্ৰজেক্ট সম্পৰ্কে। অঞ্জু, বহচোন। সুধাংশু, তোমাক লগ পাবলৈ কৃপা কাকতি আজি আমাৰ ইয়াত কিছুপৰ বহিছিল। নহয় নে অঞ্জু!"

অ'।

অঞ্জনাই শলাগিলে আৰু ওচৰৰ চকীখনত বহি পৰিল।

—তোমাক খবলৈ ককা আহিছিল? অঞ্জনালৈ চাই সুধাংশুৱে সুধিলে।

—অ'।

—নৰখালা কিয় তেখেতক আৰু অলপ সময়। ককাৰ লগত দেখা হ'লে ভাল আছিল। সুধাংশুৱে চিন্তা কৰিলে কিবা এটা।

—বিছাকপি বাগিচাত তুমি প্ৰজেক্টৰ কাম কৰাৰ কথা অঞ্জুৱে ককাকৰ লগত আলোচনা কৰিছিল বোলে।

—হয় নেকি? ক'তা অঞ্জনাইতো এই বিষয়ে মোক একো কোৱা নাই!

আক্ষেপৰ সুৰত সুধাংশুৱে ক'লে।

—কওঁ কেতিয়া? মোক দেখা মাত্ৰকে আপুনি দেখোঁ অন্য কথাহে উলিয়ালে।

অঞ্জনাৰ কথা শুনি ডাঃ দুৱৰাই সুধাংশুৰ ফালে চাই হাঁহিলে।

—অন্য কথাটো কোনটো সুধাংশু?

সুধাংশুৱে লাজ লাজ ভাবেৰে হাঁহি ক'লে, "আমাৰ দুজনৰ বিয়াৰ সম্ভাৱনা সম্পৰ্কে অঞ্জনাৰ কি মত সুধি চাইছিলো মহা।"

—পিছে?

—বৰ সুবিধাজনক নহয়।

—কিয় ?

—নতুন পৰীক্ষাত উত্তীৰ্ণ হ'লেহে অঞ্জনাই এই বিষয়ে ভাবি চাব পাৰিব। কি বা এতিয়া নতুন পৰীক্ষা তেওঁৰ।

সুধাংশুৰ কথা শুনি ডাঃ দুৱৰা আৰু মানসীয়ে একেলগে অঞ্জনাৰ ফালে চালে। অঞ্জনা গহীন হৈ তলমূৰকৈ থাকিল। সুধাংশুৱে বাটিটোৰ পায়সখিনি শেষ কৰিছিল। চাহৰ কাপটো হাতত তুলি তেওঁ অঞ্জনাক সুধিলে, "মোৰ প্ৰজেক্টৰ বিষয়ে ককাৰ লগত কেনে ধৰণৰ আলোচনা কৰিলা অঞ্জনা ?"

মূৰ তুলি অঞ্জনাই কোনোৰকমে সুধাংশুৰ প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰিলে।

—কিছুদিনৰ কাৰণে আপুনি ককাৰ ঘৰত থাকি চাহ-বাগিচাৰ আৰ্থ-সামাজিক দিশত কাম কৰাৰ কথা তেওঁক সুধি চাইছিলো।

—ককাই কি ক'লে ?

—আপোনাক নিজৰ ঘৰত ৰাখিবলৈ ককাৰ একো আপত্তি নাই। কিন্তু, বাগিচাৰ মজদুৰৰ ওপৰত কামটো কেনেকুৱা হ'ব, সেই বিষয়ে ককাই আপোনাৰ পৰা জানি ল'বলৈ বিচাৰিছে। আজিকালি বাগিচাৰ ভিতৰত বোলে নানা অথন্তৰে দেখা দিছে।

—অঁ, কথাটো ককাই ঠিকেই ভাবিছে। প্ৰথমতে মই ককাক লগ পাব লাগিব। আমাৰ কামৰ আঁচনিয়ে যদি বাগিচাৰ মজদুৰসকলৰ কোনোৰকমৰ অসুবিধাৰ সৃষ্টি নকৰে, তেনেহ'লে আমি আগবাঢ়িব পাৰিম। কিন্তু, এটা ভাবিবলগীয়া কথা হ'ল—অসুবিধা কেতিয়া আহিব পাৰে, সেইটো আগতেই সঠিককৈ ক'ব নোৱাৰি। তাতে মজদুৰসকল আজিকালি নিজৰ মৰ্যাদা আৰু অধিকাৰ সম্পৰ্কে যথেষ্ট সজাগ।

সুধাংশুৰ কথাৰ মৰ্ম ডাঃ দুৱৰাই সহজে বুজিব পাৰিলে। সেয়ে দুয়ো দুয়োলৈ চিন্তাম্বিতভাৱে চালে।

—সুধাংশু, তুমি মহাবাৰ লগতে কথা পাতা। মই অলপ কামতি

ঘৰলৈ যাওঁ। অঞ্জু, তই পাভ মাছ ৰান্ধ যদি ব'ল। মানসীয়ে বহাৰ পৰা উঠি ক'লে।

—পাভ মাছ আনিছে নেকি মানু মাহী ?

—অঁ। অঞ্জুৱে ক'লে—তুমি বোলে পাভ মাছ বৰ ভাল পোৱা।

সুধাংশুৱে অলপ ডাঙৰকৈ হাঁহি ক'লে পাভ মাছ মই ভাল পাওঁ, সেইবুলি মাছ ৰন্ধাৰ কাৰণে আপোনালোক ব্যস্ত হ'ব নালাগে। কাৰণ, মই অঞ্জনাৰ লগত আজিতে প্ৰয়োজনীয় কথা শেষ কৰোঁ। কালিলৈ আৰু সময় নহ'ব।

—তুমি কালিলৈ কেনেকৈ যাবা ? যাব নোৱাৰা দেই। আমি তোমাৰ লগত ভালকৈ কথা-বতৰা হ'বই পৰা নাই।

—নহয়, মানু মাহী, তেনেকৈ নক'ব। মই কালিলৈ যাব লাগিব। আজি আমি সেইকাৰণে আলোচনা শেষ কৰোঁ।

—অঞ্জু থাকক তেনে।

—আপনিও থাকক।

—যোৱাচোন বাৰু তোমালোক ড্ৰয়িংৰুমলৈ ; মই আহি আছোঁ।

মানসী লৰালৰিকৈ ৰান্ধনিঘৰলৈ গ'ল।

—ব'লা আমি সিটো কোঠালিতে বহোঁগৈ।

ডাঃ ছুৱৰাই থিয় হৈ ক'লে।

—বাহিৰৰ কোঠালিত কিয় ? ভিতৰতে বহোঁগৈ।

—তেতিয়াতো আৰু ভাল কথা। ব'লা ব'লা। ব'ল অঞ্জু, তোৰ কোঠালিতে বহোঁগৈ।

—বৰ্তমান সেইটো কম অঞ্জনাৰ নহয় মহা। এতিয়া সেইটো মোৰ কম কাৰণেই আপোনালোকক ভিতৰলৈ মাতিবলৈ সাহস কৰিছোঁ।

সুধাংশুৰ কথাত ডাঃ ছুৱৰা আৰু অঞ্জনাই হাঁহিবলৈ ধৰিলে। এনেতে মানসী আহি পালেহি। সুধাংশু আগবাঢ়ি গ'ল। পিছে পিছে আটাইকেইজন ভিতৰলৈ সোমাই গ'ল।

—মহা-মাহী আপোনালোক দুয়ো চকী দুখনতে বহক। মই বিছনাতে বহিছোঁ।

সুধাংশুৱে বিছনাখনৰ পিঠাৰুৰ কাষে থাকা কুটা খাওৱাই তেখি তুলি বহি ল'লে। তাৰ পিছত অঞ্জনাৰ কালে চাই অনুৰোধৰ সুৰত ক'লে,—তুমিও বিছনাতে বহিবা নেকি ?

অঞ্জনা সুধাংশুৰ কথামতে বিছনাখনৰ আনটো মূৰে বহি পৰিল। কিছু পৰৰ পিছত মানসীৰ কালে চাই ডাঃ দুৱৰাই মাত দিলে,

—তুমি অক্ষুক প্ৰঃ বৰুৱাৰ চিঠিখন দিলানে পঢ়িবলৈ ?

—পঢ়িলে তাই।

মানসীৰ উত্তৰ শুনি ডাঃ দুৱৰাই আকৌ ক'লে, ঠিক আছে তেনেহ'লে। অঞ্জু, তই চিঠিখনৰ মূল কথাটো নিশ্চয় বুজিছ ?

অঞ্জনা তলমূৰ কৰি আছিল। ডাঃ দুৱৰাৰ প্ৰশ্নত তাই মূৰ তাঁতি ক'লে—বুজিছো।

—এতিয়া বিশেষ কথা হ'ল, কালিলৈ সুধাংশু তেওঁৰ প্ৰজেক্টৰ কামত আমাৰ ইয়াৰপৰা যাবলৈ ওলাইছে। সেয়ে, প্ৰঃ বৰুৱাৰ চিঠিখনৰ কথা আজিয়েই আলোচনা কৰিব খুজিছো।

—আলোচনাৰ সময় উকলি যোৱা নাই নহয়। তাতে হাব প্ৰজেক্টৰ কামতহে আছিহে। সেইবিলাক থান-খিত লাগকচোন।

সুধাংশুৱে অঞ্জনালৈ চাই আছিল ব্যগ্ৰভাৱে। কিন্তু তেওঁ হাঁহিমলৈ খৰিলে অঞ্জনাৰ অভিমত শুনি। ডাঃ দুৱৰাইও সুধাংশুৰ মুখলৈ চাই হাঁহিলে। তেওঁ আকৌ অঞ্জনাক উদ্দেশ্য কৰি ক'লে, —সেইবিলাক হৈ থাকিব। সুধাংশুৰ প্ৰজেক্টৰ কাম, তোৰ পৰীক্ষাৰ প্ৰস্তুতি বন্ধ হ'ব নালাগে। আমি মাত্ৰ এই সংক্ৰান্তত তোৰ মতটো জানিব খুজিছো।

—কোনটো সংক্ৰান্তত ? অঞ্জনাই তলমূৰ কৰি সুধিলে।

—মহে কওঁ তোমাক পোনপটীয়াকৈ অঞ্জনা। তোমাক বিয়া কৰোৱাৰ ইচ্ছাৰে মই প্ৰথমতে হাবক, তাৰ পিছতে সেই প্ৰস্তাৱৰ কথা মহা-মাহীক কৈছো যদিও তোমাৰ নিজৰ মতৰ, ওপৰত গুৰুত্ব দিহে, এই সংক্ৰান্তত আমি সকলোৱে আগবাঢ়িব খুজিছো। সেয়ে মোৰ লগত বিবাহ সম্পৰ্কে তোমাৰ মত কি আমি জানিবলৈ বিচাৰিছো।

সুধাংশু পোন হৈ বহিল অঞ্জনাৰ উত্তৰ শুনিবলৈ।

—অলপ আগতেই দেখোঁ এই বিষয়ে আপোনাক মোৰ মত জনাইছোঁ।

—স্পষ্টকৈ তুমি নাই জনোৱা অঞ্জনা। মাত্র তুমি ক'লা—তোমাৰ নতুন পৰীক্ষা এটা আৰম্ভ হৈছে বুলি।

অঞ্জনাই একো নামাতিলে। অলপ সময় সকলো নিমাত হৈ থাকিল। এই নীৰৱতা সুধাংশুৰ ভাল নালাগিল মুঠেই। শেষত, তেওঁৱেই জোৰ দি ক'লে,—এনেকৈ নহ'ব মহা। প্রত্যেকবাৰেই অঞ্জনাই কিবা এটা অজুহাত লৈ মূল প্রশ্নটো এৰাই যাব খুজিছে। তেওঁৰ নিশ্চয় কিবা এটা বিশেষ সমস্যা হৈছে প্রকৃত প্রশ্নৰ উত্তৰ দিয়াত।

—সঁচাকৈয়ে মোৰ সমস্যা হৈছে ছাৰ। অঞ্জনাই মূৰ তুলি ক'লে।

—তোৰ সমস্যা জানিব পাৰিলে সমাধান হোৱাত আমি তোক সহায় কৰিবলৈ চেষ্টা কৰিব পাৰো।

অঞ্জনাৰ কথাৰ মূৰত ডাঃ দুৱৰাই গহীনাই ক'লে।

—মোৰ সমস্যাৰ সমাধান ইমান সৰলকৈ নহয় মহা।

—লাগক সময়। আমি অপেক্ষা কৰিম। সমস্যাটো আমাক জানিব দে প্রথমতে।

ডাঃ দুৱৰাৰ কথা শুনি অঞ্জনাই কিবা এটা ক'বলৈ ওলাই ইতস্ততঃ কৰিলে যে সুধাংশুৱে ধৰিব পাৰিলে।

—কোৱা। দ্বিধা নকৰিবা। মনৰ কথা কৈ পেলোৱা।

—ক'ম ছাৰ।

—কোৱা তেন্তে।

—কওঁ বাৰু। আমাৰ বিয়াৰ সম্ভাৱনাত বহুতে বহুধৰণে আপোনাৰ লগত মোৰ মিল দেখিছে। কিন্তু, মোৰ মনত এটা বিশেষ অমিলহে স্পষ্ট হৈ উঠিছে।

—বহুতো। এতিয়াহে তুমি আচল কথালৈ আহিছা। এইটো সঁচা কথা—দুজন ব্যক্তিৰ সম্পূর্ণ মিল হ'ব নোৱাৰে। কিহত অমিল কোৱা।

সুধাংশুৰ প্ৰশ্নত অঞ্জনা উৎসাহিত হৈ ক'লে,—বিয়া সম্পৰ্কে দৃষ্টি-ভংগীতেই আমাৰ দুজনৰ ভিতৰত অমিল আছে। আপুনি মূলতঃ অসমীয়া হ'বলৈহে এজনী অসমীয়া ছোৱালী বিয়া কৰাবলৈ বিচাৰিছে। বিয়াখনক এনে ধৰণৰ 'মিনচ' কৰাত মোৰ আপত্তি আছে। মোৰ নিজা কথা হ'ল—মই এজন বঙালী ল'ৰাক বিয়া কৰোৱাত আপত্তি নাই যদি মোৰ সেই ল'ৰাজনক ভাল লাগে অৰ্থাৎ মই ভাল পাওঁ। বিয়াৰ ভিতৰেদি মই বঙালী হ'লো নে অসমীয়া হ'লো সেই কথাটো মোৰ কাৰণে ডাঙৰ নহয়।

অঞ্জনাৰ অভিমতত আমোদ পাই দুগুণ উৎসাহেৰে সুধাংশুৱে হাঁহি হাঁহি ক'লে,

—অঞ্জনা, তোমাৰ সমস্যাটো সমাধান হ'ব নোৱাৰা বিধৰ নহয় নিশ্চয়।

—সেইটো আপুনিহে জানিব ভালকৈ। সেয়ে মই সময় লোৱাৰ কথা কৈছো বাৰে বাৰে।

—বিয়া সম্পৰ্কে দৃষ্টি-ভঙ্গীৰ কিছু সলোৱাৰ চেষ্টা কৰিব পৰা যাব। বাক, কোৱাচোন অঞ্জনা, তোমাৰ নতুন পৰীক্ষাটো কি?

—পৰীক্ষাটো দেখ দেখকৈ মোৰ ককা সম্পৰ্কে। ককাৰ প্ৰতি মোৰ এটা দায়িত্ব আহি পৰিছে বুলি ভাবিছো। কথাটো হ'ল—হেৰাই যোৱা ককাজনক এক জৰ্জৰিত অৱস্থাত ঘূৰাই পাইছো। সেই দুৰ্ভগীয়া বুঢ়া মানুহজনক মই এতিয়া মিঠকৰা কৰিব নোৱাৰো। নিজৰ ভুলৰ কাৰণেই ককাই জীয়াতু ভুগিব লগা হ'ল। ককাৰ ভুলৰ কাৰণে মই তেওঁৰ ওপৰত প্ৰতিশোধ ল'ব নোৱাৰো। আমি তেওঁৰ মনস্তাপ কমাবলৈ চেষ্টা কৰিব লাগিব বুলি ভাবিছো।

—বেছতো, সেই কথাত কাৰো আপত্তি থাকিব নোৱাৰে।

সুধাংশুৱে অঞ্জনাক আন্তৰিকতাৰে সমৰ্থন জনাই ডাঃ দুৱৰাৰ ফালে চালে। লগে লগে ডাঃ দুৱৰাই চেপা হাঁহিৰে ক'বলৈ ধৰিলে,—সুধাংশু, তোমাক কৈছো নহয় অজুৰে ককাকৰ কথা কেনেকৈ

হৈছে। আমি এতিয়া ভাবিব লাগিব এই বিষয়ত মানুহক কেনেকৈ সহায় কৰিব পাৰো।"

—মহা, আপোনালোকে মোক এই বিষয়ত সহায় কৰিব পৰা বাট এটা মুকলি কৰিম বুলি ভাবিছোঁ। পাৰিবনে মহা আপুনি মোক সহায় কৰিব ?

—কচোন কি বাট মুকলি কৰিবি বুলি ভাবিছ।

—মই পাব লগা পৈত্ৰিক সম্পত্তি ককাই মোৰ নামত উইল কৰাৰ কথা এইবাৰ উলিয়াইছিল। মই সেই সম্পত্তি আনন্দেৰে গ্ৰহণ কৰিম বুলি তেওঁক সকাহ দিছোঁ, কিন্তু কথা হ'ল—পৈত্ৰিক সম্পত্তিৰ মূল্যেৰে এটা 'শিশু নিদান' প্ৰতিষ্ঠা কৰাৰ কথাহে ককাক জনাই থৈ আহিছোঁ। সেই শিশু চিকিৎসালয়ত বাগিচাখনৰ মানসিক বাধাগ্ৰস্ত শিশুৰ চিকিৎসা হ'ব। নিদানটোৰ নাম হ'ব মা-দেউতাৰ নামেৰে 'অৰূপ বন্দনা'। তেনেকুৱা এটা কল্যাণমূলক কামত ককাই অকণমান শান্তি পাওক, তাকে কামনা কৰিছোঁ। মহা, আপোনাকে সুধিছোঁ—বাক কামটো কৰিব পাৰিলে কেনেকুৱা হ'ব ?

অঞ্জনাৰ প্ৰশ্নত উৎসাহ দেখুৱাই ডাঃ দুৱৰাই ক'লে, বৰ সুন্দৰ হ'ব. নহয়নে সুধাংশু ?

—নিশ্চয়, চমৎকাৰ হ'ব।

সুধাংশুৱে সমৰ্থন জনাই অঞ্জনাৰ বিমৰ্ষ মুখখনলৈ চালে। ডাঃ দুৱৰা অঞ্জনাৰ চিন্তাৰ ধাৰা বুজিব খুজি অভিভূত হ'ল। তেওঁ ভাবিলে অঞ্জনা এতিয়া এজনী সৰু ছোৱালী নহয়। দায়িত্বৰ ভাবে অঞ্জনাৰ মন পূৰঠ কৰি পেলাইছে। এটা গম্ভীৰ পৰিবেশত কোঠালিটো কিছুপৰলৈ নীৰৱ হৈ ৰ'ল। শেষত নীৰৱতা ভংগ কৰি সুধাংশুৱে ক'লে, "মাহু মাহী, আপুনি একেবাৰে নীৰৱে থাকিল। আমাৰ আলোচনা আজিলৈ প্ৰায় শেষ হৈছে। এতিয়া আপুনি যাব পাৰে পাত মাহ বাছিবলৈ।"

সুধাংশুৰ কথাত সকলোৱে হাঁহিবলৈ ধৰিলে। হাঁহি উঠি ডাঃ দুৱৰাই ক'লে, "তোমাৰ সমুখতহে এতিয়া বিৰাট দায়িত্ব। আৰু ডাক্তৰ পৰীক্ষা সুধাংশু।"

—বিশেষ চিন্তা কৰিবলগীয়া একো নাই মহা। সকলোৰে সমাধান কৰিব পাৰিম বুলি ভাবিছো আৰু পৰীক্ষাতো উত্তীৰ্ণ হ'ব লাগিব। চাওঁচোন কি হয়। মহা, আপুনি এতিয়া যাওক, অলপ জিৰাওকগৈ।

—তুমিও জিৰোৱা সুধাংশু।

—জিৰাম। কিন্তু, অসুবিধা নাথাকিলে মই অলপ সময় অঞ্জনাৰ লগত অকলে কথা পাতিব খুজিছো।

—একো অসুবিধা নাই। তোমালোক দুয়ো কথা পাতা। আমি যাওঁ ব'লা মানসী।

ডাঃ দুবৰা আৰু মানসী কোঠাটোৰ পৰা ওলাই যোৱাৰ পিছত সুধাংশুৱে দুই হাতেৰে মুঠি মাৰি কিছুপৰ চিন্তাত মগ্ন হৈ পৰিল। অঞ্জনা বিছনাৰ পৰা উঠি গৈ টেবুলখনৰ ওচৰত চকী দুখন ঠিক কৰি থ'লে। তাৰ পিছত চকী এখনত বহি সুধাংশুৰ চিন্তান্বিত মুখলৈ কিছু সময় চাই থাকিল। শেষত অলপ শংকিত ভাবেৰে লাহেকৈ মাতিলে,

—ছাৰ?

—কোৱা অঞ্জনা।

সুধাংশুৱে মূৰ তুলি অঞ্জনালৈ চালে।

—কি ভাবিছে?

—তোমাৰ কথা।

—মোৰ কি কথা ছাৰ?

—তোমাৰ অনুপম উপলব্ধিৰ কথা। সেই উপলব্ধিয়ে মোৰো মনটো সিক্ত কৰিবলৈ বিচাৰিছে৷ অঞ্জনা। মোৰ মনটো অলপ খেলিমেলি হৈ গৈছিল সে সঁচা কথা।

—কিয়?

—শুনিবা কাৰণটো।

—হঁ।

—বহাহি মোৰ কাষতে আকৌ।

অঞ্জনা আহি সুধাংশুৰ আগৰ চকীতে মুখামুখিকৈ বহিলহি। অঞ্জনাৰ ফালে চাই সুধাংশুৱে ক'বলৈ ধৰিলে, "অঞ্জনা, মই সুদীৰ্ঘ

হ'বলৈ ওলাই মোৰ মনৰ ভিতৰ চ'বাত তোমাৰ প্ৰতি মোৰ ভাল-পোৱাক অকণো উপেক্ষা কৰা নাই। অসমীয়া হ'বলৈ মই তোমাক 'মিনচ' কৰিবও খোজা নাই। আচলতেই মোৰ জীৱনত মই তোমাক বিচাৰিছোঁ। নহ'লে, প্ৰজেক্টৰ কামত আহি ইয়ালৈ নাহিলোহেঁতেন। আজি এইখন ঘৰলৈ আহিছোঁ অকল তোমাক বিচাৰি। মোৰ জীৱনত এইটো এটা তাৎপৰ্যপূৰ্ণ ঘটনা। কিন্তু এইটোও সত্য যে অসমৰ প্ৰতি ভালপোৱাই তোমাক মোৰ নিচেই কাষলৈ আনিলে। এতিয়া মোৰ মনত অসমৰ প্ৰতি আৰু তোমাৰ প্ৰতি ভালপোৱা একাকাৰ হৈ গৈছে যে সেইটো মই স্বীকাৰ কৰিছোঁ। তুমি মোৰ এনে মিহলি মনোভাৱক বিশ্লেষণ কৰিব পাৰিব লাগে।

—আপোনাৰ মনোভাৱক ইমান সূক্ষ্মভাৱে মই বিচাৰ কৰিব পৰা নাই। মোৰ অপাৰগতাক ক্ষমা কৰিলে মই উৎসাহিত হম।

—ৰ'বা। তোমাক মই মাৰ্জনা কৰাৰ প্ৰশ্ন উঠা নাই। সেই প্ৰশ্ন উঠিলে আজি এনেকৈ নাহিলোহেঁতেন। এদিন তুমি মোক অপমান কৰা সত্ত্বেও, তোমাকেই মই লগ পাবলৈ আহিছোঁ মুকলি মনেৰে। কথাটো চিন্তনীয়।

—অপমান ?

—পাহৰিলা ? মই মন কৰিছোঁ, তুমি বহুসময়ত পৰিস্থিতিবোৰ বুজি ল'বলৈ টান পোৱা। তোমাৰ ব্যক্তিত্বত সামাজিক সত্তা এটাই পৰিপূৰ্ণভাৱে এতিয়াও গঢ় ল'ব পৰা নাই। তুমি যথেষ্ট অপমান কৰিও বুজি পোৱা নাই যে তুমি কিবা এটা ভয়ানক ভুল কৰি পেলালা। এনে বিভোৰ মনোভাৱে তোমাক আগলৈও অসুবিধাত পেলাব পাৰে। জীৱনৰ পৰিসৰ ইমান বহল যে মানুহে চিন্তা কৰিও পাৰ নাপায়। চিন্তা নকৰিলে যে আৰু যথেষ্ট কষ্ট পোৱাৰে আশংকা থাকে। ইয়াৰ ভিতৰতে তুমি ককাৰ বাবে উচিত চিন্তা কৰিছা। তোমাৰ মহৎ প্ৰচেষ্টাত মোৰ আন্তৰিক সমৰ্থন থাকিব বুলি ভাবিব পাৰা।

সুধাংশুৱে কথা কৈ থাকোঁতে অঞ্জনাই তলমূৰকৈ শুনি গৈছিল। কথা শেষ হ'লত সুধাংশুৱে দেখিলে 'অঞ্জনাৰ চকুপানী দুই গালেদি' বৈ

গৈছে। সুধাংশু অকণমান থমকি ব'ল। তাৰ পিছত মাতিলে— অঞ্জনা ?

—ছাৰ ?

—কি হৈছে তোমাৰ ?

—ক'ব নোৱাৰোঁ। মোক আপুনি বুজাই ক'ব লাগিব কেতিয়া মই আপোনাক অপমান কৰিলোঁ। মোৰ একো মনত পৰা নাই যে।

খোকাথুকি মাতেৰে অঞ্জনাই ক'বলৈ ধৰিলে। শেষত, দুয়ো হাতেৰে মুখখন ঢাকি ধৰিলে।

—ইমান ভাঙি পৰিলে কেনেকৈ হ'ব ? সাহসেৰে আৰু সততাৰে মনত পেলাবলৈ চেষ্টা কৰা নিজৰ ত্ৰুটি। বুজিবলৈ চেষ্টা কৰিলে ঠিক বুজি পাবা ক'ত ভুলটো হৈছে। এইটো কথাও মই ভালকৈ জানো— তুমি যে সজ্ঞানে আৰু কৰো বুলি মোক অপমান কৰা নাই। অজানিতেই তুমি ভুলটো কৰি পেলাইছা। নহ'লে, মই একোপধ্যে তোমাক ক্ষমা কৰিব নোৱাৰিলোহেঁতেন।

—মই মানি লৈছোঁ ছাৰ—মোৰ যে কিবা এটা ডাঙৰ ভুল হৈছে। কিন্তু, এতিয়াও মই ধৰিব পৰা নাই। আপোনাক কাকুতি কৰিছো ছাৰ। আপুনি মোক মাৰ্জনা কৰক আৰু বুজাই দিয়ক মোৰ ভুলটো।

—তেন্তে, শান্ত চিত্তে বুজিবলৈ চেষ্টা কৰা।

অঞ্জনাই চাদৰৰ আচলেৰে চকুপানী মচি সুধাংশুলৈ চালে এক সকৰুণ দৃষ্টিৰে।

—শুনা, বিশ্ববিদ্যালয় বন্ধ হৈ যোৱাৰ আগদিনা উন্মত্ত ছাত্ৰ-দলটোৰ মাজত তুমিও নাছিলা জানো ? মনত পৰিছে ? কোৱা।

—আছিলো ছাৰ।

নম্ৰ সুৰত অঞ্জনাই সুধাংশুৰ কঠোৰ প্ৰশ্নৰ উত্তৰ দিলে।

—তেন্তে, ছাত্ৰসকলে অদ্ভুত ধৰণে সেইদিনা অশালীনভাৱে মোক অপদস্থ কৰা নাই ? পৰিছে মনত ?

—পৰিছে।

—দেখাত মোৰ প্ৰতি শ্ৰদ্ধাবান ভোজালোক কেইবাজনো লৈই

উদ্দণ্ড ছাত্ৰৰ মাজত থাকি তেওঁলোকৰ তাণ্ডৱ নৃত্য নীৰৱে চাই থকা নাছিলা ? সেয়া মোৰ বাবে ছুৰ্ঘোৰ অপমান নহয় ?

—উপায় নাছিল সেইদিনা আমাৰ কিবা এটা কৰাৰ বাবে।

—সেইটো বুজিলো। কিন্তু মোৰ বাবে তোমাৰ অকণো চিন্তা নহ'ল। অথচ, মই জানো এই ঘটনাৰ আগতেই মোৰ ভাবত তুমি তন্ময় হৈছা। তুমি ছাৰৰ ওচৰতো দুখ প্ৰকাশ কৰিব নোৱাৰিলা। তুমিতো ছাৰৰ ঘৰত কেইবাদিনো আছিলা ? আচৰিত ! ছাৰে চিঠিত লিখা সত্ত্বেও তুমি আজি এতিয়ালৈকে এবাৰো সুধিব নোৱাৰিলা মোৰ কি কথাত বেয়া লাগি আছে।

—সুধিম বুলি ভাবিছিলো।

—কিন্তু, নুসুধিলা। ময়ো অপমানক শিৰত তুলি লৈছোঁ। কিন্তু সেই অপমান মই এতিয়াও ধূলি বুলি জোঁকাৰি পেলাব পৰা নাই। তোমাৰ এনে অপাৰগতাৰ বাবে মই আক্ষেপ কৰিছোঁ। সঁচাকৈয়ে দুখ পাইছোঁ। তথাপি এইটো কথাও কওঁ যে মোৰ জীৱনলৈ তোমাক সাদৰেৰে নিমন্ত্ৰণ জনাইছোঁ আৰু তাৰ বাবেই মই আজি তোমাৰ ওচৰলৈ হাবাথুৰি খাই আহিছোঁ। মোৰ প্ৰতি তোমাৰ প্ৰেমো গভীৰ বুলি জানো অঞ্জনা। ব্যক্তিত্বৰ গুণৰাজিৰ লগতে তোমাৰ ভুল-ভ্ৰান্তিও মোৰ ভালপোৱাই গ্ৰহণ কৰিব পাৰিছে। তুমিও নিৰ্ভয়ে, হাঁহিমুখে দ্বিধাহীনভাৱে মোৰ জীৱনলৈ আহিবা আৰু লগতে মোক দোষে-গুণে গ্ৰহণ কৰিবা বুলি বাঞ্ছা কৰো। তাৰ পিছত তোমাৰ কিবা ক'ব লগা আছে ?

—আছে।

—কোৱা।

—ব'লক, আমি দুয়ো আৰু এজনৰ ওচৰলৈ যাওঁ।

এটি অপৰূপ মমতাৰ সুৰে অঞ্জনাই কোঠালিটো শান্ত কৰি পেলালে।

—হয়তো। প্ৰায় সকলোৰেই আশীৰ্বাদ লোৱা হৈ গৈছে। [illegible] আশীৰ্বাদ [illegible]।

সুধাংশু থিয় হোৱাৰ লগে লগে অঞ্জনাও থিয় হ'ল। সুধাংশু স্থখোজমান আগবাঢ়ি গৈছিল। কিন্তু, অঞ্জনা বৈ গ'ল। সুধাংশুৱে পিছলৈ চাই দেখিলে, অঞ্জনা বৈ আছে। সুধাংশুৱে অঞ্জনাৰ জিলমিলোৱা চকুলৈ চাই সুধিলে, "বৈ গ'লা যে। কুণ্ঠাবোধ এতিয়াও যোৱা নাই? আঁহা।"

অলপ পিছুৱাই গৈ সুধাংশুৱে অঞ্জনাক নিজৰ বাহু-বন্ধনেৰে বন্দনা কাকতিৰ ছবিখনৰ ওচৰলৈ নৈ গ'ল। দুয়ো বন্দনালৈ আঁঠু কাঢ়ি সেৱা জনালে। তাৰ পিছত থিয় হৈ সুধাংশুৱে অঞ্জনাক ক'লে, "আৰু অকণমান কাম বাকী আছে।"

সুধাংশুৰ শুভ-দৃষ্টিত অঞ্জনা মুগ্ধ হ'ল। বাওঁহাতৰ আঙুলিৰ পৰা আঙঠিটো খুলি সুধাংশুৱে অঞ্জনাৰ সোঁহাতৰ আঙুলিত পিন্ধাই দিলে। আৰু এটি আকুল চুম্বনেৰে অঞ্জনাক বুকুৰ মাজত সুমুৱাই ল'লে। অকণমান পৰ মৰমৰ উম লৈ অঞ্জনা সুধাংশুৰ ভৰিলৈ লো খাব খোজোঁতেই সুধাংশুৱে দুই হাতেৰে অঞ্জনাক তুলি ধৰিলে আৰু মূৰত হাত থৈ ক'লে, "বন্দনাৰ অঞ্জনা মোক ভৰি চুই সেৱা কৰিব। তোমাৰ গভীৰ প্ৰেমেৰেই হওক মোৰ জীৱনৰ পাথেয়। আজি কিছুদিন ধৰি মোৰ মনটো নানা কথাত বিচলিত হৈ আছিল। আজি এইমাত্ৰ মোৰ সেই সকলোবোৰ অশান্তিৰ পৰা মুক্তি পোৱা যেন লাগিছে অঞ্জনা।"

পুলকিত হৈ অঞ্জনাই কিবা এটা ক'বলৈ বিচাৰিও একো ক'ব নোৱাৰিলে। কোঠালিটোৰ পৰা লাহে লাহে অঞ্জনা ওলাই গ'ল। সুধাংশু আছি বিছনাখনত বহিলহি। কিবাকিবি ভাৱত সুধাংশুৱে শাৰদৈ ধৰিলে,

"নোৱোলো তোক মোৰ অন্তৰ
মাটিৰ বন্দন আই।"

# গোন্ধৰ

ছাৰ,

মই এয়া বিছাকপি বাগিচাৰপৰা লিখিছোঁ। প্ৰজেক্টৰ কামত এইখিনি পাইছোঁহি। ককাৰ ( শ্ৰীযুত কৃপা কাকতি ) ঘৰত আবামতে আছোঁ। আমি ইয়াত প্ৰজেক্টৰ কাম কেতিয়া শেষ কৰিব পাৰোঁ একো ঠিক নাই।

এসময়ত অসমৰ গাঁও অঞ্চলত ঘূৰা-পকা কৰি অসমীয়া গাঁৱৰ কিছু অভিজ্ঞতা গোটাইছিলো। কিন্তু, অসমৰ চাহ-বাগিচাৰ ভিতৰ চ'বাৰ কথা জানিবলৈ সুবিধা পোৱা নাছিলো। প্ৰজেক্টৰ যোগেদি এতিয়া চাহ-বাগিচাৰ আৰ্থ-সামাজিক দিশৰ লগতে অন্যান্য কথাও জানিব পাৰিম বুলি ভাবিছোঁ। বিশেষকৈ বাগিচাৰ শ্ৰমিকসকলৰ মানসিক দিশটো বৰ দুখ লগা। মনৰ আক্ষেপ আৰু অভিযোগে তেওঁলোকৰ জীৱনত পাৰ লগা শান্তিৰ বহুখিনি হৰণ কৰিছে। যন্ত্ৰবদবে কাম কৰিও শ্ৰমিকসকলে শ্ৰমৰ মূল্য পোৱা নাই। চৰকাৰী আৰু বেচৰকাৰী কল্যাণমূলক আঁচনিবোৰ ইয়াত কাৰ্যকৰী হোৱাত বহু দিশৰপৰা বাধাগ্ৰস্ত হৈ আছে। যি দেখিছোঁ চাহ-বাগিচাৰ চকুত পৰা সমস্যাতকৈ চকুৰ আঁৰত থকা কদৰ্যতা অধিক। কিন্তু, এটাই শুভ লক্ষণ যে শ্ৰমিকসকলে যেন সাৰ পাইছে।

আমি প্ৰজেক্টৰ কামৰ বাবে চাহ-বাগিচাৰ আৰ্থ-সামাজিক দিশত কিছু 'ডাটা' গোটাইছোঁ। একেলগে বিছাকপি আৰু হানচ'ৰা দুখন ওচৰা-উচৰি বাগিচাত আমি কাম কৰিম বুলি ভাবিছোঁ যদিও বিছাকপি বাগিচাত আপাততঃ কাম বন্ধ ৰাখিব লগা হৈছে। ফুলমনি নামৰ এগৰাকী মজদুৰ ছোৱালীক লৈ বিছাকপি বাগিচা এতিয়া তোলপাৰ। বহুৱাসকল উদভ্ৰান্ত হৈ মাজৰাতি দুৱাৰ চকিয়াই ককাৰ ওচৰত তেওঁলোকৰ দাবি জনাবলৈ আহে। দাবিটো হ'ল—এসময়ত ককাৰ ঘৰত থকা বাগিচাৰ মেনেজাৰ শ্ৰীগগন বৰুৱাই ফুলমনিক বিয়া কৰাব

লাগিব। এনে অৱস্থাত ককাই আমাৰ নিৰাপত্তাৰ কাৰণে চিন্তা কৰিবলগীয়া হৈছে। আমি ককাক নির্ভয় দিছোঁ। অৱশ্যে, ছাত্র দুজনক আজি আকৌ ডিব্রুগড়লৈ পঠাই দিব খুজিছোঁ। তেওঁলোকে ডিব্রুগড়ৰপৰা আহি আহি প্রতিদিনে বাগিচাত কাম কৰিব পাৰিব। এই ব্যৱস্থাটোও কৰা হ'ল—ককাৰ সহায়তে। ককাই এতিয়া মজদুৰসকলৰ দাবি কেনেকৈ পূৰণ কৰিব পাৰে, সেইটো ভাবিব-লগীয়া। উপন্যাস লিখাৰ বাবে চাহ-বাগিচাত যথেষ্ট সমল আছে। আপুনি এবাৰ ইয়ালৈ আহিবনেকি ?

ব্যক্তিগত কথা আজি আৰু নিলিখোঁ। আপোনালৈ সেই বিষয়ে বহলাই পিছত লিখিম। আজিলৈ সামৰোঁ।

ইতি

সুধাংশু

চিঠিখন লিখি উঠি সুধাংশু কিছুপৰ নীৰৱে বহি থাকিল। তাৰ মাজতে বাল্কনি ল'বাজনে চাহ একাপ টেবুলতে থৈ গ'ল। সুধাংশুৱে চাহকাপ লাহে লাহে খাই উঠি চিঠিখন এনভেলপ এটাত ভৰাব খুজিলে, কিন্তু কিবা এটা ভাবি চিঠিখন মনোযোগেৰে আকৌ এবাৰ পঢ়ি ল'লে। চিন্তা কৰি কৰি শেষত চিঠিখন খামৰ ভিতৰত বন্ধ কৰিলে। তাৰ পিছত খামটো হাতত লৈ তেওঁ বাহিৰলৈ ওলাই গ'ল। বাটৰ কাষত থকা পোষ্টবক্সটোত চিঠিখন পেলাই দি তেওঁ আগবাঢ়ি গ'ল। দুকাষে শাৰী শাৰী চাহ গছ। অলপ দূৰলৈকে চাই পঠালে ভাব হয় যেন এখন সেউজীয়া দলিচাহে পাৰি থোৱা আছে। আগবেলি ৰখমুখ হৈছিল। পুৱা এতিয়া বেলিটো ওলাইছে। কুমলীয়া ৰ'দত চাহনিৰ কুঁহিপাত উজলি উঠিছে। সুধাংশুৰ ভাব হ'ল—প্রকৃতিৰ এই অপৰূপ সৌন্দর্য বহুদিনৰপৰা হয়তো একেদৰে আছে। কিন্তু, এই নিবিবিলি সৌন্দর্যৰ মাজতে লুকাই আছে মানুহৰ এখন উৎকট অৱক্ত ইতিহাস। কুটিল মানুহৰ অনাচাৰৰ কথা মনলৈ অহাত সুধাংশু আৰু আগ নাবাঢ়ি ৰৈকি ৰ'ল। মনটোত কিবা এটা খোকোজা লাগিল। চিন্তাৰ কাষ্ঠ ভাঙি দোৱালি সুধাংশু উভতিল

সুধিলে। বুধি থাথলৈ ওলাই তেওঁ দেখিলে—এজনী লাহপাহীয়া ছোৱালী তেওঁৰ ফালে আগবাঢ়ি আহি আছে। অভিনয় ভংগীৰে সুধাংশুৰ ওচৰ পাই তাই থিতাতে সুধিলে,—এই বাবু, কজিব কজিব তই ইয়াত কি কৰি আছ ?

—অলপ ঘূৰিছোঁ। তোমাক চিনি পোৱা নাই।

—বাগানলৈ তই নতুন আহিছনেকি ?

—অঁ।

—মোৰ নাম ফুলমনি।

—অ', তুমিয়েই ফুলমনি ? থাকা ক'ত ?

—সেই বাগানবস্তিত বুলি তাই দূৰলৈ আঙুলিয়াই দেখুৱালে।

হয়তো, অদূৰত বস্তি এথনৰ খেৰৰ ঘৰৰ মূধচবোৰ ৰ'দত জিলিকি উঠিছে। সেই মূধচৰ ওপৰেদি চজিনা, শিলিখা, আমলখি গছৰ ডাল-পাতবোৰ বিস্তাৰিত হৈ আছে। সুধাংশুৱে দূৰৰ বস্তিত দৃষ্টি নিক্ষেপ কৰি ফুলমনিক আকৌ সুধিলে,—এতিয়া তুমি ক'লৈ যোৱা ?

—কামবলৈ যাওঁ। ঘণ্টা পৰিলে পাত তোলাৰ কামত হাজিৰ হ'ব লাগিব।

—পাত তোলাৰ ঘণ্টা পৰিবলৈ দেৰি আছেতো ?

—অঁ, দেৰি আছে। কিন্তু চাকা ৰাত জাগি আছোঁ বাবু। ঘুমুৱা নাই। ইমান হাল্লা হৈছে বস্তিত। কেনেকৈ ঘুমাবি। কজিব হোৱাত ওলাই আহিছোঁ ঘৰৰপৰা। কামত থাকিলেই ভাল লাগে বাবু।

—বস্তিতনো কিহৰ গোলমাল হৈছে ?

—গগন চাহাবে গুণ্ডা লাগাইছে মহৰ। আমাৰ মা-বেটীক ভাগাবলৈ বস্তিৰ পৰা ? তই নাজান ?

—নাজানো।

—জানিবি কেনেকৈ ? নতুন আহিছ। তই ক'ত আহ বাবু ?

—এই বাগানৰ মালিকৰ ঘৰত আছোঁ।

—হয়নেকি ? তই তাঁলকে থাকিছিলেই। আমাক মজদুৰসকল বাটত উকেৰাবে-থাকা হৈ আছে মৃত্যু নিকতাৰ উপৰতপ'

—কিয় ?

—গগন চাহাবক বুঢ়া দেউতাই বেটা বুলাই খবৰ ৰাখিছিল নহয় ? সেই কাৰণে। আৰু কি জান ? গগন চাহাবে আমাক ভুলাইছিল চাদী কৰিম বুলি। সেই কাৰণে।

—নইতো কাকো ভুলাবলৈ অহা নাই।

সুধাংশুৱে খেমালিৰ সুৰত ক'লে।

—তাতে কি হ'ল ? আমাৰ মানুহবিলাকে খং উঠিলে নহয় সিহঁতে বেছি নাচাবে। যি মন যায় কৰি দিয়ে। বাৰু তই যা এতিয়া। ময়ো কলঘৰলৈ যাওঁদে।

ফুলমনিয়ে কলঘৰৰ ফালে বেগাই খোজ ল'লে। তাই গ'ল যি গ'লেই। এবাৰো ঘূৰি নাচালে। সুধাংশু সেই ঠাইতে অলপ সময় বৈ লাহে লাহে কৃপা কাকতিৰ ঘৰৰ ফালে আহি থাকিল। ফুলমনিৰ কম কথাতে সুধাংশুৰ মনত চাহ-বাগিচাৰ বহু তিতকৰা কথাৰ ইংগিত-সূচক ছবি এখন উজলি উঠিল।

—ঘৰৰ ওচৰ পাই সুধাংশুৱে দেখিলে—তেওঁৰ ছাত্ৰ নবীন শইকীয়াই আগফালৰ ফুলনিখনৰ কাষে কাষে অহা-যোৱা কৰি আছে। ছাত্ৰজনে সুধাংশু বৰুৱাক দেখি আগবাঢ়ি আহিল আৰু লাহেকৈ সুধিলে,

—আপুনি ফেক্টৰিলৈ পালেগৈ ছাৰ ?

—অলপ ঘূৰি আহিলোঁ চাহনিৰ মাজত।

—পুৱাতেই আপুনি অকলে ওলাই যোৱা দেখি আমাৰ চিন্তাই হৈছিল।

—ইমান চিন্তাৰ কোনো কাৰণ নাই শইকীয়া। বাৰু, তোমালোকে চাহ খালানে। অৰবিন্দ ক'ত ?

—আমি চাহ খালো ছাৰ। চৌধুৰী গা ধুবলৈ সোমাইছে। তেওঁ ওলাই আহিলে মইও গাটো ধুই ল'ব খুজিছো। গা-পা ধুই আমি যাবলৈ ওলোৱাটোহে ভাল হ'ব।

তোমালোক এই বেলাকে যাব নালাগে। তোমালোকৰ লগত এটা সম্বন্ধত কিছু আলোচনা কৰিব লগা আছে। ৰুকা উঠিলে...

—নাই উঠা। বাতিটো শোৱাই নাই নহয়। পুৰাব কালেহে এতেখেতৰ টোপনি আহিছে ছাগে।

—শোৱক দিয়া অলপ। ককা উঠাৰ পিছত আলোচনাত বহিম। তোমালোকে ভাত-পানী খাই সিবেলা গ'লেও হ'ব।

—ভাত খাবলৈ থাকিলে দেৰি নহ'বনে ?

—নহয় দেৰি। মই ৰমেনক কৈ দিওঁ সোনকালে তোমালোক দুজনক ভাত দিবলৈ। খাই-বৈ দুইমান বজাত ইয়াৰপৰা গ'লেই হ'ব।

—ভাতসাজ ইয়াতে খাই গ'লে আমাৰ অৱশ্যে সুবিধাই হয়।

—হ'ব তেন্তে। মযো গাটো ধুই আহোঁ। আমি তিনিও একেলগে পুৱাৰ জা-জলপান যি হয় খাই ৰমেনক আজৰি কৰি দিওঁ ভাত ৰান্ধিবলৈ।

—হ'ব ছাৰ।

শুই উঠি কৃপা কাকতিয়ে গা ধুই ল'লে। সুধাংশু খোৱা টেবুলৰ ওচৰতে বহি বান্ধনি ল'ৰাজনক দুই-এটা দিহা দি আছিল। এনেতে কৃপা কাকতি আহি সমুখত থিয় হ'লহি আৰু ক'লে, আজি উঠাত বৰ পলম কৰিলো সুধাংশু।

—আপুনি পুৱাব ফালেহে শুইছে। উঠোতে দেৰি হোৱাত একৰকমে ভালেই হৈছে। কৰা, আমি তিনিওজনে জা-জলপান খালো। আপুনি এতিয়া অকলেহে খাব লাগিব।

—খাই ভাল কৰিলা। মই অকলে খোৱাত একো কথা নাই।

—ছাত্ৰ দুজন যাবলৈ ওলাইছে। তেওঁলোকক সোনকালে ইয়াতে খুৱাই পঠাব খুজিছো।

—তেওঁলোক তাৰমানে যাবই।

—যাওক ককা। আমি কেইবাখনো বাগিচাত একেলগে কাম কৰিব লগা হৈছে। মই এইফালে থাকো। তেওঁলোকে হালচ'বাত কাম আৰম্ভ কৰক। তাৰ পিছতে আমি একেলগে নামৰূপৰ ফালে যাব লাগিব। জুন মাহত এই অকলটোৰ কাম শেষ কৰি জুলাই মাহত বাকী আৰু কেইখনমান বাগিচাৰ কাম কৰিব লগা হ'ব।

তেতিয়াহ'লে আগন্তুক মাহত বিশ্ববিদ্যালয় খোলাৰ লগে লগে আমাৰ প্ৰজেক্টৰ প্ৰথম ৰিপোৰ্ট ইউ জি-চিলৈ পঠাব পাৰিম বুলি ভাবিছোঁ। সেই বিষয়ে ছাত্ৰ দুজনৰ লগত আলোচনা কৰিব খুজিছোঁ। আপুনিও আমাৰ আলোচনাত বহিলে ভাল পাম ককা।

—হ'ব, হ'ব বুলি কৃপা কাকতিয়ে চাহ-জলপান খোৱা শেষ কৰি হাত ধুবলৈ থিয় হ'ল। প্ৰজেক্ট সম্পৰ্কে আলোচনা শুনাৰ হেঁপাহত তেওঁ হাত-মুখ ধুই সুধাংশুৰ ওচৰ পালেহি। কিন্তু লগে লগে কৃপা কাকতি আগফালে ওলাই যাব লগা হ'ল, কাৰণ চকীদাৰজনে খবৰ দিলেহি—তিনিজন মজদুৰ যুৱক বাহিৰত ৰৈ আছে। কৃপা কাকতি ওলাই গ'লত সুধাংশুৰ কথামতে ৰমেনে খোৱা টেবুলখন পৰিষ্কাৰ কৰি দিলে। সুধাংশুৱে ছাত্ৰ দুজনক মাতি আনিলে আৰু খোৱা টেবুলখনতে যাৱতীয় কাগজ-পত্ৰ মেলি লৈ ছাত্ৰ দুজনৰ লগত আলোচনাত বহিল। কৃপা কাকতি এনেতে সোমাই আহি ক'লে, সুধাংশু, তোমাকহে বিচাৰিছে মজদুৰ যুৱক কেইজনে।

—হয় নেকি?

বহাৰপৰা সুধাংশু খপহকৰে থিয় হ'ল আৰু ছাত্ৰ দুজনক উদ্দেশ্য কৰি ক'লে, তোমালোকে চোৱাচোন টোকাবোৰ। মই আহিম এতিয়াই।

—যাওক ছাৰ আপুনি।

কৃপা কাকতিৰ পিছে পিছে সুধাংশু ওলাই গ'ল। বাহিৰৰ বাৰাণ্ডাত ল'ৰা তিনিজন থিয় হৈ আছিল। সুধাংশু বৰুৰক দেখাৰ লগে লগে তেওঁলোকে হাতযোৰকৈ নমস্কাৰ জনালে। কৌতূহলৰ ভাবেৰে সুধাংশু বয়েও প্ৰতি নমস্কাৰ দিলে। কৃপা কাকতিয়ে তাৰ পিছত সুধাংশুক উদ্দেশ্য কৰি ক'বলৈ ধৰিলে,

—এওঁবিলাক আমাৰ বাগিচাৰ মজদুৰ ছাত্ৰসংঘৰ সদস্য। এওঁ হ'ল দিবাকৰ মুৰ্মু—সংঘৰ সভাপতি। ডুমডুমা কলেজত পঢ়ে। তেওঁ বামু নায়ক—সংঘৰ সম্পাদক—স্থানীয় স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ। আৰু এওঁ হ'ল অনিমাল বড়াইক—সংঘৰ আন এজন সদস্য। অষ্টম শ্ৰেণীলৈ

পঢ়ি এতিয়া পঢ়া এবি দিব লগা হৈছে মাজৰ [illegible] কৰ্মী [illegible] কাৰণে।

কৃপা কাকতিয়ে একাষৰপৰা সমস্তকেইজনক এজন এজনকৈ চিনাকি কৰি যাওঁতে তীক্ষ্ণ দৃষ্টিৰে সুধাংশুৰে মুখ চুপিয়াই প'ল। কৃপা কাকতিৰ কথা শেষ হ'লত সুধাংশুৱে ক'লে, বৰ ভাল কথা। তোমালোক থিয় হৈয়ে ৰ'লা যে? বহাঁ।

ছাত্র তিনিজনে হাঁহি হাঁহি ওচৰৰ বেঞ্চখনতে বহি পৰিল।

—আপুনিও বহক ছাৰ।

—বহোঁ বুলি কৃপা কাকতিৰ ওচৰতে সুধাংশুও বেতৰ চকী এখনত বহিল।

—কোৱাচোন তোমালোকৰ উদ্দেশ্যৰ কথা।

সুধাংশুৰ অনুৰোধত দিবাকৰ কুৰ্মী নামৰ কলেজীয়া ছাত্রজনে ক'লে, মজদুৰ ছাত্র-সংঘৰ তৰফৰপৰা আমি আহিছোঁ—আপোনাক আমাৰ সভা এখনৰ বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰণ জনাবলৈ। সভাখন কালিলৈ আবেলি তিনি বজাত হ'ব আমাৰ কলঘৰৰ সমুখৰ খোলা ঠাইত।

—ছাত্র সভানে?

—ঠিক ছাত্র-সভা নহয় ছাৰ। আচলতে আমাৰ চাহ-মজদুৰৰ সভাহে। কিন্তু, মজদুৰ ছাত্রসংঘই সভাখনৰ আয়োজন কৰিছে যেতিয়া সেই সভাত আমাৰ ছাত্রসকলো উপস্থিত থাকিব।

—সভা পতাৰ বাবে বাগানত এতিয়া প্ৰকৃত পৰিবেশ আছেনে? নানা কথাত মজদুৰসকল উত্তেজিত হৈ থকা নাই জানো?

—আমাৰ বাগানখনত এনে গোলমাল হৰদম হৈ থাকে। সেই কাৰণেই আমি সভাখনৰ আয়োজন কৰিছোঁ ছাৰ। অবিনাশে ক'লে।

—সেই সভাৰ কাৰণে [illegible] বিচাৰি উলিয়ালা কেনেকৈ?

ছাত্রকেইজনে বৰ [illegible] পালে সুধাংশুৰ কথাত। [illegible] সংবাদ [illegible] পাতেই ক'লে, কৃপা [illegible] [illegible] [illegible] আপুনিৰ [illegible] বিশ্ববিদ্যালয়ৰপৰা [illegible] [illegible] মজদুৰসকলৰ [illegible]

জানিবলৈ, সেই কথাটো ইয়াত স্কুল, কলেজ আৰু মজদুৰ লাইনত ওলাই গৈছে। যি মজদুৰসকলে কিছু কথা জানে সেইবিলাক বৰ খুচী হৈছে ছাৰ।

—হয়নেকি? মই সভাৰ অতিথি বাৰু হ'লো, কিন্তু কি কৰিব লাগিব?

—আপুনি গ'লেই হ'ব ছাৰ। কৈ অবিনাশে হাঁহিলে।

—গ'লেই হ'ব? তোমালোকে তাৰমানে মোক চাহ-মিঠাই খুৱাবা?

—আমি আৰু আপোনাক কি খুৱাম? আমি চব হ'লো গৰীব মানুহ। আপুনি অলপ মজদুৰসকলক বুজাই ক'ব।

—তাকে কোৱা। মোৰো এটা বৰ ইচ্ছা হৈছিল মজদুৰসকলৰ লগত অলপ কথা-বতৰা পতাৰ বাবে। এনে ধৰণে সুযোগটো মিলি যোৱাত তোমালোকক ধন্যবাদ জনালোঁ।

—হ'ব ছাৰ। আপুনি সম্মতি দিয়াত আমি নিজকে ধন্য মানিছোঁ। আপোনাৰ লগতে আমি বুঢ়া দেউতাকো নিমন্ত্ৰণ জনাইছোঁ।

দিবাকৰ কুৰ্মীৰ কথা শেষ হ'লত কৃপা কাকতিয়ে আনন্দতে ক'লে, হ'ব হ'ব। মই কালিলৈ তোমালোকৰ বিশিষ্ট অতিথিক সময়মতে লৈ যাম যোৱা।

—আমি আহোঁ তেন্তে।

ল'ৰাকেইজন বহাৰ পৰা উঠি সুধাংশু আৰু কৃপা কাকতিৰ ফালে নমস্কাৰ জনাই যাবলৈ ওলাল। এনেতে সুধাংশুৱে ক'লে, ৰ'বাচোন। মই অবিনাশক কিবা এটা সুধিব খুজিছোঁ।

সুধাংশুৰ কথা শুনি অবিনাশৰ চকু দুটা তিৰবিৰাই উঠিল। ক'ব নোৱাৰাকৈ ল'ৰাজন দুখোজমান আগবাঢ়ি আহিল। সুধাংশুও আগবাঢ়ি গ'ল আৰু সোঁহাতখন অবিনাশৰ কান্ধত থৈ সুধিলে,

—তোমাৰ মাৰ কেন্সাৰ হৈছে?

—হয় ছাৰ।

—তোমাৰ দেউতা··· ?

—মোৰ বাপ নাই ছাৰ, কেতিয়াবাই মৰিছে। মাইহে বাগানত চাহপাত তুলি তুলি আমাক ডাঙৰ কৰিলে। এতিয়া তেওঁ হস্পিতেলত আছে। আমি তিনিজন ভাই-বহিন কলঘৰত কিছু কাম কৰি চলি আছোঁ।

—তোমাৰ পঢ়াৰ ইচ্ছা এতিয়া আছেনে?

—থাকিলে কি হ'ব ছাৰ?

—ইচ্ছা থাকিলে উপায় উলিয়াব লাগিব। বাৰু তোমালোক যোৱা এতিয়া। দেখা যাওক কি কৰিব পৰা যায়। তোমাৰ লগত পিছত কথা হ'ম। কালিলৈ সভাখন হৈ যাওক।

—হ'ব ছাৰ আমি এতিয়া যাওঁ।

—যোৱা বাৰু।

## ষোল

মজদুৰ ছাত্ৰকেইজন গুচি যোৱাৰ পিছত সুধাংশুৱে মন কৰিলে কৃপা কাকতি চিন্তান্বিত হৈ পৰিছে। সুধাংশুৰ ভাব হ'ল ফুলমণিৰ ঘটনাটোৱে হয়তো তেওঁক চিন্তাত পেলাইছে। তথাপি সুধাংশুৱে ক'লে, চাহ-বাগিচাৰ শ্ৰমিক সমাজখন দেখিছোঁ যথেষ্ট সজাগ হৈ উঠিছে।

—ঠিকেই কৈছা সুধাংশু। আজিকালি মজদুৰসকল আৰু আগৰদৰে নাই। তেওঁলোক সজাগ হৈছে আত্মবিকাশৰ কাৰণে। সচেতন হৈছে মানৱীয় অধিকাৰৰ কাৰণেও।

—এনে ধৰণে মজদুৰসকল সজাগ হৈ সাৰ পোৱাটো শুভ লক্ষণ ককা।

—নিশ্চয় শুভ লক্ষণ। কিন্তু আমাৰ দৰে মালিকসকলৰ প্ৰতি লগতে প্ৰত্যাহ্বানো আহিছে সুধাংশু।

—মই ঠিক সেইটো কথাই ক'ব খুজিছোঁ। এই ক্ষেত্ৰত আপোনালোক সতৰ্ক হ'বৰ হ'ল।

—চাহ-বাগিচাৰ মালিক হিছাপে সতৰ্ক হ'বলৈ আকৌ আমি নানা বিষয়ত চাহ-বাগিচাৰ সমূহীয়া ব্যৱস্থাৰ লগত জৰিত নহয় ?

—ঠিক ধৰিব পৰা নাই আপোনাৰ কথাটো।

—চাহ-বাগিচাৰ মেনেজমেণ্টত স্বাধীনতা উত্তৰ কালতো বহু ধৰণৰ খেলি-মেলি বৈ গৈছে। বুজিছা সুধাংশু।

—চাহ শিল্পৰ উন্নতি বৰ্তমান অসমত হোৱা নাই জানো ?

—এক হিছাপে হৈছে, এক হিছাপে নাই হোৱা।

—অৰ্থাৎ।

—দ্বিতীয় মহাযুদ্ধৰ পিছত অসমত চাহ-শিল্পৰ উন্নতি হোৱাই দেখা যায়। অৱশ্যে বৰ্তমান আন্তঃৰাষ্ট্ৰীয় বজাৰত চাহপাতৰ মূল্য কমি যোৱাত দেশৰেই চাহ ৰপ্তানি নিম্নগামী হ'ল। লগে লগে অসমৰ চাহ-শিল্পত নানা অসুবিধা আহি পৰিল। চোৱাচোন ভাবি—অসমৰ চাহ-বাগিচাৰ সংখ্যা ১৯৮২ চনৰ পৰিসংখ্যা মতে হ'ল ৭৯৩ খন। কিন্তু এতিয়া এই চাহ-বাগিচাবোৰৰ শোচনীয় অৱস্থা।

—বাহিৰৰ বজাৰত চাহপাতৰ দাম কমি যোৱাৰ কাৰণেইনে ?

—নহয়, নহয়। আন আন বিসংগতি বহুতো। অসমৰ চাহ-বাগিচাৰ প্ৰায় ৭০ অংশ বাহিৰৰ পুঁজিপতিসকলে পৰিচালনা কৰে। অসমত শতকৰা ৩০ জনমানহে অসমীয়া মালিক। চাহ-কোম্পানিবোৰৰ মুখ্য কাৰ্যালয়বো বেছিভাগ অসমৰ বাহিৰত। সেয়ে অসমৰ বাগিচা চলোৱাৰ মূল যন্ত্ৰটো বাহিৰতে আছে, অসমৰ মাটিত মাত্ৰ চাহ-গছবোৰ লহপহকৈ বাঢ়িছেহে। থলুৱা যোগ্য ব্যক্তি চাহ-বাগানৰ কামৰপৰা বঞ্চিত হৈছে। অৰ্থনীতিৰ ক্ষেত্ৰতো অসম বঞ্চিত হৈছে, কাৰণ চাহ-বাগানৰপৰা হোৱা লাভ সৰ্বমুঠ প্ৰায় ৮০ কোটি টকাৰ ৮০ ভাগেই অসমৰ বাহিৰলৈ ওলাই যায়। সেয়ে সমূহীয়াকৈ শ্ৰম অনুযায়ী মজদুৰসকলৰ অধিক উন্নতিৰ লগতে সাংস্কৃতিক বিকাশ হোৱা নাই। ইমানদিনে যেনিবা মজদুৰসকলে নিজৰ দুৰ্যোগৰ কথা ভবা নাছিল, এতিয়া ভাবিছে। কিন্তু নিজৰ চিন্তাক শিক্ষাৰ অভাৱত শৃংখলিত কৰিব পৰা নাই। আজি চাহ-বাগানত বেছিভাগ তোলপাৰৰ

মূল কাৰণ হ'ল বঞ্চিত লোকৰ বিশৃংখল ভাবনা। আমাৰ বাগানৰ এনে ধৰণৰ গোলমাল সম্পৰ্কে বিশেষকৈ গগন আৰু ফুলমণিৰ সম্পৰ্কে উদ্ভৱ হোৱা সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত তোমাৰ মূল্যবান অভিমত ল'ব খুজিছোঁ। সুধাংশু।

—বাগিচাৰ ওপৰত আৰু ফুলমণিৰ ঘটনা সম্পৰ্কে মোৰ অভিমত দিবলৈ অসুবিধা আছে। আচলতে, বাগান সংক্ৰান্তত মই বিশেষ ভবা-চিন্তা কৰা নাই। আপোনালোকৰ পৰা প্ৰকৃততে জানিবলৈহে বাগানত সোমাইছোহি।

—সেইটো নহয় ৰ'বা। তুমি চিন্তাশীল ব্যক্তি বুলি মই ডাঃ কৰুণা তুৰবাৰ পৰা ভালকৈ জানি আহিছোঁ। তোমাৰ অভিমত এই সমস্যাৰ সমাধানত সহায় হ'ব বুলি ভাবিছোঁ। তোমাক এতিয়া কথা এটা কওঁ। মই আজি তোমালোকৰ আলোচনাত বহিব নোৱাৰিম। কালিলৈ সভাত ফুলমণি সম্পৰ্কে মজদুৰসকলৰপৰা ৰাজহুৱা দাবি এটা উঠিব পাৰে বুলি মোৰ অনুমান হৈছে। সেই সংক্ৰান্তত মই কলঘৰৰ ফালে ওলাই যাওঁ। মই আহিমগৈ তোমাৰ ছাত্ৰ দুজন যোৱাৰ আগতে। আৰু তেওঁলোকক ডুমডুমাৰ বাছষ্টেণ্ডত যোৱাৰ ব্যৱস্থাও কৰিমহি।

—হ'ব ককা। ময়ে তেওঁলোকৰ সকলো ব্যৱস্থা কৰিব পাৰিম। আপুনি সেই বিষয়ে চিন্তা কৰিব নালাগে। আপুনি যাওক এতিয়া।

—তেন্তে, তুমি যোৱা। ছাত্ৰসকলৰ লগত আলোচনাত বহাগৈ। মই আৰু তাত গৈ তোমাক মাত নলগাওঁ।

—নালাগে আৰু মাত লগাব। আপুনি যাবগৈ।

—হ'ব, হ'ব।

সুধাংশু ৰয় ভিতৰ সোমাই অহাত তেওঁৰ ছাত্ৰ অৰবিন্দ চৌধুৰীয়ে ক'লে, আহক ছাৰ। আমি আপোনালৈ বৈ আছোঁ।

—অলপ দেৰি হৈয়ে গ'ল। কালিলৈ ইয়াত মজদুৰসকলৰ এখন সভা হ'ব। মজদুৰ ছাত্ৰসংঘৰপৰা কেইজনমান ছাত্ৰ আহি, মোক সভাত উপস্থিত থাকিবলৈ মাতি থৈ গ'ল।

—হয়নেকি? বৰ ভাল কথা। আপুনি সেই সভাত আমাৰ কামৰ বাবেও কিছু কথা গোটাব পাৰিব।

—শ্ৰমিকসকলৰ সমস্যাৰ লগত আমি আন্তৰিকতাৰে সোমাই নপৰিলে প্ৰকৃত তথ্য পোৱাত অসুবিধা আছে। বাৰু, কোৱাচোন তোমালোকে কি কৰিলা ইমানপৰে।

—আমি নিজে একো কৰা নাই। আপোনাৰ টোকাখিনিৰ ওপৰত মাত্ৰ চকু ফুৰালোঁ।

—টোকাবোৰ মোৰ নিজৰ কাৰণেহে কৰা হৈছে। আচলতে, অসমৰ চাহ-বাগিচাৰ ইতিবৃত্ত সম্পৰ্কে মোৰ বিশেষ ধাৰণা নাছিল। সেয়ে এই ঐতিহাসিক দিশতো মই কিছু কথা সামৰিব লগা হৈছে। যেনে—পোন প্ৰথম অসমত চাহ খেতি কেনেকৈ আৰম্ভ কৰা হ'ল, ভাৰতৰ বিভিন্ন ঠাইৰ মজদুৰক কেনেকৈ কি চৰ্ত দি অসমৰ চাহ-বাগানলৈ মকৰল কৰা হ'ল, সেই মজদুৰসকল কিয় বা আহিব খুজিলে আৰু কিয় তেওঁলোক অসমতে নিগাজিকৈ থাকিব লগা হ'ল, এনেবোৰ কথা ভবাৰ প্ৰয়োজন আছে। আৰু এটা কথা মন কৰাচোন—মুণ্ডাৰী, চাওঁতাল, উড়িয়া, তেলেগু আদি বিভিন্ন সম্প্ৰদায়ৰ শ্ৰমিকসকলে অসমৰ চাহ-বাগিচাত কিন্তু এটা বিশেষ শ্ৰমিক সমাজৰ সংহতি ৰক্ষা কৰিছে যে সেই কথাটো ভাবিবলগীয়া। কথা হ'ল চাহ-বাগিচাৰ বিভিন্ন সম্প্ৰদায়ৰ নিজা নিজা ভাষা, সংস্কৃতি থাকিলেও অসমৰ চাহ-মজদুৰ বুলিলে তেওঁলোক এটা সমূহীয়া কৃষ্টিৰ অধিকাৰী নহয়নে বাৰু?

—হয় ছাৰ। চাহ-বাগিচাৰ মজদুৰ সমাজৰ সাংস্কৃতিক দিশটো আমাৰ কামৰ অন্তৰ্গত নহ'ব জানো?

—নিশ্চয় হ'ব। অৰ্থনৈতিক দিশৰ লগত সাংস্কৃতিক দিশটোও সাঙোৰ খাই আছে। সেয়ে সামাজিক অন্যান্য দিশ, যেনে—শিক্ষা, স্বাস্থ্য, ভাষা, ধৰ্ম, বৈবাহিক প্ৰথা, পূজা-পাৰ্বণ আদিৰ দৰে উৎসৱৰ তাৎপৰ্য আমাৰ কামৰ অন্তৰ্গত হ'ব। কিন্তু, আমাৰ কামৰ মূল বিষয় হ'ব অসমৰ কৃষি আৰু বাণিজ্যিক খণ্ডৰ সৰ্ববৃহৎ শিল্প চাহ-বাগিচাৰ

অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত অৰিহণা কি। লগতে, চাহ-মজদুৰ সমাজৰ উন্নয়নৰ ক্ষেত্ৰতো চাহ-অৰ্থনীতিৰ প্ৰভাৱ কিমান এই দুয়োটা দিশত আমি অধ্যয়ন আৰু বিশ্লেষণ কৰিব লগা আছে। লগতে প্ৰজেক্টৰ ৰিপ'ৰ্টত আমি কিছু পৰামৰ্শও আগবঢ়াব পাৰোঁ। ধৰাচোন চাহ-শিল্পৰ অৰ্থেৰে অৰ্থাৎ লাভাংশেৰে আমাৰ ইয়াত উদ্যোগ স্থাপনত কিবা পৰিকল্পনা লোৱা হৈছে নে নাই সেইটো চাব লাগিব। কাৰণ এটা অঞ্চলৰ অৰ্থনৈতিক বিকাশৰ কাৰণে বিশেষ একোটা প্ৰধান শিল্পৰ লগতে সেই অঞ্চলত আন আন আৱশ্যকীয় আনুষংগিক শিল্প গঢ়ি তোলা প্ৰয়োজন।

—এনে ক্ষেত্ৰত অসমৰ চাহ-বাগানৰ অৰ্থনীতি কাৰ্যকৰী হোৱা নাই।

—হ'ব কেনেকৈ? অসমৰ চাহ-বাগিচাৰ লাভাংশৰ বেছিখিনিয়েই অসমৰ বাহিৰৰ পুঁজিপতিৰ হাতৰ মুঠিত। সেইসকল পুঁজিপতিয়ে চাহ-বাগিচাৰ লগতে আন উন্নয়নমূলক শিল্পৰ গঢ় দিবলৈ নিবিচাৰে। এনেধৰণৰ কিছুমান তাৎপৰ্যপূৰ্ণ কথা বাস্তৱ তথ্যৰ ভিত্তিত প্ৰতিপন্ন কৰিব লাগিবতো?

—হয় ছাৰ।

—এনে বাস্তৱ সামগ্ৰী বিচাৰি উলিয়াবলৈ অসমৰ বৃহৎ শিল্পখণ্ডৰ প্ৰতিনিধিমূলক কেইখনমান চাহ-বাগিচাত আমি কাম কৰিব লাগিব। এই সংক্ৰান্তত তোমালোকক মোৰ অলপ ক'ব লগা আছে।

—কওকচোন ছাৰ।

—আমাৰ হাতত জুন-জুলাই দুটা মাহ আছে। বিশ্ববিদ্যালয় খোলাৰ লগে লগে অৰ্থাৎ আগষ্ট মাহৰ প্ৰথম সপ্তাহতে আমি ইউ. জি. চি. লৈ আমাৰ কামৰ প্ৰথম ৰিপ'ৰ্ট পঠাম। জুন মাহৰ ভিতৰতে ডুমডুমা আৰু নামৰূপ অঞ্চলত কাম শেষ কৰি যোৰহাট, শিৱসাগৰ আৰু গোলাঘাটৰ কেইখনমান বাগিচাত কাম কৰিম। তাৰ পিছত জুলাইৰ মাজভাগলৈ নগাঁৱৰ কলিয়াবৰ অঞ্চলত আৰু দৰং জিলাৰ দুখনমান বাগিচাত যদি আমি কিছু তথ্যপাতি গোটাওঁ, তেতিয়াহ'লে

জুলাইৰ শেষৰ ফালে ৰিপ'ৰ্ট প্ৰস্তুত কৰি আগষ্টৰ প্ৰথম সপ্তাহতে সেই ৰিপ'ৰ্ট দিল্লীলৈ পঠাব পাৰিম। ইয়াৰ পিছত তোমালোকৰ নিজৰ নিজৰ ৰিছাৰ্চৰ পঢ়া-শুনাও আছে।. দ্বিতীয় অংশৰ কাম কেনেকৈ কৰোঁ সেইটো প্ৰথম অংশৰ ওপৰত নিৰ্ভৰ কৰিব নহয় জানো ?

—হয় ছাৰ।

আজি গৈ তোমালোকে কালিলৈ দিনটোত যোৱা কেইদিনত কি কি কাম হ'ল, সেইখিনি জুকিয়াবা। পৰহিলৈ পুৱাৰ ফালেই হানচ'ৰালৈ আহি যাবা। ময়ো ইয়াৰপৰা গৈ হানচ'ৰাত তোমালোকৰ লগ লাগিম। সেইখন বাগিচাত আমি লাইনৰ ভিতৰত কাম কৰিম। লাইনে লাইনে মজদুৰসকলৰ বিশেষকৈ স্বাস্থ্য আৰু শিক্ষাৰ কি ব্যৱস্থা আছে আৰু সেই ব্যৱস্থাৰপৰা বনুৱাসকলৰ কিমানখিনি উপকাৰ হৈছে তাক বুজিবলৈ চেষ্টা চলাব লাগিব। মহিলা কৰ্মীসকলে হস্পিতেলৰ সা-সুবিধা কেনে ধৰণে পাইছে তাৰ খতিয়ান ল'লে ভাল হ'ব। হানচ'ৰাত অন্ততঃ এসপ্তাহৰ ভিতৰত কাম শেষ কৰি আমি নামৰূপলৈ যাব লাগিব। ডুমডুমাৰ দৰে নামৰূপ অঞ্চলতো বহু চাহ-বাগিচা আছে। সুবিধা বুজি আমাৰ কামৰ কাৰণে আমি তিনি-চাৰিখন বাগিচা ল'ব পাৰিম। সেই বাগিচাৰ কথা ককাই ভালকৈ জানিব। কিন্তু ককাৰ ডাঙৰ সমস্যা এটা হৈছে যে তোমালোকে জানিছায়। ফুলমণি সম্পৰ্কে এটা জীৱন্ত সমস্যাৰ সমাধান কেনেকৈ কৰিব পাৰি সেইটো ককাৰ কাৰণে চিন্তনীয় বিষয় হৈ পৰিছে। সমস্যাৰ সমাধানত ময়ো ভাবিবলগীয়া হ'ব পাৰে।

—বাগিচাখনতো একপ্ৰকাৰে আপোনাৰেই ছাৰ ?

ৰবীন শইকীয়া নামৰ ছাত্ৰজনে কৈ পেলালে।

—মোৰ ?

সুধাংশু উচপ খাই উঠিল।

—আপোনাৰ বুলি ভাবিছোঁ ককাৰ মুখত কথা এটা শুনি।

—কি কথা কোৱাচোন। অলপ আশ্চৰ্য প্ৰকাশ কৰি সুধাংশুৱে সুধিলে।

—ককাৰ একমাত্ৰ উত্তৰাধিকাৰী অঞ্জনা কাকতিৰ লগত বোলে আপোনাৰ বিয়া ঠিক হৈ গৈছে ছাৰ ?

—সেই কথা ককাই কৈছে ?

—কৈছে তেখেতে।

—কেনেবাকৈ কথাটো জানিছে।

—ককাই নাজানিছিলনেকি আগতে ?

—নাজানে। ময়ো আগতে নাজানো বুজিছা অঞ্জনাৰ ককাক আছে আৰু ককাকজন যে চাহ-বাগিচাৰ মালিক।

—হয়নেকি ছাৰ ? একেবাৰে ৰূপত ৰজিতা খোৱা কথা হৈ গ'ল।

—কিয় ?

—আপোনাৰ বিয়াও ঠিক হ'ল আনহাতেদি ককাৰ বাগিচাত আপুনি প্ৰজেক্টৰ কাম কৰিবলৈও সুবিধা পালে।

তিনিও হাঁহিবলৈ ধৰিলে। শেষত অৰবিন্দ চৌধুৰীয়ে সুধিলে, কেতিয়া ছাৰ বিয়া ?

—তাৰিখ ঠিক হোৱা নাই।

—আমি খুব স্ফূৰ্তি কৰিম ছাৰ আপোনাৰ বিয়াত।

—কৰিবা ৰ'বা। আগতে গগন বৰুৱা আৰু ফুলমণিৰ বিয়াখন কি হয় চাওঁ।

—সেইখন বিয়াৰ লগত আপোনাৰ কি সম্বন্ধ আছে ?

—এটা ডাঙৰ সম্বন্ধ আছে।

—কিয় ছাৰ।

—বিয়া পাতিবলৈ ওলাই মোৰো প্ৰায় ফুলমণিৰে অৱস্থা। সেই মজদুৰ ছোৱালীগৰাকীয়ে অসমত পুৰাকৈ অসমীয়া হ'বলৈ বিচাৰিছে। ময়ো অসমত নিগাজিকৈ থাকিবলৈ এজন অসমীয়া হ'ব খুজিছো। মোৰ বিয়াৰ ক্ষেত্ৰত অৱশ্যে অঞ্জনা কাকতিৰ নিজা মত আছে। কিন্তু ফুলমণিৰ ক্ষেত্ৰত গগন বৰুৱাই মত দিব পৰা নাই। আনহাতে তেওঁ বিয়া কৰাব বুলি ফুলমণিক বঞ্চনা কৰিবলৈহে ওলাইছিল। মজদুৰ-

সকলে সেই বঞ্চনা সহ্য কৰিব পৰা নাই। ইয়াৰ পৰাই বুজিব পাৰি মজদুৰসকলৰ সামাজিক চেতনা বাঢ়িছে অথচ ওপৰ মহলাৰ সাতাম-পুৰুষীয়া শোষণ আৰু নিৰ্যাতন বিশেষ কমা নাই। চাহ-বাগানৰ এনেধৰণৰ দুই-এটা বাস্তৱ ঘটনা আমাৰ প্ৰজেক্টৰ সামাজিক দিশৰ কামত গণ্য কৰিব পাৰি। কালিলৈ দিনটোত তোমালোক ইয়াৰ সভাখনত উপস্থিত থাকিব পাৰিলে ভাল আছিল।

—আপুনি থাকিব যেতিয়া হ'ব ছাৰ।

—হওঁতে হ'ব। বাৰু মোৰ ব্যক্তিগত কথালৈ আহোঁ। তোমালোকে অঞ্জনা কাকতিক চিনি পোৱা নিশ্চয়!

সুধাংশুৱে হাঁহিলে।

—পাওঁ। যোৱা বছৰ আমি তেওঁকে আমাৰ ফ'ৰামৰ ছেক্ৰেটৰী পাতিলোঁ।

—তোমালোকৰ ফ'ৰাম মানে?

—বিশ্ববিদ্যালয়ত আমাৰ এখন ইক'নমিকেল ফ'ৰাম আছে। অৰ্থনীতি বিভাগৰ অধ্যাপক, ছাত্ৰ, ৰিছাৰ্চ ষ্টুডেণ্ট সকলোৱেই প্ৰায় সেই ফ'ৰামৰ সভ্য। প্ৰথম ফালে অঞ্জনা কাকতিয়ে বৰ দক্ষতাৰে কেইবাখনো মিটিং পাতিলে। এবাৰতো এখন ডাঙৰকৈয়ে পতা হৈছিল। বিশ্ববিদ্যালয়ৰ বাহিৰৰ মানুহকো আমি সেইবাৰ নিমন্ত্ৰণ কৰিছিলো। উপাচাৰ্যই বৰ আনন্দেৰে আমাৰ ফ'ৰামৰ কাৰ্যকলাপ শলাগিছিল।

—তেনেকুৱা ফ'ৰাম এখন আছে যে মই কথাটো নাজানোঁ।

সুধাংশু গহীন হ'ল।

—জানিব কেনেকৈ ছাৰ? এই বছৰ ফ'ৰাম বহাই নাই নহয়। নতুন কাৰ্যকৰী সমিতি গঠন হ'লে এইবাৰ আপোনাক প্ৰেছিডেণ্ট পতাৰ কথা অঞ্জনা কাকতিয়ে কওঁতে আমি সকলোৱে আনন্দেৰে সমৰ্থন জনাইছোঁ ছাৰ। কথা শেষ কৰি ছাত্ৰজনে হাঁহিলে।

—প্ৰেছিডেণ্ট নোহোৱাকৈও ফ'ৰামলৈ যাব পাৰি। কিন্তু, ফ'ৰাম কিয় বহুৱাব পৰা নাই?

—সেয়া আৰু। আপুনিতো জানিছেই ছাৰ বিশ্ববিদ্যালয়ৰ কথা। একাডেমিক পৰিবেশটো নোহোৱা হৈ গ'ল। এই বছৰৰ প্ৰথমফালে অঞ্জনা কাকতিয়ে কেইবাবাৰো চেষ্টা দিছিল ক'ৰাম বহুৱাবলৈ। কিন্তু, ক'ৰাম কেনেকৈ হয়, ক্লাছেই নহয়।

—আচৰিত কথা! আন্দোলনতো প্ৰায় শেষ হ'লহি, তথাপি নিয়মমতে ক্লাছ নহয়। শিক্ষাজগতৰ লগত জড়িত হৈ থকা মানুহখিনি তৎপৰ হ'ব লাগিছিল ইমানদিনে বিশ্ববিদ্যালয়ৰ মাজ মজিয়াৰ বিশৃংখলা বিশ্লেষণৰ বাবে।

—সেই কাৰণেতো বিশৃংখলা বাঢ়িছে দিনকদিনে কমক ছাৰি।

—হয়, হয় বাঢ়িছে, তাৰ প্ৰত্যক্ষ প্ৰমাণ পাইছোঁ। ছাত্ৰসকলৰ মতি-গতি এনে হোৱাৰ কাৰণ তোমালোকে বাৰু কি বুলি ভাবা ?

উত্তৰ দিয়াৰ সলনি ছাত্ৰকেইজনে হাঁহিলে মাত্ৰ।

—মই ভাবো ছাত্ৰসকলৰ একাংশই, ছাত্ৰসকল কিয় বাইজৰ একাংশই বিদেশী বিতাৰণৰ আন্দোলনৰ 'থিম'টো বুজি নাপালে। বহু ছাত্ৰই হৈ-চৈ কৰি আন্দোলনত নামিল। দেশক গঢ়িবলৈ গৈ তেওঁলোকৰ দেশ-প্ৰেম বিপথে চালিত হ'ল মাত্ৰ। এনেকুৱা সৰ্বাত্মক আন্দোলনত পলিটিকেল ইনটুইচনৰ বৰ প্ৰয়োজন। তেনে দূৰদৰ্শিতাৰ অভাৱতে চাৰিওফালে হাহাকাৰ হৈ উঠিল। আমি সকলোৱে এতিয়া এটা চেষ্টা দিব লাগিব বিশ্ববিদ্যালয়ৰ সুস্থ অৱস্থা ঘূৰাই আনিবলৈ। অৱশ্যে সদায় এনেকৈ চলিব নোৱাৰে ঐতিহাসিক দাবিতে ই ভাললৈ আহিব।

—আমি তাকে আশা কৰোঁ ছাৰ।

—বাৰু, তোমালোকৰ লগত মুকলিমনে কথাবতৰা হ'লো। ভাল লাগিল। এতিয়া তোমালোক যাবলৈ ওলাব লাগিব। মই তোমালোকৰ ভাতৰ খবৰ কৰোঁ, কিমানদূৰ আগবাঢ়িছে চাওঁগৈ।

—আমি তেনেহ'লে উঠো ছাৰ।

—উঠা।

ছাত্ৰ দুজন উঠি যোৱাত সুধাংশুৱে মনৰ আনন্দত টেবুলত কাগজ-পত্ৰবোৰ সামৰিবলৈ ধৰিলে।

# সোঁতৰ

সুধাংশুৰ ছাত্ৰ দুজন ডিব্ৰুগড়লৈ গ'লগৈ। তেওঁলোক যোৱাৰ কিছু সময়ৰ পিছতহে কৃপা কাকতি ঘামি-জামি ঘৰলৈ ঘূৰি আহিল। হাত-ভৰি ধুই ভাত খাবলৈ বহাৰ সময়ত সুধাংশুৱে মন কৰিলে কৃপা কাকতি যেন ভাগৰি পৰিছে আৰু কিবা এটা বিপদৰ কাৰণে আতংকিত হৈ উঠিছে। তথাপি সুধাংশুৱে তেওঁক সেই বিষয়ে একো মুখ্মুখি ওপৰে ওপৰে দুই-এটা কথা পাতিলে। কৃপা কাকতিয়েও ছাত্ৰ দুজনৰ ইটো-সিটো খবৰ লৈ খোৱাৰ টেবুলত বহিল যদিও খোৱাত কোনো ৰাপ নেদেখুৱালে। ইফালে-সিফালে চাই তেওঁ মাত্ৰ সুধাংশুক ক'লে, সুধাংশু তুমি অলপ জিৰাই লোৱাগৈ। ময়ো খাই উঠি জিৰাওঁ। তাৰ পিছত মই তোমাৰ লগত কেইটামান দৰকাৰী কথা পাতিম।"

—হ'ব ককা। এতিয়া যে আপোনাৰ জিৰণিৰ প্ৰয়োজন. সেইটো বুজিব পাৰিছোঁ।

সেইমতে কৃপা কাকতি শোৱনি কোঠাত সোমালগৈ। সুধাংশুও নিজৰ কোঠালিলৈ গ'ল। নিৰ্জন কোঠাটোত সুধাংশুৱে নিজকে কিছুপৰ আৱদ্ধ কৰি ৰাখিলে। কিন্তু এনেদৰে অকলে থাকি সুধাংশুৰ অলপো ভাল নালাগিল। তেওঁ কোঠাটোৰ পৰা ওলাই আহি বাহিৰৰ বাৰান্দা পালেহি। বাৰান্দাত অলপ সময় থিয় হৈ থাকিল। তাৰ পিছত কিবা এটা ভাবি চকী এখনত বহি পৰিল। দূৰলৈ চাই পঠোৱাত অতীতৰ বহু স্মৃতি আহি সুধাংশুৰ মনত জুমুৰি দি ধৰিলেহি কিন্তু অলপ পিছতে সুধাংশুৱে অতীতৰ সেই সকলো ভাব জোকাৰি সচেতনভাৱে ফুলমণিৰ কথালৈহে আহিব খুজিলে · লগে লগে অসমৰ চাহ বাগিচাৰ সামাজিক ছবিখন সুধাংশুৰ মনত ভাহি উঠিল। সুধাংশুৱে নিজৰ আউল লগা ভাবক সযতনে পোনাই নিবলৈ যত্ন কৰিলে। তেওঁ ভাবিলে—এই যে অসমৰ গাঁওবোৰ। সঁচাকৈয়ে,

এই গাঁওবোৰ অসমৰ মাটিতে গঢ় লৈছে। গাঁৱৰ খেতিয়কসকলে পথাৰৰ মাটি সেউজীয়া কৰে—হাতে-ভৰিয়ে বোকা সানি। সেউজীয়া পথাৰ ক্ৰমে সোণালী হৈ আহে কৃষকৰ শ্ৰমৰ বিনিময়তে। অসমৰ মাটিয়ে খেতিয়কসকলক সহজ, সৰল কৰিয়েই ৰাখিলে। প্ৰকৃতিৰ প্ৰশান্তিৰ মাজত সহজ জীৱন-ধাৰাই খেতিয়কৰ প্ৰাণত মিলনৰ শান্তি প্ৰদান কৰি আহিছে। অৱশ্যে, অসমৰ গাঁৱতো আছে বেলেগ বেলেগ খেল। খেলে খেলে নামঘৰ। চুবুৰীয়ে চুবুৰীয়ে জেওৰা। তথাপি বিভেদৰ ভাবে তেওঁলোকক ইমান কঢ়ু কৰিব পৰা নাই। মিলি-জুলি থকাৰ সন্তুষ্টিয়ে তেওঁলোকক শান্ত কৰিয়েই ৰাখিছে। সামাজিক সমস্যা সমাধানৰ বাবে গাঁৱৰ ৰাইজবো একোখন মেলেই যথেষ্ট শক্তিশালী। এনে ক্ষেত্ৰত গাঁৱৰ খেতিয়ক আৰু চাহ বাগিচাৰ মজদুৰৰ মাজত পাৰ্থক্য আছে। চাহ-বাগানৰ বনুৱা সমাজে অসমীয়া জাতীয় জীৱনত লীণ যাবলৈ প্ৰয়াস কৰি আহিছে বুলি শুনা যায়। কিন্তু, প্ৰকৃতপক্ষে তেওঁলোকে সেই স্বীকৃতি লাভ কৰাৰ পথত অসুবিধাবোৰ আঁতৰিল জানো? আনহাতে, অসমীয়াৰ জাতীয় অস্তিত্বৰ বাবে এক বিশেষ অংগ হৈও পৰিছে চাহ-বাগানৰ বনুৱাসকল। সুধাংশুৱে সজ্ঞানে চিন্তা কৰিবলৈ যত্ন কৰিলে—চাহ-বনুৱাৰ উন্নয়ন আৰু জাতীয় উত্তৰণৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা বিভিন্ন পৰিকল্পনাসমূহে এচাম সুবিধাবাদী, মানুহৰ স্বাৰ্থ পূৰণত অতদিনে সহায় কৰি আহিছে। নহ'লে জীৱন যন্ত্ৰণা, সামাজিক অবমাননা আৰু বঞ্চনা আঁতৰোৱাত আজিও বনুৱা-সকলৰ ইমান বাধা কিয়? সুধাংশু ক্ৰমে নিজৰ ওপৰতো বিৰক্ত হৈ উঠিল। কাৰণ, নিজৰ মনতো সামাজিক অবিচাৰৰ বিবিধ সমস্যা অতদিনে প্ৰশ্ন হৈয়ে বৈ গ'ল। সমস্যা সমাধানৰ কাৰণে তেওঁ নিজেই বা কি কৰিছে? সুধাংশু কঠোৰ হ'বলৈ চেষ্টা কৰিলে। বিছাকপি বাগিচাৰ মজদুৰৰ সমস্যা সমাধানৰ ক্ষেত্ৰত তেওঁৰো দায়িত্ব আছে বুলি মনলৈ দৃঢ়তা আনিবলৈ বিচাৰিলে। সুধাংশু বহাৰ পৰা থিয় হ'ব খোজোতেই বান্ধনি ল'ৰা ৰমেনে আহি ক'লেহি, "চাহ দিছোঁ ছাৰ, আহক।"

—গৈছোঁ ব'লা।

সুধাংশু ভিতৰলৈ সোমাই গৈ দেখে টেবুলত চাহ লৈ কৃপা কাকতি ৰখি আছে। সুধাংশুৱে তেওঁক লাহেকৈ সুধিলে, 'ককা জিৰালেনে?'

—পৰি আছিলোঁ বিছনাত। টোপনি আৰু ক'ত আহিব। বাৰু তুমি বহঁাচোন। চাহকাপ খাই লোৱা।

—খাওঁ ককা। চাহকাপৰ বৰ প্ৰয়োজন হৈছিলেই।

চাহ খোৱা শেষ হ'লত কৃপা কাকতিয়ে গহীনভাৱে ক'লে, "ব'লা সুধাংশু, আমি ভিতৰলৈকে যাওঁ।"

—ব'লক ককা।

কৃপা কাকতিৰ পিছে পিছে সুধাংশু সোমাই গ'ল এটা আহল-বহল কোঠালৈ। সুসজ্জিত কোঠাটোৱে এক বিশেষ শ্ৰেণীৰ আভিজাত্যৰে পৰিচয় দাঙি ধৰিছে। কোঠাটোৰ চকীকেইখন আৰু পালেংখন আগৰ দিনৰ মেহগনি কাঠৰ মজবুতকৈ তৈয়াৰী। পকী দেৱালত লাগি থকা আয়নাৰে বন্ধোৱা আলমাৰীত জলমলোৱা বিবিধ সাজ-বাচন—কোনোটো ৰূপৰ, কোনোটো তামৰ আৰু কোনোটোৱা চীনা মাটিৰ। ৰং-বিৰঙৰ ধুনীয়া ধুনীয়া কাপ-প্লেট, থাল, গিলাচ আৰু ফুলাম জগবোৰ সুন্দৰকৈ সজোৱা আছে। কোঠালিটোৰ এটা চুকত এটা ডাঙৰ চিমনী। বাকী তিনিটা চুকত তিনিখন ফুল কটা চন্দন কাঠৰ টেবুলত হাতী দাঁতেৰে বন্ধোৱা ফুলদানীকেইটাই কোঠালি-টোত গাম্ভীৰ্য প্ৰদান কৰিছে। ঘৰৰ বেৰত ওলোমাই থোৱা আছে ডাঙৰ ডাঙৰ কেইবাখনো ফট'। ফট'কেইখন কেইজনমান চাহাবৰ। সুধাংশুৱে চকুৰ পচাৰতে কোঠাটোৰ চাৰিওফালে চালে। শেষত, ফট'কেইখনত চকু পৰিলত সুধিলে, সেইকেইখন কোনোবা চাহাবৰ ফট' ককা?

—অঁ। অসমৰ চাহ-বাগিচাৰ আৱস্তুণিত এইকেইজন চাহাবৰ যথেষ্ট অৰিহণা আছিল। বাওঁফালৰ পৰা চাই গ'লে সেয়া ক্ৰমে ডেভিড স্কট, ৰবাৰ্ট ব্ৰুচ, আলেকজেণ্ডাৰ ব্ৰুচ আৰু চাৰ্লটন।

প্ৰত্যেকজনেই দুৰ্দান্ত সাহসী আৰু কৌতূহলী ব্যক্তি। শেষৰগৰাকী হ'ল কে. লাৰ্নি। তেওঁ মেনেজাৰ থকা কালতে মই বুটিছ কোম্পানী এটাৰ পৰা বাগিচাখন কিনি লৈছিলো। লাৰ্নি চাহাব এই ঘৰটোতে আছিল। তেওঁ যি ধৰণে ঘৰটো ৰাখিছিল বিবিধ সামগ্ৰীৰে সজাই-পৰাই, শাকনি-ফুলনিৰে পৰিপূৰ্ণ কৰি, ঠিক তেনে ধৰণেই আছে। কেতিয়াবা মোৰ ভাব হয়—এই চাৰিওফালৰ বস্তুবিলাকে মোক গ্ৰাস কৰিবলৈ যেন খেদি আহিছে আৰু সেই ভয়াবহ দৃশ্যৰ সমুখত মই নিজকে বৰ নিঃকিন বোধ কৰোঁ সুধাংশু।

—আচলতে, অকলশৰীয়াকৈ থাকি থাকি আপোনাৰ মনটো এটা গতানুগতিক পৰিৱেশত চেপা খাই পৰিছে।

—অ' তুমি অতপৰে থিয় হৈয়ে আছা সুধাংশু, বহাঁচোন বহা।

কৃপা কাকতিয়ে আৰামী চকীখনলৈ সুধাংশুক নিৰ্দেশ কৰি হাতেৰেই নিজৰ মুখখন মচিবলৈ ধৰিলে।

—সেইখন চকীত আপুনি বহক। মই এইখনতে বহিছোঁ বাৰু।

সুধাংশুৱে চকী এখন টানি আনি বহিল। কৃপা কাকতিয়ে আৰামী চকীখনত বহি সুধাংশুলৈ কাতৰভাৱে চালে। অলপ সময় বৈ তেওঁ লাহে লাহে ক'বলৈ ধৰিলে, মই এই ঘৰটোৰ কিছুমান কথা সলনি কৰিব খোজোঁ। এইবাৰ অঞ্জুমণি আহোঁতে তাইক মই কৈছিলোঁ—নিজৰ ঘৰ বুলি ভাবি যদি কিবা সলনি কৰিব খোজে, তাই কৰিব পাৰে। কিন্তু, অঞ্জু মান্তি নহ'ল। তাই ক'লে, এই ঘৰটোত চাহ-বাগিচাখনৰ কাৰণে এটা শিশুহস্পিতেল খুলিব পাৰি।

—অঞ্জনাৰ আইডিয়াটো বেয়া নহয়। অৱশ্যে, আপোনাৰ থকা-মেলাৰ কথাও আছে।

—ডুমডুমাত মোৰ ঘৰ আছে নহয়। বাগানখন নিয়াৰিকৈ চলাবলৈহে ইয়াত আছিলোঁহি। তাতে ডুমডুমাৰ ঘৰখনত থাকি মই মুঠেই শান্তি পোৱা নাছিলোঁ। অতীতৰ সকু সকু কথাই একোদিন মোক মৰিমুৰ কৰি পেলাইছিল। মনোকষ্টত মই ভাগৰি পৰিছিলোঁ।

সুধাংশুৱে একো নামাতিলে। নীৰৱে তেওঁ কিবা এটা গভীৰভাৱে

ভাবিবলৈ চেষ্টা কৰিলে। নীৰৱতা ভংগ কৰি কৃপা কাকতিয়েই আকৌ ক'বলৈ বিচাৰিলে, সুধাংশু ?

—কওক ককা।

—তোমাক ইমান ওচৰতে পাইছোঁ। তথাপি, মোৰ জীৱনৰ দুখৰ কথা কওঁ কওঁ বুলিও ক'ব পৰা নাই।

সুধাংশুৱে কৃপা কাকতিৰ মুখলৈ চালে একেথৰে। তাৰ পিছতে লাহেকৈ ক'লে, আপুনি মোক কিবা ক'বলৈ বিচাৰিছে যদি ক'ব পাৰে।

—এৰা, ক'বলৈ দুখৰ কথা বহু আছে কিন্তু, সম্প্ৰতে তোমাক অকণমান সুখৰ কথাহে ক'ব খুজিছোঁ চমুকৈ।

—কওকচোন।

—কওঁ। কথা হ'ল, এই দুৰ্ভগীয়া মানুহজনে শেষ জীৱনত কণমান শান্তি অনুভৱ কৰিছোঁ হেৰাই যোৱা নাতিনীজনীক ঘূৰাই পাই।

—আপোনাৰ শান্তি উপলব্ধি কৰিব পাৰিছোঁ ককা। আপুনি অঞ্জনাক ঘূৰাই পোৱাটো সঁচাকৈয়ে সৌভাগ্যৰ কথা।

—অকল নাতিনীজনীক পোৱাৰ কথাই নহয়, নাতিনীৰ লগতে তোমাকো পালোঁ। তোমাৰ লগত অঞ্জুমণিৰ বিয়া ঠিক হৈছে বুলি জানি মই পৰম সুখী হৈছোঁ যে সেই কথাটো তোমাক জনাবলৈ সুবিধা কৰিব পৰা নাছিলোঁ।

—আমাৰ হ'বলগীয়া বিয়াখনত আপোনাৰ আশীৰ্বাদ আছে বুলি বুজিব পাৰিছোঁ ককা।

কথা শেষ কৰি সুধাংশু উঠি গৈ কৃপা কাকতিৰ ভৰি চুই সেৱা কৰিলে। কৃপা কাকতিয়ে থিয় হৈ আবেগত সুধাংশুক সাৱটি ধৰিলে আৰু সুধাংশুৰ মূৰত ধৰি অন্তৰভৰা আশীৰ্বাদ দিলে। দুয়ো আকৌ নিজৰ নিজৰ চকীত বহি পৰিল। কৃপা কাকতিয়ে গধুৰ মনেৰে সুধাংশুৰফালে চালে। এটা দীঘলীয়া নিশ্বাস পেলাই তেওঁ ক'বলৈ ধৰিলে, মানৱ জীৱনত সুখ-দুখৰ ধাৰা বিচিত্ৰ সুধাংশু। বিশেষকৈ সুখৰ তৃপ্তি অতি ক্ষণস্থায়ী। কিন্তু, জীৱনৰ দুখ বৰ শক্তিশালী। এই দুখে

মানুহৰ সুখৰ দিনতো হঠাতে ভুমুকি মাৰি মন বিষণ্ণ কৰি তোলে। নাতিনীজনীক পাই মই শান্তি পাইছোঁ হয় কিন্তু, এই শান্তিৰ লগতে বাৰে বাৰে অতীতৰ মৰ্মান্তিক বেজাৰে মোক বিহ্বল কৰি পেলাইছে। কত আপোনজনৰ মৃত্যুৰ লগত মই মুখামুখি হৈছোঁ। আই-বোপাই কাহানিবাই ঢুকাল যদিও আজিও সেই দুখৰ স্মৃতি মোৰ মনত সজীৱ হৈয়ে আছে। দুগৰাকীকৈ পত্নী হেৰুৱালোঁ। তিনিজন সহোদৰে এজন এজনকৈ মোক এৰি গ'ল। তেওঁলোকৰ মৃত্যুক মই সহজভাৱেই ল'ব পাৰিছোঁ। কিন্তু মোৰ একমাত্ৰ সন্তান অৰূপ! মোৰ হাততে হেৰাল। মোৰ সন্তানৰ মৃত্যু। সেই মৃত্যু যে কি ভয়াবহ! সেই মৃত্যুক এইটো জীৱনে একোপধ্যে এৰাই চলিব নোৱাৰে। মোৰ সকলো আশা আৰু কল্পনাত ই এক মৰ্মৰ বেদনা সানি দিয়েছি। অথচ, সন্তানৰ জীৱনকালত মই যথেষ্ট কঠোৰ হৈ তাক মই ত্যাজ্য কৰিছিলো সামান্য দোষতে। এতিয়া সেই কু-কৰ্মৰ কাৰণে মই দুৰ্ঘোৰ আত্মগ্লানিত দগ্ধ হৈছোঁ। অঞ্জুৰ কথা ভাবি মই যিমানে মনলৈ আনন্দ আৰু শান্তি আনিব খোজোঁ সিমানেই মই দুখত জৰ্জৰিত হৈছোঁ সুধাংশু।

—সুখ-দুখৰ অভিজ্ঞতা মোৰ নিচেই কম। আপোনাক এই বিষয়ে মই কি ক'ম ককা। এটা কথা ক'ব পাৰোঁ। সেইটো হ'ল— আপুনি নিজৰ কথা এৰি, এই বাগিচাখনৰ কথা ভাবক। অঞ্জনাৰ কথাৰ সলনি ফুলমণিৰ কথা ভাবক। এনে চিন্তাত আপুনি নিশ্চয় শান্তি পাব ককা।

সুধাংশুৱে কৃপা কাকতিৰ মুখলৈ চাই কৈ গ'ল। কৃপা কাকতিয়েও এটা নিশ্বাস পেলাই সুধাংশুৰ কথাৰ উত্তৰ দিলে, হওঁতে হয় কথাটো। কিন্তু, চাহ-বাগানৰ ভিতৰুৱা ফালটো লৈও মই বৰ অশান্তিত দিন কটাবলগা হৈছে। মোৰ আশংকা হৈছে বাগিচাখনৰ মাজমজিয়াত শীঘ্ৰে এটা ডাঙৰ বিস্ফোৰণ ঘটিব বুলি। সেই কথাটো আলোচনা কৰিবলৈহে আচলতে তোমাক এতিয়া মাতি আনিছোঁ ভিতৰলৈ।

—হয় নেকি? কেনেকুৱা বিপদৰ আশংকা কৰিছে আপুনি?

—গগন বৰুৱা আৰু ফুলমণিৰ ঘটনাত শ্ৰমিকসকল যথেষ্ট উত্তেজিত হৈছে। সেই উত্তেজনা এক তীব্ৰ বিক্ষোভত পৰিণত হ'ব যেন লাগিছে।

—মজদুৰসকলৰ আচল দাবিটোনো কি?

—গগনে ফুলমণিক বিয়া কৰাব বুলি কৈ তাইক প্ৰৱঞ্চনা কৰিব নোৱাৰে। দাবিটো হ'ল—গগনে ফুলমণিক বিয়া কৰাব লাগিব অন্যথা মই গগনক কামৰপৰা বৰ্খাস্ত কৰিব লাগিব।

—বৰ্খাস্ত কৰাটোৰ সময় আছে। কিন্তু, বিয়াৰ ক্ষেত্ৰত যদি প্ৰবঞ্চনাই সীমা চেৰাই যোৱা নাই, তেতিয়াহ'লে এই বিয়া হ'ব নোৱাৰে বুলি শ্ৰমিকসকলক বুজাব লাগিব। কাৰণ, যিজন গগন বৰুৱা এজন প্ৰবঞ্চক আৰু তেওঁ এতিয়া ফুলমণিক বিয়া কৰাবলৈ অমান্তি হৈছে, তেনে ক্ষেত্ৰত ফুলমণিক বিয়া কৰাব লাগিব বুলি গগন বৰুৱাক জোৰ-জুলুম কৰাটো অনৰ্থক।

—কথাটো ইমান সহজ হৈ থকা নাই সুধাংশু। কাৰণ, ফুলমণিৰ কথাটো শ্ৰমিকসকলে সমূহীয়া মৰ্যাদাৰ ফালৰপৰা ভাবিছে। তেওঁলোকৰ কথা হ'ল—বাগিচাৰ বনুৱাক তুচ্ছ জ্ঞান কৰি ওপৰ মহলাৰ মানুহে এনেকৈ কিয় সুবিধা ল'ব? তুমি কৈছা নহয়—চাহ বনুৱাসকলে সাৰ পাইছে বুলি।

—সেইটো হয়। বনুৱাসকলে সাৰ পাইছে। কিন্তু তেওঁলোকৰ ভালকৈ জাগৰণো হ'ব লাগিব। গগন বৰুৱাক বিয়া কৰাই ফুলমণিয়ে যে মানৱীয় মৰ্যাদা লাভ কৰিব নোৱাৰে সেই কথাটো তেওঁলোকৰ বোধগম্য হ'ব লাগিব।

—তেনে ধৰণে কথাটো বুজাব পাৰি। কিন্তু বনুৱাসকলে বুজিব জানো? আনহাতে, বিয়া বন্ধ কৰিলে, বিদ্ৰোহী বনুৱাসকলে গগন বৰুৱাৰ বৰ্খাস্ত বিচাৰিব। সেইটোও মালিক হিচাপে মোৰ বাবে বৰ সহজ নহয়। দেশৰ আইন-কানুন আছে। তদুপৰি গগনৰ পক্ষ লোৱা গুণ্ডা ধৰণৰ মানুহ ওলাব। শুনিছোঁ গগনে ইতিমধ্যে তেনে

ধৰণৰ গুণ্ডা কিছুমান অনাইছেই। এনেবোৰ কাৰণত কিছু গণ্ডগোল হোৱাৰে সম্ভাৱনা নোহোৱা নহয়।

—এটা এটাকৈ কামত ধৰক ককা। প্ৰথমতে বন্ধুৱাসকলৰ ওপৰত আন্তৰিক সহানুভূতি ৰাখি তেওঁলোকক বুজাওক যে গগন বৰুৱাৰ লগত বিয়া হ'ব লাগিলে ফুলমণিৰ মানৱীয় মৰ্যাদা বহুখিনি হানি হ'ব। ফুলমণিক বিয়া কৰোৱা উপযুক্ত ল'ৰা মজদুৰসকলৰ মাজৰ পৰাই ওলাব লাগিব। কালিলৈ মজদুৰসকলৰ সভাতে এই কথাটো আলোচনা কৰিব পাৰি। অৱশ্যে, মজদুৰসকলৰ তৰফৰ পৰা যদি সেই সংক্ৰান্তত দাবি উঠে, তেতিয়াহে আলোচনাই ফল ধৰিব।

—দাবি উঠিবই।

—তেনেহ'লে কালিলৈ আমি চেষ্টা এটা দিব পাৰোঁ।

—হ'ব হ'ব। তুমি কৈছা যেতিয়া আমি প্ৰথমতে সেইটোকে কৰিব লাগিব।

## ওঠৰ

অঞ্জনা গুৱাহাটীলৈ যোৱা পোন্ধৰ দিনবো বেছি হ'ল। জালুকবাৰী পাই অঞ্জনাই ঘৰলৈ ফোন এটা কৰি জনাইছিল যে হোষ্টেল খোলা নাই কাৰণে তাই অৰুণ বৰুৱাৰ ঘৰতে আছে। হোষ্টেল নোখোলাৰ কাৰণ হ'ল ছাত্ৰীসকল তেনেকৈ অহা নাই। যি দুই-এগৰাকী আহিছে, তেওঁলোকো স্থানীয় অভিভাৱকৰ ঘৰতে আছেহি। এজনী-দুজনী ছাত্ৰীৰে হোষ্টেলৰ মেচ নচলে, আৰু মেচ নচলিলে হোষ্টেল খোলাত কৰ্তৃপক্ষৰ অসুবিধা হয়। জুন মাহৰ প্ৰথম সপ্তাহত কিছু ছাত্ৰী বাঢ়িলে হোষ্টেল খোলাৰ ব্যৱস্থা হয়তো হ'ব আৰু খোলাৰ লগে লগেই অঞ্জনা হোষ্টেললৈ যাব পাৰিব। জুন মাহ পালেহি কিন্তু অঞ্জনাৰ কোনো চিঠিপত্ৰ নাহিল। অঞ্জনাৰ অসুখ-বিসুখোতো হ'ব পাৰে! মানসীয়ে সেই বিষয়ে চিন্তা কৰিব লগা হৈছে। ইফালে সুধাংশুৱেও যোৱাৰপৰা একো খবৰ-বাতৰি দিয়া নাই। অৱশ্যে,

সুধাংশুৰ চিঠি পাই কিছুদিনৰ আগতে এদিন কৃপা কাকতি ডাঃ দুৱৰাৰ ঘৰলৈ আহিছিল আৰু সুধাংশুৰ প্ৰজেক্ট সম্পৰ্কে আৰু লগতে তেওঁৰ থকা-মেলাৰ বিষয়ে কৃপা কাকতিয়ে ডাঃ দুৱৰাৰ লগত আলোচনা কৰি গৈছিল। সুধাংশুৰ লগত অঞ্জনাৰ বিয়া ঠিক হৈছে বুলিও সেইদিনা ডাঃ দুৱৰাই কৃপা কাকতিৰ আগত ক'ব লগা হৈছিল। কথাটো জানি কৃপা কাকতিয়ে সন্তোষ পোৱা যেনেই দেখুৱাইছিল। কৃপা কাকতি ডিগবৈলৈ অহা কেইবাদিনো হৈ গ'ল। তেওঁৰ পৰাও এতিয়ালৈকে মানসীহঁতে সুধাংশুৰ একো খবৰ-বাতৰি পোৱা নাই। বৰ্তমান ঠিকনা নজনাৰ কাৰণে সুধাংশুক অঞ্জনা গুৱাহাটীলৈ যোৱা খবৰটো মানসীহঁতৰ ফালৰপৰা জনোৱা হোৱা নাই। এই দৰকাৰী খবৰটো সুধাংশুক জনাব নোৱাৰি মানসীৰ বেয়া লাগি আছে। মানসীৰ মন বেয়া লগাৰ বিশেষ আন এটা কাৰণো আছে। ডিব্ৰুগড়লৈ যোৱাৰ দিনা পুৱা চাহ-জলপান খোৱাৰ পিছত সুধাংশুৱে মানসী আৰু ডাঃ দুৱৰাক জানিবলৈ দিছিল যে অঞ্জনাৰ লগত তেওঁৰ বিয়াৰ কথাটো প্ৰায় পকাবন্ধা হৈ গৈছে। বিনা দ্বিধাই কথাটো ক'বলৈ ওলাই সুধাংশুৱে অঞ্জনাক মাতি আনিলে আৰু বহি থকা চ'ফাখনত নিজৰ কাষতে বহুৱাই অঞ্জনাৰ আঙুলিৰ আঙঠিটো তেওঁলোকক সুধাংশুৱে দেখুৱাইছিল। আনকি, এইটোও কৈছিল যে দিনবাৰ চাই সুবিধা মতে বিয়া পাতিব পাৰে। অৱশ্যে, বিয়াৰ আড়ম্বৰ আৰু বা-যোগাৰ কম হ'ব লাগে বুলি সুধাংশুৱে অঞ্জনাৰ ফালে চাইছিল। অঞ্জনাই লাজকুৰীয়া হাঁহিৰে সুধাংশুৰ প্ৰস্তাৱত যেন সম্মতি জনাইছিল। ডাঃ দুৱৰাৰ ফালে চাই সুধাংশুৱে সেইদিনা কৈছিল, 'অঞ্জনাক আঙঠি পিন্ধোৱাৰ কাৰণে আপোনালোকৰ আগতীয়া অনুমতি লোৱা নহ'ল। ভুল হ'ল যদি মাৰ্জনা কৰে যেন।' লগে লগে ডাঃ দুৱৰাই কৈছিল, 'নালাগে অনুমতি। আমাৰ শুভেচ্ছামূলক সন্মতি আগতে জনাই থৈছো তাৰ বাবে।'

এনে ধৰণৰ সিদ্ধান্ত হৈ যোৱাৰ পিছত এতিয়া অঞ্জনাৰ খা-খবৰ সুধাংশুক দি থকাটো উচিত বুলি মানসীয়ে বিবেচনা কৰিছে। অঞ্জনাই

বা সুধাংশুলৈ লিখিছে নে নাই? মানসীয়ে কথাটো চিন্তা কৰি কৰি ডাঃ দুৱৰাক শেষত ক'লে, "ইমান দিনে অঞ্জুৰপৰা চিঠি-পত্ৰ নাপাওঁ। তাই গুৱাহাটীলৈ যোৱা খবৰটো সুধাংশুৱে পোৱা নাই। বিয়াখন যেতিয়া ঠিক হৈ গ'ল, তেনেস্থলত, অঞ্জুৰ খা-খবৰ সুধাংশুৱে পাই থকা দৰকাৰ। কিবা এটা উপায় কৰি সুধাংশুক খবৰ এটা দিব লাগিছিল।

সেইটো খবৰ আমাৰপৰা সুধাংশুৱে নাপালেও এতিয়া একো অসুবিধা নাই দুয়োৰো মাজত বুজাবুজি হৈছে যেতিয়া।"

—বুজাবুজি হৈছে হয়। সুধাংশু ল'ৰাজনো বৰ বুজন ধৰণৰ। কিন্তু, অঞ্জুৰ ক্ষেত্ৰত তেওঁ বৰ আবেগিক হৈ পৰা দেখিছোঁ। অঞ্জুৰ অকণমান ইফাল-সিফাল হ'লেই তেওঁ অভিমান কৰে।

—সেইটো হ'বই এতিয়া। এনে অৱস্থাত আমি দুয়োৰো কথাৰ মাজত নোসোমোৱাই ভাল। আচলতে তোমাৰ বেয়া লাগি আছে অঞ্জুৰ চিঠি নোপোৱাৰ কাৰণে। চিঠি আহিব। আজিকালি পোষ্টেল বেমেজালিও হয়।

—কথাটো হয়। কিয়বা অঞ্জুৱে চিঠি লিখা নাই অতদিনে?

—পৰীক্ষাৰ কাৰণে পঢ়া-শুনা কৰি ব্যস্ত আছে হয়তো।

—পৰীক্ষাৰ কাৰণে পঢ়িলে ভালেই। বিশ্ববিদ্যালয়ত কিবা গণ্ডগোল হৈছে বুলিহে ভয় লাগে।

—হ'লে হ'ব। ইটোৰ পিছত সিটো অথন্তৰৰ কথা ভাবি থাকিলে চিন্তাৰ ওৰ নপৰে। তাতকৈ এটা কাম কৰিব পাৰি।

—কিনো?

—সোমবাৰে আমি বিহাকপি বাগিচালৈ যাওঁ। তাতে অন্ততঃ সুধাংশুৰ খবৰ পাব পাৰোঁ।

—অঁতো। সেইটোৱেই ভাল হ'ব। তাতে আমি সুধাংশুক লগ পাবও পাৰোঁ।

—মাপালেও কথা নাই। কিন্তু, সুধাংশু কৃপা কাকতিৰ ঘৰলৈ গ'ল নে নাই সেই খবৰটো আমাৰ জনা দৰকাৰ। কাৰণ, আমাৰ নিৰ্দেশ মতেই সুধাংশুৱে কৃপা কাকতিৰ বাগানত প্ৰজেক্টৰ কাম কৰিবলৈ ইচ্ছা কৰিলে।

কথা পাতি থাকোতেই আগফালৰ বেলটো বাজি উঠিল। ডাঃ দুৱৰা বহাৰপৰা উঠি বাহিৰলৈ ওলাই যাবলৈ নৌ পাওঁতেই সুধাংশু সোমাই আহিল।

—অ' সুধাংশু? আহাঁ, আহাঁ, তোমাৰ কথাই কৈ আছিলো আমি।

—হয়নেকি মহা?

সুধাংশু আগবাঢ়ি গৈ মানসী আৰু ডাঃ দুৱৰাক ভৰি চুই সেৱা জনালে। তিনিও আনন্দেৰে বহি পৰিল।

—কোৱাচোন এতিয়া তোমাৰ খবৰ। ডাঃ দুৱৰাই সুধিলে।

—খবৰ ভাল। অঞ্জনাৰ চিঠি পাইছো। মনৰ আনন্দতে আছো কালিৰপৰা। পৰহি, বিহাকপি বাগিচাত মজদুৰসকলৰ মিটিং এখন আছিল। মিটিংখন স্থগিত হোৱাৰ কাৰণে চিন্তা কৰি থাকোতেই কালি অঞ্জনাৰ চিঠিখন পালো। আপোনালোকেও তেওঁৰ চিঠি পাইছে নিশ্চয়?

—নাই পোৱা। মানসীয়ে তপৰাই ক'লে।

—কিবা কাৰণত পোৱা নাই। পাব। আপোনালোকলৈ চিঠি দিহে অঞ্জনাই মোলৈ লিখিছে।

—এইটো দেখ দেখ পোষ্টেল গণ্ডগোল।

এনেদৰে অভিমত দি ডাঃ দুৱৰাই সুধাংশুক সুধিলে, কি মিটিং আছিল মজদুৰসকলৰ?

—মিটিংখন মজদুৰ ছাত্ৰ সন্থাই আয়োজন কৰিছিল। মূলতঃ চাহ বনুৱাসকলৰ আৰ্থ-সামাজিক দিশত সা-সুবিধাৰ আলোচনা কৰাৰ উদ্দেশ্য আছিল সভাখনৰ। অৱশ্যে, বাগিচাৰ ভিতৰ চ'ৰাৰ আন দাবিও আছিল।

লাহে লাহে সুধাংশুৱে চাহ-বনুৱাৰ অসন্তুষ্টিৰ বিষয়ে পাতনি মেলিলে।

—আজিকালি প্ৰায়বোৰ বাগিচাতে মালিক আৰু বনুৱাৰ মাজত এনে ধৰণৰ তল-ওপৰ হৈ থাকে।

সুধাংশুৱে ডাঃ হুৱৰাৰ কথাত একো মন্তব্য নিদি অলপ সময় নীৰৱ হৈ থাকিল। পিছত, নীৰৱতা ভংগ কৰি মানসীয়ে ব্যগ্ৰ হৈ সুধিলে "সুধাংশু, অঞ্জু ভালে আছেনে? পঢ়া-শুনা কৰিব পাৰিছেতো ছোৱালীজনীয়ে?"

অঞ্জনা—ভালে আছে মান্নুমাহী। পঢ়া-শুনা ভালকৈ কৰিব পৰা নাই বুলি লিখিছে। পৰীক্ষা আকৌ পিছুৱাৰ পাৰে। অঞ্জনাৰ মন বেয়া। সেয়ে ঘৰলৈ গুচি অহাৰে তেওঁৰ ইচ্ছা। তাতে আৰু এটা কথা হ'ল বুলি সুধাংশু বৈ গ'ল।

—কি কথা? মানসীয়ে উধাতু খাই সুধিলে।

—মইতো নাজানো অঞ্জনা ছাৰৰ ঘৰত আছে বুলি।

—আমি ভাবি আছোঁ তোমাক খবৰটো দিব লাগে বুলি কিন্তু তুমি ক'ত আছা সঠিককৈ নাজানো কাৰণেই খবৰটো দিব পৰা নাই।

—সেইটো একো কথা নহয়। বিশেষ কথা হ'ল—মই বিছাকপৰি-পৰা ছাৰলৈ এখন চিঠি দিছিলো—মোৰ কামৰ কথা লিখি। চিঠিখনত বাগিচাখনৰ ভিতৰুৱা কথা অলপো লিখিছিলো। সেই কথা জানি অঞ্জনাই ভয় খাইছে নেকি?

—ভয় খাব লগা কথা কিবা লিখিছিলা তুমি? ডাঃ হুৱৰাই গহীনাই সুধিলে।

—তেনেকৈ লিখা নাছিলো। অৱশ্যে ককাই আমাৰ নিৰাপত্তাৰ কাৰণে চিন্তা কৰিছে বুলি লিখিছিলোঁ।

—তেনেহ'লে অঞ্জুৱে ভয় খাবই। মানসীয়ে ক'লে।

—সেইটো অঞ্জনাৰ কথা অৱশ্যে।

—তোমালোকৰ নিৰাপত্তাৰ কথাটো কৃপা কাকতিয়েই বা কিয় চিন্তা কৰিব লগা হ'ল? তোমালোকৰ প্ৰজেক্টৰ কামত বাগিচাৰ মজদুৰসকল কিবা কাৰণে অসন্তুষ্ট হোৱা নাইতো? চিন্তান্বিত হৈ ডাঃ হুৱৰাই সুধিলে।

—নাই, নাই। আমাৰ প্ৰজেক্টৰ কামত মজদুৰসকলে একো বেয়া পোৱা নাই। আপুনি মহা, সেই বিষয়ে নিশ্চিন্ত থাকক। মজদুৰসকলৰ

অসন্তুষ্টিৰ কাৰণ বহুদিনীয়া। সেইবিলাক কথা বহলাই আপোনালোকক ক'ব লাগিব। এতিয়া মই আগতে হাত-মুখ ধোঁও আৰু চাহ একাপ খাওঁ। মই হানচ'ৰা বাগিচাৰ পৰা বাহিৰে বাহিৰে ইয়ালৈ আহিছোঁ।

সুধাংশু বহাৰ পৰা উঠিল লগে লগে।

—এস্, বৰ লাজ পাইছোঁ দেই সুধাংশু। ব'লা, ব'লা ভিতৰলৈ।

মানসীয়ে কোৱাৰ লগে লগে ডাঃ ডুৱৰায়ো মাত দিলে, "তোমাক পাই আমাৰ ইমান ভাল লাগিছে যে তোমাৰ খোৱা-বোৱা সকলো কথা পাহৰিলো।"

—তাৰ বাবে নিজকে ধন্য মানিছোঁ মহা।

হাঁহি হাঁহি সুধাংশু মানসীৰ লগত অজনাৰ কোঠাটোত সোমালগৈ। মানসীয়ে লৰালৰিকৈ গা ধোৱা ঘৰত টাৱেল এখন দি আহি ক'লে, "যোৱা সুধাংশু, হাত-মুখ ধোৱাগৈ। মই তোমালৈ চাহ-জলপান লৈ আহোঁ।"

আনক গৈ মাহুমাহী। মোৰ ভীষণ ভোক লাগিছে।

—বুজিব পাৰিছোঁ বুলি মানসী লৰালৰিকৈ কোঠাটোৰ পৰা ওলাই আহিল।

টেবুলত মানসীয়ে যা-জলপান যতনালে। ডাঃ ডুৱৰা ওচৰতে বহি আছিল। হাত-মুখ ধুই সুধাংশুৱে ওলাই আহি ক'লে, "মাহুমাহী, অঞ্জনা নাই যে ঘৰটো বিণ্ডা বিণ্ডা লাগিছে।

—ঘৰটো নে মনটো? ডাঃ ডুৱৰাই ধেমালিৰ সুৰত সুধিলে।

—নিশ্চয় মনটো।

হাঁহি হাঁহি সুধাংশু চকী এখনত বহি পৰিল। মানসীৰ কালে চাই তেওঁ ক'লে, "দেখিছে মাহুমাহী, মহায়ো মোক জোকাবলৈ আৰম্ভ কৰিছে।"

—আৰু নোজোকাওঁ। খোৱা বাৰু এতিয়া।

—খাওঁ।

সুধাংশুৱে কৰ্ণফ্লেক্সৰ বাতিটোত মালভোগ কল এটা ভাঙি

ডোখৰকৈ দি ল'লে আৰু তৃপ্তিৰে খাবলৈ আৰম্ভ কৰি ক'লে, 'যি ভোক লাগিছে, আজি আৰু গাখীৰৰ বস্তু ফিৰাই দিয়াত নাই।'

—লবালৰিকৈ এনেকৈয়ে লৈ আহিছোঁ।

মানসীয়ে সুধাংশুলৈ চাই ক'লে।

—খাই ভাল লাগিছে মামুমাহী।

—সুস্বাস্থ্যৰ কাৰণে মাজে মাজে মুখত বেয়া লগা বস্তু খাব লাগে।

ডাক্তৰৰ অভিমতত মানসী আৰু সুধাংশুৱে একেলগে হাঁহিলে। কাঞ্চীয়ে তিনি কাপ চাহ আৰু অলপ বিস্কিট ট্ৰে এখনত লৈ আহিছে। কাঞ্চীৰ হাতৰ পৰা ট্ৰেখন নিজৰ হাতত লৈ মানসীয়ে ক'লে, 'সুধাংশু, এয়া আমাৰ কাঞ্চী। অঞ্জুক সৰুৰে পৰা এওঁ চোৱা-চিতা কৰিছে। যোৱাবাৰ তোমাৰ আগত নোলাল লাজতে।'

—মোৰহে লাজ লাগিব লাগিছিল। কথাষাৰ কৈ সুধাংশুৱে কাঞ্চীৰফালে চাই ৰ'ল।

—সুখে থাকক বাবা। অঞ্জুমণি কিবকম আছে?

মাতৃসুলভ সৰলতাৰে কাঞ্চীয়ে মনৰ ভাব প্ৰকাশ কৰিলে।

—তেওঁ গুৱাহাটীৰপৰা অহা নাই নহয়।

মানসীয়ে কাঞ্চীক শুধৰাবলৈ যত্ন কৰিলে যদিও সুধাংশুৱে লবালৰিকৈ ক'লে, 'মই খবৰ পাইছোঁ। আপোনাৰ অঞ্জুমণি ভালে আছে দিদি।'

—ঠিক আছে।

লাজ লাজ ভাবেৰে কাঞ্চীয়ে ট্ৰেখন তুলি লৈ লাহেকৈ গুচি গ'ল।

চা-জলপান খোৱাৰ পিছত সুধাংশুৰ অলপ ভাগৰ লগা যেন লাগিল। ডাঃ হুৱৰাৰ ফালে চাই তেওঁ ক'লে, মহা, মই অকণমান পৰ জিৰাই লওঁ। তাৰ পিছত আপোনালোকৰ লগত বাগানৰ বিষয়ে কথা পাতিম। আপুনিতো এতিয়া ওলাই নাযায়?

—নাযাওঁ। কালিলৈ তুমি ইয়াত আছা নহয়?

—কালিলৈ পুৱাই ইয়াৰ পৰা ওলাই যাম প্ৰজেক্টৰ কামত হানচৰা বাগিচালৈ। তালৈকে ছাত্ৰ দুজনো আহিব। সেইদৰে ঠিক কৰি

থোৱা হৈছে। প্ৰজেক্টৰ কামৰ ফাকে ফাকেহে নিতান্ত প্ৰয়োজনীয় ব্যক্তিগত কামবোৰ ৰখা হৈছে।

—হ'ব তেন্তে। তুমি জিৰাই লোৱা।

—ব'লা সুধাংশু ভিতৰলৈ। মই তোমাৰ বিচনাখন জাবি-জোকাৰি দিওঁ।

—নালাগে মানুমাহী আপুনি যাব। মই পাৰিম সেইখিনি কৰি ল'ব।

সুধাংশু আকৌ অঞ্জনাৰ কোঠাটোত সোমাল। ইফালে-সিফালে চাই ৰ'ল অলপ সময়। হঠাতে, একাষে অৰগেনটো দেখা পালে। মনৰ আনন্দত ওচৰত থকা চকীখনত বহি সুধাংশুৱে অৰগেনটোৰ ওপৰত আঙুলি বুলাবলৈ ধৰিলে। ক'ব নোৱৰাকৈ কেওঁৰ কণ্ঠৰ পৰা গীত এটি ওলাই আহিল গভীৰ সুৰত—

'তোমাৰি নাম ব'লব নানা ছলে

ব'লব একা বসে আপন মনেৰ ছায়াতলে।'

আপোনপাহৰা হৈ গানটো শেষ কৰি সুধাংশুৱে দেখিলে ডাঃ দুৱৰা আৰু মানসী কোঠাটোত বহি আছে নীৰৱে। সুধাংশু উঠি আহিব খোজাত ডাঃ দুৱৰাই ক'লে, উঠিছা কিয়া? গোৱা।

—হ'ল মহা মোৰ গান গোৱা। যোৱাবাৰ আহোতে ভীষণ ব্যস্ততাৰ মাজত অৰগেনটো দেখাই নাছিলো মানুমাহী। দেখা হ'লে অঞ্জনাৰ পৰা গান শুনিব পৰা গ'ল হয়।

—এতিয়াও শুনিব পাৰিবা, নিজেও শুনাব পাৰিবা।

—কথাটো হয়।

সুধাংশুৱে শান্তিৰ আৱেশত কোমলকৈ হাঁহিলে।

সুধাংশুৰ গীতৰ গভীৰ সুৰত ডাঃ দুৱৰা স্তব্ধ হৈ পৰিছিল। সুধাংশু উঠি আহি বিছনাখনত বহিলত ডাঃ দুৱৰাই ক'লে,—তুমি তেনে জিৰোৱা এতিয়া সুধাংশু।

—জিৰোৱা হ'ল মহা। গান গাই অলপ জিৰাই ল'লো।

—তোমাৰ জিৰণিৰ নিয়মটোও বৰ সুন্দৰ দেখোঁ?

সুধাংশুৱে হাঁহিলে। তাৰ পিছত লাহেকৈ ক'লে,—কথা পাতিব পৰা হৈছোঁ মহা। কালিলৈ সময় নহ'ব। আজিকেতই শেষ কৰোঁ।

—মই অলপ আহিছোঁ ৰান্ধনি ঘৰৰপৰা। তোমালোকে কথা পাতা। মই আহিম আকৌ।

মানসীয়ে সুধাংশুৰ ফালে চাই ক'লে।

—আজি নিশ্চয় পাভ মাছ নাই নহয় মানুমাহী?

—নাই।

হাঁহি হাঁহি মানসী ওলাই গ'ল। সুধাংশুৱে বিছনাখনত পোন হৈ বহি ক'লে,—মহা শুনক।

—অঁ, কোৱাচোন কি হৈছে চাহ-বাগনাত।

—আপোনালোকেতো জানেই ককাই গগন বৰুৱা নামৰ অস্থায়ী মেনেজাৰ এজনক নিজৰ ঘৰতে ৰাখিছিল। সেই তথাকথিত ভদ্ৰলোক-জনৰ আচলতে মেনেজাৰ হ'ব পৰা যোগ্যতা নাই। আনহাতে, মানুহজনৰ জঘন্য চৰিত্ৰই বনুৱাসকলক যথেষ্ট উত্তেজিত কৰিছে। সেই বনুৱাসকলে এতিয়া ককাৰ ওচৰত দাবি তুলিছে—গগন বৰুৱাক বৰ্খাস্ত কৰিব লাগে। অন্যথা বনুৱাসকল ককাৰ বিৰুদ্ধে যাব। মাজ ৰাতি মাজে মাজে উদভ্ৰান্ত বনুৱাসকলে ককাক সেই দাবি জনাবলৈ আহি এটা হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে। তেনে অৱস্থাতহে ককাই আমাৰ নিৰপত্তাৰ বাবে ভাবিব লগা হৈছিল।

তোমালোকেতো অসুবিধা একো পোৱা নাই এতিয়ালৈকে?

—নাই পোৱা। কিন্তু ইতিমধ্যে মোৰ লগৰ ছাত্ৰ দুজনক ডিব্ৰুগড়লৈ পঠাই দিছোঁ। তাৰপৰা আহি আহি তেওঁলোকে প্ৰজেক্টৰ কাম কৰি আছে।

এইবাৰ ডাঃ দুৱৰাই অলপ গহীন হৈ কিবা এটা ভাবি উঠি ক'লে,—অসুবিধা ভৱিষ্যতে হ'ব পাৰে যদিও এতিয়ালৈকে হোৱা নাই।

—বনুৱাসকল মানৱীয় মৰ্যাদাৰ প্ৰতি সচেতন হৈছে যে সেইটো বুজিব পাৰি।

—সেই কাৰণেই বনুৱাসকলে নিজৰ দাবি পূৰণ কৰিবলৈ খুঁজিব।

বনুৱাৰ কিছুমান দাবি মানি নল'লে আজিকালি মালিকসকলৰ অসুবিধা আছে।

—ঠিক এই কথাটোকে মই ককাক কৈছো। অৱশ্যে, সেই অসুবিধাৰ কথা ককাই একেবাৰে বুজি নোপোৱা নহয়। আনফালে, বনুৱাসকলে বিচৰামতে দাবি পূৰণ কৰিবলৈও ককাৰ আন কিছুমান অসুবিধা আছে। সেয়ে, দুয়ো পক্ষৰ মাজত বুজাবুজিৰ প্ৰয়োজন।

—হৈছেনে বুজাবুজি কিছু দুয়ো পক্ষৰ ?

—সিদিনা সভাখনত কিবা এটা হ'ল হয় কিন্তু সভাখন স্থগিত কৰা হ'ল।

—নিশ্চয় ভিতৰুৱা কাৰণ আছে সভাখন স্থগিত কৰাৰ ?

—আছে, আছে। সেই বিষয়ে মই ভাবিব লগাও হ'ল। মজদুৰ ছাত্ৰসকলে মোকো সভাখনলৈ নিমন্ত্ৰণ কৰিছিল। বাগিচাৰ সমস্যাটো সমাধান কৰিব পৰা হ'লে ময়ো সকাহ পালোহেঁতেন।

—কিন্তু যি কাম কৰিবা সাৱধানে কৰিবা।

—আপুনিও কিবা আশংকা কৰিছে মহা ?

—বিপদ হ'বলৈ কিমান সময় লাগে ?

তেওঁলোকৰ কথাৰ মাজতে মানসী ঘপহকৈ ওলালহি। ডাঃ দুৱৰাক উদ্দেশ্য কৰি তেওঁ ক'ল,—অঞ্জুৱে ফোনত আপোনাক বিচাৰিছে।

—ভালেই হ'ল। ব'লা সুধাংশু। অঞ্জুক তোমাৰ কিবা ক'ব লগা থাকিলে ক'ব পাৰিবা।

কথাৰ লগে লগে দুয়ো গৈ ভিতৰৰ কোঠা এটাত থোৱা ফোনটোৰ ওচৰ পালেগৈ। ডাঃ দুৱৰাই ফোনটো উঠাই ল'লে।

—হেলো, অঞ্জু নেকি ? ক, কি কবি। হয় নেকি ? পৰীক্ষা পিছুৱালে ? ঘৰলৈ আহিবি নেকি ? থাকিব খুজিছ ? থাক। একোতো অসুবিধা নাই ? সুধাংশু ? তেওঁ এয়া মোৰ ওচৰতে বৈ আছে। অঁ। আজি সন্ধিয়া পাইছেহি। তই সুধাংশুৰ লগত কথা পাত।

ডাঃ দুৱৰাৰ নিৰ্দেশ ক্ৰমে সুধাংশুৱে ফোনটো ধৰিলে।

—হেলো? অঞ্জনা? অঁ, মই কালি তোমাৰ চিঠি পাইছোঁ। মহাইঁতে কিন্তু তোমাৰ চিঠি পোৱা নাই। মই কৈছোঁ—পাব। অ' ভয়ৰ কাৰণ একো নাই। মোৰ কাৰণে চিন্তা কৰিব নালাগে। পঢ়া-শুনা কৰি যোৱা। গো এহেদ। আহিব নালাগে, পৰীক্ষাৰ নতুন তাৰিখ দিলে জানো? নাইদিয়া নহয়? তাৰিখ দিয়ালৈকে অপেক্ষা কৰা। মই? দুদিনমানৰ পিছত এবাৰ ঘৰৰপৰা আহিমগৈ বুলি ভাবিছোঁ: অঁ। মাৰ লগত অলপ দৰকাৰী কথা পাতিব লাগে। অঁ অঁ। মালৈ লিখিছোঁ সকলো কথা—আঙঠি পিন্ধোৱালৈকে। মাই? মাই ভাল পাইছে নিশ্চয়। বাগিচালৈ? কালিলৈ পুৱা যাম। অঁ। বাগিচাত বৰ সুন্দৰ কাম হৈছে। বাৰু এটা কথা। তুমি ছাৰক সকলো খবৰ দিছা নহয়? হ'ব তেন্তে। ফোন ক'ৰপৰা কৰিছা? অ' চেক্ৰেটেৰীৰ ঘৰৰপৰা। অ' তেখেত নাই এতিয়া। হ'ব তেন্তে। মহাক দিছো।

ডাঃ দুৱৰাই ফোনটো ল'লে।

—হেলো, ক। থাক তেন্তে। অঁ। বাকী খবৰ ভাল। কিবা অসুবিধা হ'লে লগে লগে খবৰ দিবি। থওঁ তেনে?

ডাঃ দুৱৰাই ফোনটো থোৱাৰ পিছতে সুধাংশুৱে ক'লে,—মানুমাহীয়ে অঞ্জনাক কিবা ক'লে হয় নেকি?

—ইস্, তেওঁহে নোকোৱাকৈ আছে। তেওঁ সকলো কথা শেষ কৰিহে নিশ্চয় মোক মাতিবলৈ গৈছে।

দুয়ো হাঁহিলে। হাঁহি উঠি ডাঃ দুৱৰাই সুধাংশুৰ ফালে চাই ক'লে, —ব'লা আমি ড্ৰয়িং ৰুমতে বহোঁগৈ।

—ব'লক।

ড্ৰয়িং ৰুমত বহি সুধাংশুৱে আৰম্ভ কৰিলে,

—আপুনি মহা কেনেকুৱা বিপদৰ কথা ভাবিছে কওঁকচোন।

—কথা হ'ল, আজিকালি চাহ-বাগিচাৰ বনুৱাসকলে তেওঁলোকৰ তথাকথিত হিতৈষীসকলক বিশ্বাস কৰিব নোৱাৰা হৈছে। কেনেকৈ

বিশ্বাস কৰিব যেতিয়া হিতকৰ কামৰ নামত ইমান সুবিধা লোৱাৰ ব্যৱস্থা ? বিদেশীৰ ৰাজত্ব-কালত অকল ব্ৰিটিছ পুঁজিপতি সকলেই একচেটিয়াভাৱে অসমত চাহ খেতি কৰিছিল। চাহ-বনুৱাসকল সেই কালছোৱাত আছিল ক্ৰীতদাসৰ দৰে। তেওঁলোকৰ ওপৰত তেতিয়া দেখাদেখিকৈয়ে বহু ধৰণে শোষণ চলিছিল। কিন্তু, দুখৰ বিষয়—স্বাধীন ভাৰতত আজিও চাহ-বনুৱাৰ দুখ-কষ্টৰ শেষ নহ'ল। আনহাতে বনুৱাৰ উন্নতিৰ নামত আইন প্ৰণয়নো নোহোৱাকৈ থকা নাই। কিন্তু, কাৰ্যক্ষেত্ৰত আইনৰ সা-সুবিধা কাগজতে আছে। বনুৱাসকলে সেই সুবিধা তেনেকৈ ভোগ কৰিবলৈ পোৱা নাই।

—চাহ বনুৱাৰ ওপৰত কেইবাখনো আইন প্ৰণয়ন হৈছেতো। সেইমতে বনুৱাসকলৰ শ্ৰমৰ সময় হ্ৰাস কৰা হৈছে, মজুৰি বঢ়োৱা হৈছে। শিক্ষা প্ৰচাৰৰ কাৰণে স্কুল আদিৰ সুবিধা দিয়া হৈছে। মহিলা শ্ৰমিকসকলৰ ক্ষেত্ৰত শিশুপালনৰ বাবে নতুন আইন কৰা হৈছে। সেইবিলাক আইনৰ সুবিধা আচলতে মজদুৰসকলে নাপায়নে ?

—অঁ। কিছু নোপোৱা নহয়। কিন্তু, আজি প্ৰায় চাৰিটা দশকত স্বাধীনোত্তৰ দেশীয় শাসকৰ তলত বাগিচাৰ বনুৱাসকলক ঘাইকৈ ভোট-বেংক হিচাপেহে গণ্য কৰা হৈছে। এই উদ্দেশ্যৰ কাৰণে বনুৱাসকলক অলপ আগবঢ়াই নিদিলেও নহয় যে। দুখৰ কথা— ৰাজনৈতিক দল আৰু ট্ৰেড ইউনিয়নৰ বেছিভাগেই নিজৰ নিজৰ স্বাৰ্থত মালিকসকলৰ দালালি কৰাত ব্যস্ত। বিদেশী কোম্পানীৰপৰা দেশীয় ব্যৱসায়ীসকলে কিনি লোৱা বহু বাগিচাতে আজি শোচনীয় অৱস্থা আহি পৰিছে। আৰু লগতে এই বাগিচাসমূহত মালিকৰ প্ৰতি বনুৱাৰ আগৰ দিনীয়া আনুগত্য নোহোৱা হৈছে। ফলত চাহ-বাগিচাত নানা ধৰণৰ উপদ্ৰৱ, যেনে—মাৰধৰ, ডকাইতি, হত্যাকাণ্ড আদি চলিছে।

—দেশীয় মালিকসকলে চলোৱা চাহ-বাগানৰ শোচনীয় অৱস্থাটোৰ মূল কাৰণ কি বুলি ভাবে বাৰু ?

—বাগিচাৰ আৰ্থ-সামাজিক দিশত বিশেষ সুব্যৱস্থাৰ সৃষ্টি কৰিব

নোৱৰাটোৱেই হ'ল মালিকসকলৰ দুৰ্বলতা। ব্ৰিটিছ-পুঁজিপতিৰ দৰে এওঁলোকেও বেছিভাগ ক্ষেত্ৰত নিজৰ মুনাফাৰ প্ৰতিহে সজাগ। অসমৰ আৰু চাহ বাগানৰ অৰ্থনীতিৰ ক্ষেত্ৰত এওঁলোকৰ অৰিহণা নিচেই কম। এনেধৰণৰ মালিকৰ দুৰ্বল পৰিচালনাই হ'ল বহু বিভ্ৰাটৰ মূল কাৰণ। তোমালোকে প্ৰজেক্টৰ কামৰ মাজত মন কৰিলেই দেখিবলৈ পাবা— বাগানে বাগানে বনুৱাসকলৰ সাধাৰণ জীৱন-যাপনৰ নিৰাপত্তা, শিক্ষা, স্বাস্থ্য আদি গণতান্ত্ৰিক অধিকাৰৰ ক্ষেত্ৰত যে কিমান কাম কৰিব লগা আছে। বনুৱাসকলৰ ওপৰত কিমান জোৰ-জুলুম। ডাঙৰ কথা হ'ল হতাশাগ্ৰস্ত বনুৱাৰ একাংশই এতিয়া নানা ধৰণৰ অসামাজিক কৰ্মত লিপ্ত হ'বলৈও বিচাৰে। আওপকীয়াকৈ মজদুৰসকলক উচতুৱাও হয় অপকৰ্মত লিপ্ত হ'বলৈ। ফলত বাগানৰ পৰিৱেশ সুষ্ঠ হৈ থকাত অসুবিধা হৈছে।

—কথাটো মই সেই দৃষ্টিৰে বিশ্লেষণ কৰি ভাবিবলৈ চেষ্টা কৰিছো মহা! ককাৰ ঘৰত এই বিষয়ে পঢ়া-শুনা কৰিবলৈ কিতাপ-পত্ৰ আৰু বাগিচাসমূহৰ ঐতিহাসিক, আৰ্থিক আৰু সাংস্কৃতিক দিশৰ ওপৰত বহু প্ৰবন্ধ-পাতি আছে। কিন্তু, অকল পঢ়িলেইতো নহ'ব। মজদুৰসকলৰ লগত পোনপটীয়াকৈ কথা-বতৰা হ'ব নোৱাৰিলে, তেওঁলোকৰ মনৰ কথা ধৰিব নোৱাৰি।

—আচলতে বিশ্বাসঘাটকৰ মাজত থাকি থাকি শ্ৰমিকসকলে আন মানুহকো অবিশ্বাস কৰা হৈছে। সেয়ে কৈছো তোমাক অলপ সাৱধানে থাকিবলৈ।

—মোকো তাৰমানে ভুল বুজাৰ আশংকা আছে?

—নিশ্চয়। তাতে আজিকালি বাগানবোৰত সন্ত্ৰাস সৃষ্টি কৰা এদল মানুহো ওলাইছে।

—হয় কথাটো। তেলে উমান বাগানত পাইছো মহা।

—তেন্তে?

—ইমান আৰু ভাবিব নোৱাৰি।

—তুমি নাভাবিলেও অঞ্জুৱে ভাবিব। আমি ভাবিম।

—তুয়ো হাঁহিবলৈ ধৰিলে। তাৰ মাজতে মানসীয়ে ক'লেহি, ভাত দিছোঁ আহক আপোনালোক। আহা সুধাংশু।

—বলক মহা।

—ব'লা।

## উনৈশ

আগতে ঠিক কৰি থোৱা মতে সুধাংশু ৰয় ডিগবৈৰ পৰা হানচৰা বাগিচা পালেগৈ। বাগিচাৰ কলঘৰটোৰ ওচৰ পাই দেখিলে—তেওঁৰ ছাত্ৰ-কৰ্মী ৰবীন শইকীয়া আৰু অৰবিন্দ চৌধুৰী নিৰ্দিষ্ট ঠাইত বৈ আছে। এই ঠাইখিনি এটলীয়া এটা টিলা। ওপৰলৈ উঠি যোৱা বাটটো অলপ পকোৱা। কলঘৰটোৰ ওচৰৰ পৰা এফালে চালে দেখা যায় তলেদি এখন সৰু খৰস্ৰোতা নৈ বৈ গৈছে। আনফালে আছে বাগানৰ বনুৱাসকলে বাস কৰা শাৰী শাৰী খেৰৰ ঘৰ। কলঘৰটোৰ এমূৰে বাগানখনত কাম কৰা বাবুসকলৰ কেইটামান টিণৰ ঘৰো চকুত পৰে। আগতে তুদিন সুধাংশু ৰয় প্ৰজেক্টৰ কামত হানচৰা বাগিচালৈ আহিছে। সেই তুদিনত বাগিচাৰ মেনেজাৰজন আৰু তুজনমান চকীদাৰৰ লগত চা-চিনাকি হৈ সুধাংশু ৰয়ে ওপৰে ওপৰে বাগিচাখনৰ মাথোঁ থূল-মূল ধাৰণা এটাহে ল'ব পাৰিছে। কিন্তু ইয়াৰ বনুৱাসকলৰ জীৱন-যাত্ৰাৰ ভিতৰ চ'ৰালৈ সোমাব পৰা নাই। আজি ছাত্ৰ তুজনক লগত লৈ সুধাংশু ৰয়ৰ হানচৰা বাগিচাত সোমোৱাৰ কথা ঠিক কৰা আছে। সেই উদ্দেশ্যেৰে আহি থাকোতে সুধাংশুৱে তলৰ পৰাই ছাত্ৰ তুজনক দেখিলে। মনৰ আনন্দত তেওঁ কোবাকুবিকৈ আহি ছাত্ৰ তুজনৰ ওচৰ পালেহি।

—তোমালোক ইয়াতে মোলৈ বহু সময় বৈ আছানেকি?

—আমি আহি পোৱা আধাঘণ্টামান হ'ল ছাৰ। আপুনি পোনে

পোনে বিছাকপিলৈ গ'লগৈ বুলি চিন্তাই কৰিছিলো। ৰবীন শইকীয়া নামৰ ছাত্ৰজনে ক'লে।

—চিন্তা কৰিবলগীয়াতো একো নাই। ব'লা আজি লাইনলৈ যাওঁ। তাতনো আচলতে কি চলে অলপ খবৰ লওঁগৈ।

ৰ'ব ছাৰ। কথা এটা শুনিছোঁ বুলি চৌধুৰীয়ে শইকীয়াৰ মুখৰ ফালেহে চালে।

—কি কথা? সুধাংশু বয়ে কপাল কোঁচালে।

—বিছাকপি বাগিচাত বোলে কালি ৰাতি মজদুৰসকলৰ মাজত বৰ ডাঙৰ গণ্ডগোল এটা চলিছে।

– কেনেকুৱা?

—দুটা পক্ষৰ মাজত মাৰধৰ।

—অঁ। চাহবাগিচাততো সেইবিলাক হৈয়ে থাকে। কোনে দিলে তোমালোকক খবৰটো?

—কালিৰ সেই লাইন চকীদাৰ দুজনে।

—চকীদাৰ দুজন আহিছিল?

—আহিছিল। তেওঁলোক গৈ কলঘৰত সোমাইছে। আমাকো তালৈকে যাবলৈ অনুৰোধ কৰি গৈছে। আমি নোযোৱালৈকে তেওঁলোক তাত থাকিব।

—ব'লা তেন্তে যাওঁ।

—আৰু এটা কথা। আপোনাক বিচাৰি ডুমডুমা কলেজৰ মজদুৰ ছাত্ৰ দুজনো আহিছিল।

—পিছে?

—আপোনাক নাপাই তেওঁলোক গ'লগৈ। আকৌ আহিব। আমি তেওঁলোকক ৰ'বলৈ কৈছিলো। কিন্তু, ৰ'ব নোৱাৰিলে। তেওঁলোকৰ কিবা জৰুৰী কাম আছে। আপোনাক লগ পাবলৈ ছাত্ৰ দুজন আকৌ ঘূৰি আহিব।

—আমাৰো লাইনৰ কাম আজি শেষ কৰো বুলি ভাবিছিলো।

—তথাপি আমি অলপ ৰওঁ ছাৰ। কিজানিবা তেওঁলোক কোঁপাই-

জোপাই আছিছিল। আমাক তেওঁলোকে একো ক'ব নোখোজা দেখি ভাবিব লগাহে হ'ল।

—ভাবিব লগা একো নাই। আকৌ মজদুৰ সভাৰ আয়োজন কৰিছে চাগে।

—হ'ব পাৰে।

—তোমালোকে ৰ'বলৈ কৈছা যেতিয়া, ৰওঁ তেন্তে অলপ সময়।

—বোৱা ভাল হ'ব ছাৰ।

—অৰবিন্দ চৌধুৰীয়ে কথাটোত জোৰ দিলে।

—বাৰু, তোমালোক ইয়াতে থাকা। মই ঘূৰি আহিছোঁ। দূৰলৈ নাযাওঁ, দেখাতে থাকিম।

—আমি আছোঁ। আপুনি যাওক ছাৰ।

সুধাংশু সমুখৰ আৰু অলপ ওখ ঠাইত থিয় হ'ল। তেওঁ মুকলি মনেৰে আকাশলৈ চাই ৰ'ল। চাহনিৰ মাজত বৰ্ষাৰ প্ৰকৃতি অপৰূপ হৈ উঠিছে। আকাশত দূৰে দূৰে চপৰা-চপৰ মেঘ। তাৰ মাজেদি সৰকি অহা ৰ'দে ছাঁ আৰু পোহৰৰ সতে যেন উমলি আছে। বৰষুণ আহেঁা আহেঁা কৰিছে যদিও বৰষুণ হোৱা নাই। তলেদি বৈ যোৱা নৈখন বাৰিষাৰ পানীৰে ওকোন্দি উঠিছে, কিন্তু নৈৰ পানী বাগৰি যোৱা নাই। পাৰত বাগানৰ কিশোৰী ছোৱালী কেইজনীমানৰ কাপোৰ ধোৱাত কি যে উলাহ! কেইজনমান ডেকা ল'ৰাই নদীত নাদুৰি সাঁতুৰি ৰং-ৰহইচ কৰি আছে। পানীৰপৰা মূৰ উলিয়াই উলিয়াই ছোৱালীকেইজনীক ইটো-সিটো সুধিছেও। তাৰ পিছতে পাৰত হাঁহিৰ খলক! সৰু সৰু ল'ৰা-ছোৱালী এমখাই নৈৰ কাষেদি লৰৰি-ঢাপৰি ফুৰিছে। একোবাৰ বাঢ়নী পানীত নামিব খুজিলে ছোৱালীকেইজনীয়ে সিহঁতক কৰ্তৃত্ববোধেৰে বাধা দিয়া দেখা গৈছে। চাই চাই সুধাংশু বিভোৰ হ'ল। বাগানৰ কৰ্মব্যস্ত বনুৱা দুজনে কাষেদি গৈ থাকোতে সুধাংশুক নমস্কাৰ জনালে। পাৰ হৈ যাব খোজোতে বনুৱা দুজনক সুধাংশুৱে মাত দিলে, ৰ'বাচোন, তোমালোকক কথা এটা সোধো।

—কি বাবু?

—তোমালোকৰ বাগানত বাৰু ল'ৰা-ছোৱালীৰ স্কুল কেইখন আছে?

—আছে একটা। থাকিলে কি হ'ব! বাচ্ছা বিলাক বেছি নাযায় তাতে।

—কিয়?

গৰিব মানুহৰ বাচ্ছাই লেখা-পঢ়া কৰিলে চলিব কি কৰি?

—গৰিব কাৰণেতো পঢ়িব লাগে।

মজদুৰবিলাকৰ দুইবেলা ভাত খোৱাতে মুস্কিল। তাতে, বাচ্ছা-বিলাকৰ বহী-কিতাপ কিনিবলৈ ক'ত খৰচা ওলাব বাবু?

—তোমালোক কামলৈ গ'লে, তোমালোকৰ ল'ৰা-ছোৱালীয়ে কি কৰে?

—কি কৰিব? খেলা-ধূলা কৰি ঘৰতে থাকে। নাতো, ইধাৰ উধাৰ কৰি ঘূৰি ফুৰে।

স্কুললৈ তথাপি নাযায়।

—যায় দুই-একটা।

—বাৰু, তোমালোকক আৰু এটা কথা সোধো।

—কি বাবু?

—কালি বিছাকপি বাগানত কিবা গণ্ডগোল হৈছে বোলে?

সুধাংশুৰ প্ৰশ্ন শুনি বনুৱা দুজনে প্ৰথমতে থতমত খালে। অলপ বৈ শেষত এজনে ক'লে, হাল্লা লাগিছেতো।

—কিয়?

—বাগানৰ এটা জোৱান লেড়কীক ভাগাই নিব আহিছিল গুণ্ডাবিলাক। সেইকাৰণে।

—কোন ছোৱালী জানানে?

—নাজানো বাবু।

এজনে কোৱাৰ লগে লগে আনজন বনুৱাই ইফালে-সিফালে চাই সক মাতেৰে ক'লে, বাবু, নামটো তাৰ ফুলমণি। তাৰ মাকটোক কালি ৰাতি গুণ্ডাই চুৰি মাৰিছে। মাইকীটো মৰা নাই। তবে তাক হস্পিতেলত ৰাখিছে। আপুনি গগন চাহাবক জানে?

—নাপাওঁ চিনি। কিয় সুধিলা ?

—গগন চাহাবক আমাৰ মানুহে বিচাৰি ফুৰিছে, কিন্তু পোৱা নাই।

ইজন মজদুৰে লগে লগে ক'লে, আমি যাওঁ দে বাবু। এই চব কথা ক'লে আমাৰ পিছতো গুণ্ডা লাগিব পাৰে।

—অ' তেনেকুৱা নেকি ? তেনেহ'লে যোৱা বাৰু।

মজদুৰকেইজন বেগাই গ'লগৈ। গহীন হৈ সুধাংশুৱে কিবা এটা ভাবিলে। আৰু ঘড়ীটোলৈ চালে। তেওঁ ছাত্ৰ দুজনৰ ওচৰলৈ ঘূৰি আহিল। ওচৰ পোৱাত অৰবিন্দ চৌধুৰীয়ে ক'লে, ছাত্ৰ দুজন এতিয়াও আহি নাপালে ছাৰ।

—নিজৰ কামত ব্যস্ত হৈ পৰিছে হয়তো আমিও আমাৰ কামত ওলাওঁ ব'লা।

—ব'লক ছাৰ। কলঘৰত সোমাই চকীদাৰ দুজনক আমাৰ লগত ল'ব লাগিব।

—হ'ব।

তেওঁলোক তিনিও কলঘৰটোৰ ফালে আগবাঢ়ি গ'ল। কলঘৰৰ বাহিৰৰ দুৱাৰমুখৰ ওচৰতে কেইবাজনো বনুৱা জুম পাতি বননিত বহি আছে। লাইন চকীদাৰ লচমনে কাষলতিৰ তলত লাঠিডাল থৈ হাতৰ তলুৱাত চুখা মোহাৰি আছিল। কাষতে, আনজন লাইন চকীদাৰ কৃষ্ণই আমোদজনক কথাৰে হাতৰ অংগী-ভংগী কৰি শ্ৰমিক-সকলৰ মাজত ৰগৰ তুলিছে। একোজন বনুৱাই হাঁহি হাঁহি আন এজনৰ গাত বাগৰি পৰিছে। লচমনে সুধাংশু বৰুক আহি থকা দেখি থতমত খালে। কোনোমতে মুখত চুখাখিনি গুঁজি লৈ লৰালৰিকৈ আহি সুধাংশুক নমস্কাৰ জনালে। লগে লগে, বনুৱাসকল থিয় হ'ল আৰু নিজৰ নিজৰ কামত দিহাদিহি গ'ল। সুধাংশুৱে দুয়ো চকীদাৰক ৰ'বলৈ ইংগিত দি বেগেৰে কলঘৰটোৰ ভিতৰলৈ সোমাই গ'ল। পিছে পিছে, ছাত্ৰ দুজনো আগবাঢ়িল। কলঘৰটোত ঘড় ঘড় শব্দ চলিছে কিন্তু ক্ৰমে সেই শব্দ চেৰ পেলাই চাহপাতৰ এটা তীব্ৰ গোন্ধ

সুধাংশুৰ নাকত সোমাল। শব্দ আৰু গোন্ধ মিহলি ভাব এটাই সুধাংশুৰ মনৰ ভিতৰত শিহৰণ তুলিলে। একোবাৰ সেই ভাবৰ এক অদ্ভুত ৰহস্যই কৌতূহলৰ জাল তৰিলে। সুধাংশুৰ দৃষ্টি ক'ব নোৱৰাকৈ চাৰিওফালে বিস্তৃত হ'ল। কলঘৰৰ বহল মজিয়াত কেইবাগৰাকী বনুৱা তিৰোতাই দ'ম দ'ম চাহপাত জাবি মোটা আৰু মিহি চাহপাত বেলেগে বেলেগে থৈ গৈছে। কাষতে, দহ-বাৰজন বনুৱাই হাতুৰিৰে কোবাই কোবাই সৰু আৰু ডাঙৰ বাকচত ভাগে ভাগে চাহপাত ভৰাইছে। বন্ধ বাকচ দেশ-বিদেশৰ বজাৰলৈ পঠোৱা হ'ব। সিহঁতৰ উদং ক'লাপৰা পিঠিবোৰত ঘামৰ টোপাল জিলিকি উঠা দেখা গৈছে। সুধাংশু আৰু অলপ আগবাঢ়ি কলঘৰটোৰ মূল অংশ পালেগৈ। এটা বৃহৎ যন্ত্ৰৰ পৰাই অবিৰাম চলি আছে শব্দৰ ঘৰ্ঘৰণি। বিশাল চাহবাগিচাৰপৰা টুকুৰিয়ে টুকুৰিয়ে কঢ়িয়াই অনা এটি কুঁহি দুটি পাত এই যন্ত্ৰৰ সহায়তে চেপি চেপি সেউজীয়া ৰং ক'লা কৰা হৈছে। এনে যন্ত্ৰ-ব্যৱস্থাৰ লগতে জাক জাক শ্ৰমিকে হাড় ভঙা শ্ৰম কৰে আপোন মজুৰি আৰু পুঁজিপতিৰ ফাওতে পোৱা মুনাফাৰ বাবে। যন্ত্ৰৰ লগতে যেন তাল মিলাই বনুৱাসকলে নিজকেও যান্ত্ৰিক কৰি পেলাইছে। মুখত তেওঁলোকৰ মাত বোল নাই। হক কথাত মতাৰ অধিকাৰো যেন শ্ৰমিকৰ কাঢ়ি নিয়া হৈছে। বনুৱাসকলৰ কাতৰ মুখ আৰু ক'লাপৰা হাত দেখি সুধাংশুৱে ভাবিলে—বাগিচাত এই অৱস্থাৰ সলনি নহবনে? ভাবি ভাবি কলঘৰটোৰপৰা সুধাংশু ওলাই আহিল।

দুৱাৰমুখতে লাইন চকীদাৰ দুজন বৈ আছিল। তেওঁলোকলৈ চাই সুধাংশুৱে ক'লে, ব'লা লচমন, আমি লাইনলৈ যাওঁ।

—ঠিক আছে বাবু।

কলঘৰটোৰ একাষেদি তেওঁলোক যাবলৈ ধৰিলে। বিপৰীত ফালৰপৰা ধুতি-পাঞ্জাবীৰে এজন আদহীয়া ভদ্ৰলোক আহি আছিল। তেওঁ সুধাংশুহঁতক দেখি বৈ গ'ল। মুখত তেওঁৰ কৌতূহলৰ ভাব ফুটি উঠিছে। সুধাংশু ৰয়ে ভদ্ৰলোকজনৰ চকুলৈ স্পষ্টভাৱে চালে।

সহজভাৱেই ভদ্ৰলোকজনে প্ৰশ্ন কৰিলে—আপোনালোক বিশ্ব-বিদ্যালয়ৰপৰা আহিছেনেকি ?

—হয়।

—মেনেজাৰৰ মুখত আপোনালোকৰ কথা শুনিলোঁ। কাম হৈছে নে বাৰু আপোনালোকৰ ?

—কৰি আছোঁ। আপুনি— ?

—মই এই বাগিচাৰে এজন চাকৰিয়াল। কলঘৰটোৰ তত্ত্বাৱধানত থাকোঁ। মোৰ নাম সৰ্বেশ্বৰ ভূঞা।

—কলঘৰটো ভিতৰ সোমাই আমি চালো।

—মই পুৱা পাঁচ বজাত আহি কলঘৰৰ কাম আৰম্ভ কৰোঁহি। ন-দহ বজাত ঘৰলৈ এবাৰ গৈ চাহ-জলপান খাই আহোঁ। আগতে নাজানিলো নহয় আপোনালোক আহিব বুলি। নহ'লে, মই আপোনালোকক কলঘৰটো ভালকৈ দেখুৱাব পাৰিলো হয়। অসুবিধা নহয় যদি বলক আৰু এবাৰ। তাতে চাহ একোকাপো খাব পাৰিব।

—ওলাই আহিছোঁ এতিয়া লাইনৰ ফালে যাম বুলি। আজি থাকক দিয়ক। আপোনাৰ ওচৰলৈ এদিন আহিব লাগিব। এটা কাম কৰিলে কেনে হয় ?

—কওকচোন।

—আপুনি আমাৰ লগত লাইনলৈ যাব পাৰিবনে বাৰু ?

—যাব পাৰোঁ। এতিয়া মোৰ বিশেষ কাম নাই কলঘৰত। এই বেলাতে মাইকীবোৰৰ চাহ জৰা কাম হৈ যাব। লগে লগে জৰা চাহপাত বাকচত ভৰাই পেলালে, আজিলৈ আমাৰ কাম শেষ। আপোনালোক লাইনত কিমান সময় থাকিব বুলি ভাবিছে ?

—যিমান সময় লাগে।

—আপোনালোকৰ খোৱা-বোৱা ?

—আমি দিনটোলৈ যি হয় খাই আহিছোঁ। মাজতে এবাৰ দোকানত চাহ খাই ল'ম।

এস, তেনেকৈ কেনেকৈ হ'ব? দুপৰীয়া ভাত সাজ সুদাই-নিকাই আমাৰ ঘৰতে খায় যদি বৰ ভাল পাম।

—আপোনাৰ ঘৰত ভাত খাবলৈ লোভ নলগা নহয়। কিন্তু, ভাত খালেই গা গধুৰ হয়নেকি।

—কিয় হ'ব? নহয়। মই বাৰু আপোনালোকৰ লগতে যাওঁ। অলপ সময় থাকি ঘূৰি আহিম। ঘৰত এটা খবৰ দি কলঘৰৰ কামখিনি শেষ কৰি পেলাম। আপোনালোক একমান বজাত আহি মোক ইয়াতে লগ ধৰিব। ইয়াৰ পৰা মোৰ ঘৰলৈ পাঁচ মিনিটৰ বাট। নহ'লে, পোনে পোনে মোৰ ঘৰলৈও যাব পাৰে। এই চকীদাৰ দুজনেই আপোনালোকক মোৰ ঘৰ দেখুৱাই দিব পাৰিব।

—আজি আৰু আমাৰ কাৰণে ভাতৰ যোগাৰ কৰিব নালাগে। আপোনাৰ ঘৰলৈ এবাৰ আহিম বাৰু। চাহকে খাম তেতিয়া।

—নহয়, নহয় সেইটো কেনেকৈ হ'ব? ভাত আপোনালোকে খাব লাগিব। লাগে মোৰ ঘৰতে অলপ জিৰাই লাইনলৈ আকৌ ওলাই আহিব।

—ব'লকচোন যাওঁ এতিয়া লাইনলৈ।

—ব'লক।

কলঘৰৰপৰা লাইনলৈ আলিবাটটো অলপ নামি যোৱা। কয়লাৰ গুৰা আৰু মৰং বালি মিহলাই আলিটো বন্ধোৱা। লাইন পোৱাৰ আগলৈকে বাটত বোকাপানী নাই। তাৰ পিছতে লাইনৰ বাটটো। ভিতৰফালৈ তিনি-চাৰিটা ঠেক, সৰু সৰু আলি আছে। লাইনৰ ভিতৰৰ আটাইকেইটা বাটেই ৰঙা মাটিৰ। ওখোৰা-মোখোৰাও। বৰষুণ হ'লে, আলতীয়া ৰঙা মাটিৰ বোকা হয়।

—এয়া আৰম্ভ হ'ল ৩ নম্বৰ লাইন। ১ নং আৰু ২ নং লাইন কলঘৰটোৰ সিটো ফালে মেনেজাৰৰ ঘৰৰ ওচৰৰ পৰা আৰম্ভ হৈছে। ৪ নং আৰু ৫ নং লাইন ইয়াৰ পিছতে মুখামুখিকৈ আছে। সেই লাইন পাব হ'লে এটা দ হোলা। তাৰ পিছতে ৬ নং আৰু ৭ নং লাইন। প্ৰথমতে আমি ৩ নম্বৰতে সোমাওঁ।

—হ'ব। আপুনি লগত অহাত আমাৰ বৰ সুবিধা হ'ল লাইন চোৱাত।

—আপোনালোকে ভালকৈ চাই গ'লে আমাৰো ভাল।

লাইনৰ ভিতৰলৈ সোমাই যাওঁতে সুধাংশু ৰয়ৰ চকুত পৰিল—কেইটামান গাহৰি গোৰ্বাৰভাৱে এঘৰৰ একাষে থকা জাবৰৰ গেৰেকনিলৈ গোঁ-গোঁকৈ গৈ আছে। লগতে সৰু পোৱালি-কেইটামানে গাখীৰ খাবলৈ বিচাৰি মাককেইজনীক বাৰে বাৰে আগুৰি ধৰিছে।

—এই গাহৰি শ্ৰমিকসকলৰ ?

—হয়। ভুঞাই শলাগিলে।

—মজদুৰসকলে গাহৰি পুহিছে নিজ খাবলৈনে ?

—গাহৰি-মঙহ শ্ৰমিকসকলৰ প্ৰিয় খাদ্য।

—সেইটো হয়। কিন্তু, আজিকালি গাহৰিৰ ব্যৱসায় লাভজনক হৈ উঠিছে অন্যান্য দেশত।

—বাগানৰ মজদুৰে ব্যৱসায় নকৰে। অৱশ্যে, দুই-এটা গাহৰি স্থানীয় গ্ৰাহকক কেতিয়াবা নেবেচা নহয় পইছাৰ অভাৱত।

—এই ব্যক্তিগত অভাৱৰ দৰে সমূহীয়া অভাৱ পূৰাবলৈ চাহ-বাগানত গাহৰি ব্যৱসায় চলাব পাৰি। এই ব্যৱসায়ে নিশ্চয় চাহ-বনুৱাসকলৰ আৰ্থিক দিশত অভাৱ পূৰাব।

—হয় কথাটো। পিছে এনেকুৱা কল্যাণমূলক চিন্তা কৰিবলৈ উদাৰ দৃষ্টিৰ মানুহ ওলাব লাগিব। চাহ-বাগিচাৰ পৰা হোৱা লাভাংশৰ সামান্য অংশও অসমৰ বাহিৰৰ পুঁজিপতিসকলে বাগিচাৰ বাহিৰে-ভিতৰে জনহিতকৰ কামত লগাবলৈ কাৰ্পণ্য কৰি আহিছে। অৱশ্যে, দুই-এক অসমীয়া মালিকে এই দিশত সামান্যভাৱে নকৰা নহয়। ইয়াৰ পিছতে অলপ গ'লেই এটা আহল-বহল হোলা এনেয়ে পৰি আছে। তাতো খেতিবাতি কৰাব পাৰি। কিন্তু কাৰো কাণসাৰ নাই।

—আচৰিত কথা। অসমৰ অৰ্থনীতিত ইমান এটা বৃহৎ শিল্পই বিনিয়োগ পদ্ধতিৰে বিশেষ অৰিহণা যোগাব পৰা নাই।

ভূঞাৰ লগত কথা পাতি পাতি সুধাংশু ৰয় লাইনৰ কেইবাটাও ঘৰ পাৰ হ'ল। তেওঁ মন কৰিলে আলিবাটৰ দুয়ো কাষে শাৰী শাৰী খেৰৰ ঘৰবোৰ বৰ থেপাথেপিকৈ আছে। ৰ'দ-বতাহ সোমাব পৰাকৈ ঘৰবোৰ সিমান ওখ নহয়। চাপৰ চাপৰ। একোটা ঘৰৰ মাজতে বেৰা এখনেৰে দুটাকৈ কোঠালি, আৰু বাহিৰৰ পৰা চালি দিয়া সৰু এটা ৰান্ধনি ঘৰ মূল ঘৰটোৰ লগতে লগ লগোৱা। সুধাংশু ৰয়ে চাৰিওফালে এবাৰ চাই লৈ ভূঞাক সুধিলে—খোৱা পানীৰ বাবে ইয়াত কি ব্যৱস্থা আছে ?

—খোৱা পানীৰ কিছু সুবিধা কৰা হৈছে যদিও অসুবিধা গুচা নাই। ব্ৰিটিছ মালিকৰ দিনত বাগিচাখনৰ দুমূৰে দুটা পকা কুঁৱা আছিল। সেই কালত বাবু আৰু কুলিসকলে একে কুঁৱাৰে পানী খাইছিল। মোৰ দেউতা প্ৰাণেশ্বৰ ভূঞাই এইখন বাগিচাতে মোৰ এতিয়াৰ চাকৰিটো কৰিছিল। আমি জন্মৰে পৰা ইয়াতে ডাঙৰ হৈছো প্ৰঃ ৰয়।

—হয়নেকি ? তেনেহ'লে, আপুনি বাগিচাৰ তলা-নলা সকলো জানে।

ভূঞাই প্ৰাণ খুলি হাঁহিলে। তাৰ পিছত আৰম্ভ কৰিলে—সেই পকা কুঁৱাৰ পানী ইমান যে ফটফটীয়া পৰিষ্কাৰ আছিল বুজিছে। এতিয়া আৰু কুঁৱাকেইটাৰ অৱস্থা নাই। পানীও লেতেৰা হ'ল, কুঁৱাৰ পকাবোৰো ভাঙি জহিখহি গৈছে।

—নতুন ব্যৱস্থা একো হোৱা নাই ?

—হৈছে। আজিকালি প্ৰতি লাইনত একোটাকৈ দমকল দিয়া হৈছে। কিন্তু দমকলৰ লেঠা মুগুচেই। মাজে মাজে দমকলত পানী নুঠা হ'লে, বাগিচাৰ বাইজে সেই পুৰণি কুঁৱাৰে পানী খাব লগা হয়। বহুতৰ গা ধোৱা, কাপোৰ ধোৱা কামো হয় কুঁৱাৰ পাৰতে। আজৰি থকাসকলে একো সময়ত নৈখনলৈও যায় তেওঁলোকৰ যাৱতীয় কামৰ বাবে।

—বাৰু, কুঁৱাৰ পানী খোৱা কথা ক'লে যে, সেই পানী খোৱাত মজদুৰসকলৰ পেটৰ বেমাৰ নহয়নে ?

—হয়, কিয় নহ'ব ? ডিচেণ্ট্রি আৰু ডায়েৰীয়া বেমাৰতে বেছিভাগ মজদুৰে ভোগে।

পানীৰ কথা ওলালত অৰবিন্দ চৌধুৰীয়ে মাজতে ক'লে—পিয়াহ লাগিছে। খোৱা পানী পামনে ইয়াত ?

—পাব। কিন্তু, পানী বৰ সুবিধাজনক নহ'ব। অলপ আগত দমকলটো আছে। তাৰ পানী খোৱা ভাল হ'ব।

ভূঞাই দিহা দিয়াৰ লগে লগে লছমনে ক'লে,—সেই কলটো খাৰাপ হৈ আছে। পানী মুঠে বাবু।

—তেনেহ'লে।

ভূঞাই চিন্তা কৰিলে।

কিশোৰী ছোৱালী এজনী এটা ঘৰৰ পৰা চুচুক-চামাক কৈ ওলাই আহোতে, সুধাংশুৱে তাইক ক'লে—এটা কথা শুনাচোন।

—কি বাবু ?

—তোমালোকে খোৱা পানী ক'ৰ পৰা আনিছা ?

—২ নং লাইনসে।

—পানী এগিলাচ দিব পাৰিবা ?

মূৰ দুপিয়াই ছোৱালীজনী ভিতৰ সোমাল। খন্তেকতে তাই চীনা মাটিৰ পুৰণি ভঙা গিলাচ এটাত পানী লৈ থিয় হ'লহি। গিলাচটোত খোৱা বস্তুৰ হাতৰ চাপ লাগি থকা দেখি অৰবিন্দই ছোৱালীজনীক আন এটা গিলাচ আনিবলৈ ক'লে।

—আৰতো গিলাচ নাইখে বাবু।

—গিলাচ আৰু নাই ?

সুধাংশুৱে আচৰিত হ'ল।

—থাকিব ক'ৰ পৰা ? বাপেকে চাগে গিলাচ আটাইকেইটা মাৰোৱাৰী দোকানত বেছিলে, নহয় বন্ধকত থৈ আহিছে।

ভূঞাৰ কথাত বিৰক্তি ফুটি উঠিল।

—হোঁ।

সুধাংশুৱে নিশ্বাস পেলালে।

—একটা কাম কৰ ৰে। পানীৰ কলচিটোকে লৈ আন।

লছমনৰ নিৰ্দেশত ছোৱালীজনীয়ে ভিতৰৰ পৰা মাটিৰ কলহটো দুয়োখন হাতেৰে দাঙি লৈ আহিল। লছমনে কলহটো হাতত লৈ অৰবিন্দক মাতিলে। অৰবিন্দই হাত পাতি পানী খালে। ৰবীন শইকীয়াৰো পিয়াহ লাগিছিল। কিন্তু, তেওঁৰ আৰু সত নগ'ল পানী খাবলৈ। মাত্ৰ ক'লে সুধাংশু ৰয়ৰ ফালে চাই—ছাৰ, এনেকুৱা কামত আমি পানী লৈ অহা ভাল হ'ব।

সুধাংশু ৰয়ে ৰবীনৰ কথা শুনি হাঁহি হাঁহি ক'লে,

—তেতিয়াহ'লে আজিৰ এই গিলাচৰ ছবিটো নেদেখিলাহেঁতেন।

—হয় অৱশ্যে।

সুধাংশু ৰয়ে মন কৰিলে—কিবা এটা অব্যক্ত ভাবত সৰু ছোৱালী-জনীৰ মুখখন বিমৰ্ষ হৈ পৰিছে। আহত হৈ সুধাংশুৱে কোনোমতে ছোৱালীজনীৰ ফালে চাই ক'লে,

—তোমাৰ পানী পাই আমি বৰ ভাল পালোঁদেই। যাওঁ বাৰু।

ছোৱালীজনীয়ে মূৰ দুপিয়ালে :

তেওঁলোক অলপ আগুৱাই গ'ল। ডাৱৰ পাৰ হৈ তেতিয়া বেলিটো যথেষ্ট ওপৰলৈ উঠিছে। চোকা ৰ'দ পৰিলত লাইনৰ গোবৰ-জাবৰৰ উৎকট দুৰ্গন্ধ চাৰিওফালে বাগৰি গৈছে। মজদুৰৰ সৰু সৰু ল'ৰা-ছোৱালী কেইটামানে তেতিয়াও বাটত হা-ডু-ডু খেলি আছে। কেইজনমান সৰু ল'ৰাই চকা ঘূৰাই ঘূৰাই দৌৰি ফুৰিছে। ঘৰৰ বাৰাণ্ডাত কেইজনীমান সৰু ছোৱালীয়ে মাকৰ কেঁচুৱা ওমলাইছে। সুধাংশু ৰয়ে বুজি পালে যে চাহমজদুৰৰ এই ল'ৰা-ছোৱালীজাক স্কুললৈ যোৱা নাই। কিন্তু, সোধাপোছা কৰি সঠিককৈ জানিবৰ কাৰণে সুধাংশুৰ আৰু মন নগ'ল। তথাপি সুধাংশু ৰয়ে ভূঞাৰ ফালে চাই ক'লে—লাইনত মজদুৰসকলৰ জীৱন ধাৰণৰ ব্যৱস্থা বৰ দুখ লগা হৈয়ে আছে। এই অৱস্থাৰ কাৰণে বাৰু আপুনি কাক জগৰীয়া কৰিব ?

—যিসকল এওঁলোকৰ জহতে বহুখিনি আগবাঢ়ি গৈছে, সেই-সকলক।

—অৰ্থাৎ মালিকসকলক।

—অকল মালিকেই নহয়। মালিকৰ লগতে আমি বহুতো আছোঁ। চাওক, খোৱা পানীৰ কাৰণে দমকল দিয়া হৈছে এটা লাইনত এটাকৈ। একোটা লাইনত প্ৰায় ৫০ ঘৰকৈ মজদুৰ আছে। এটা দমকল সিহঁতৰ কাৰণে যথেষ্ট নহয়। কাৰণ, বাগিচাখনত আৰু তিনি শ ঘৰমান মজদুৰ লাইনৰ বাহিৰতো থাকে—হোলায় বস্তিয়েও মজদুৰ আছে। তেওঁলোকেও এই পানীকে খায়। অৱশ্যে, আৰু এটাকৈ দমকল লাইনে প্ৰতি দিলেও একোদিন দুয়োটা একেলগে বেয়া নহ'ব যে তাক ক'ব নোৱাৰি। তাতে দমকল ব্যৱহাৰ কৰাৰ শিক্ষাকণো নাই মজদুৰসকলৰ। আৰু লগতে বাগিচাৰ মেনেজমেণ্টৰ ফালৰ পৰা এনেধৰণৰ যান্ত্ৰিক বিজুতি ঠিক কৰিবলৈ ব্যৱস্থা সতকাই নহয়।

—অকল, বাগিচাতেইনে? ডাঙৰ চহৰতো কিমান যে যান্ত্ৰিক বিজুতি। পানী যোগান, বিজুলী-সৰবৰাহ আৰু টেলিফোনৰ বিজুতিত যে নগৰবাসীৰ কিমান হাৰাশাস্তি, ক'ব নালাগে।

—হয়, হয়। আৰু এটা কথা হৈছে—মানুহৰ দৰে জীয়াই থকাৰ মানসিক প্ৰস্তুতিৰ অভাৱত মজদুৰৰ একাংশ বিপথে চালিত হৈছে।

—কেনেকুৱা ধৰণৰ?

—এটা সাধাৰণ উদাহৰণ দিওঁ। মজদুৰসকলে শ্ৰমৰ জোখাই মজুৰিনো কিমান পায়। তাৰে যদি বেছি অংশ তেওঁলোকে নিচাখোৰ হৈ খৰচ কৰে, চলে কেনেকৈ? নেদেখিলে, পানী খাবলৈ গিলাচ এটা নাই? কিছুমান মজদুৰে আজিকালি লাওপানী খাবলৈ ঘৰৰ কাঁহি-বাটি মাৰোৱাৰী দোকানত বন্ধক দি পইছা আনে। সহজে সেই ঋণ শোধ কৰিব নোৱৰাত বন্ধকত থোৱা ঘৰুৱা সম্পত্তি আৰু উদ্ধাৰ কৰিব নোৱাৰে। সুদৰ হাৰতো কম নহয়। বাগিচাৰ এই-বিলাক ঘটনা দেখাত সৰু যদিও, ভিতৰি এনেবোৰ কথাই বহু ক্ষতি

কৰিছে। আজি কিছুদিনৰ ভিতৰতে চাহ-জনগোষ্ঠীৰ উন্নতিৰ কাৰণে বাইজ আৰু চৰকাৰৰ যিমান হৈ-চৈ আৰু জল্পনা-কল্পনা চলিছে তাৰ দহভাগৰ এভাগো কামত লগা হ'লে মজদুৰসকলৰ অৱস্থা এনেদৰে নাথাকিল হয়। আপোনালোক শিক্ষাৰ প্ৰাণ-কেন্দ্ৰত আছে। মজদুৰৰ শিক্ষাৰ কথাটো ভাবক। প্ৰকৃত শিক্ষা অবিহনে চাহ-বাগানত মজদুৰ সমাজৰ আৰ্থ-সামাজিক দিশত কোনো ধৰণৰ উন্নতি হ'ব নোৱাৰে।

—হয় কথাটো। কিন্তু এইকেইদিনৰ ভিতৰত যি বুজিলো শিক্ষাৰ প্ৰতি মজদুৰসকলৰ বিশেষ ধাউতি ওপজা নাই। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ কাৰণে স্কুল পাতি দিয়া হৈছে যদিও সেই স্কুললৈ তেওঁলোকৰ ল'ৰা-ছোৱালী তেনেকৈ যোৱা নাই।

—কি যাব? স্কুলৰ নামত আকৌ একোখন ভেকোভাওনা! বাৰু প্ৰফেছৰ ৰয়, মই এইবাৰ ঘৰলৈ যাওঁ। ঘৰৰ পৰা সাউৎকৰে আহি মই কলঘৰতে ৰ'মহি। আপোনালোকে লাইনৰ আৰু কিবা চাব লগা আছে যদি চাওক।

—লাইনৰ থূল-মূল ধাৰণা এটা হৈছে। অৱশ্যে স্বাস্থ্য সম্পৰ্কত ইয়াৰ হস্পিতেলটোলৈ এবাৰ যাব লাগিব।

—সেইটো সিবেলাকৈ চাব। এতিয়া দুপৰ হ'লহি। ডাক্তৰ-জনকো নাপাব কিবা এটা কথাৰ ভু লবলৈ।

—আপুনি তাতে ভাতৰ লেঠাটো উলিয়ালে। নহ'লে, আপোনাৰ লগত বাগিচা সম্পৰ্কে আৰু কিছুমান দৰ্কাৰী কথা আলোচনা কৰিব পৰা গ'ল হয়।

—সেইটো কি কথা। ভাত খাবলৈ যাওঁতে এখন্তেক বহি আমাৰ ঘৰতে আলোচনা কৰিব পাৰিব। নহ'লে, ইয়াত আৰু কাম নাই যদি ব'লক, কলঘৰতে বহোঁগৈ। তাতে, আপোনালোকে চাহ এটোপাও খাব পাৰিব। ঘৰলৈ তাৰপৰা চিঠি এখন লিখি দিলে হ'ব ভাতৰ ব্যৱস্থা কৰিবলৈ।

—নালাগে। আপুনি যাওক। আমি কলঘৰতে ৰ'মগৈ।

আপোনাৰ কলঘৰৰ কাম শেষ হ'লে, আমি একেলগে যামগৈ। তাৰপৰাই লছমন আৰু কৃষ্ণক আজিলৈ এৰি দিব পাৰিম।

—হ'ব। সিবেলাকৈ ময়ে আপোনালোকক হস্পিতেলটো দেখুৱাব পাৰিম।

—তেন্তে, আপুনি যাওক এতিয়া। আপোনাৰ যথেষ্ট সময় ললোঁ, বেয়া নাপাব।

—বেয়া পাবলৈ কিটো আছে। সময়তো গৈয়েই থাকে। আজি পিছে বৰ আনন্দত সময় কটালোঁ আপোনালোকৰ লগত। বাৰু, আহোঁ তেন্তে। আপোনালোক নিশ্চয় আহিব মোৰ পঁজালৈ। ভূঞাই হাতযোৰ কৰিলে।

—ভাত খোৱাৰ ইমান সুন্দৰ সুযোগ আমি এৰি নিদিওঁ। হাতযোৰ কৰি সুধাংশুৱে ক'লে।

সৰ্বেশ্বৰ ভূঞা চকুৰ আঁতৰ হ'ল। ছাত্ৰ আৰু চকীদাৰক লগত লৈ সুধাংশু লাইনৰ আৰু ভিতৰলৈ সোমাই গ'ল। তেওঁলোকে পোন বাটটো এৰি সৰু এটা আলিয়েদি পাক লওঁতেই ৰবীন শইকীয়াই কৈ উঠিল, ডুমডুমা কলেজৰ ছাত্ৰ দুজন আহি আছে ছাৰ।

সুধাংশু অলপ বেগেৰে আগবাঢ়ি গ'ল। ওচৰ পোৱাত দিবাকৰ কুৰ্মীয়ে হাঁহি হাঁহি ক'লে, আপোনালোকক বিচাৰি বিচাৰি বহুত ঘূৰিলো ছাৰ।

—তোমালোক সময়মতে নিৰ্দিষ্ট ঠাইত উপস্থিত হ'ব নোৱৰাত আমি নিজৰ কামত ওলাই আহিলোঁ।

—আমাৰো এটা জৰুৰী কাম আছিল। এই বাগিচাৰ মেনেজাৰক লগ ধৰিব লাগে। মেনেজাৰৰ বঙলাতে দেৰি হ'ল। তাৰপৰা আহি আপোনালোকক বিচাৰি ফুৰিলো। কলঘৰ, ১ নং লাইন, ২ নং লাইন আৰু ইফালে-সিফালে বহুত চালো। কালিলৈ বিছাকপি বাগানত এখন ডাঙৰ সভা হ'ব। সেইখনলৈ আপুনি যাব লাগিব ছাৰ।

—যোৱাবাৰ হ'ব লগা মিটিংখন শেষত তোমালোকে পাতিব

নোৱাৰিলা। এইবাৰ বা কি হয়! সুধাংশুৱে ধেমেলীয়া সুৰত ক'লে।

—নহয় ছাৰ, এইবাৰ সভা হ'বই লাগিব। কালি বিছাকপি বাগিচাত এটা ডাঙৰ দুৰ্ঘটনা ঘটিছে। গুণ্ডাই আহি আমাৰ মজদুৰ তিৰোতাক চুৰি মাৰিছে ছাৰ। এই ঘটনাৰ লগত ডাঙৰ মানুহ জড়িত আছে। মজদুৰসকল এইবাৰ একেলগ হৈছে। ডুমডুমা অঞ্চলৰ প্ৰায় সকলো বাগিচাৰ মজদুৰ-প্ৰতিনিধি সভালৈ যাব। তেওঁলোক সকলোৱে এনে বীভৎস ঘটনাৰ প্ৰতিবাদ কৰিব। আপুনি ছাৰ সেই সভাত ভাগ ল'ব লাগিব শ্ৰমিকৰ সন্মানৰ অৰ্থে। মজদুৰসকলৰ মৰ্যাদা ৰক্ষাৰ কাৰণে আপুনি মালিকসকললৈ সু-পৰামৰ্শ আগবঢ়াব লাগিব। এইখন বাগিচাৰ মালিক এতিয়া অসমত নাই। কিন্তু, মেনেজাৰ যাব।

দিবাকৰ কুৰ্মীৰ উত্তেজিত কথা শুনি সুধাংশু ৰয়ৰ ভাল লাগিল যদিও মনৰ ভিতৰত কিবা এটা খোকোজা নলগা নহয়। তেওঁ দিবাকৰলৈ চাই সুধিলে, ইয়াৰ কলঘৰটোত সোমোৱাত তোমালোকৰ অসুবিধা নাইতো?

—একো অসুবিধা নাই।

—তেনেহ'লে ব'লা। তাতে বহি আমি বিছাকপি বাগানত প্ৰকৃত ঘটনাটো কি হৈছে ভালকৈ বুজি লওঁ তোমালোকৰ পৰা।

—বলক ছাৰ।

## বিশ

পৰীক্ষা পিছুৱাই যোৱাত অঞ্জনাৰ পঢ়াৰ উৎসাহ কমি গ'ল। পৰীক্ষাৰ তাৰিখ দহ আগষ্টৰপৰা দহ অক্টোবৰ পালেগৈ। আৰু বা কিমান পিছুৱায়? একো উৱাদিহ নাপাই অঞ্জনাই ভাবিলে, ভিগবৈলৈকে উভতি যোৱা হ'লে ভাল আছিল। কিন্তু, কেইদিনমানৰ

আগতে ফোনেৰে জালুকবাৰীতে থকাৰ কথা ডাঃ করুণা হুৱৰা আৰু সুধাংশু বয়ক জনোৱা হ'ল যেতিয়া দুই-এদিনৰ ভিতৰতে অঞ্জনাৰ কথাটো সলাবৰ মনো যোৱা নাই। তাতে, সুধাংশুৰ গুৱাহাটীলৈ অহাৰ কথা আছে। আহিলে, তেওঁৰ লগত আলোচনা কৰি আগষ্টলৈকে ক'ত থাকিলে পঢ়া-শুনা ভালকৈ হয়, সেই কথাটো ঠিক কৰিব পাৰিব। আগষ্টৰ এক তাৰিখে বিশ্ববিদ্যালয় খুলিব যেতিয়া হোষ্টেলো নিয়মানু-সাৰে খুলিব। লগে লগে হোষ্টেললৈ গ'লে মাধুৰী শইকীয়াৰ দৰে বান্ধৱীসকলৰ মাজত অলাগতিয়াল চিন্তাৰ পৰা হাত সাৰিব পৰা যাব। আগফালৰ বাৰাণ্ডাত বহি অঞ্জনাই নিজৰ কথাবোৰ জুকিয়াবলৈ চেষ্টা কৰিলে। সমুখৰ গছডালৰ শীতল ছাঁই যেন অঞ্জনাক আঁকোৱালি ধৰিছেহি। দুপৰীয়াৰ চোকা ৰ'দৰ উত্তাপ কমাই আবেলিৰ ফালে জুৰকৈ বতাহ এছাটিও বলিছে। ওপৰৰ বহল আকাশখনৰ অৱকাশ যেন পৃথিৱীলৈ নামি আহিছে। সেই অৱকাশৰ আৱেশত আউজি অৱসৰৰ ভাবত অঞ্জনাৰ মন বিভোৰ হৈ পৰিল।

পঢ়া কোঠাটোৰ বন্ধ দুৱাৰখন খুলি অৰুণ বৰুৱা বাহিৰলৈ ওলাই আহিল।

—কি অ' অঞ্জু, অকলে বহি বহি কি ভাবিছ ?

—পৰীক্ষাৰ কথা মামা।

—অঁ। পৰীক্ষা পিছুৱালে যেতিয়া ধীৰে সুস্থিৰে পঢ়ি থাক।

—এনেকৈ পঢ়িব নোৱাৰি দেই।

—কিয় ?

—পঢ়ি থাকিম চিৰিয়াচলি। হঠাতে দিব পিছুৱাই পৰীক্ষাটো। কথা নাই বতৰা নাই পৰীক্ষা পিছুৱাই থকাই হ'ল বিশ্ববিদ্যালয়খনৰ কাম। এইটো এটা বিশ্ববিদ্যালয়ৰ নিয়মেই হৈ গ'ল।

—তই কথাটো ভাবি চোৱা নাই। পৰীক্ষাৰ ক্ষেত্ৰত কটকটীয়া নিয়ম এটা মানি চলাত বিশ্ববিদ্যালয়ৰ কর্তৃপক্ষৰো বৰ অসুবিধা হৈছে।

—কি ইমান অসুবিধা ?

—কথা হ'ল—প্ৰশাসনৰ প্ৰায় আধা আজিকালি ছাত্ৰৰ হাতত।

ছাত্ৰই যি মতে কয় সেইমতে কৰিবলৈ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ বাধ্য হৈ পৰে।

—বিশ্ববিদ্যালয়ৰ প্ৰশাসন ইমান দুৰ্বল হ'ল কেতিয়াৰ পৰা?

—ছাত্ৰশক্তি সবল হৈ অহাৰ লগে লগে প্ৰশাসনীয় ব্যৰ্থতা আৰু গোপনীয় দুৰ্নীতি যেতিয়া দেখদেখকৈ ধৰা পৰিল, আমিয়েইতো তেতিয়া ছাত্ৰশক্তিক সবল হোৱাত উৎসাহিত কৰিছিলো। নৈতিক দুৰ্বলতাৰ কাৰণে সেই সময়তেই বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় শক্তি ছাত্ৰশক্তিৰ ওচৰত কাবু হৈ পৰিছিল। তেতিয়া অৱশ্যে ইমান অনিয়মীয়া অৱস্থালৈ ছাত্ৰসকল যোৱা নাছিল। সেই সময়ৰ ছাত্ৰসকলে যথেষ্ট পঢ়া-শুনা কৰিছিল। তেওঁলোকৰ কাম-কাজত একোটা যুক্তিমূলক নীতিও আছিল।

—বিশ্ববিদ্যালয়ত কেতিয়াৰ পৰানো এনে বিশৃংখল পৰিস্থিতি হ'বলৈ পালে মামা?

—এই অৱস্থা এটা বিশেষ সময়ত হঠাতে হোৱা নাই। অৱশ্যে, বিদেশী বিতাৰণৰ আন্দোলনটোৱে আওপকীয়াকৈ অসমৰ শৈক্ষিক জগতত অবক্ষয় ঘটাইছে যে সেইটো সঁচা কথা।

—বিদেশী বিতাৰণৰ আন্দোলনৰ লগত মূলতঃ অসমৰ অস্তিত্ব-ৰক্ষাৰ নীতিটো সাঙোৰ খাই নাছিল জানো?

—আছিল।

—তেনেহ'লে শৈক্ষিক জগতৰ অবক্ষয় ঘটাই, এটা জাতিৰ অস্তিত্বৰ কথা আশা কৰিব পাৰিনে?

—সেইটোৱেইতো সমস্যা। আন্দোলনৰ প্ৰবল ধুমুহাৰ সময়ত সাময়িকভাৱে ছাত্ৰসকল পঢ়া-শুনাৰ পৰা বিৰত থকা কথাটোত সকলোৱেই সমৰ্থন দিছিল। এই সমৰ্থন ছাত্ৰসকলে ভুল অৰ্থত ল'লে। কাৰণ আন্দোলনকাৰী একাংশ ছাত্ৰই আন্দোলনৰ মূল নীতি বুজিয়েই নাপালে। সেইসকল ছাত্ৰই শিক্ষানুষ্ঠানত হাতত পোৱা ক্ষমতাৰ অপব্যৱহাৰ কৰিলে।

—ছাত্ৰসকলক নো কিহে পাইছে। তেওঁলোকৰ সংশোধন নহ'ব নেকি?

—হ'ব। এতিয়াও কম সংখ্যক ছাত্ৰইহে শিক্ষাজগতত ভোলপাৰ লগাই থাকে। সেইটো কাৰণে চিন্তা কৰিব নালাগে। সময়ত সকলো ঠিক হৈ যাব। এফালে ছাৰখাৰ হ'লেও, আনফালে সময়ৰ হস্তক্ষেপতে সমাজ সুস্থ আৰু সুন্দৰ হৈ উঠিব।

—ভাল নালাগে আৰু এনেকৈ থাকি। ঘৰলৈকে যাওঁগৈ নেকি?

—মোৰ ইয়াত থাকি ভাল লগা নাই নহয়?

—তোমাৰ ইয়াত ভাল লগা নলগাৰ কথা নহয়। এনেকৈ ইয়াত থাকি কি কৰিম?

—সেইটো হয় অৱশ্যে।

—তুমি মোৰ লগত যাবা ডিগবৈলৈ?

—ডিগবৈলৈ?

অৰুণ বৰুৱা অঞ্জনাৰ প্ৰশ্নত থতমত খালে। মনৰ বহু গভীৰত লুকাই থকা মানুহজন ওলাই আহিব খুজিছিল আচম্বিতে।

—উচপ খাই উঠিলা যে? তুমি বাৰু কিয় নোযোৱা আমাৰ ঘৰলৈ?

—যাম দে এইবাৰ তোৰ বিয়াত।

অৰুণ বৰুৱাই খন্তেকতে নিজকে চম্ভালি ল'লে।

—কোৱাচোন কোৱা—তুমি কিয় নোযোৱা আমাৰ ঘৰলৈ? মা ঢুকুৱাৰ পিছতে তুমি এদিনৰ কাৰণে ডিগবৈলৈ গৈছিলা। মোৰ এতিয়াও মনত আছে—সেইদিনাও তুমি গুচি আহিছিলা মোক অকলে এৰি থৈ।

—অতীতৰ সেইবোৰ কথা আজি কিয় উলিয়াইছ অঞ্জু? তোৰ কিবা কথাত বেয়া লাগিছেনেকি বাৰু?

—একো কথাতে বেয়া লগা নাই। অতীতৰ দুই-এটা বাস্তৱ ঘটনা চিন্তা কৰিবলগা হৈছে ভৱিষ্যতৰ কাৰণে। অতীত বুলিলেই যে অকল দুখজনক স্মৃতি-ৰোমন্থন সেইটো নহয় মামা।

—তই এইবাৰ দায়িত্বপূৰ্ণ ব্যক্তিৰ দৰে কথা কৈছ। দেখিছোঁ, অতি কম সময়ৰ ভিতৰতে তোৰ মনটোৱে নতুনকৈ গঢ় লৈছে। সুধাংশুৱে তোৰ মনক নতুন ৰূপ দিব পাৰিছে।

—তেওঁৰ সতেতো মোৰ সামাজিক সত্তা এটাই গঢ়েই লোৱা নাই।

—সুধাংশুৱে তোক এনেয়ে জোকাইছে!

এনেয়ে জোকোৱা নাই। চিৰিয়াচলি কৈছে। কিন্তু, সামাজিক সত্তা এটা বতাহতে যে গঢ় ল'ব নোৱাৰে সেইটো কথা তেওঁ ভাবি চোৱা নাই। এটা আৱদ্ধ পৰিবেশৰ মাজত মোৰ অতীতৰ এছোৱা কাল কাটি গ'ল। ন বছৰ মই ঘৰটোত আছোঁ। সেইকেইটা বছৰে মোৰ ভৱিষ্যতৰ বহুখিনি নিৰ্ধাৰণ কৰি দিছে। তেনেকুৱা বা-বতাহত অসমীয়া ছোৱালী হিছাপে মোৰ সামাজিক সত্তা এটাই কেনেকৈ গঢ় ল'ব? অৱশ্যে, ল'ৰাটোৰ পৰিবেশে নিয়মানুবৰ্তিতাৰ শিক্ষা মোক নিদিয়া নহয়।

—মই ভাবিছিলো সুধাংশু তোৰ কথাত আহত হৈছে। এতিয়া দেখিছোঁ সুধাংশুৰ কথাইহে তোক আঘাত কৰিছে।

—আঘাত একো পোৱা নাই মামা। আপোন সত্তাক বিশ্লেষণ কৰিবলৈহে বিচাৰিছোঁ। ভৱিষ্যতে যাতে আমাৰ জীৱন সুখৰ হয় সেই কথাটোত গুৰুত্ব দিছোঁ। তেওঁ মোক এজনী অসমীয়া ছোৱালী হিছাপে বিয়া কৰাবলৈ ওলাইছে। কিন্তু অসমীয়া সমাজৰ পৰিচয় মোৰ তেনেকৈ হোৱাই নাই। নিজৰ দেউতাক মই নেদেখিলো। শৈশৱতে মা ঢুকাল। আপোন পৰিয়ালৰ মৰম, স্নেহ মই পোৱা নাই। অসমৰ গাঁও-ভূই অঞ্চলৰ কথাও মই নাজানো। এই অভাববোৰে মোৰ ব্যক্তিত্ব খৰ্ব কৰা নাই জানো?

—বুজিলো সুধাংশুৰ কথাত তোৰ অভিমান বাককৈয়ে হৈছে। কিন্তু, ব্যক্তিৰ সামাজিক সত্তাই এখন বিশেষ সমাজৰ আৰ্হিৰ ওপৰতে নিৰ্ভৰ নকৰে। সামাজিক সত্তাৰ উত্তৰণ ঘটে এখন বিশাল আৰু বিস্তীৰ্ণ সমাজতহে।

—মই পিছে কৈ দিছোঁ—তেওঁক বিয়া কৰাবলৈ ওলাইছোঁ এজন মানুহ হিছাপে ভাল লগা কাৰণেহে। বিয়াৰ ক্ষেত্ৰত মই অসমীয়া, বঙালী এইবিলাক কথা বিবেচনা কৰা নাই।

—মই যিমানখিনি জানো—সুধাংশুৱে মানুহ বিচাৰিহে হাবাথুৰি খাই ফুৰিছে। পিছত, তঁইতৰ মিতমাত হ'ল হুয়োবো?

—হ'ল। তোমাৰ সুধাংশুও কিন্তু কম জেদী নহয়। মোৰ ভয় লাগি আছে। ককাৰ বাগিচাখ কিবা কথাত খং মুঠিলেহে হৈছে। ককাও যি আকোঁৰগোজ।

—কি কথাতনো আকোঁৰগোজ তেখেত?

—অধিকাৰবোধ, দেশপ্রেমত, জাতীয়তাবাদত।

—তেনে বিষয়ত তেখেতৰ লগত তই আলোচনা কৰিব লগা হৈছিলনেকি?

—গধুৰ আলোচনা তেনেকৈ হোৱা নাই। সাধাৰণ কথা-বতৰাতে মানুহৰ গোপন মনোভাব ওলাই নপৰে জানো?

—ঠিকেই কৈছ। নিশ্চয় ওলাই পৰে। কিন্তু তেখেতৰ নিজা মনোভাবৰ কাৰণে সুধাংশুৰ একো অসুবিধা নহয়। সকলো ধৰণৰ পৰিবেশৰ লগত খাপ খাব পৰা ল'ৰা সুধাংশু।

—নিজৰ কথাত চলি যাব। কিন্তু, মজদুৰৰ ক্ষেত্রত বাগিচাৰ কিছুমান অন্যায় কথা তেওঁ সহ্য নকৰিব। পিছত, সামান্য কথাই জটিল ৰূপ ধৰেনেকি? চাহ-বাগিচাত কিছুমান অদ্ভুত ধৰণৰ ঘটনা ঘটে, জানা মামা। বাগিচাৰ মেনেজমেণ্টত ককাৰো যথেষ্ট অসুবিধা হৈ আহিছে।

—কোনত তই সুধাংশুক সোধা নাই—বৰ্তমান বাগিচাৰ অৱস্থা কেনে আছে?

—ঠিক আছে বুলিয়েই ক'লেতো। অকল তোমাৰ আগত তেওঁ আচল কথাটো ক'লে হয়। আৰু শুনিলেও তোমাৰ কথাই শুনিব। সেয়ে তোমাক সুধিছিলো ডিগবৈলৈ যোৱাৰ কথা।

—এতিয়াহে বুজিলোঁ তোৰ ইয়াত বেয়া লগাৰ আচল কাৰণটো।

সকাহ পাই অঞ্জনাই মুকলি মনেৰে হাঁহিলে। তাই বহু দূৰলৈ চাই পঠালে। বেলিটো ডুব গৈছে। ধোঁৱা বৰণীয়া আচল উকৰাই সন্ধ্যা নামি আহিছে। বাটৰ বিজুলী চাকিকেইটা জ্বলি উঠিছে। হঠাৎ অঞ্জনাৰ মনত খেলালে—এবাৰ নিৰ্মলা বয়ৰ ঘৰলৈ যোৱাটো ভাল হ'ব। মুখ ফুটাই ক'লে, "মামা, মোক এদিন পল্টন বজাৰলৈ লৈ যাবানে?"

—যাব খুজিছ নিৰ্মলা বাইদেউৰ ঘৰলৈ ?

—অঁ।

—কালিলৈকে ওলা।

পিছদিনা সেইমতে অৰুণ বৰুৱা অঞ্জনাক লৈ নিৰ্মলা ৰয়ৰ ঘৰ ওলালগৈ। ৰিক্সাৰ পৰা নামি অৰুণ বৰুৱা ভিতৰলৈ সোমাই গ'ল। ৰতনে তেওঁলোকক দেখি হাঁহি মাৰি মাতিলে, "আহক দাদা।"

"বাইদেউ আছেনে ?"

—আছে।

লগে লগে পিছফালেদি দৌৰি গৈ ৰতনে নিৰ্মলা ৰয়ক খবৰ দিলে। অৰুণ বৰুৱা অহা বুলি জানি নিৰ্মলা ৰয় লৰালৰিকৈ আগফালৰ কোঠালি পালেহি। চিৰিটোত বস্তা পৰা আছে। অৰুণ বৰুৱা তলতে থমকি ৰ'ল। লগতে অঞ্জনাও। আগফালৰ বাৰাণ্ডাত থিয় হৈ নিৰ্মলা ৰয়ে ক'লে,

—আহাঁ অৰুণ, চিৰিৰ ওপৰেদিয়েই আহাঁ। একো নহয়।

—নতুনকৈ বন্ধালে চিৰিটো !

—অঁ চিৰিটো বেয়াকৈ ভাঙিছিল। বন্ধাম বন্ধাম বুলি বন্ধাব পৰা নাছিলো নানা জঞ্জালত। এইবাৰ কি মন গ'ল, অংশুৱে ডিব্ৰুগড়লৈ যোৱাৰ আগতে মিস্ত্ৰি এজন বন্দবস্ত কৰি থৈ গৈছিল। লগতে ঘৰত চূণ-তেল দিবলৈও মানুহ ঠিক কৰিছিল। মাজতে আকৌ বৰষুণ। দুদিনমানৰ আগতে কামখিনি হ'লগৈ যেনিবা। চিৰিৰ ওপৰেদি খোজ কাঢ়িব পৰা হৈছে। কিন্তু, ৰতনে বস্তা পাৰি পানী ঢালি আছে। তাৰ কাণ্ড !

—সুধাংশু সংসাৰী হৈ আহিছে যে সেইটো বৰ আনন্দৰ কথা বাইদেউ।

—জানো ?

নিৰ্মলা ৰয়ে অঞ্জনালৈ চালে। অৰুণ বৰুৱাই লাহেকৈ হাঁহিলে। অঞ্জনা লাজতে মৰাঁহ যোৱা যেন হ'ল। কথা কৈ কৈ তেওঁলোক খোৱা কোঠালৈকে সোমাই গ'ল।

—বহাঁ অৰুণ। আজি কেইদিনমানৰ পৰা তোমালোকৰ কথা ভাবি আছিলো। অঞ্জুমা ভালে আছা?

অঞ্জনাই মূৰ দুপিয়ালে আৰু আগবাঢ়ি গৈ নিৰ্মলা ৰয়ক সেৱা কৰিলে।

—কুশলে থাকা।

নিৰ্মলা ৰয়ে অঞ্জনাক সাবটি ধৰি চুমা খালে।

—অঞ্জুক এনেদৰে মৰম কৰা দেখিলে সুধাংশুৱে আপোনাক আজি জোকালে'হয়।

—অঁ। এনেধৰণৰ কথাত অংশুৱে মোক জোকাই বৰ স্ফূৰ্তি পায়।

—চিঠি পাইছেনে সুধাংশুৰ?

—পাইছোঁ। সপ্তাহত এখনকৈ পাওঁ।

—আহিব বোলে সুধাংশু!

—মোলৈ লিখা নাই। আজি-কালিতে চিঠি পাব লগা আছে। চিঠিৰ সলনি ঘপহকৈ মানুহজনেই ওলাবহি পাৰে। আহিলে ভাল আছিল। মোৰ ভাই আহিছে কলিকতাৰ পৰা। মামাকে অংশুক লগ 'পালে ভাল পালে হয়।

—অ' দাদা আহিছে? বৰ ভাল কথা। তেখেত—?

—আছে। গা ধুবলৈ গৈছে। কথা পাতি থাকোতে তেওঁৰ গা ধোৱা সময় পাৰ হৈ গ'লগৈ।

—বহুত দিনৰ মূৰত তেখেতক আপুনি লগ পালে নহয়?

—অঁতো। মই যে সেই দিল্লীৰ পৰা আহিলো, তাৰ পিছত তেওঁক আৰু লগ পোৱা নাই। তেওঁৰতো আমাৰ ইয়ালৈ আহিবলৈ সময় নহয়গৈ। দিল্লীত ইন্‌কামটেক্স অফিছাৰৰ ব্যস্ততাৰ কথা নক'বা আৰু। বৰ লেতেৰা কাম। অৱসৰ পোৱাত বেনিবা ৰক্ষা। কিন্তু ভাইৰ গাটোৱে ভালে নাথাকে। হাৰ্টৰ অসুখত ভুগিছে কিছুদিনৰ পৰা। নিয়মত থাকে। কালিলৈ যাবলৈকে ওলাইছে।

—কিয়?

—ক'লো নহয়। অসুখৰ কাৰণে সঘনে চিকিৎসকৰ দিহা-পৰামৰ্শ লৈ থাকিব লগা হয়।

—সুধাংশুৰ বিয়া সম্পৰ্কে তেখেতক জনোৱা হ'লনে ?

—কৈছোঁ।

কথা পাতি থাকোতে শুধ বগা পাঞ্জাবী পায়জামাৰে পৰিপাটি সাজপাৰত এগৰাকী থ্‌লন্তৰ পুৰুষ তেওঁলোকৰ আগত থিয় হ'লহি।

—আহা নিপু, তোমাৰ লগত এওঁলোকক চিনাকি কৰি দিওঁ।

অৰুণ বৰুৱা আৰু অঞ্জনা দুয়ো থিয় হ'ল।

—এওঁ মোৰ ভাই—নৃপেন্দ্ৰ নাৰায়ণ দে। এওঁ হ'ল অৰুণ বৰুৱা, বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ প্ৰফেছাৰ। এওঁ হ'ল অঞ্জনা কাকতি, প্ৰফেছাৰ বৰুৱাৰ ভাগিনী। ইকনমিক্সত এইবাৰ এম. এ. দিব। আমাৰ অংশুৰ এওঁৰ লগতে বিয়া ঠিক হৈছে। সেই বিষয়ে তোমাক সকলো কথা কৈছোঁৱেই।

—বুজিব পাৰিছোঁ। অঞ্জনা, কালিৰপৰা বাইদেউৰ মুখত তোমাৰ কথা শুনি আছোঁ। বৰ ভাল পালো। বিশেষকৈ তোমাৰ লগত সুধাংশুৰ বিয়া ঠিক হৈছে বুলি জানি নিতান্ত সুখী হৈছোঁ। সুধাংশু মোৰ একমাত্ৰ ভাগিন।

অঞ্জনা লাজ লাজ ভাবেৰে আগবাঢ়ি গ'ল নৃপেন্দ্ৰ নাৰায়ণক সেৱা জনাবলৈ। কিন্তু মানুহগৰাকী জঁপিয়াই উঠিল।

—তুমি মোৰ ভৰি চুব নোৱাৰা। মানত ভাগিন, মোমাইতকৈ ডাঙৰ। নহয় বাইদেউ ?

কথা শুনি সকলোৱে হাঁহিলে। পিছত নিৰ্মলা বয়ে ক'লে, "তাতে কি হ'ল ?"

বাধা পায়ো অঞ্জনাই শেষত নৃপেন্দ্ৰ নাৰায়ণক সেৱা কৰিলে।

—সুখে থাকা মা। মইতো কথাটো ঘূণাক্ষৰেও নাজানো। নহ'লে কিবা এটা ঘৰৰপৰা আশীৰ্বাদ স্বৰূপে তোমালৈ আনিব পৰা গ'ল হয়।

—আপুনি মোক অন্তৰৰ আশীৰ্বাদ দিলে নহয় ? হ'ব মামা।

—বাৰু হ'ব তেন্তে। অঞ্জনা তুমি ইমান গুণৱতী আৰু সুন্দৰী

ছোৱালী থাকোঁতে সুধাংশুৱে আমাৰ সুৰমাক কিয় পছন্দ কৰিব কোৱা। কথাটো সুধাংশুৱে খুলি কোৱা হ'লে, মামীয়েকে ইমান দুখ নাপালে হয় বাইদেউ।

—বিয়া বাকত এনেকুৱা হয়েই। তোমালোকে অংশুৰ কথাত নধৰিবা নিপু।

—মই একো ধৰা নাই। তোমাৰ ভাইবোৱাৰীৰহে ভালকৈ ঠেহ লাগিছে! তাতে সুধাংশুৱে মামীয়েকক বৰ টান কথা শুনাই আহিছে।

—মই এবাৰ যাম যোৱা কল্যাণীৰ ঘৰলৈ।

—মই আচলতে সুধাংশুৰ বিয়া পাতিবলৈ কল্যাণীক জোৰ দিছিলো। ভাবিলো, চাকৰিটো হ'ল যেতিয়া, তেওঁৰ মনটো এইবাৰ সংসাৰত বান্ধ খাওক। নহ'লে কেতিয়া কলৈ আকৌ গুচি যায়। আশা ৰাখিছো সুধাংশুক অঞ্জনাই পোহ মনাব পাৰিব।

কেইবাটাও নজনা কথা একেলগে শুনি অঞ্জনা হতবাক হ'ল। নিমাতে থাকি অঞ্জনাই মাত্ৰ ভাবিলে—তাইৰ অজ্ঞাতে কিছু কথা ইতিমধ্যে ঘটি গৈছে। কোন সেই সুৰমা নামৰ ছোৱালী? সেয়ে অসমীয়া আৰু বঙালী ছোৱালীৰ ইমান খেলিমেলি কল্পনা সুধাংশুৰ। অৰুণ বৰুৱাই গোটেই ঘটনাটো জানিছিল যদিও মন্তব্য দিয়াত তেওঁৰ অসুবিধা হ'ল। শেষত নিৰ্মলা বয়ে ক'লে, "যি হ'ব লগা আছে সেইটোহে হ'ব। জন্ম-মৃত্যু-বিবাহৰ কথা কোনেও ক'ব নোৱাৰে নিপু।"

—সেইটো হয় বুলি নৃপেন্দ্ৰ নাৰায়ণে ওপৰলৈ চালে। কোঠালিটো অনাহকতে গমগমীয়া হৈ পৰিল। পৰিস্থিতি পাতলাবলৈ নিৰ্মলা বয়ে ক'লে, "ভাত বাঢ়োনে নিপু?"

—অঁ। ভাত দিব পাৰা।

—অৰুণ, হাত-ভৰি ধুবানে?

—কিয়? আমি কিন্তু ভাত-পানী খাই আহিছো।

—সেইটো কেনেকৈ হ'ব? তোমালোকক একেবাৰে ভাতকে দিম বুলি চাহৰ ব্যৱস্থা কৰা নাই।

—এতিয়াও চাহ দিব পাৰিব। দুবাৰ ভাত খাব নোৱাৰো বাইদেউ। অঞ্জুকে খুৱাওক।

অঞ্জনাই অৰুণ বৰুৱাৰ ফালে ঘোপাকৈ চালে।

—অলপ খোৱা অৰুণ, মোৰ ভাইক সংগ দিবলৈকে।

—ঠিক কৈছে বাইদেৱে।

এনেদৰে কৈ নৃপেন্দ্ৰ নাৰায়ণে হাঁহিলে আৰু অঞ্জনালৈ চালে। অঞ্জনাই তলমূৰ কৰিলে।

ভাত খাই থাকোতে নৃপেন্দ্ৰ নাৰায়ণে অসম আন্দোলনৰ বিষয়ে ইটো-সিটো কথা উলিয়ালে। শেষত এই আন্দোলনটোৰ প্ৰয়োজন নাছিল বুলি অভিমত দিলে। লগত এইটো কথাও ক'লে যে অসমলৈ আহিবলৈ তেওঁলোকে সঁচাকৈয়ে ভয় কৰে।

—আপোনালোকতো বিদেশী নহয়, আপোনালোকে ভয় কৰে কিয় ?

গহীন মাতেৰে অৰুণ বৰুৱাই নিজৰ অভিমত দাঙি ধৰাত নৃপেন্দ্ৰ নাৰায়ণে হাঁহিৰেই উত্তৰটো দিবলৈ চেষ্টা কৰিলে। আন্দোলনৰ কথা এৰি তেওঁ হঠাতে অঞ্জনাক সুধিলে, "পৰীক্ষা তোমালোকৰ কেতিয়াৰ পৰা অঞ্জনা ?"

—দহ অক্টোবৰৰ পৰা ?

—পৰীক্ষা পিছুৱালেনেকি ?

নিৰ্মলা ৰয় আচৰিত হ'ল।

—হয়, পিছুৱালে।

—তেতিয়াহ'লে সুধাংশুৰ বিয়া কেতিয়াকৈ পাতিবা বাইদেউ ?

—সেইটো ঠিক কৰা নাই !

*চিন্তান্বিত হৈ নিৰ্মলা ৰয়ে উত্তৰ দিলে।*

—আমাক অলপ আগতীয়াকৈ বিয়াৰ সঠিক খবৰটো জনাবা বাইদেউ।

নৃপেন্দ্ৰ নাৰায়ণে আকৌ এবাৰ অঞ্জনাৰ ফালে চালে। এবাৰ তেওঁৰেই সুধাংশুৰ কাৰণে গঢ়াই দিয়া আঙঠিটো অঞ্জনাৰ আঙুলিত দেখি সুখি পোৱালে।

—তোমালোকৰ ৰিং চিৰিমনি হৈ গ'ল ?

—হয়।

অঞ্জনাই গহীন হৈ শলাগিলে।

—তোমাৰ মা-দেউতাৰ মত আছিলতো ?

অবাক হৈ অঞ্জনাই মানুহগৰাকীলৈ চালে। শেষত, একো ক'ব নোৱাৰি তলমূৰ কৰিলে। নৃপেন্দ্ৰ নাৰায়ণে অৰুণ বৰুৱাৰ ফালে চালে। উত্তৰ নোপোৱাত তেওঁ বায়েকক সুধিলে, "কথাটো সোধাত মোৰ কিবা ভুল হ'ল নেকি বাইদেউ ?"

—তোমাক কথা এটা কোৱা নহ'ল। অঞ্জনাৰ মা-দেউতা নাই।

—হয় নেকি ? এস। তুমি মোক ইমান কথা ক'লা অঞ্জনাৰ বিষয়ে অথচ, এই ইম্পৰটেণ্ট কথাটো কোৱা নাই।

অঞ্জনাই চাৰিওকালে ধোঁৱা-কোঁৱা দেখিলে। মনত তাইৰ যেন অতীত-ভৱিষ্যত একাকাৰ হৈ গ'ল। অৰুণ বৰুৱাই ভাবিলে—য'তে বাঘৰ ভয়, তাতে ৰাতি হয়। কথাটো সহজ কৰিবলৈ তেওঁ ক'লে, "কাৰো পিতৃ-মাতৃ সদায় নাথাকে। আমাৰো মা-দেউতা নাই। তথাপিতো চলি গৈছে।"

—হয়, হয়, প্ৰঃ বৰুৱা, ঠিক কৈছে আপুনি। চলি যায় একৰকম।

ৰহস্যজনক হাঁহি এটা মাৰি নৃপেন্দ্ৰ নাৰায়ণ উঠি গ'ল হাত ধুবলৈ। পিছে পিছে অৰুণ বৰুৱাও গ'ল। অঞ্জনাই ভজা বেঙেনা এডোখৰ ছিঙি আছিল ভাতৰ থালখনত।

—অঞ্জুমা, ভাত খাব নোৱাৰিলা নহয় নিপুৰ প্ৰশ্নৰ উপৰি প্ৰশ্নত ?

নিৰ্মলা বয়ে ভাবিলে আৰু এদিন অঞ্জনাই এইখন ঘৰতে ভাত খাইছিল। সেইদিনাও ভাতৰ পাতত সুধাংশুৱে নানা প্ৰশ্নেৰে অঞ্জনাক ব্যতিব্যস্ত কৰিছিল, কিন্তু সেই ব্যস্ততা আছিল বৰ আনন্দদায়ক। নিৰ্মলা বয়ক একো নকৈ অঞ্জনাও লাহেকৈ উঠি গ'ল মুখ ধুবলৈ।

হাত-মুখ ধুই আটাইকেইজন আকৌ ঘূৰি আহিল। মুখখন মচি মচি নৃপেন্দ্ৰ নাৰায়ণে ক'লে, "বাৰু প্ৰঃ বৰুৱা আপুনি বহক। ডাক্তৰৰ নিৰ্দেশক্ৰমে খোৱাৰ পিছতে মই জিৰাব লাগে।"

—যাওক। আপুনি জিৰাওকগৈ।

নৃপেন্দ্ৰ নাৰায়ণ শোৱনি কোঠালৈ যোৱাৰ পিছত অঞ্জনা গৈ সুধাংশুৰ পঢ়া কোঠাত সোমাল। অৰুণ বৰুৱাও আহি সেই কোঠাত বহিলহি।

—ব'লা মামা যাওঁ।

—যাম। বাইদেউ আজৰি হৈ আহক। অ' নাম লওঁতেই আপুনি আহিল।

—মোক বিচাৰিছিলা ?

নিৰ্মলা ৰয়ৰ প্ৰশ্ন শুনি অৰুণ বৰুৱাই উত্তৰ দিলে, "অঞ্জু যাব খুজিছে।"

—অঞ্জুমা, মোৰ ভাইৰ কথাত ক্ষুণ্ণ হৈছা যে বুজি পাইছোঁ। তুমি নৃপেনৰ কথাত নধৰিবা। তেওঁ বৰ ভলভলীয়া মানুহ। কাক কি কৈছে, কাক কি সুধিছে একো ক'ব নোৱাৰে নোৱাৰে।

—মই মামাৰ কথাত ধৰা নাই মা। কিন্তু তেওঁৰ কথা ভাবিব লগা হৈছে। বিয়া সম্পৰ্কে আগতে ঘটি যোৱা কথা তেওঁ মোক একো জানিবলৈ নিদিলে। জনা হ'লে মই তেওঁক আঙঠি পিন্ধাবলৈ নিদিলো হয়।

—অংশুৰ কথা কৈছা অঞ্জুমা ?

—হয়।

—অংশুৱেতো তোমাক পছন্দ কৰিহে আঙঠি পিন্ধাইছে।

—তেওঁৰ পছন্দৰ কি অৰ্থ আছে ? আত্মীয়স্বজনক বেয়া পোৱাই মোৰ দৰে পিতৃ-মাতৃহীন দুৰ্ভগীয়া ছোৱালী এজনীক বিয়া কৰাবলৈ ওলোৱাটো তেওঁৰ বৰ ভুল হৈছে।

—একো ভুল হোৱা নাই। অংশুৰোতো পিতৃ আজি নাই।

আবেগত কোৱা নিৰ্মলা ৰয়ৰ কথাৰ মৰ্ম অৰুণ বৰুৱাই উপলব্ধি কৰিবলৈ বিচাৰিলে। তেওঁ লাহেকৈ অঞ্জনাক ক'লে, "গোটেই ঘটনাটো বুজাত তোৰ ভুল হৈছে অঞ্জু।"

—মোৰ ভুল হৈছে হয়। কিন্তু, তোমালোকে জানি-শুনি ভুল কৰিলা কিয় ?

তাৰ পিছত তিনিওজন নিমাতে থাকিল। মনিব নোৱাৰা অন্ধকাৰত যেন কোঠাটো ডুব গ'ল। সেই অন্ধকাৰৰ মাজত অঞ্জনাই আঙুলিৰ-পৰা আঙঠিটো সোলকাই নির্মলা ৰয়ৰ হাতত দি ক'লে, "এইটো এতিয়া আপোনাৰ হাতত ৰাখক মা।"

## একৈশ

নির্মলা ৰয়ৰ ঘৰৰ পৰা অহাৰ পিছত অঞ্জনা এসপ্তাহমান অস্বাভাৱিক ধৰণে গহীন হৈ আছিল। পঢ়া-শুনা কৰিবলৈ সম্পূর্ণ এৰি দিছে। বেছি কথা-বতৰা নকয়, ক'লৈকো ওলায়ো নাযায়। ডিগবৈলৈ বহুদিন তাই চিঠি-পত্র লিখা নাই। ফোন কৰাবো প্রয়োজন বোধ কৰা নাই। দুপৰীয়া জেউতিৰ লগত ভাত খাবলৈ বহি মাত্র দুই-এটা কথা পাতে। জেউতিয়ে লক্ষ্য কৰিছে, অঞ্জনাৰ চলন-ফুৰণত আগৰ উল্লাস নাই। হাঁহি-মাতি থকা অঞ্জনাই কিয়বা মন মাৰি আছে তাকো জেউতিয়ে ধৰিব পৰা নাই। একোদিন অঞ্জনাই আবেলিৰ ফালে আগফালৰ বননিত বহি আকাশলৈ চাই থাকে অপলক দৃষ্টিৰে। অৱশ্যে সেইখিনি সময়ত জেউতিৰ ছোৱালী ৰাণু-বিনুৱে লুকা-ভাকু খেলি খেলি অঞ্জনাক সাবটি ধৰিলে, তাই সিহঁতক হাতত ধৰি কাষত বহুৱাই লয়। একোদিন সরু ছোৱালী দুজনীৰ লগত ওমলেও। ৰাণু আৰু বিনুৰ লগত অনাবিল আনন্দত উমলি থকা দেখিলে অৰুণ বৰুৱাই ভাবে—অঞ্জনাও এদিন ৰাণু-বিনুৰ দৰে এক অবোধ শিশু আছিল। শৈশৱত সেই কল্পনাময় কালছোৱাত অঞ্জনাৰ কত অবান্তৰ প্রশ্নৰ উত্তৰ দিব লগা হৈছিল অৰুণ বৰুৱাই। অৰুণনানি অঞ্জনাৰ কত ওফোন্দ যে ভেঙুঁ ভাঙিব লগা হৈছিল বন্দনাৰ করুণ মুখলৈ চাই! এদিন আকৌ এই পিতৃহীন শিশুটিৰ জীৱনলৈ আৰু এক প্রবল ধুমুহা নামি আহিল। বন্দনাৰ প্রাণ-বস্তি মুমুৰাৰ লগে লগে এক প্রচণ্ড বা-মাৰলীত শিশু অঞ্জনাৰ ফুলকুমলীয়া জীৱন

হঠাতে ওলট-পালট হৈ গ'ল। তথাপি সেই দুৰ্যোগৰ মাজত শিশু অঞ্জনাৰ থিতাপি লাগিল দুৱৰা পৰিয়ালৰ আন্তৰিক বদান্যতাৰ ফলত। ডাঃ কৰুণা দুৱৰা আৰু মানসীৰ অপৰিসীম স্নেহত অঞ্জনা লহ্‌পহকৈ ডাঙৰ হৈ আছিল। ডাঃ দুৱৰাৰ দায়িত্বপূৰ্ণ সতৰ্কতাত অঞ্জনাৰ কৈশোৰ কাল পাৰ হৈ গ'ল দাৰ্জিলিং চহৰৰ লৰেটো স্কুলৰ শৃঙ্খলাবদ্ধ শৈক্ষিক পৰিৱেশৰ মাজত। পঢ়াশুনাত দোপতদোপে আগবাঢ়ি গ'ল বুদ্ধিমতী অঞ্জনা। তাইৰ যৌৱন আৰম্ভ হোৱাৰ লগে লগে অসমত ধুমুহাৰ দৰে শক্তিশালী আন্দোলন এটা আৰম্ভ হ'ল। আওপকীয়াকৈও বহুতৰ জীৱনত সেই আন্দোলনৰ প্ৰভাৱ নপৰা নহয়। অঞ্জনাৰ জীৱনতো অলপ নহয় অলপ প্ৰভাৱ পৰিল। জীৱনৰ গতি এনেদৰে কেইবাবাৰো থমকি ৰৈছে যদিও, তাই আগবাঢ়ি গৈ আছে পোহৰৰফালে। কিন্তু, এদিন অৰুণ বৰুৱাই স্তেউ'তিৰ দৰে মন কৰিছে যে অঞ্জনা কিছুদিনৰ পৰা বৰ গম্ভীৰ হৈ পৰিছে। তথাপি তেওঁ আশ্বস্ত হ'ল ভাবি— সুধাংশুক লগ পালেই অঞ্জনা আকৌ ঠিক হৈ যাব।

সুধাংশু এসপ্তাহেও নাহিল। অৰুণ বৰুৱাই কথাটো চিন্তা কৰিলে। কিন্তু, তেওঁ সুধাংশুৰ বিষয়ে অঞ্জনাক একো সোধা নাই। আচলতে অৰুণ বৰুৱাই তাইক কোনো কথাৰে বিৰক্ত কৰিব খোজা নাই। ইতিমধ্যে সুধাংশু মাকৰ ওচৰ পাইছিলহি যে সেই কথা অৰুণ বৰুৱাই নেজানে। সুধাংশু যিদিনা ঘৰ পাইছিল, সেইদিনাই তেওঁৰ মোমায়েক নৃপেন্দ্ৰ নাৰায়ণ দে কলিকতালৈ যাবলৈ ওলাইছিল। যাবৰ পৰত, নৃপেন্দ্ৰ নাৰায়ণে সুধাংশুৰ ফালে চাই ক'লে, "তুমি আহিলা, কিন্তু মই যাবলৈকে ওলালো। অৱশ্যে, ইয়ালৈ আহি তোমাৰ বিয়াৰ কথা জানি বৰ আনন্দ পালো। বিয়াৰ পিছত অঞ্জনাক লৈ কলিকতালৈ এবাৰ যাবা। এতিয়াই নিমন্ত্ৰণ কৰি গ'লো।"

একো উত্তৰ নিদি সুধাংশুৱে মাত্ৰ হাঁহিলে আৰু বাটৰ মূৰলৈকে গৈ মামাকক আগবঢ়াই দিলে।

ভায়েক যোৱাৰ পিছত নিৰ্মলা বয়ে লাহে-ধীৰে সুধাংশুৰ আগত অঞ্জনাৰ কথা উলিয়ালে। নৃপেন্দ্ৰ নাৰায়ণৰ কি কি বিশেষ প্ৰশ্নত

অঞ্জনা আহত হ'ল সেই কথা পুংখানুপুংখকৈ পুতেকৰ আগত বিবৰি ক'লে। নিৰ্মলা বয়ৰ নিজৰ মনতে অশান্তি হৈ আছিল অঞ্জনাই অনাহকতে দুখ পাব লগা হোৱাত। সুধাংশুৰ আগত প্ৰত্যেকটো কথা স্পষ্টভাৱে কৈ তেওঁ যেন অকণমান সকাহ পাব খুজিছিল। কিন্তু, ফল ওলোটা হ'ল। মাকৰ মুখৰ পৰা অঞ্জনাৰ কথা জানি সুধাংশু হতভম্ব হ'ল। তেওঁ ভাবিব লগা হ'ল—নিজৰ ওপৰত অঞ্জনাৰ এইকণো আত্মবিশ্বাস নাইনে? তেওঁলোকৰ বৈবাহিক জীৱনৰ প্ৰস্তুতিত যিবোৰ মতামত সমূলি গ্ৰহণযোগ্য নহয়, সেইবোৰৰ দ্বাৰা আহত হোৱাতো নিজৰেই দুৰ্বলতা বুলি ক'ব লাগিব। সুধাংশুৰ দুৰ্যোৰ বিৰক্তি আহিল। যি হয় হ'ব—এনেধৰণৰ কথাত আৰু ব্যস্ত থাকিব নোৱাৰি বুলি সুধাংশুৱে ঠিৰাং কৰিলে। সেইদিনাই ৰাতিৰ বাছত তেওঁ ডিগবৈলৈ উভতি গুচি গ'ল। নিৰ্মলা বয়ৰ অশান্তি কমক ছাৰি দুগুণ বেছিহে হ'ল।

মানসী দুৱৰাই সুধাংশুৰ কথা সহজে ল'ব নোৱাৰি অস্থিৰ হৈ উঠিল। ডাঃ দুৱৰাই বাৰে বাৰে মানসীক শান্ত কৰাৰ ইচ্ছাৰে ধৈৰ্য ধৰিবলৈ ক'লে। সুধাংশু ডিগবৈত দুদিনো আছিল। এই দুটা দিন তেওঁ গুৱাহাটীত কটোৱাৰ কথা ভাবিছিল। প্ৰথমতে, মাকৰ লগত বিয়াৰ সম্পৰ্কত কেইটামান প্ৰয়োজনীয় কথা ঠিক কৰিব। সেইখিনি কথা অকণ বকৰা আৰু অঞ্জনাক জনাবলৈ পিছত জালুকবাৰীলৈ যাব—এয়ে আছিল সুধাংশুৰ পৰিকল্পনা। লগতে, অঞ্জনাক ওচৰত পোৱাৰ বাবে সুধাংশুৰ এটা প্ৰবল ইচ্ছাও হৈছিল। সেই ইচ্ছাৰে তেওঁ বাৰে বাৰে পুলকিত হৈ উঠিছিল। কিন্তু মাকৰ কথা শুনি সুধাংশুৰ মনৰ আশা মনতে মাৰ গ'ল।

নৃপেন্দ্ৰ নাৰায়ণৰ কথা সুধাংশুৱে বিশেষ ধৰা নাই। আনৰ প্ৰতি সময়বিশেষে পুতৌৰ ভাব দেখুওৱাই হ'ল তেনেধৰণৰ অভিজাত শ্ৰেণী মানুহৰ মনোবৃত্তি। কিন্তু অঞ্জনাৰ হ'ল কি? বাৰে বাৰে অঞ্জনাই ভুল কৰিছে কিয়? এনেধৰণৰ ভুল বোধ কৰিবলৈকে এদিন সুধাংশুৱে নিজৰ আঙঠিটো অঞ্জনাৰ আঙুলিত পিন্ধাই দিছিল। কিন্তু,

ছোৱালীজনীয়ে কি কাণ্ড কৰিলে! আঙঠিটো সোলকাই পেলাব লাগেনে? যিমানে ওচৰলৈ আনিবলৈ বিচাৰিছে, সিমানে অঞ্জনা আঁতৰি গৈছে বুলি সুধাংশুৰ বোধ হ'ল। এই দূৰত্ব সুধাংশুৰ কাৰণে অসহনীয় হৈ উঠিল। ডিগবৈৰ ঘৰখনত সেই দুদিন একমাত্ৰ ধীৰ স্থিৰ হৈ আছিল ডাঃ দুৱৰা। তেওঁ বিয়া সম্পৰ্কে সুধাংশুৰ আগত একো কথা খুলিয়ালে। বিছাকপি বাগিচালৈ যোৱাৰ পৰত সুধাংশুক ডাঃ দুৱৰাই মাত্ৰ বাগানত সাৱধানে চলিবলৈ সতৰ্ক কৰি দিলে।

প্ৰায় দহ দিনমান মনৰ আবেগ উৎকণ্ঠা লুকুৱাই ৰাখি হঠাতে এদিন অঞ্জনা অতিষ্ঠ হৈ উঠিল। সেইদিনাই সন্ধিয়াপৰত তাই কোবাকুবিকৈ চেক্ৰেটেৰীৰ ঘৰলৈ গৈ ডিগবৈলৈ ফোন কৰিলে। মানসীয়ে ফোন ধৰিলে। অঞ্জনাই মানসীৰ পৰা সুধাংশুৰ বিতং খবৰ পালে; ইতিমধ্যে সুধাংশু গুৱাহাটীলৈ আহি একেদিনাতে ঘূৰি গৈ ডিগবৈ পাইছিলগৈ—তাতে দুদিন আছিল। সুধাংশুক যথেষ্ট উত্তেজিত দেখা গৈছিল, একো সময়ত তেওঁ গভীৰ দুখত যেন মৰ্মাহত হৈও পৰিছিল। অৱশ্যে, ডাঃ দুৱৰাই সুধাংশুক বিছাকপি বাগানলৈ যোৱাৰ আগতে শান্ত কৰিয়েই পঠাইছে। এইখিনি খবৰ দি মানসীয়ে হঠাতে ফোনটো এৰি দিলে। অঞ্জনা বিচলিত হ'ল। কোনোৰকমে ফোনটো থৈ অঞ্জনা ঘৰলৈ উভতি আহিল। বিছনাত পৰি থাকি তাই ভাবিবলৈ ধৰিলে—ইমান ডাঙৰ ঘটনাটো একো হোৱা নাছিল। কি কাৰণত গুৱাহাটীলৈ আহিও সুধাংশুৱে তাইক এবাৰ দেখা কৰিব নোৱাৰিলে। এয়া যেন তাইৰ প্ৰতি সুধাংশুৰ তীব্ৰ উপেক্ষা। তাৰ পিছত অঞ্জনাৰ অস্থিৰতাত অৰুণ বৰুৱা চিন্তিত হ'ব লগা হৈছিল।

বিছাকপি বাগিচা পাই সুধাংশুৱে বৰ ভাল খবৰ পোৱা নাছিল। বাগানত এটা উত্তপ্ত পৰিবেশৰ সৃষ্টি হৈছে বুলি সুধাংশুক পোনতে কৃপা কাকতিয়ে সাৱধান কৰি দিলে। কৃপা কাকতিৰ কালৰ পৰা সুধাংশুৰ ওপৰত এনে সতৰ্কতাৰ কাৰণো যথেষ্ট আছিল। কিছুদিনৰ আগতে, বিছাকপিত মজদুৰসকলৰ যিখন গুৰুত্বপূৰ্ণ সভা হৈছিল, সেইখনত দুটা প্ৰস্তাৱ গৃহীত হৈছিল। প্ৰথমটো আছিল, ফুলমণিক বিয়া

কৰাবলৈ গগন বৰুৱাক আৰু জোৰ কৰা নহ'ব। দ্বিতীয় প্ৰস্তাৱ হ'ল—গগন বৰুৱাক অনতিবিলম্বে বাগানৰ পৰা বৰ্খাস্ত কৰা হওক। মজদুৰ ছাত্ৰসকলৰ অনুৰোধক্ৰমে সুধাংশুৱে সেই সভাত আগভাগ লৈ বাগানৰ আৰ্থ-সামাজিক দিশত বহু কথা শ্ৰমিকসকলে বুজি পোৱাকৈ সহজভাৱে ব্যাখ্যা কৰিছিল। লগতে, শ্ৰমিকসকলৰ মানৱীয় মৰ্যাদাৰ ওপৰত গুৰুত্ব দি গগন বৰুৱাৰ লগত ফুলমণিৰ বিয়া হ'ব নালাগে বুলি কাৰণ দেখুৱাইছিল। সুধাংশুৰ কথাত শ্ৰমিকসকলে নতুন পোহৰৰ যেন উমান পালে। সুধাংশুৰ কথাৰ জোৰতে প্ৰথম প্ৰস্তাৱটো সভাত গৃহীত হৈ গ'ল। অৱশেষত, গগন বৰুৱাক বাগানৰ পৰা বৰ্খাস্ত কৰাৰ প্ৰস্তাৱত সুধাংশুৱে কোনো মন্তব্য দাঙি ধৰা নাছিল। বাগানৰ মেনেজমেণ্টৰ লগত জড়িত থকা কেইজনমান বিশিষ্ট ব্যক্তিয়েহে সেই আলোচনাত ভাগ ল'লে। তথাপি, বৰ্খাস্ত হোৱাৰ আশংকাত গগন বৰুৱাই কেইদিনমানৰ ভিতৰতে শ্ৰমিকসকলৰ মাজত কৃপা কাকতি আৰু সুধাংশু ৰয়ৰ বিৰুদ্ধে কেইটামান মিছা কথাৰ অৱতাৰণা কৰিলে। বাগানৰ একাংশ শ্ৰমিকে সেই কথা বিশ্বাস কৰি গগন বৰুৱাক সমৰ্থন দিবলৈ ধৰিলে। এনে পৰিস্থিতিত বাগানত যে দুটা দলৰ মাজত বিক্ষোভ প্ৰদৰ্শন হ'ব পাৰে সেই কথা কৃপা কাকতিয়ে সুধাংশুক জানিবলৈ দিলে। তুঁহ জুই যেন উমি উমি জ্বলিবলৈ ধৰিছে। তথাপি, বাগানৰ ভিতৰুৱা কথাত নিজকে লিপ্ত কৰিবলৈ সুধাংশুৰ আৰু মন নগ'ল।

প্ৰজেক্টৰ বাকী অংশ কাম শেষ কৰিবলৈ সুধাংশু ৰয় ব্যতিব্যস্ত হৈ উঠিল। ছাত্ৰ দুজনক লগ ধৰিবলৈ সুধাংশু বিছাকপিৰ পৰা নামৰূপলৈ গ'লগৈ। নামৰূপত থাকি সেই অঞ্চলৰ চাহ বাগিচাত গৱেষক ছাত্ৰ দুজনে প্ৰজেক্টৰ কাম চলাই আছে। সুধাংশু ৰয়ে এইবাৰ নামৰূপ পাই ছাত্ৰ দুজনক এসপ্তাহৰ ভিতৰতে নামৰূপ অঞ্চলত প্ৰজেক্টৰ কাম শেষ কৰাৰ বাবে নিৰ্দেশ দিলে। গুৱাহাটীৰ পৰা ঘূৰি আহি যে সুধাংশু ৰয় চিন্তান্বিত হৈ পৰিছে, সেই কথাটো পুৱা-গধূলি ছাত্ৰ দুজনে লক্ষ্য কৰিছে। কামত ব্যস্ততা আছে, কিন্তু

আগৰ সেই আনন্দ নাই। চিন্তাৰ কাৰণ সুধিবলৈ ছাত্ৰ দুজনে সুবিধা কৰিবও পৰা নাই। নামৰূপৰ গেষ্ট হাউচত আজৰি পৰত সুধাংশুক নীৰৱ হৈ অকলে থকা দেখা গ'ল। ভাত খোৱাৰ সময়ত ধিকণ সময় লগ হয়, সেই সময়তো অকল কামৰ কথা। প্ৰজেক্টৰ কামত এনে ব্যস্ততা তেওঁলোকৰ আগতে নাছিল। নামৰূপৰ আশে-পাশে থকা তিনিখন বাগিচাত বিভিন্ন দিশত পৰ্যবেক্ষণ চলিছে। বিৰামহীন কামত সুধাংশু ৰয়ে নিজৰ মনক বিশ্ৰাম দিবলৈ বিচৰা নাই।

দূৰ ঠাইৰ কিছু ছোৱালী বিশ্ববিদ্যালয়লৈ অহাত প্ৰথম জুলাইৰ পৰা অঞ্জনাহঁতৰ হোষ্টেল খুলিছে। খোলাৰ লগে লগে অঞ্জনা হোষ্টেললৈ গৈছে। একেদিনাই মাধুৰী শইকীয়াও আহি পালে। হোষ্টেলৰ পৰা লাইব্ৰেৰী আৰু লাইব্ৰেৰীৰ পৰা হোষ্টেল কৰি অঞ্জনা গভীৰ অধ্যয়নত ডুব গ'ল। ইখনৰ পিছত সিখন কিতাপ শেষ কৰাত অঞ্জনা ব্যস্ত হৈ পৰিল। কিতাপৰ টোকা আৰু বিভিন্ন প্ৰশ্নৰ পইণ্টচ গোটাইও অঞ্জনাই সময় কটাবলৈ ধৰিলে। অঞ্জনাই কোনোৰকমে মনক আজৰি দিব খোজা নাই। পঢ়াৰ বাহিৰে আন খবৰৰ কাৰণে অঞ্জনা এতিয়া ব্যস্ত নহয়। মাধুৰী শইকীয়াই মন কৰিলে যে অঞ্জনাৰ ভিতৰ ফালটোত এটা ডাঙৰ পৰিৱৰ্তন ঘটিছে।

সময় তীব্ৰ গতিত পাৰ হৈ গৈছে। সুধাংশু আৰু অঞ্জনাৰ— এজনৰো এই তীব্ৰতাৰ প্ৰতি ভ্ৰুক্ষেপ নাই। কিন্তু, সময়ৰ লগে লগে দুয়োজনৰে মানসিকতা আপোনা-আপুনি উন্মুক্ত হৈ আহিল। নিজৰ নিজৰ কামত ব্যস্ত হৈ সুধাংশু আৰু অঞ্জনা শান্ত হোৱা যেন দেখা গ'ল। বহুদিনৰ পৰা এক নিবিড় স্তব্ধতাই দুয়োকো আবৰি আছে। কিন্তু, নিস্তব্ধতাৰ পাৰ ভাঙি এদিন ঘনঘোৰ বৰষাৰ মেঘ-গৰ্জনে আকাশ-পৃথিৱী জুৰি তালফাল লগালে। এখন অপাৰ সাগৰৰ পাৰত থিয় হৈ যেন সুধাংশু আৰু অঞ্জনাই হঠাতে ইজনৰ পৰা সিজনৰ দূৰত্ব উপলব্ধি কৰিবলৈ বিচাৰিলে। বৰ্ষাৰ শান্ত-শীতল ছায়াত মূৰ গুজি দুয়ো যেন বিয়াকুল হৈ পৰিল। আকুল সুৰত সুধাংশুৱে নামৰূপৰ সন্ধিয়া ভাৱাক্ৰান্ত কৰি তুলিলে,

"আমি শ্ৰাবণ আকাশে দিয়েছি পাতি
মম জল ছলছল আঁখি মেঘে মেঘে।"

আৰু অঞ্জনাই হোষ্টেলৰ এজনীয়া কোঠাটোৰ খিৰিকিৰে ডাৱৰীয়া আকাশলৈ চাই করুণ সুৰে গাবলৈ বিচাৰিলে—

"আষাঢ় সন্ধ্যা ঘনিয়ে এল, গেলরে দিন বয়ে
বাঁধন হাৰা বৃষ্টি ধাৰা ঝৰছে ৰয়ে ৰয়ে।"

বৰষাৰ দুখানুভূতিয়ে সুধাংশু আৰু অঞ্জনাৰ প্ৰাণত জীৱনৰ এক গভীৰ তন্ময়তা জগাই তুলিলে।

সুধাংশু বয়ে প্ৰজেক্টৰ কাম দুই-এদিনতে নামৰূপ অঞ্চলত শেষ কৰাৰ কথা ভাবিছে। ইয়াৰ পিছতে উজনি অঞ্চল এৰি তেওঁ কলিয়াবৰ আৰু বৰজুলি বাগিচাত কাম কৰিব। সেই দুখন বাগিচাত কিছু ডেটা গোটাই জুলাইৰ শেষৰ সপ্তাহত গুৱাহাটীলৈ উভতি যোৱাৰ কথা। উজনি অঞ্চল এৰি যোৱাৰ আগতে সুধাংশুৱে এদিন ডিগবৈ আৰু এদিন বিহুকপি বাগানত থাকিব। নামৰূপৰ কৰ্মব্যস্ত দিনকেইটাত সুধাংশুৱে কোনোফালৰ খবৰ ৰখা নাই। কিন্তু এই অঞ্চল এৰি যোৱাৰ আগতে ডাঃ করুণা দুৱৰা আৰু কৃপা কাকতিক এবাৰ মাত লগাই যাব লাগিব বুলি ভাবিছে। তেওঁলোকৰ প্ৰতি সেয়ে হ'ব সুধাংশুৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন।

নামৰূপৰ কাম শেষ হ'লহি। সুধাংশু বয়ে লগৰ ছাত্ৰ দুজনক ডিব্ৰুগড়লৈ গৈ দুদিন তাতে ৰ'বলৈ ক'লে। তৃতীয় দিনা তেওঁলোকক সুধাংশুৱে তাতে লগ ধৰিব আৰু তাৰপৰা তেওঁলোকে একেলগে নগাঁওলৈ যাত্ৰা কৰিব। ছাত্ৰ দুজন নামৰূপৰ গেষ্ট হাউচৰপৰা টানি-টোপোলা লৈ ওলাই যোৱাৰ পিছত সুধাংশুৱে গেষ্ট হাউচৰ লেনদেন শেষ কৰি ডিগবৈলৈ যাত্ৰা কৰিলে। যি সময়ত সুধাংশু ডাঃ দুৱৰাৰ ঘৰ পাইছিলগৈ, সেই সময়ত কাঞ্চীয়ে এটা বাঁহৰ সৰু খৰাহীত ফুলনিত ফুল তুলি আছিল। ঘৰখন একেবাৰে নিমাওমাও। ডাঃ দুৱৰা ক্লিনিকলৈ গৈছে। সুধাংশুৱে বাৰাণ্ডাৰপৰা নামি গৈ কাঞ্চীক সুধিলে মানসীৰ কথা। কাঞ্চীৰপৰা জানিব পাৰিলে মানসীৰ গা ভাল নহয়,

শুই আছে। সুধাংশু ভিতৰলৈ সোমাই গৈ ড্ৰয়িং ৰুমত কিছুসময় বহিল। শেষত কাঞ্চীৰ লগত মানসী ওলাই আহিল। কাঞ্চী লাজ লাজকৈ ৰান্ধনি ঘৰৰ ফালে গ'লগৈ। সুধাংশু গহীন হৈ বহি আছিল। মানসীয়ে মাতিলে, "সুধাংশু, কেতিয়াবাই আহিলা? তোমাৰ খবৰ-বাতৰি একেবাৰে পোৱা নাই। ভালনে?"

—ভাল।

একে উশাহতে সোধা মানসীৰ কথাকেইটাৰ শেষৰটোৰ মাত্ৰ উত্তৰ দি সুধাংশুৱে মানসীৰকালে চালে। তেওঁ মন কৰিলে মানসীৰ মুখখন উখহিছে, আৰু চকু দুটা অলপ সোমাই পৰিছে।

—আপোনাৰ গা বেয়া মানুমাহী!

—মোৰ গাটো প্ৰায়ে বেয়াই থাকে। তাতে আজি কিছুদিনৰপৰা অঞ্জুৰ কাৰণে চিন্তা হৈ আছে। ছোৱালীজনীৰ একো খবৰ পোৱা নাই। কিনো কৰিছে তাই। চিঠি-পত্ৰ নিদিয়া হ'ল

—হোঁ।

সুধাংশুৱে আৰু একো নামাতিলে। মানসীয়ে আৰু একো নক'লে।

—তোমালৈ চাহ একাপ আনো। মানসী বহাৰপৰা থিয় হ'ল।

—মই আগতে গাটো ধুই লওঁ মানুমাহী।

—ব'লা। বাকচটো তুলিবলৈ মানসী আগবাঢ়ি আহিল।

—কি কৰে? মই নিম নহয়। ব'লক।

সুধাংশুৱে গা-পা ধুলে আৰু একাপ চাহ খোৱাৰ পিছত শুই পৰিল। সুধাংশুক দেখা পাই মানসী অকণমান সকাহ পালে। গাটো তওাই কেইবাদিনৰ মূৰত তেওঁ ৰান্ধনি-ঘৰত সোমালগৈ। দুপৰীয়া একমান বজাত ডাঃ দুৱৰা ক্লিনিকৰপৰা ঘৰলৈ আহিল। তেওঁ সুধাংশু অহাৰ খবৰ পাই একেকোবে অঞ্জনাৰ কোঠালিত সোমালগৈ। সুধাংশুৰ গভীৰ টোপনি আহিছে। কোঠাটোৰপৰা ওলাই আহি ডাঃ দুৱৰা ড্ৰয়িংৰুমত বহিলহি। খবৰৰ কাগজখন হাতত লৈ তেওঁ চকু ফুৰাই 'গ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ খবৰ এটা চকুত পৰাত, কাগজখন পোন কৈ

ধৰি তেওঁ মনোযোগেৰে পঢ়িবলৈ ধৰিলে। ছুটা হোষ্টেলৰ ছাত্ৰৰ মাজত মাৰধৰ হোৱাত অশান্ত পৰিস্থিতি শান্ত কৰাৰ অৰ্থে কৰ্তৃপক্ষই হোষ্টেলবোৰ পোন্ধৰ আগষ্টলৈ বন্ধ থাকিব বুলি ঘোষণা কৰিছে। ডাঃ দুৱৰা অলপ চিন্তিত হৈ ব'ল। তাৰ পিছত লাহে লাহে কাগজখন ভাঁজ কৰি থিয় হ'ব খোজোতেই সুধাংশু ড্ৰয়িংৰুমলৈ সোমাই আহিল।

—মহা আহিলে ?

—আহিলোঁ। তোমাক চাইও আহিলোঁ। টোপনি অহা দেখি জগাবলৈ বেয়া লাগিল।

সুধাংশুৱে হাঁহিলে। লাহেকৈ তাৰ পিছত সুধিলে, "বহুত সময় হ'ল মহা আপুনি অহা ?"

—হ'ল অলপ সময়। আজি অৱশ্যে মই সোনকালে আহিলোঁ। ব'লা, সুধাংশু আমি ভাত খাওঁগৈ।

মানসীও আহিল তেওঁলোকক মাতিবলৈ। ভাত খাই উঠি তিনিও আকৌ ড্ৰয়িংৰুমত বহিলহি। তেতিয়ালৈকে তেওঁলোকে বিশেষ কথা পতা নাছিল। সুধাংশুৱে বাতৰি কাকতখন হাতত লৈ অলপপৰৰ পিছত মন্তব্য কৰিলে, "বিশ্ববিদ্যালয় নোখোলোতেই ছাত্ৰৰ মাৰধৰ-কম আৰম্ভ হ'লেই।"

—সুধাংশুৱে বাওঁহাতেৰে কাগজখন টেবুলৰ ওপৰত থৈ ডাঃ দুৱৰাৰ ফালে চালে।

—পঢ়িলেতো। হোষ্টেলবোৰ বন্ধ কৰি দিছে।

—কি হৈছে আকৌ গুৱাহাটীৰ বিশ্ববিদ্যালয়ত ? উৎকণ্ঠাত অস্থিৰ হৈ উঠিল মানসী !

—বিশেষ একো হোৱা নাই মামুমাহী। এম. এ. পৰীক্ষা পিছুৱাবে যেতিয়া, নতুন বোৰ্ডাৰসকলৰ ছিট লৈ নিশ্চয় অসুবিধা হ'ব। সেই অসুবিধাজনক সমস্যাৰ সমাধান কৰিবলৈ ছাত্ৰসকলে মাৰধৰ কৰিছে লগতে কৰ্তৃপক্ষই হোষ্টেল বন্ধ কৰি দিছে। তাতকৈ আৰু বেছি কি কৰিব

—আগষ্টৰ এক তাৰিখৰ পৰাতো বিশ্ববিদ্যালয় খুলিবই। ক্লাচ হ'বনে তেতিয়া ?

ডাঃ দুবৰাই কৌতূহল প্ৰকাশ কৰিলে।

ক্লাছ আৰু কত হ'ব? হোষ্টেলত ছাত্ৰ নাথাকিব যেতিয়া, ক্লাছ হ'লে আৰু এখন খণ্ড-যুদ্ধহে আৰম্ভ হ'ব। বিৰক্তি লাগিছে আৰু!

সুধাংশুৱে ডাঃ দুবৰাৰ ফালে চালে।

—বাৰু, সেইবিলাক হ'ব। কোৱাচোন, এইবাৰ তোমাৰ প্ৰজেক্টৰ খবৰ।

ডাঃ দুবৰাই সহজভাৱে সুধিলে।

—আমাৰ প্ৰজেক্টৰ কাম উজনি অসমত শেষ হ'ল। ইয়াৰপৰা যোৱাৰ আগতে এইবাৰ আপোনালোকক মাত দিবলৈ আহিছোঁ। কালিলৈ বিছাকপি বাগানলৈ যাম। ককাক কৃতজ্ঞতা জনাই ডিব্ৰুগড়লৈ যাম। পৰহিলৈ তাৰপৰা আমি নগাঁওলৈ ৰাওনা হ'ম।

—বিছাকপি বাগানৰ পৰিবেশ ভাললৈ আহিলনে?

—মই আচলতে সেই বিষয়ে খবৰ আৰু ৰখা নাই মহা। কিছু-দিনৰপৰা আমাৰ কাম নামৰূপ অঞ্চলত আৰম্ভ হৈছিল। সেই অঞ্চলৰ কামত আমি বৰ ব্যস্তও আছিলো। ব্যক্তিগতভাৱে কাৰো খবৰ মই ৰাখিব পৰা নাই।

সুধাংশুৱে সমুখৰ খিৰিকিৰ পৰ্দাৰ ফাঁকেদি ৰাহিৰলৈ চালে। নীৰৱতা ভংগ কৰি মানসীয়ে হঠাতে সুধি পেলালে, "অঞ্জু বাৰু ঘৰলৈ গুচি আহিবলৈ কোৱাটোৱেই ভাল হ'বনে সুধাংশু?"

—অঞ্জনাৰ ওপৰত মতামত দিবলৈ মোৰ এতিয়া কোনো অধিকাৰ নাই মাহুমাহী। মোক আৰু অঞ্জনাৰ একো কথাই নুসুধিব।

সুধাংশু উত্তেজিত হৈছে বুলি ডাঃ দুবৰাৰ বোধ হ'ল তেওঁ সুধাংশুৰ ফালে চাই ৰ'ল। মুখ ঘূৰাই সুধাংশু তলমূৰা হ'ল।

—কিয় তেনেকৈ কৈছা সুধাংশু?

—কিয় নক'ম মাহুমাহী? অঞ্জনাই যিদিনা মই পিন্ধোৱা আঙঠি সোলোকাই মাৰ হাতত বিনা দ্বিধাই ঘূৰাই দিব পাৰিছে, সেইদিনাৰ পৰা মই অঞ্জনাৰ লগত সম্বন্ধ ৰাখিব পাৰোনে?

—হয়নেকি? অদ্ভুত কথা! যোৱাবাৰ আহোতে তুমি এই বিষয়ে ঘূণাক্ষৰেও নক'লা?

—কি ক'ম মানুমাহী। ক'বলৈ মোৰ বাট নাছিল।

—অঞ্জুৱে কি যে কৰিছে ক'ব নোৱাৰো। শুনিলেনে অঞ্জুৰ কাণ্ড? মানসীয়ে ডাঃ হুৱৰাৰ ফালে চালে।

—মই জানো কথাটো।

—আপুনি জানে মহা?

সুধাংশুৱে আশ্চৰ্য প্ৰকাশ কৰিলে।

ওঁ। তোমাৰ মাই মোলৈ লিখিছে সেই বিষয়ে।

—লিখিছে বাইদেৱে? তথাপি আপুনি মোক নকয়? মোৰপৰা এনেদৰে আপুনি বহু কথা লুকুৱায়। ফলত, অঞ্জুৱে দিনক দিনে শালীনতা হেৰুৱাইছে।

—চাওক মহা, অঞ্জনাৰ আচৰণত কিমান যে আহত হৈ মাই আপোনালৈ লিখিব লগা হ'ল!

—তেখেতে চিঠিত মোলৈ অন্তৰ্ধৰণেহে লিখিছে।

—কওকচোন।

শুনিবলৈ সুধাংশু ব্যগ্ৰ হৈ উঠিল।

—আঙঠিটো অঞ্জনাই তেখেতৰ হাতত দিছে হয়। তেখেতে সেই আঙঠি সময়মতে অঞ্জনাক পিন্ধাই দিব বুলি ভালকৈ থৈ দিছে। আমাক সেই বিষয়ে চিন্তা কৰিবলৈ মানা কৰিছে আৰু অঞ্জুক কোনো-ৰকমে দোষাৰোপ নকৰিবলৈহে অনুৰোধ জনাইছে। যি গভীৰ দুখত অঞ্জুৱে আঙঠিটো তেখেতৰ হাতত থৈ আহিব লগা হ'ল, সেই দুখ তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। কিন্তু, অঞ্জুৰ জীৱনৰ সেই দিশটোৰ দুখ নিবাময় কৰাত হাত নাই বুলি বাইদেৱে আক্ষেপ কৰিছে। সকলো মানুহৰ বিবেচনা বোধ একে নহয় সুধাংশু। কিন্তু, এইটোও সত্য যে অঞ্জুৰ ওপৰত তোমাৰ খং বা অভিমান যুক্তিহীন মুঠেই নহয়।

—মই একেবাৰে কন্‌ফিউজড মহা।

—সেই কন্‌ফিউজনৰপৰা মুক্ত হ'বলৈ অলপ সময় লাগিব সুধাংশু।

—ক'ব নোৱাৰো।

—এইবাৰ মোৰ যাবৰ হ'ল ক্লিনিকলৈ।

ঘড়ীটোলৈ চাই ডাঃ চুৰবা থিয় হ'ল। মানসী উঠি গ'ল চাহ আনিবলৈ। কিন্তু শীঘ্রে তেওঁ ঘূৰি আহিল। কাশ্মীৰে অলপ পিছত তিনিকাপ সুদা চাহ ট্রে এখনত লৈ আহিছে। প্রত্যেকেই নিজৰ নিজৰ কাপ উঠাই লৈ নীৰৱে চাহ খাবলৈ ধৰিলে। চাহ খাই উঠি ডাঃ চুৰবা থিয় হ'ল। সুধাংশুৰ ফালে চাই তেওঁ ক'লে, "মই আজি ক্লিনিকৰপৰা সোনকালে আহিম। তুমি মোৰ লগতে ওলাই যাবা-নেকি? অলপ ঘূৰি আহিবা।"

—মই তাকেই ভাবি আছিলো। ওলাই গ'লে ভাল লাগিব পাৰে।

—তেনেহ'লে ওলোৱা।

ডাঃ চুৰবা সুধাংশুক লগত লৈ ওলাই গ'ল। ক্লিনিক পাই তেওঁ এছিষ্টেণ্ট ডাক্তাৰ ৰফিকুল আলমক লগ ধৰিলে। ডাঃ চুৰবাই তেওঁৰ এছিষ্টেণ্টক ক'লে, "ডাঃ আলম, এওঁ আমাৰ প্রঃ সুধাংশু ৰয়। তেওঁ আহিছে বিশ্ববিদ্যালয়ৰ এটা বিশেষ প্রজেক্টৰ কামত। আপোনাক সেই বিষয়ে মই কৈছিলো এদিন।"

—হয়, বুজিব পাৰিছো।

এখেত হ'ল ডাঃ ৰফিকুল আলম। আমাৰ ক্লিনিক আচলতে এখেতৰ দৈহিক আৰু মানসিক শ্রমৰ ওপৰতে বৰ্ত্তি আছে।

ডাঃ আলম আৰু সুধাংশু ৰয়ে দুয়ো হাতযোৰকৈ হাঁহি হাঁহি ইজনে সিজনক সম্ভাষণ জনালে।

—বহক আপোনালোক।

—নবহোঁ। আপোনাৰপৰা ছুটী ল'বলৈহে আহিছো। আজি অলপ ঘূৰি আহোঁ বুলি ভাবিছো এওঁৰ লগত।

—বৰ ভাল কথা। যাওক ঘূৰি আহকগৈ। এইফালে চিন্তা কৰিব নালাগে। চলি যাব।

ডাঃ চুৰবা হাঁহি হাঁহি ওলাই আহিল ক্লিনিকৰপৰা। সুধাংশুক চহৰখনৰ ইটো-সিটো দেখুৱাই ঘৰ পাওঁতে তেওঁলোকৰ সন্ধিয়াই হ'ল।

সামান্য জা-জলপান খাই সুধাংশু গৈ ভিতৰ সোমাল। অৰগেনত আঙুলি বুলাই তেওঁ এটাৰ পিছত এটাকৈ গান গাবলৈ ধৰিলে। গীতৰ সুৰ আৰু শব্দ দূৰ-দূৰান্তৰলৈ বাগৰি গৈছে বুলি ডাঃ দুৱৰাৰ অনুভৱ হ'ল।

—পিছদিনা পুৱা সুধাংশুক ডাঃ দুৱৰা আৰু মানসীয়ে আনন্দেৰে বিদায় দিলে। সুধাংশুও ৰবকাল মনেৰে গুলাই গ'ল।

হঠাতে, বাটত কি মন হ'ল—সুধাংশু বিছাকপিলৈ পোনে পোনে নগৈ হানচৰা বাগিচা পালেগৈ। তেওঁ সোমেশ্বৰ ভূঞাৰ ঘৰত সোমাল। তাতে দুপৰীয়া ভাত-পানী খাই ভূঞাৰ লগত সুধাংশুৱে মুকলি মনেৰে বাগিচা সম্পৰ্কে নানা বিষয়ে আলোচনা কৰিলে। তাৰ মাজতে যোৱা কিছুদিনৰ ভিতৰত বিছাকপি বাগিচাত ঘটি যোৱা ঘটনাৰ সুধাংশুৱে সবিশেষ খবৰো ল'লে। মূল খবৰ হ'ল—বিছাকপিৰ মেনেজমেণ্ট কমিটিয়ে গগন বৰুৱাক চাচপেণ্ড কৰিছে। লগে লগে একাংশ শ্ৰমিক গগন বৰুৱাৰ হাতৰ মুঠিত সোমাই বিক্ষুব্ধ হৈ উঠিছে। সেই উদণ্ড শ্ৰমিকৰ লগত লগ লগোৱা হৈছে ভাবাতীয়া গুণ্ডাৰ দল এটাক। শ্ৰমিক আৰু গুণ্ডাৰ দলটোৰ কাম হৈছে বাগানত এন্ধাৰৰ আঁৰে আঁৰে চিকাৰ বিচাৰি চোপ লৈ ফুৰা। সোমেশ্বৰ ভূঞাৰ মতে, কৃপা কাকতিয়ে শুৰিতে ভুল কৰিছে। নান্তিনী ছোৱালীজনীক বিয়া দিব বুলি ভেখেতে গগন বৰুৱাক নিজৰ ঘৰত ৰাখিব নালাগিছিল। সেই কাৰণেই এতিয়া গগন বৰুৱাই নানা মিছা কথা উলিয়াই সুধাংশু বৰুৱাৰ বিৰুদ্ধে যে দেখদেখকৈ আক্ৰোশ প্ৰকাশ কৰিছে সেই কথাটো সোমেশ্বৰ ভূঞাই খোলাখুলিকৈ ক'লে। আনহাতে বেছিসংখ্যক শ্ৰমিক গগন বৰুৱাৰ বিৰুদ্ধে গৈছে। কাৰণ, ফুলমণিৰ মাকৰ হস্পিটেলত মৃত্যু হ'ল। এবৰ মজদুৰে ফুলমণিক আশ্ৰয় দিছে বাকিও তাই মাকৰ কাৰণে বাউলী হ'ল। মজদুৰ ছাত্ৰসকলে মিটিং পাতি আছে। তেওঁলোকৰ মিটিঙত ফুলমণিৰ নিৰাপত্তা আৰু লগতে তাইৰ গৰ্ভস্থ সন্তানৰ ভৱিষ্যতে ভৰণপোষণ সম্পৰ্কে আলোচনা কৰিছে। কৃপা কাকতিয়ে ছাত্ৰসকলক দাবি পূৰণৰ আশ্বাস দিছে। কিন্তু, তেওঁৰ

ওপৰত শ্ৰমিকসকলৰ আস্থা কমি গৈছে। ভাওৰ কথা হ'ল, বাগানৰ প্ৰায় সকলো মজদুৰে এতিয়া আগৰ সভাত গৃহীত হোৱা প্ৰথম প্ৰস্তাৱটো অগ্ৰাহ্য কৰিছে। অৰ্থাৎ তেওঁলোকৰ বৰ্তমান দাবি হ'ল— গগন বৰুৱাই ফুলমণিক বিয়া কৰোৱাটো দৰ্কাৰ।

এনেধৰণৰ খবৰ শুনি সুধাংশু ৰয়ৰ মনত আকৌ আউল লাগিল। তেওঁতো নাজানিছিল যে ফুলমণি সন্তান-সম্ভৱা। সুধাংশু ৰয়ে দকৈ কথাটো গুণা-গঁথা কৰি কিছুসময় ভূঞাৰ ঘৰতে কটালে। শেষত আবেলি হৈ অহা দেখি তেওঁ খৰধৰকৈ বিছাকপি বাগানলৈ যাবলৈ ওলাল। সোমেশ্বৰ ভূঞাইও আৰু পলম কৰাটো উচিত নহ'ব বুলি ভাবি সুধাংশু ৰয়ৰ লগতে ওলাই গ'ল আৰু তেওঁক বাছত তুলি দিলে।

## বাইশ

সুধাংশু ৰয় আগবেলা বাছৰ পৰা নামোতে হানচৰা বাগানৰ দুজনমান শ্ৰমিকে তেওঁক দেখা পাই নমস্কাৰ দিছিল। শ্ৰমিককেইজন বাছষ্টেণ্ডত বৈ আছিল বিছাকপিলৈ যাবলৈ। গৈ থাকোঁতে বাছত আৰু বাগানত নামি শ্ৰমিক দুজনমানে লগৰ লগৰীয়াৰ মাজত সুধাংশু ৰয়ক লগ পোৱা কথাটো সদৰি কৰিছিল। ঠিকেই—কথা নহয় যেনিবা বতাহহে। সুধাংশু ৰয়ৰ খবৰ বিজুলীবেগে বিছাকপিৰ শ্ৰমিকসকলৰ মাজত প্ৰচাৰ হৈ গৈছিল। বাগানৰ শ্ৰমিকসকলৰ দুটা ভাগে এতিয়া দুটা উদ্দেশ্যত সুধাংশু ৰয়ক লগ পাবলৈ বিচাৰি আছে। বেছিসংখ্যক শ্ৰমিকে সুধাংশুক বিচাৰিলে তেওঁৰ লগত আলোচনা কৰি মজদুৰ সভাত গৃহীত হোৱা প্ৰথম প্ৰস্তাৱটো সলনি কৰিবলৈ। আনটো উদণ্ড দলে সুধাংশুক বিচাৰিলে জিঘাংসাৰে এটা বীভৎস কাৰ্যত লিপ্ত হ'বলৈ।

সন্ধিয়া কানিমুণি পৰত সুধাংশু ৰয় বিছাকপিত বাছৰপৰা নামি পৰিল। তেওঁ অন্যমনস্কভাৱে কৃপা কাকতিৰ ঘৰৰ ফালে খোজ ল'লে।

কৃপা কাকতিৰ ঘৰ পাবলৈ সামান্য দূৰহে আছিল। অকলশৰীয়া আলিবাটটো গমগমীয়া হৈ আছে। সন্ধিয়াপৰত চাহনিৰ সেউজীয়া বোল ধোঁৱাবৰণীয়া ৰঙৰ লগত মিলি সেঁতা পৰা যেন লাগিল। প্ৰকৃতিৰ এনে ৰহস্যজনক ৰূপে সুধাংশুক চমকিত কৰিলে। তেওঁ ইফালে-সিফালে চালে। আচম্বিতে চাহনিৰ মাজৰপৰা চাৰি-পাঁচজন-মান অচিনাকি শকত-আৱত মানুহ আহি সুধাংশুৰ সমুখত থিয় হ'লহি। একোজনৰ হাতত যাঠি আৰু একোজনৰ হাতত লোহাৰ ৰড, আটাইকেইজনৰ কপালত ৰঙা ফোঁট আৰু ডিঙিত ৰঙা জবাৰ মালা। মানুহকেইজনে সুধাংশুকে আগভেটি ধৰিলে। সুধাংশুৱে কিবা এষাৰ ক'ব খোজোঁতেই বনৰীয়া বাঘৰ দৰে দুজনমান সুধাংশুৰ ওপৰত জঁপিয়াই পৰিল। এজনে সুধাংশুৰ ডিঙিত টেপা মাৰি ধৰিলে। থিয় হৈ থকা আন এজনে লোহাৰ ৰডেৰে সুধাংশুৰ দেহত দুটামান কোব মাৰিলে। এবাৰ ৰডেৰে মূৰত কোবাব খোজোঁতে ভাগ্যে মাজমূৰত কোব নপৰিল। কাৰণ, সুধাংশুৱে প্ৰাণপ্ৰণে মূৰটো প্ৰহাৰৰপৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। তথাপি ৰডৰ কোব কপালৰ একাষে পৰিল। সুধাংশুৰ কপাল ফাটি হা-হোৱাই তেজ বৰলৈ ধৰিলে। সুধাংশুৰ হাতৰ বাকচটো আগতেই উফৰি গৈ মাজ বাটত পৰিছিল। দুৰ্বৃত্তকেইজনে সুধাংশুৰ লগত দৰৰা-দৰৰি কৰি থাকোতেই আহি থকা গাড়ী এখনৰ পোহৰ দেখা গ'ল। পাৰণ্ড মানুহকেইজনে পোহৰ দেখি প্ৰাণটাকি পলকতে পলাল আৰু চাহনিৰ মাজত লুকাই পৰিল। ড্ৰাইভাৰজনে বাটৰ কাষত মানুহ এজন পৰি থকা দেখি গাড়ী ৰখালে, নামি শুনিলে মা মা কৈ মাতি থকা সুধাংশুৰ অসহায় মাত। গাড়ীখন ভুমডুমাৰ পৰা আহিছিল। গাড়ীৰ ভিতৰত আছিল মজদুৰ ছাত্ৰ-সংঘৰ কেইজনমান সদস্য। তেওঁলোক আহিছিল বিছাকপি বাগানত শান্তি-কমিটি গঠন কৰাৰ অৰ্থে কৃপা কাকতিক লগ ধৰিবলৈ। ছাত্ৰসংঘৰ সভাপতি দিবাকৰ কুৰ্মী কলঘৰটোৰ ওচৰত আগতে নামি গৈছিল। সদস্যকেইজনো ড্ৰাইভাৰৰ লগে লগে নামি গ'ল। তেওঁলোকে সুধাংশু বৰুক চিনি পালে আৰু আটাইকেইজনে

ধৰা-মেলা কৰি সুধাংশুক গাড়ীত উঠাই কৃপা কাকতিৰ ঘৰলৈ লৈ গ'ল। তেওঁক গাড়ীৰপৰা নমোৱাৰ আগতেই দুজন সদস্য গৈ কৃপা কাকতিক সুধাংশু ৰয়ৰ দুৰ্ঘটনাৰ খবৰ দিলে। কৃপা কাকতিয়ে বিচুৰ্তি খালে যদিও, ঘটনাটো বুজিবলৈ তেওঁৰ বেছি সময় নালাগিল। সুধাংশুক গাড়ীৰপৰা নমাই আনি বিছনাত শুৱাই দিয়া হ'ল। কৃপা কাকতিয়ে ধৈৰ্য ধৰি সুধাংশুৰ কপালত আথে-বেথে হাত দিলেগৈ আৰু নিজৰ হাতখন সুধাংশুৰ তেজেৰে লুতুৰি-পুতুৰি কৰিলে। সুধাংশুৱে আধাফুটা মাতেৰে সেহাই সেহাই কোৱা যেন লাগিল—"মোক ডিগবৈলৈকে নিয়ক। মাক খবৰ দিয়ক আহিবলৈ।" ইতিমধ্যে দিবাকৰ কুৰ্মীয়ে সুধাংশুৰ খবৰ পাই তুৰন্তে বাগিচাৰ ডাক্তৰজনক লৈ আহিল। 'ফাৰ্ষ্ট এইড' দিয়া হ'ল, তেজো কিছু বন্ধ হ'ল। কিন্তু, অকণমানপৰ ছটফটাই সুধাংশু অচেতন হৈ পৰিল।

কৃপা কাকতিয়ে ডিগবৈলৈ ফোন কৰি ডাঃ কৰুণা দুৱৰাক সবিশেষ জনালে। ডাঃ দুৱৰাই অনতিবিলম্বে সুধাংশুক ডিগবৈলৈ লৈ যোৱাৰ কথা ক'লে, লগতে অলপ লাহে লাহে গাড়ী চলাবলৈ নিৰ্দেশ দিলে।

ৰাতি দহ বজাৰ পিছত সুধাংশুক ডিগবৈৰ বিফাইনেৰী হস্পিটেলত ভৰ্তি কৰা হ'ল। ডাঃ দুৱৰা ৰাতিটো সুধাংশুৰ লগত হস্পিটেলত থাকিল। কৃপা কাকতি ডাঃ দুৱৰাৰ ঘৰত বৈ গ'ল। পিছদিনাও সুধাংশুৰ অৱস্থা সংকটজনক আছিল। তেজ দিয়া হ'ল, অক্সিজেন দি থকা হৈছে। তথাপি হস্পিটেলৰ চিকিৎসক টিমটোৰ অশেষ তৎপৰতাৰ পিছতো কোনোমতেই সুধাংশুৰ জ্ঞান ঘূৰাই আনিব পৰা হোৱা নাই। ডাঃ দুৱৰাক যথেষ্ট গম্ভীৰ দেখা গ'ল। এবাৰ মাজতে ঘৰলৈ আহি ডাঃ দুৱৰাই মানসীক এটা নিৰ্দেশ দি গ'ল—যদি হঠাতে অজনাৰ ফোন আহে, সুধাংশুৰ খবৰটো যাতে কোনও দিয়া নহয়।

দুৰ্ঘটনাৰ পিছদিনা পুৱাতে বিহাকপি বাগানত হুলস্থুল লাগিল। কৃপা কাকতিৰ আগফালৰ চোতালত মানুহৰ ভীৰ দেখা গ'ল। মেনেজমেণ্ট কমিটিৰ সভ্যসকলে কৃপা কাকতিক বিচাৰি তেওঁৰ ঘৰত উপস্থিত হ'লহি। হানচৰাৰ পৰা সোমেশ্বৰ ভূঞা হাবাথুৰি খাই

বিছাকপি পালেহি। মজদুৰ ছাত্ৰকেইজনমানক পঠাই ৰূপা কাকতিক ডিগবৈৰ পৰা বিছাকপিলৈ অনোৱা হ'ল। মেনেজমেণ্ট কমিটিৰ ওচৰত মজদুৰ ছাত্ৰ-সংঘই গোচৰ তৰিলে। দুই-এখন আঞ্চলিক বাতৰি-কাগজতো খবৰটো চমুকৈ দিয়া হ'ল। সুধাংশু বৰুৱ গৱেষক ছাত্ৰ দুজনে ঘুমুক-ঘানাকৈকৈ খবৰটো পাই বিছাকপি ওলালহি। তাতে, তেওঁলোকে ঘটনাটো বিতংকৈ জানিব পাৰিলে। উধাতু খাই ছাত্ৰ দুজন ডিগবৈ পালেগৈ। হস্পিটেলত সুধাংশুৰ সংকটজনক অৱস্থা! এনে স্থলত ছাত্ৰ দুজনে সুধাংশুক দেখা কৰিবলৈ প্ৰয়োজনীয় অনুমতি নাপালে। ডাঃ দুৱৰাই ভাগৰি পৰা ছাত্ৰ দুজনক ঘৰলৈ লৈ আহিল। ঘৰত ছাত্ৰ দুজনক খুৱাই-বুৱাই ডাঃ দুৱৰাই সুধাংশুৰ যথাযথ অৱস্থাৰ কথা বিবৰি ক'লে। অতি প্ৰয়োজনীয় কাম এটাত গুৱাহাটীলৈ বাতিৰ বাছত যাবলৈও তেওঁলোকক অনুৰোধ কৰা হ'ল। ডাঃ দুৱৰাই সুধাংশুৰ দুৰ্ঘটনা আৰু হস্পিটেলত চিকিৎসাধীন অৱস্থাৰ কথাৰে প্ৰঃ অৰুণ বৰুৱালৈ এখন জৰুৰী চিঠি লিখিলে যাতে তেওঁ অতি শীঘ্ৰে ডিগবৈ পোৱাকৈ নিৰ্মলা বৰুৱক লৈ আহে। হোষ্টেল বন্ধ যেতিয়া অঞ্জনাকো লগতে লৈ অহা ভাল হ'ব বুলিও দিহা দিলে। ছাত্ৰ দুজনে সোনকালে খাই-বৈ বাতিৰ বাছত চিঠিখন লৈ গুৱাহাটীলৈ বাওণা হ'ল। কিন্তু জাগীৰ'দতে বাছখন বেয়া হোৱাত ছাত্ৰ দুজনে গুৱাহাটী পাওঁতে পিছদিনা যথেষ্ট দেৰি হ'ল। জালুকবাৰীলৈ ততাতৈয়াকৈ গৈ শেষত অৰুণ বৰুৱাকো ঘৰত নোপোৱাত তেওঁলোকৰ চিন্তা হ'ল। আবেলিৰ ফালেহে ছাত্ৰ দুজনে কোনোৰকমে প্ৰঃ বৰুৱাক চিঠিখন দি সবিশেষ জনালে। চিঠি পাই অৰুণ বৰুৱা মৰ্মাহত হ'ল। তথাপি তেওঁ ধৈৰ্য ধৰি নিৰ্মলা বৰু আৰু অঞ্জনাক লৈ ডিগবৈলৈ যিমান সোনকালে পাৰে সিমান সোনকালে যোৱাটোকে ঠিৰাং কৰিলে।

ছাত্ৰ দুজনক পঠাই ডাঃ দুৱৰা লৰালৰিকৈ আকৌ হস্পিটেল পালেগৈ। বাতি বাৰ বজাত সুধাংশুৱে চকু মেলি চালে। ডাঃ দুৱৰাই হাতৰ পৰশেৰে সুধাংশুক আশ্বস্ত কৰিলে। জ্ঞান পোৱাৰ

দুদিনৰ পিছত সুধাংশু বিপদমুক্ত হ'ল বুলি ৰিফাইনেৰীৰ প্ৰসিদ্ধ আৰু পাৰদৰ্শী ডাক্তৰৰ টিমটোৱে ঘোষণা কৰিলে। সুধাংশুক অক্সিজেন দিয়া বন্ধ কৰি পনীয়া আহাৰ খাবলৈ দিয়া হ'ল। আৰু দুদিন পনীয়া আহাৰ খাই থকাৰ পিছত গোটা কোমল বস্তু খাব পাৰিব বুলি ডাক্তৰসকলে সিদ্ধান্ত ল'লে। কথা-বতৰা পতাত সুধাংশুৰ ওপৰত কঠোৰ নিষেধ আছিল যদিও, তেওঁ ডাঃ দুবৰাৰ পৰা মাকৰ আৰু গৱেষক ছাত্ৰ দুজনৰ খবৰ ল'লে। ডাঃ দুবৰাই সকলো ঠিক আছে বুলি সুধাংশুক নিশ্চিন্ত কৰিলে।

ইয়াৰ মাজতে সোমেশ্বৰ ভূঞা, দিবাকৰ কুৰ্মী, অবিনাশ বাছকৰ, লছমন মণ্ডল আৰু বিছাকপিৰ মেনেজমেণ্ট কমিটিৰ সদস্যসকলে ডাঃ দুবৰাৰ ঘৰলৈ আহি সুধাংশুৰ আৰোগ্যৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিলেহি। ডাঃ ৰফিকুল আলমে দুবৰা ক্লিনিকৰ কাম চলাই গৈছে। ডাঃ দুবৰাই সুবিধা বুজি সুধাংশুক এনেধৰণৰ খবৰবোৰ দি আছে। সুধাংশুৱে হঠাৎ এবাৰ কৈ পেলালে, "মা এতিয়া বৰ চিন্তাত পৰিব মহা।"

—চিন্তাত পৰিলে একো নহয়, সেই চিন্তা সোনকালে আঁতৰিবতো।

ডাঃ দুবৰাই সুধাংশুৰ উগুল-থুগুল ভাব বুজি পায়ো তেওঁক আৰু কথা ক'বলৈ প্ৰশ্ৰয় নিদিলে। চতুৰ্থ দিনা চেষ্ট হস্পিটেলৰ ডাঃ বাৰ্নছ আৰু নাৰ্চ লিনঠানক একেলগে হস্পিটেলত সুধাংশুক দেখা কৰিবলৈ বিশেষ অনুমতি দিয়া হ'ল। ডাঃ বাৰ্নছে মূৰ দুপিয়াই সুধাংশুক শুভেচ্ছা জনালে। লিনঠানে হাতযোৰকৈ প্ৰাৰ্থনাৰ ভংগীত সুধাংশুৰ আৰোগ্য কামনা কৰিলে। খন্তেক পিছতে দুয়ো কেবিনটোৰ পৰা ওলাই আহিল। বাহিৰত ডাঃ বাৰ্নছে ডাঃ দুবৰাক ক'লে, আৰু তিনি দিন পিছতে সুধাংশুক ঘৰলৈ নিব পাৰিব যেন লাগিছে।"

—পৰা যাব।

ডাঃ দুবৰাই বন্ধু ডাঃ বাৰ্নছৰ আন্তৰিক পৰামৰ্শত সমৰ্থন জনালে। ৰিফাইনেৰীৰ ডাক্তৰে পুৱাতে ডাঃ দুবৰাৰ লগত সুধাংশুক ঘৰলৈ নিয়া সম্পৰ্কে সেই ধৰণেই কৈছিল।

—দৰকাৰ হ'লে সুধাংশুৰ নাৰ্ছিঙৰ কাৰণে দিনঠানক আপোনাৰ ঘৰত ৰাখক।

ডাঃ দুবৰাৰ মুখত কৃতজ্ঞতাৰ হাঁহি উপচি পৰিল। ডাঃ বাৰ্নছে ডাঃ দুবৰাৰ পাৰিবাৰিক অসুবিধাৰ কথা ভালকৈ জানিছিল কাৰণে এনে ধৰণৰ পৰামৰ্শ আগবঢ়াব পাৰিছিল। হস্পিটেলৰ পৰা ডাঃ বাৰ্নছক বিদায় দিয়াৰ পিছত ঘৰৰ ফোন আহিছে বুলি এগৰাকী নাৰ্চে কৈ গ'ল। ডাঃ দুবৰাই বাহিৰে বাহিৰে গৈ ফোন ধৰিলে। মানসীৰ ফোন—নিৰ্মলা ৰয় পিছদিনা পুৱা পাবহি। লগত অৰুণ বৰুৱা আৰু অঞ্জনা আহিব। তেওঁলোক সেইদিনা ৰাতিৰ বাছত গুৱাহাটীৰ পৰা ৰাওনা হ'ব। ডাঃ দুবৰাই আনন্দ পালে যদিও খবৰটো খপহকৈ সুধাংশুক কোৱা ভাল নহ'ব বুলি ভাবিলে।

কেবিনটোত সোমাই ডাঃ দুবৰাই দেখিলে—সুধাংশুৰ টোপনি আহিছে। ৰোগীৰ চাৰ্জত থকা ডাক্তৰ আৰু নাৰ্চক কৈ ডাঃ দুবৰা ঘৰলৈ গ'ল। ঘৰ পাই দেখে—মানসী যথেষ্ট উল্লসিত। দুগৰাকী অভ্যাগতক অন্তৰভৰা আতিথ্য দিবলৈ তেওঁ যেন তৎপৰ হৈ পৰিছে।

—তুমি কামত লাগিছাই। মই তাকে ভাবি আছিলো—অতিথিৰ থকা-মেলাৰ যাতে সুব্যৱস্থা হয়।

—কেনে আছে সুধাংশু ?

—ভালে আছে। পৰহিলৈ তেওঁক ঘৰলৈ আনিব পৰা যাব।

—উস্‌, ৰক্ষা পৰিছোঁ। মাকক এতিয়া ভালে ভালে পুতেকক গতাই দিব পাৰিলে হয়।

—ইমান সোনকালেই মুক্তি পাবানে ?

—কিয় ?

—ৰ'বা, আগতে কোৱাচোন প্ৰঃ বৰুৱাই খবৰ পাই পৰিস্থিতি কিদৰে চম্ভালিলে।

—বাইদেউক সুধাংশুৰ ক্ৰিটিকেল কন্দিচনৰ কথা কোৱা হোৱা নাই।

—ভালেই হৈছে—এতিয়া যি স্থলত বিপদ সম্পূৰ্ণ কাটি গৈছে। আৰু ?

—কোৱা হৈছে—সুধাংশুৱে বাইদেউক লগ পাবলৈ অস্থিৰ হৈছে, কিন্তু চিন্তা কৰিবলগীয়া একো নাই। কাৰণ, হস্পিটেলত সুধাংশুৰ সু-চিকিৎসা হৈছে। অঞ্জুক সুধাংশু হস্পিটেলাইজড হৈছে বুলি কোৱাই নাই। মাত্ৰ, কৈছে সুধাংশুৰ গাটো বেয়া আৰু তেওঁ আমাৰ ইয়াতে আছে। বাইদেউৰ পৰামৰ্শমতেই আৰুণদাই অঞ্জুক এনেকৈ কৈছে।

—বৰ ভাল হৈছে। কিন্তু, তেওঁলোক আহি পালে আমি ধৈৰ্য্যৰে কামবোৰ কৰিব লাগিব। সুধাংশু যাতে কোনোৰকমে তীব্ৰ আবেগৰ বশবৰ্ত্তী নহয় সেই কথাটো মনত ৰাখি আমাৰ কথা-বতৰা আৰু চালচলনত সংযত হ'ব লাগিব।

—সেইটোতো হয়েই। তেওঁলোকৰ থকা-মেলাৰ ব্যৱস্থাটোৰ কথা কওকচোন।

—সুধাংশুক পৰহিলৈহে অনা হ'ব। তেওঁৰ কথাটো পিছত ভাবিম। আপাততঃ অঞ্জুৰ কমত বাইদেউ থাকক। প্ৰঃ বৰুৱা গেষ্ট কমত আৰু অঞ্জু আমাৰ লগত—একো অসুবিধা নাই।

—মই ঠিক এনেদৰেই বিছনা-পত্ৰ ঠিক কৰাৰ কথা ভাবিছো।

—কালিলৈ থকাটোৰ ব্যৱস্থা হ'ব। কিন্তু, অন্য কথা এটা ভাবিব লগা আছে। অঞ্জুক কালিলৈ হস্পিটেললৈ নিব নোৱাৰি। বাইদেউ আৰু প্ৰঃ বৰুৱাৰ কাৰণে অনুমতি ল'ব লাগিব। তুমি গাড়ী লৈ বাছষ্টেণ্ডলৈ যাবা, তেখেতসকলক লৈ আহিবলৈ। যোৱাৰ আগে আগে মই ঘৰলৈ আহি যাম। নোৱাৰিলে গাড়ী পঠাই দিম আৰু ফোনেৰে কথা হম। তুমি মাত্ৰ বাছষ্টেণ্ডত তেওঁলোকক ক'বা সুধাংশু সম্পূৰ্ণ সুস্থ। মই সুধাংশুৰ লগত আছোঁ। ঘৰ আহি পালে তুমি আৰু চিন্তা কৰিব নালাগে। মই পৰিস্থিতি বুজি মেনেজ কৰিম। কালিলৈ অৱস্থা চাই ব্যৱস্থা হ'ব পৰহিলৈ সুধাংশুক ঘৰলৈ অনাৰ কাৰণে। পৰহিৰপৰা সুধাংশুক পথ্য হিচাপে কোমল গোটা বস্তু দিব পৰা যাব। যেনে ওটচ্, ব্ৰেড, পুডিং, কল, কণিৰ হাফবইল, কৰ্ণফ্লেক্স লগতে চুপ, গাখীৰ, ফলৰ ৰস ইত্যাদি। সেইবোৰতো ঘৰত আছেই।

—আছে।

—হ'ব তেন্তে।

ঘড়ীটো চাই ডঃ দুৱৰা যাবলৈ ওলাল।

—চাহ একাপ খাই যাওক।

—দিব পাৰা।

মানসী চাহ আনিবলৈ ভিতৰ সোমাওঁতে গাড়ীৰ হৰ্ণ শুনা গ'ল। বাহিৰলৈ গৈ ডাঃ দুৱৰাই দেখিলে কৃপা কাকতি আহিছে। ডাঃ দুৱৰাই কৃপা কাকতিক ভিতৰলৈ লৈ আহিল। মানসীৰ হাতৰ একাপ চাহকে আৰু এটা কাপ অনাই দুভাগ কৰি দুয়ো চাহ খাবলৈ আৰম্ভ কৰিলে। কৃপা কাকতি আৰু এদিন ইয়াৰ আগতে ভিগবৈলৈ আহিছিল। সেইদিনা মানসীৰ মুখত সুধাংশু আৰোগ্যৰ পথত আগবাঢ়িছে বুলি শুনি গৈছিল। তাৰ পিছত বাগানৰ জলুজুলীয়া পৰিস্থিতিত এবাৰ লোৱাৰাকৈ ব্যস্ত হৈ পৰিল।

—আপুনি অহাত ভাল হ'ল। কালিলৈ সুধাংশুৰ মাক আহি পাবহি। লগতে অঞ্জু আৰু অঞ্জুৰ মোমায়েক প্ৰঃ অৰুণ বৰুৱাও আহিব।

ডাঃ দুৱৰাৰ কথাত আনন্দিত হৈ কৃপা কাকতিয়ে ক'লে, "আহিব তেখেতসকল? বৰ ভাল হ'ব।"

—পৰহিলৈ সুধাংশুকো ঘৰলৈ অনা হ'ব।

—হয়নে? ঈশ্বৰে যে চকু মেলি চাইছে! আমাৰ বাগানলৈও শান্তি আৰু স্থিৰতা আহিব যেন লাগিছে। শ্ৰমিক দাবিত মেনেজমেণ্ট কমিটিয়ে গগন বৰুৱাক মান্তি কৰাইছে ফুলমণিক বিয়া কৰাবলৈ। আৰু সেই চৰ্তত গগন বৰুৱাৰ ওপৰত চাচপেনচন উঠাই ল'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে। শ্ৰমিকৰ দুটা বিৰোধী দল একত্ৰিত এটা হৈ পৰাত বাগানৰ পৰিবেশ শান্তিৰ কালে ঢাল খাইছে। মেনেজমেণ্ট কমিটিৰ ওচৰত মজদুৰ ছাত্ৰ-সংঘই সুধাংশুৰ ক্ষতিপূৰণো দাবি কৰিছে।

—কিহৰ ক্ষতিপূৰণ লাগিছে। সকলোৰে সহায় আৰু আশীৰ্বাদত প্ৰাণটো যে ৰক্ষা পৰিছে, সেইটোৱেই ডাঙৰ কথা। বাৰু, আপুনি

আ-জলপান খাই মানসীৰ লগত কথা পাতক। মই হস্পিটেললৈ যাওঁগে।

—আপুনি যাওক। ময়ো আজি আৰু নবহো। বাগানৰ লেঠা মৰাগৈ নাই। তাৰ মাজতে ওলাই আহিছোঁ সুধাংশুৰ খবৰ ল'বলৈ। মই আহিম আকৌ সময়মতে।

—আপুনি তেনে সোনকালেই আহিব। সুধাংশুৰ মাকৰ লগত আৰু প্ৰঃ অৰুণ বৰুৱাৰ লগত আপোনাৰ চিনাকি হোৱাৰ বিশেষ প্ৰয়োজন আছে।

—হ'ব, হ'ব আহিম যে সেইটো ভাবিবই নালাগে।

—ডাঃ দুবৰাৰ লগে লগে কৃপা কাকতিও বহাৰপৰা উঠি পৰিল। মামসীক মাত দি দুয়ো ওলাই গ'ল।

পিছদিনা পুৱা মানসীলৈ ডাঃ দুবৰাৰ ফোন আহিল। এদিনৰ পিছত ৰিলিজ দিয়াৰ বাবে সুধাংশুৰ লগত সেইদিনা হস্পিটেলৰ ডাক্তৰ আৰু নাৰ্চ বেছ কিছুপৰ ব্যস্ত থাকিব। সেই সময়তে ডাঃ দুবৰা নিৰ্মলা বয়ক আনিবলৈ বাছষ্টেণ্ডলৈ যাব। সুধাংশুৱে হাঁহি-মাতি আছে যদিও মাক আৰু প্ৰঃ অৰুণ বৰুৱা আহিব বুলি তেওঁক এতিয়াও কোৱা হোৱা নাই।

## তেইশ

প্ৰায় ন মান বজাত মানসীয়ে গাড়ীৰ হৰ্ণ শুনা পালে। তেওঁ বাহিৰলৈ ওলাই গ'ল। গাড়ীৰপৰা অঞ্জনা আগতে নামি আহি মানসীক সাবটি ধৰিলে। অঞ্জনাৰ হাত দুখন লাহেকৈ এৰুৱাই মানসী আগবাঢ়ি গ'ল আৰু নিৰ্মলা বয়ৰ ভৰি চুই সেৱা কৰিলেগৈ। নিৰ্মলা বয়ে মানসীক আঁকোৱালি ধৰি মূৰত হাত থ'লে। তেওঁলোকে লাহে লাহে ঘৰৰ ভিতৰলৈ সোমাই আহোঁতে মানসীয়ে নম্ৰভাৱে ক'লে, "অৰুণ দা, তুমি ইমান সলনি হৈ গ'লা!"

—তুমি জানো এক আছা মানসী ?

অৰুণ বৰুৱাৰ প্ৰশ্ন শুনি ডাঃ ছুবৰাই তপৰাই উত্তৰ দিলে, "সময়ৰে যেতিয়া ইমান পৰিৱৰ্তন, আমি কোন কুটা সময়ৰ বুকুত ?"

সকলোৱে একেলগে হাঁহিব খুজিলে। অঞ্জনা মাত্ৰ গহীন হৈ থাকিল। ড্ৰয়িংৰুমত আলহীৰ লগত ডাঃ ছুবৰাও বহিল। তেওঁলৈ চাই মানসীয়ে সুধিলে, "এতিয়াতো বাইদেউক হস্পিটেললৈ নিনিয়ে ?"

—নিনিওঁ। তেখেতসকলে খাই-বৈ জিৰাওক। আবেলি লৈ যাম। সুধাংশুও তেতিয়া আজৰি হৈ থাকিব।

সচকিত দৃষ্টিৰে ডাঃ ছুবৰাই অঞ্জনাৰ ফালে চালে। তেওঁলোকৰ কথোপকথন অঞ্জনাই মন দি শুনি আছিল। চকুৰে চকুৰে পৰাত একে কোবে গৈ অঞ্জনাই ডাঃ ছুবৰাক সাবটি ধৰিলে আৰু উচুপি উচুপি ক'লে, "মহা, কোনেও মোক আচল কথাটো কোৱা নাই কিয় ?

অঞ্জনাৰ মূৰত হাত বুলাই ডাঃ ছুবৰাই ক'লে, "মাজনী নাকান্দিবি। সুধাংশু সম্পূৰ্ণ ভাল হৈ গৈছে। কালিলৈ তেওঁক ঘৰলৈ আনিমেই। সুধাংশুকো কোৱা নাই—বাইদেউ আৰু প্ৰঃ বৰুৱা আহিছে বুলি। ভাবচোন কিয় কোৱা নাই।"

লাহেকৈ উঠি নিৰ্মলা ৰয়ে অঞ্জনাক ভিতৰলৈ লৈ গ'ল। মানসীয়ে তিনি কাপ সুন্দৰ চাহ লৈ আহিছিল। অৰুণ বৰুৱা আৰু ডাঃ ছুবৰাই একো কাপ হাতত ল'লে। নিৰ্মলা ৰয়ে চাহ নাখালে। অঞ্জনাক বিছনাত শুৱাই দি তেওঁ গা ধুবলৈ সোমাল। ডাঃ ছুবৰাই প্ৰঃ অৰুণ বৰুৱাক ক'লে, "প্ৰঃ বৰুৱা, আপোনালোকে গা-পা ধুই যি হয় অলপ খাই-বৈ লওক। তাৰ পিছত জিৰাওক। মই ছুপৰীয়া ভাত খাবলৈ আহিম। ঠিক তিনি বজাত আপোনালোকক হস্পিটেললৈ লৈ যাম।"

মানসীয়ে ডাঃ ছুবৰাক জলপান খাবলৈ মাতিলে। অৰুণ বৰুৱাকো ডাঃ ছুবৰাই লগতে লৈ গ'ল। খাই থাকোতে তেওঁ ক'লে, 'অঞ্জুক হস্পিটেললৈ নিয়াটো ভাল নহ'ব। কাৰণ, সুধাংশু আৰু অঞ্জু বৰ বেছি ৰোমাণ্টিক। কোনো কম নহয় কিন্তু।"

অৰুণ বৰুৱাই লাহেকৈ হাঁহিলে আৰু মানসীলৈ চালে। তাৰ

পিছত ক'লে, "হস্পিটেললৈ নিনিলে অঞ্জুৱে আপোনাক সুখেৰে এৰিবনে ?"

—কালিলৈতো সুধাংশু আহিবই।

—সেইটো আপুনিয়েই বেছিকৈ বুজিব। অঞ্জুৰ আজিৰ উপস্থিতিয়ে সুধাংশুক কালিলৈ কিমানখিনি মানসিক শক্তি যোগায় !

—চাওঁচোন, বাৰু আপুনি যাওক গা ধুবলৈ। মই যাওঁ হস্পিটেললৈ।

ডাঃ দুৱৰা খৰধৰকৈ ওলাই গ'ল।

ডাঃ দুৱৰা হস্পিটেল পাওঁতে দহ বাজিছে। তেওঁ পোনতে নাৰ্চৰ ওচৰলৈ গৈ চাৰ্টত সুধাংশুৰ ৰেকৰ্ড চালে। সকলো নৰমেল। তেওঁ কেবিনৰ ভিতৰলৈ সোমাই গৈ দেখে—পৰিচ্ছন্ন সাজত চকীত বহি সুধাংশুৱে কাগজ পঢ়ি আছে। ডাঃ দুৱৰাক দেখা মাত্ৰকে সুধাংশু ঘপহকৈ থিয় হ'ল। বহা, বহা বুলি ডাঃ দুৱৰাই সুধাংশুৰ পিঠিত থপৰিয়ালে। তাৰ পিছত সুধাংশুৰ হাতৰ, ভৰিৰ, পেটৰ আৰু পিঠিৰ ঘাঁবোৰ চাই চাই ক'লে, "প্ৰায় ঘাঁ শুকাইছে। দাগবোৰ কিছুদিনলৈ থাকিব। ঔষধ দিম, লগালে দাগ যাব।"

সুধাংশুৰ কপালৰ বেণ্ডেজ খুলি দিয়া হৈছে যদিও ফটা অংশত ড্ৰেচিং কৰা আছে। সুধাংশুক চাই-মেলি ওচৰৰ চকীখনত ডাঃ দুৱৰা বহিল।

—তোমালৈ আজি ভাল খবৰ এটা আনিছো।

ডাঃ দুৱৰাই সুধাংশুৰ হাত এখনত ধৰিলে।

—কওক আকৌ।

সুধাংশুৱে ডাঃ দুৱৰাৰ মুখৰ ফালে চালে।

—তোমাৰ মা আৰু প্ৰঃ অৰুণ বৰুৱা আহি পাইছে।

—হয়নেকি ? খবৰ পালে তাৰ মানে ?

—খবৰ দিছিলো তেখেতলৈ। কথাটো তোমাক কোৱা নাছিলো।

—মৃত্যুৰ আশংকাত মাক মই বিচাৰিছিলো যে মনত আছে। মা কেনে আছে মহা ?

—ধীৰ স্থিৰেই দেখিলো বাহিৰৰ পৰা।

—ছাৰো শেষত আহিব লগা হ'ল। অঞ্জনাই নিশ্চয় খবৰ পোৱা নাই।

—আহিছে অঞ্জু।

—অঁ। আহিবতো লাগিবই ছাৰ আহিছে যেতিয়া। তাতে হোষ্টেলো বন্ধ।

—তেখেতসকল বাতিৰ বাছত আহিছে। এতিয়া অলপ জিৰাওক। ভাত-পানী খোৱাৰ পিছত বাইদেউ আৰু প্ৰঃ বৰুৱাক লৈ আহিম ইয়ালৈ তিনি বজাৰ লগে লগে।

—অঞ্জনা নাহে ?

—নানো তাইক। বৰ অসুবিধা কৰে।

—কেনেকুৱা ?

—আহি পাইয়েই কান্দি-কাটি অস্থিৰ।

—অঞ্জনাই সদায় কান্দি কান্দিয়েই ৰণত জিকি আহিছে। শেষত হস্পিটেললৈ আহি যাব পাৰে।

—কেনেকৈ আহিব ? তাই অহাৰ ফৰমেল পাৰমিচন লোৱা হোৱা নাই।

—হয়নেকি ?

সুধাংশুৱে হাঁহিবলৈ ধৰিলে। ডাঃ তুৰৰাই সুধাংশুৰ হাঁহিৰ অৰ্থ বুজি পালে। কিন্তু, একো নক'লে। কাগজখন হাতত লৈ পঢ়িবলৈ ধৰিলে।

—সুধাংশু, মই আৰু নবহো। এবাৰ মোৰ ক্লিনিকটো চাই আহো। সময়মতে আহি যাম। তুমি খাই-বৈ জিৰাই ল'বা অলপ।

—হ'ব মহা।

ডাঃ তুৰৰা কেবিনৰ পৰা ওলাই গ'ল।

ঠিক তিনি বজাত নিৰ্মলা বয় আৰু অৰুণ বৰুৱাক লগত লৈ ডাঃ তুৰৰা সুধাংশুৰ কেবিনত সোমালহি। সুধাংশুৱে চকীৰ পৰা উঠি গৈ মাকক সেৱা কৰিলে। মাকে চুমা খাই সুধাংশুক বুকুৰ মাজত সুমুৱাই

ল'লে। তাৰ পিছত শান্তভাৱে হাত বুলাই সুধাংশুৰ ঘাঁ খোৱা ঠাইবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে। শেষত, মুখখন দুয়োহাতে ধৰি কপালখনলৈ স্থিৰ হৈ চালে।

—ভয় লাগিছে মা ?

—কিয় ভয় লাগিব ? তুমিতো মোৰ দুৰন্ত সন্তান বাবা ?

—আৰু তুমি ? এই দুৰন্ত সন্তানৰ প্ৰকৃত মা হয়নে ?

সুধাংশুৱে লাহেকৈ দুবাহুত ধৰি মাকক চকীত বহুৱাই দিলে।

—ছাৰ বহক।

—মহা ?

—মই নবহো। মাৰা আৰু গুৰুৰ লগত কথা পাতা। মই অলপ ঘূৰি আহিছো।

ডাঃ দুৱৰা যোৱাৰ পিছত অৰুণ বৰুৱাই সুধিলে সুধাংশুক, "কোনো ৰকমৰ অসুবিধা নাইতো এতিয়া।"

—অসুবিধা মানে মনৰ অসুবিধা আছে। ইয়াৰ পৰা যাবৰ মন গৈছে আপোনালোকৰ লগতে। ঘৰত গৈ ভালকৈ খাবৰ মন গৈছে। মন খুলি নানা কথা পাতিবলৈও ইচ্ছা।

—অঁ। সেইবোৰতো এতিয়া নিষেধৰ ভিতৰত ?

—সেইটোৱেই অসুবিধা।

—কালিলৈ নিশ্চয় এইবোৰৰ কিছু অসুবিধা দূৰ হ'ব।

তেওঁলোকে কথা পাতি থাকোতেই এগৰাকী আদহীয়া নাৰ্চ মাতৃসুলভ দৃষ্টিৰে হাতত ঔষধ আৰু এগিলাচ ফলৰ ৰস লৈ সোমাই আহিল।

—চিষ্টাৰ, এয়া মোৰ মা। এখেত মোৰ শিক্ষাগুৰু। আৰু এয়া হ'ল চিষ্টাৰ জুলিয়ানা। আজিৰ এই আৰোগ্য লাভত চিষ্টাৰে মোক যথেষ্ট সহায় কৰিলে।

দুয়ো পক্ষক চিনাকি কৰি দি গুলোমোৱা ভৰি দুটা বিছনাত উঠাই লৈ সুধাংশু ভালকৈ বহি ল'লে।

—আপোনাৰ ল'ৰা বৰ দুষ্ট দেই। খোৱাবোৱাত বৰ জুলুম কৰে।

ঔষধ খুৱাই দি নাৰ্চগৰাকীয়ে নিৰ্মলা বৰুৱ ফালে চাই ক'লে।

—ঘৰতো।

—হয়নেকি? বিয়া পাতি দিয়ক। দিব তেতিয়া মজাটো। ধুনীয়া কন্যা ঠিক হৈ আছেই বোলে।

ৰসৰ গিলাচটো সুধাংশুৰ মুখত ধৰি নাৰ্চগৰাকীয়ে ক'লে। কথা শুনি সকলোৱে হাঁহিলে।

—এইটো পৰত মোক লাগে চাহ। দিছে ফলৰ ৰস। জুলুম নকৰি পাৰিনে?

ফলৰ ৰস খোৱা হ'লত গিলাচ লৈ হাঁহিমুখে নাৰ্চগৰাকী ওলাই গ'ল লগে লগে ডাঃ দুৱৰা সোমাই আহি অৰুণ বৰুৱাক মাতিলে, "আহকচোন প্ৰঃ বৰুৱা। অফিচত অলপ কাম আছে।"

তেওঁলোক দুয়ো যোৱাৰ পিছত সুধাংশুৱে মাকক মনৰ কথা এটা সুধিলে, "মা, তুমি বাৰু অঞ্জনাক ক্ষমা কৰিব পাৰিছানে?"

সাউৎকৰে উঠি গৈ নিৰ্মলা বৰুৱে সুধাংশুৰ মূৰত হাত বুলাই ক'লে, "অঞ্জনাইতো মোৰ ওচৰত কোনো দোষ কৰা নাই তেওঁক ক্ষমা কৰিব লগাকৈ।"

—তুমি তেনেকৈ ভবাটোৱেই তেতিয়াহ'লে ক্ষমা কৰাৰ সমান হৈছে।

নিৰ্মলা বৰুৱা আকৌ চকীত বহিলগৈ। আৰু কেবিনটোৰ ইফালে-সিফালে চালে। সুধাংশু কিছুসময় মনে মনে থাকিল। মাকে এবাৰ ক'লে, "তুমি একো চিন্তা কৰিব নালাগে। সময়ত সকলো ঠিক হৈ যাব অংশু।"

—তাকেতো ভাবিছো।

কিছুপৰৰ পিছত ডাঃ দুৱৰা আৰু অৰুণ বৰুৱা সোমাই আহিল। চকীখনত অৰুণ বৰুৱাক বহিবলৈ অনুৰোধ কৰি ডাঃ দুৱৰা সুধাংশুৰ কাষতে বহিল। অলপ পিছতে ক'লে, "সুধাংশু শুনা। কালিলৈ লাঞ্চৰ পিছত তোমাক লৈ যোৱা হ'ব ঘৰলৈ। কালিৰ পৰা সাতদিন তুমি ঘৰৰ ভিতৰতে থাকিব লাগিব। পৰহিৰ পৰা এজ বুজুৱেল

তুমি খাব পাৰিবা। অৱশ্যে সকলো বস্তুৱেই কোমলকৈ সিদ্ধ হ'ব লাগিব। সাতদিনৰ পিছত গুৱাহাটীলৈ যাব পাৰিবা। কামতো সময়মতে অৰ্থাৎ আগষ্টৰ পহিলা তাৰিখে জইন কৰিব পাৰিবা। ডাক্তৰৰ লগত কথা পাতি এইখিনি কথা ঠিক কৰা হ'ল। তোমাৰ কিবা আপত্তি আছে যদি কোৱা।

—আপত্তি মানে কালিলৈ দুপৰীয়া পাভমাছেৰে ঘৰত ভাত খাম বুলি ভাবিছিলোঁ।

—হ'ব সেইবোৰ লাহে লাহে। তেনেহ'লে আমি উঠোঁ। এখেতসকলক ঘৰত থৈ মই আকৌ ঘূৰি আহিব লাগিব। অফিচৰ কাম অলপ বৈ গৈছে।

—বাক, ভিজিটিং সময় কেইটালৈ ? সুধাংশুৱে হাঁহি মাৰি সুধিলে।

—পাঁচ বজালৈ। কিয় ? এখেতসকল পাঁচ বজালৈকে থাকিব লাগে ? চাৰি বাজি গৈছেহে পিছে।

—নহয়। যাওক আপোনালোক। আপুনি আকৌ আহিব লাগিবতো।

—তাতে কি হ'ল। মোৰ ওপৰত হস্পিটেলত সোমোৱাৰ কোনো ৰেষ্ট্ৰিকচন নাই।

—বুজিলোঁ।

—ব'লক ডাঃ দুৱৰা। বাইদেউৰ কালিৰ পৰা পৰিশ্ৰম হৈছে। ঘৰত অলপ জিৰাওক গৈ।

—হয়, হয় বুলি ডাঃ দুৱৰা উঠি পৰিল। সুধাংশুৱে তেওঁলোকক দুৱাৰ-মুখলৈকে আগবঢ়াই দি বৈ থাকিল। অৰুণ বৰুৱা কেইখোজমান গৈ পিছুৱাই আহিল। সুধাংশুৰ কাণৰ ওচৰতে লাহেকৈ ক'লে— ঘূৰি আহোঁতে ডাঃ দুৱৰাই অঞ্জুক লৈ আহিব তোমাৰ ইয়ালৈ।

—বৰ ভাল কথা

কেবিনত সোমাই সুধাংশুৱে আপোনমনে গুণগুণাবলৈ ধৰিলে।

প্ৰায় আধা ঘণ্টাৰ পিছত ডাঃ দুৱৰা অঞ্জনাক লৈ সুধাংশুৰ ,ওচৰ পালেহি।

অঞ্জনাই গাঢ় নীলা ৰঙৰ ব্লাউজ আৰু পাতল আকাশী বোলৰ শাৰী পিন্ধি আহিছিল। অঞ্জনাই সুধাংশুৰ কপাললৈ চালে থৰ হৈ। সুধাংশুৱে চালে অঞ্জনাৰ চকুলৈ ৰ লাগি।

—একেবাৰে নীল পৰী হৈ আহিছা অঞ্জনা?

—হস্পিটেলৰ ৰোগীৰ ওচৰলৈ নীল পৰী অহাটো শুভ লক্ষণ। বাৰু, এতিয়া তোমালোকে কথা পাতা। মই ঠিক পাঁচ বজাত অঞ্জুক ইয়াৰ পৰা লৈ যামহি।

সুধাংশুৱে হাতৰ ঘড়ীটোলৈ চালে। ডাঃ দুৱৰা যোৱাৰ পিছত দুয়ো চকী দুখনত বহি পৰিল। সুধাংশু লাহেকৈ উঠি গৈ দুৱাৰৰ পৰ্দাখন পূৰাকৈ টানি দিলে। ঘূৰি আহি বহিলত অঞ্জনাই সুধাংশুৰ হাত ভৰিৰ ঘাঁবোৰ ভালকৈ চাই ক'লে, "ডাঙৰ ঘটনা ঘটি গ'ল!"

—অঁ। ডাঙৰেই। কোনোৰকমেহে প্ৰাণ ৰক্ষা পৰিছে। আজি পুৱাতে আহিয়েই খুব কান্দিছিলা? কিয় কান্দিলা অঞ্জনা?

—কোনেও মোক তোমাৰ এনে দুৰ্ঘটনা ঘটিছে বুলি কোৱা নাছিল।

—এতিয়া জানিছাতো?

—আজি মানুমাহীয়ে অলপ কৈছে।

—কেনেকুৱা লাগিছে জানি?

—বেছি কথা কোৱাত তোমাৰ মানা আছে বুলি মোক মহাই অহাৰ আগতে কৈ থৈছে।

—মোকতো কোৱা নাই। ইমান দিনৰ মূৰত লগ পাইছো— কথা নেপাতিলে হ'বনে? বাৰু, তোমাৰ আঙুলিত আকৌ মোৰ আঙঠি। এইবাৰ বাওঁহাতৰ আঙুলিত দেখোঁ?

মাই আজি পুৱাতে পিন্ধাই দিছে। বাওঁহাতৰ আঙুলিতহে বোলে পিন্ধিব লাগে। মানুমাহীয়ে ভালকৈ বকনি দিলে মোক আঙঠি সোলকোৱা বাবে। মই আচলতে আঙঠিটো মাৰ হাতত থৈহে আহিছিলো। কিন্তু, বাহিৰৰ আঙঠি এটাই যে ইমান কাণ্ড কৰিব, ভবাই নাছিলো।

—বাহিৰৰ কাগজ এখনত চহী কৰিয়েই বিয়া পাতিম। সেই কাগজৰ কোনো মূল্য নাই বুলি দলিয়াই দিবা ?

অঞ্জনাই একো নেমাতিলে।

—বৰ আছা যে, নোকোৱা কিয় ? কোৱা।

—উত্তেজিত নহ'বাদেই।

—নহওঁ উত্তেজিত। মোৰ দৰে শান্ত প্ৰকৃতিৰ মানুহ খুব বেছি নাই পুৰুষৰ ভিতৰত ছাৰ আৰু মহাক দেখিছোঁ সমাহিত চৰিত্ৰৰ প্ৰতীক হিছাপে। এতিয়া দৰকাৰী কথালৈ আহোঁ। মই সাতদিনৰ পিছত গুৱাহাটীলৈ যাব পাৰিম। তাতো গৈ মই কিছুদিনলৈ ঔষধ আৰু পথ্য খাব লাগিব। কাৰণ, পেটৰ ভিতৰফালে সামান্য দোষ হৈ গৈছে। এইবাৰ মই গ'লে তুমি কি কৰিবা ?

—কি কৰিব লাগে তুমি কোৱা।

—সদায় কান্দি কান্দি কেঁচুৱা হৈয়ে থাকিবানেকি ? এডাল্টৰ দৰে নিজে কিবা এটা সিদ্ধান্ত ল'ব নোৱাৰা ? মই ক'ব পাৰোঁ। তুমি শুনিবাতো ?

—শুনিম।

—তুমি ওলোৱা মোৰ লগতে। এইবাৰ আৰু আমাৰ ঘৰতে থাকিবা। মোৰ পৰিচৰ্যাত মাক সহায় কৰি দিবা। মই তোমাক পৰীক্ষালৈ প্ৰস্তুত কৰাই দিম। এয়ে চৰ্ত। হ'ব ?

—হ'ব।

অঞ্জনাই মধুৰকৈ হাঁহিলে। সুধাংশুৱে অঞ্জনাৰ বাওঁ হাতখন নিজৰ কোলাত তুলি ল'লে। আঙঠিটোৰ ওপৰত হাত বুলাই ক'লে, "এই আঙঠিটো পিন্ধাই দিওঁতে তোমাৰ লগত মোৰ এটা আধ্যাত্মিক সম্বন্ধ ঘটিছে বুলি বোধ হৈছিল। সেই সম্বন্ধ বৈবাহিক অনুষ্ঠানতকৈ বহু ওপৰত। কিন্তু, মানুহ হিছাপে আমাৰ বৈবাহিক সম্বন্ধত সামাজিক স্বীকৃতি পাব লাগিব। তাৰ ব্যৱস্থা শীঘ্ৰে কৰি পেলোৱাৰ ইচ্ছা হৈছে। মোৰ সিদ্ধান্তত তুমি পেছিভ হৈ থাকিলে অসুবিধা হ'ব। আজি আৰু তোমাক বেছি একো বিৰক্ত নকৰোঁ। অঞ্জনাৰ

হাতখন এৰি দি সুধাংশুৱে ঘড়ীটোলৈ চালে। অঞ্জনা নিমাতে আছিল।"

সুধাংশুৱে অঞ্জনাৰ মূৰৰ পৰা ভৰিলৈকে এবাৰ চাই লৈ ক'লে, "সঁচাকৈয়ে তোমাক আজি বৰ ধুনীয়া লাগিছে।"

অঞ্জনাই মূৰ তুলি সুধাংশুৰ চকুলৈ চালে। বাহিৰত ভৰিৰ শব্দ শুনি সুধাংশু উঠিল। দুৱাৰত টক্ টক্ কৰি ডাঃ দুৰৰা সোমাই আহিল।

—হ'লনে তোমালোকৰ কথা-বতৰা ?

—হ'ল মহা।

—তেন্তে আৰু দেৰি নকৰোঁ। কালিলৈ তোমাক দুই বজাৰ পৰা তিনি বজাৰ ভিতৰত লৈ যামছি। আমাৰ খোৱা-বোৱা শেষ কৰিহে আহিম।

—হ'ব।

—আহোঁ। ব'ল অঞ্জু, হেঁপাহ পলালনে ?

সুধাংশুৱে হাঁহিলে আৰু অঞ্জনাক মৰমেৰে পিঠিত থপৰিয়াই বিদায় দিলে।

সুধাংশুক ঘৰলৈ নিয়াৰ দিনা দেওবাৰ আছিল। সেইদিনা পুৱা ডাঃ দুৰৰা তেওঁৰ ক্লিনিকলৈ গৈ ডাঃ ৰফিকুল আলমক আজাৰ কৰি দিলে। দুপৰীয়া ঘৰত খোৱা-বোৱা শেষ কৰি হস্পিটেললৈ গ'ল। লগত অৰুণ বৰুৱাকো নিলে। সুধাংশুক সময়মতে ঘৰত থৈ ডাঃ দুৰৰা আকৌ ক্লিনিকলৈ ওলাই গ'ল। যোৱাৰ আগতে নিৰ্মলা বয়ক সুধাংশুৰ ঔষধ আৰু পথ্যৰ কথা বুজাই থৈ গ'ল। অৰুণ বৰুৱা সুধাংশুৰ ওচৰত থাকিল। অঞ্জনা আৰু মানসী বান্ধনি ঘৰত সুধাংশুৰ পথ্যৰ বাবে ব্যস্ত হৈ পৰিছিল। ডাঃ দুৰৰাই ক্লিনিকৰ পৰা ডাঃ বাৰ্নছলৈ ফোন কৰি জনালে যে সুধাংশুক ঘৰলৈ নিয়া হ'ল। ভালে আছে। লিনঠানৰ বৰ্ত্তমান প্ৰয়োজন নহ'ব, কাৰণ সুধাংশুৰ মাক আহিছে। অঞ্জনাও আছে যেতিয়া মানসীৰ একো অসুবিধা নহ'ব। শেষত ডাঃ বাৰ্নছৰ আন্তৰিকতাৰ বাবে কৃতজ্ঞতা জনাই ফোন এৰি দিলে।

পিছদিনা পুৱা ডাঃ দুবৰাৰ ঘৰ সুধাংশুৰ খবৰ কৰা মানুহেৰে ভৰি পৰিল। প্ৰথমতে, ডাঃ বাৰ্নছ, লিনঠান আৰু ডাঃ ৰফিকুল আলম আহি সুধাংশুক শুভেচ্ছা জনালেহি। তেওঁলোক যোৱাৰ পিছতে কৃপা কাকতিৰ গাড়ীৰ হৰ্ণ শুনা গ'ল। অঞ্জনাই দৌৰি গৈ ককাকক সাবটি ধৰিলে। ভিতৰলৈ লৈ গৈ তেওঁক নিৰ্মলা ৰয় আৰু অৰুণ বৰুৱাৰ লগত চিনাকি কৰি দিলে। কৃপা কাকতি সুধাংশুৰ ওচৰত বহিল যদিও নিজৰ অভিজ্ঞতা প্ৰয়োগ কৰি কথা বেছি নক'লে। হানচৰাৰ পৰা সোমেশ্বৰ ভূঞাও আহি ওলালহি। তেওঁ অৰণ্যে থিয়ৈ থিয়ৈ সুধাংশুক শুভেচ্ছা জনাই যাবলৈ ওলাল। তথাপি ডাঃ দুবৰাৰ অনুৰোধত ভূঞা ড্ৰয়িং-ৰুমতে অলপ পৰ বহিল। তেওঁ চাহ খাই থাকোতে বিছাকপিৰ পৰা দিবাকৰ কুৰ্মী আৰু লছমন চকীদাৰ আহিল। ভূঞা ওলাই যাওঁতে দিবাকৰ আৰু লছমনক দেখি ক'লে, "প্ৰঃ ৰয় আহিল ঘৰলৈ। ভাল পাইছে।"

সু-খবৰটো পাই দিবাকৰ কুৰ্মী আনন্দত উল্লসিত হৈ উঠিল। সুধাংশু ওলাই আহিল দিবাকৰ কুৰ্মী অহাৰ খবৰ পাই।

—নমস্কাৰ ছাৰ। আপোনাক এই অৱস্থাত দেখি কিমান যে ভাল লাগিছে! সুধাংশুৱে তেওঁলোকক লৈ গৈ ড্ৰয়িং-ৰুমৰ ওচৰতে ভিতৰফালে বহুৱালে।

—আপোনাকো এটা ভাল খবৰ দিওঁ ছাৰ।

—কোৱা।

—পৰহিলৈ ফুলমণিৰ ৰেজিষ্টাৰ্ড বিয়া।

—কাৰ লগত ?

—গগন চাহাবৰ লগত ছাৰ। আপোনাৰ কথাত সাহস পাই আমি তেওঁক বাধ্য কৰালোঁ। আপোনালৈ তেওঁ নিমন্ত্ৰণী চিঠি পঠাইছে। বিয়াৰ পিছত ফুলমণিক লৈ গগন চাহাব আপোনাক দেখা কৰিবলৈ আহিব ছাৰ। আমাৰ মজদুৰ সমাজে এইটো এটা বৰ ডাঙৰ জয় হোৱা বুলি ভাবিছে।

—ভাবিব লগা কথাও।

নিমন্ত্ৰণী চিঠিখন পঢ়ি উঠি সুধাংশুৱে হাঁহিলে। তাৰ পিছত অঞ্জনাক মাতি আনি দিবাকৰ আৰু লছমনক ভালকৈ যা-জলপান খুৱাবলৈ ক'লে। খাবলৈ বহোতে সুধাংশুৱে অঞ্জনাক তেওঁলোকৰ লগত চিনাকি কৰি দিলে। তাৰ পিছতে ক'লে, "অঞ্জনা, এওঁলোক আমাৰ বৰ মিত্ৰ মানুহ।"

—এয়াই নেকি ছাৰ আপোনাৰ বাইদেউ।

—বাইদেউ নহয় মোৰ ভাবী পত্নীহে।

—তাকেই কৈছো ছাৰ।

—আমাৰো বিয়া ৰেজিষ্টাৰ্ড কৰিম বুলি ভাবিছো।

—ভাল হ'ব ছাৰ।

দিবাকৰ কুৰ্মীৰ প্ৰাণখোলা হাঁহিৰ লগত লছমনেও যোগ দিলে।

—বিয়াত আহিবা তোমালোক।

—নিশ্চয় আহিম ছাৰ। ইয়াতে হ'বনে ?

—সেইটো সঠিককৈ ক'ব নোৱাৰো। গুৱাহাটীত হ'লে তোমালোকক নিয়াৰ ব্যৱস্থা কৰিম।

—যাম ছাৰ আমি।

তেওঁলোকৰ কথা-বতৰা অকণ বকৰা আৰু ডাঃ দুৱৰাৰ কাণত পৰিছিল। দিবাকৰ আৰু লছমন যোৱাৰ পিছত সোমাই আহিল ৰবীন শইকীয়া আৰু অৰবিন্দ চৌধুৰী। দুৱাৰমুখতে গৱেষক ছাত্ৰ দুজন অলপ থমকি ৰৈছিল দিবাকৰ আৰু লছমনক দেখি।

—আহাঁ শইকীয়া, চৌধুৰী আহাঁ। বহা তোমালোক।

—ছাৰ ভাল পালে ?

—পালো। জ্ঞান পোৱাৰ পিছত তোমালোকৰ কথা কাকো বিশেষ সুধিব পৰা নাই যদিও মনৰ ভিতৰত গুমগুমনি এটাই অনবৰত উৎকণ্ঠাৰ সৃষ্টি কৰি আছে।

—হস্পিতেল পাইছিলোগৈ এদিন। কিন্তু, আপোনাক দেখা কৰাত নিষেধ আছিল।

—তোমালোক গৈছিলা ?

—হয় ছাৰ।

—এৰা, বৰ বেষ্টিক্‌চন। বাৰু এৰোঁ সেই কথা। তোমালোকলৈ ভাল খবৰ এটা আছে। পৰহিলৈ ফুলমণিৰ বিয়া গগন বৰুৱাৰ লগত। এইখন মোলৈ নিমন্ত্ৰণ-পত্ৰ দিছে, চোৱা।

—"আমাৰ প্ৰজেক্টৰ কাৰণে এইটো উল্লেখযোগ্য কথা।"

চিঠিখন হাতত লৈ অৰবিন্দ চৌধুৰীয়ে ক'লে,

—"তোমালোকৰ কষ্ট সাৰ্থক হ'ল।"

—ক্ৰেদিট আপোনাৰহে ছাৰ।

সুধাংশুক ভিতৰলৈ মাতি নিবলৈ মাক আহিছিল। ছাত্ৰ দুজনক দেখি বৈ গ'ল।

—আহা মা। এয়া মোৰ মা দেই।

ছাত্ৰ দুজনে থিয় হৈ নিৰ্মলা বয়লৈ নমস্কাৰ জনালে।

—এওঁলোক মোৰ লগতে প্ৰজেক্টৰ কামত অহা গৱেষক ছাত্ৰ— ৰবীন শইকীয়া আৰু অৰবিন্দ চৌধুৰী।

—বুজিব পাৰিছোঁ। তোমালোক ৰাতিৰ বাছত আহিলা?

—হয়।

—ব'লা ভিতৰলৈ। হাত-মুখ ধুই ল'বা।

—হ'ব মা। আপুনি একো ভাবিব নেলাগে। এইখন ঘৰ আমাৰ চিনাকি হৈ গৈছে।

ডাঃ দুৱৰা, অৰুণ বৰুৱা আৰু কৃপা কাকতি একেলগে ওলাই আহিল।

—"অ' আমাৰ বোপাহঁত!" কৃপা কাকতিয়ে ক'লে।

—এওঁলোক দুজন সেইদিনা ভাগ্যক্ৰমে আহি পৰিছিল বুলিহে মই বৰ ডাঙৰ সহায় পালো।

ডাঃ দুৱৰাৰ কথাৰ মূৰত অৰুণ বৰুৱাই ক'লে, "এওঁলোকৰ যি লটিঘটি সেইদিনা! জাগীৰ'ডত বাছ বেয়া হ'ল। ৰাতিটো তাতে থাকিলে। পিছদিনা জালুকবাৰীলৈ গৈ আকৌ মোক ঘৰত নাপালে। তেতিয়াও তেওঁলোকৰ এটা হাহাকাৰ গ'ল।"

—"দেখিছো বহু ঘটনাই ঘটি গ'ল।" সুধাংশুৱে শেষত ক'লে।

—মই এওঁলোকৰ লগত বহিছোঁ। সুধাংশু তুমি ভিতৰলৈ যোৱা। পথ্য প্ৰস্তুত হৈ আছে।

—হ'ব মহা। তোমালোক বহা দেই। মই আহিছোঁ।

—তোমালোকে বেয়া নোপোৱা যেন। তেওঁক সময়মতে পথ্য দিব লগা হৈ আছে।

নাই, নাই, বেয়া পোৱাৰ প্ৰশ্নই নুঠে।

আহক শইকীয়া, চৌধুৰী আহক। আপোনালোকে হাত-মুখ ধুই লওকহি।

—ৰ'ব, আপুনি কেতিয়া আহিল কাকতি?

—পৰহি ৰাতিৰ বাছত। মা আৰু মামাৰ লগতে আহিলোঁ।

—মাধুৰী শইকীয়াই আপোনাৰ খবৰ লৈছিলদেই। আমি মুঠতে কৈ থ'লো।

—চামআপ কৰি?

—অঁ। ছাত্ৰ দুজনে হাঁহিলে। অঞ্জনাই আকৌ মাতিলে, আহক ককা। মামা আহঁা। মহা? ভাত বেড়ি।

—আমিও ভাত খাব লাগিব?

—নিশ্চয়। এক বাজিল। ভাত নাখালে হ'বনে?

আনন্দতে সকলো ভাত খাবলৈ উঠি গ'ল।

ভাত-পানী খাই বৈ উঠি সকলোকেইজন ড্ৰয়িংৰুমতে বহিলহি। সুধাংশুৱে ছাত্ৰ দুজনলৈ চাই ক'বলৈ ধৰিলে, "তোমালোক আজি ডিব্ৰুগড়লৈ নাইটচুপাৰত যাবা যেতিয়া, ইয়াৰপৰা উঠিবৰ হ'ল।"

—এওঁলোক যায়নেকি?

—যাওঁ মহা। আমাৰ সকলো বস্তু সেইদিনা ডিব্ৰুগড়তে বৈ গ'ল। বিশেষকৈ, প্ৰজেক্টৰ প্ৰয়োজনীয় কাগজ-পত্ৰবোৰ আছে। সময়মতে সেইবোৰ নিনিলে পিছত অসুবিধা হ'ব।

—তেন্তে, এওঁলোকক পঠোৱাৰ কিবা এটা ব্যৱস্থা কৰিব লাগিল।

—একো ভাবিব নালাগে। মই যাওঁতেই তেওঁলোকক বাছষ্টেওত নমাই দিব পাৰিম।

কৃপা কাকতিৰ কথা শুনি ডাঃ দুৱৰাই সুধিলে, "আপুনি আকৌ ক'লৈ যায়?"

—যাওঁ ৰ'ব। আমাৰ বাগানতো এখন বিয়া পাতিছোঁ। কত কেতিয়া ডাক পৰে, একো ঠিক নাই।

—আমাৰ ইয়াতো বিয়া সম্পৰ্কে আলোচনা আছে আজি সন্ধিয়া। আপুনিও বিয়া কমিটিৰ এগৰাকী বিশেষ সদস্য। উপস্থিত থাকিলে ভাল হয়।

সকলোৱে গিৰ্জনি পাৰি হাঁহিলে।

—বিয়া কমিটিৰ মাননীয় সদস্যসকলে যি সিদ্ধান্ত লয় তাত মোৰ পূৰা সমৰ্থন থাকিব।

আকৌ হাঁহিৰে কোঠাটো খলক লাগিল।

কৃপা কাকতি বহাৰ পৰা উঠিল। লগে লগে ছাত্ৰ দুজনো। তেওঁলোকৰ ওচৰলৈ আহি সুধাংশুৱে ক'লে, "মই কলেজ খোলাৰ দিনাই জইন কৰিম। লগে লগে ৰিপোৰ্ট প্ৰস্তুত কৰিম দিল্লীলৈ আগষ্টৰ প্ৰথম সপ্তাহত পঠাব পৰাকৈ।"

—হ'ব ছাৰ। আপুনি ৰেষ্ট লওঁক। সেইবিলাক বেছি ভাবিব নালাগে। পিছে, বিয়ালৈ মাতিবনে?

নিশ্চয়।

কৃপা কাকতি আৰু ছাত্ৰ দুজনক বিদায় দি সুধাংশুৱে ক'লে, "মই জিৰণি লওঁগে দহা। অলপ ভাগৰ ভাগৰ লাগিছে।"

—ভাগৰ লাগিব। আজি তুমি জিৰাব পৰা নাই। তাতে পথ্যবো সালসলনি হৈছে। এতিয়া একেবাৰে মনে মনে কিছুপৰ জিৰাই লোৱা। আবেলিৰ ফালে কপালৰ ড্ৰেছিং সলনি কৰি দিম। চাওঁচোন —কালি-পৰহিৰ পৰা ঘাঁডোখৰ খোলাকৈ ৰাখিব পৰা যাবনেকি?

যোৱা দুদিন সুধাংশুৰ কোঠাতে নিৰ্মলা বয় শুইছে। কোঠালিটোৰ পৰা টেবুল, চকী আঁতৰাই তাতে আৰু এখন বিছনা দিয়া হৈছে

নির্মলা বয়ৰ কাৰণে। সুধাংশুৰ বিছনাৰ ওচৰতে আছে ঔষধ আৰু পথ্যৰ কাৰণে এখন সৰু টেবুল, লাগ বুলিলে যাতে নিৰ্মলা বয়ে সহজে সুধাংশুক প্রয়োজনীয় বস্তু এটা দিব পাৰে। সুধাংশু নিজৰ কোঠালৈ যোৱাৰ পিছত নিৰ্মলা বয়ো বহাৰ পৰা থিয় হ'ল।

—আপুনি নাযাব। বহকচোন অকণমান পৰ। আপোনাৰ লগত আমাৰ প্রয়োজনীয় কথা এটা পাতিব লগা আছে।

ডাঃ দুবৰাৰ অনুৰোধত নিৰ্মলা বয় আকৌ বহি পৰিল।

—আমি আজি সন্ধিয়াৰ ফালে বহিম সুধাংশু আৰু অঞ্জনাৰ বিয়া সম্পর্কে আলোচনা কৰিবলৈ। সেই আলোচনাত সুধাংশু-অঞ্জনাও থাকিব। আপোনাক এতিয়াই কথা এটা সুধিব খুজিছোঁ—আলোচনাত এটা সুসিদ্ধান্ত লোৱাৰ বাবে।

—সোধকচোন।

শান্তচিত্তে নিৰ্মলা বয়ে ক'লে।

—কথা হ'ল, এইবাৰ যাওঁতে সুধাংশুৱে অঞ্জুক লগতে লৈ যাব খুজিছে—আপোনালোকৰ ঘৰত থকাকৈ। প্রঃ বৰুৱাক তেওঁ খোলাকৈ কথাটো কৈছে। তেনে স্থলত আমি অঞ্জনাক ৰখাই থ'লে অসুবিধা আছে সকলোৰে। কিন্তু. তেনেকৈ যাবলৈ দিলে কেনেকুৱা হ'ব ঠিক ধৰিব পৰা নাই। সেই বিষয়ে আপোনাৰ মতামত জনা থাকিলে সন্ধিয়াৰ আলোচনাত আমাৰ যথেষ্ট সুবিধা হ'ব বুলি ভাবিছোঁ।

—মোৰ স্বকীয়া মত কি আছে? আপোনালোক দুয়োগৰাকী অংশুৰ অতি শুভাকাঙ্ক্ষী লোক। আপোনালোকৰ মতৰ পৰা মোৰ মতৰ অলপো অমিল নহয় বুলি ভাবিব। অৱশ্যে, অংশুৱে যি সুৰত মোৰ লগত কথা কৈ আছে, তাৰপৰা মই যাক হিচাপে ধৰিব পাৰিছোঁ যে তেওঁৰ সোনকালে বিয়া পতাৰ ইচ্ছা। অঞ্জনাৰ পৰীক্ষা শেষ হ'বলৈ তেওঁ বাট চাব খোজা নাই। খুব সম্ভৱ তেওঁ মেজিষ্ট্রেটৰ আগত কাগজত চহী কৰি বিয়া কৰাব। আপোনালোকে এতিয়া সেই বিষয়ে কি ভাবিছে ক'ব নোৱাৰোঁ।

—সেইটো নিশ্চিত যে সুধাংশুৱে ৰেজিষ্টাৰ্ড বিয়া পাতিব আৰু তেনেকুৱা এটা ইচ্ছাৰেই অঞ্জুক লগত নিয়াৰ কথা ভাবিব পাৰে।

অৰুণ বৰুৱাই মত প্ৰকাশ কৰিলে।

—পদ্ধতিটো হ'ল বাৰু। আমি সকলোৱে তেওঁক সমৰ্থন দিম সেই কথাত। কিন্তু, সময়টোৰ কথা ভাবক, কেতিয়া হ'ব পাৰে সুবিধাজনকভাৱে।

ডাঃ ফুকনৰ কথা শুনি অৰুণ বৰুৱাই ক'লে, "এই বিষয়ে মই কথা এটা ক'ব খুজিছোঁ আপোনালোকক।"

—কওঁকচোন।

—সুধাংশুৱে জাকজমককৈ বিয়াৰ বাহ্যিক আড়ম্বৰ নকৰে।

—সেইটো আমিও নিবিচাৰোঁ।

—কিন্তু, ৰেজিষ্টাৰ্ড বিয়া হ'লেও অভ্যৰ্থনাৰ কথা দুয়োপক্ষৰে থাকিব। কথা হ'ল—সুধাংশুৱে যদি অঞ্জুক লগতে নিয়াৰ কথা ভাবিছেই তেন্তে ৰেজিষ্ট্ৰেচনৰ লেঠাটো ইয়াতে মাৰি গ'লে কেনেকুৱা হয়?

—সহজে হ'ব পাৰে—ডাঃ ফুকনৰাই অভিমত দিলে।

—দিনৰ আগবেলা ৰেজিষ্ট্ৰেচন হওক। পিছবেলা এৰাব নোৱৰা কেইগৰাকীমান অতিথিৰ বাবে অভ্যৰ্থনাৰ আয়োজন কৰক ডাঃ ফুকনৰা আৰু মানসী ফুকনৰাই। সুধাংশুৰ শাৰীৰিক অৱস্থাৰ কথা ভাবিহে ইয়াত পতা অভ্যৰ্থনা সীমিত কৰাৰ কথা কৈছো। আৰু···

অৰুণ বৰুৱা অলপ ৰ'ল।

—কৈ যাওক।

—সুধাংশু সম্পূৰ্ণ সুস্থ হোৱাৰ পিছত বাইদেৱে ল'ৰাৰ লগত লগ হৈ গুৱাহাটীত বিয়াৰ অভ্যৰ্থনা যেনেকৈ পাতে পাতিব। কিন্তু, আমি সকলো সেইদিনা তাত উপস্থিত থকাটো মোৰ কালৰপৰা বিচাৰোঁ। বাইদেৱে কেনে দেখে?

—বৰ আনন্দৰ কথা। বিয়াৰ পিছতহে সুধাংশুৰ লগত অঞ্জনাক আমাৰ ঘৰলৈ নিয়াটো শোভনীয় হ'ব বুলি ভাবিছোঁ। আপোনালোকে

তেওঁলোক দুয়োৰো মনৰ অৱস্থা জানিছেই। বিয়াৰ যোগেদি তেওঁলোকক শীঘ্রে একেলগ কৰি দিব পাৰিলে আটাইতকৈ ভাল হয়।

—"সুধাংশুৱে মানিলে হয় এতিয়া।" মানসীয়ে লাহেকৈ ক'লে।

—নামানিলে কেনেকৈ হ'ব? মই ভাবো অংশুৱে মানিব। কাৰণ, তেওঁৰ মতৰ বিৰুদ্ধ কথাতো ব্যৱস্থাটোত নাই।

নির্মলা ৰয়ে দৃঢ়তাৰে ক'লে যদিও লগতে অলপ ভাবি আকৌ ক'লে, "অৱশ্যে অঞ্জনাৰ মতৰ কথা এটাও আছে।"

—মূল কথাত দুয়োজনৰ মত এটাই। অঞ্জু হ'ল অলপ বেছি ধৰণে মৰম আকলুৱা। তাৰ বাহিৰে সকলো ঠিক আছে। মই ভাবিছোঁ আজিয়েই বিয়াৰ দিনটো ঠিক কৰিব পাৰিলে কালিলৈ মই যামগৈ।

—সেইটো কেনেকৈ হ'ব। মই অকলে ল'ৰা-ছোৱালী লৈ যাব নোৱাৰো দেই।

নিমজ হাঁহিৰে উদ্ভাসিত হৈ নির্মলা ৰয়ে ক'লে, "আপুনি নালাগে নহয় তেওঁলোকক নিব। তেওঁলোক নিজে যাব। তেওঁলোকৰ লগত আপুনি যাবগৈ।"

—নাই, নাই সেইটো হ'ব নোৱাৰে প্রঃ বৰুৱা। ইমান দিনৰ মূৰত আপুনি যি মহানুভৱতাৰে আমাৰ এইখন ঘৰত উপস্থিত হৈছেহি, সেই কথা জীৱনকালত পাহৰিব নোৱাৰিম। আপুনি নাথাকিলে সুধাংশু আৰু অঞ্জুমণিৰ বিয়া কেনেকৈ সম্ভৱ হ'ব? তাতে মানসীৰ ফালৰপৰা আৰু মোৰ ফালৰপৰা মৰমৰ এটা পবিত্র দাবিও আছে আপোনাৰ ওপৰত। আপুনি আৰু কেইদিনমান বাট চাওক।

ডাঃ দুৱৰাৰ গহীন আৰু আবেগিক অনুৰোধত অৰুণ বৰুৱা আৰু মানসীয়ে তলমূৰ কৰিলে।

—বাইদেউ, আপুনি থাওক। সন্ধিয়াৰ ফালে আকৌ বহিম। আমাৰ সিদ্ধান্তত সুধাংশু আৰু অঞ্জু মান্তি হ'লে বিয়াৰ দিনটো ঠিক কৰি পেলাম। আপোনাৰ জিৰণি লোৱাত দেৰি হ'লেই। যোৱা মানসী বাইদেউৰ লগত। তুমিও পাৰিলে জিৰাই লোৱা।

ধীৰ-স্থিৰভাৱে ছুয়োগৰাকী যোৱাৰ পিছত ডাঃ ছুৰবাই অৰুণ বৰুৱাৰ ফালে চাই ক'লে, "এনে ধৈৰ্যৱতী মাতৃৰ সন্তান সুধাংশু!"

—আপুনিয়েই বা কি কম? আৰু আপোনাৰে কন্যা অঞ্জনা।

—আপোনাৰ কথা নকওঁ বাৰু। যাওক, অলপ জিৰাওকগৈ। ছুয়ো হাঁহি হাঁহি ছুয়োফালে গ'ল।

সন্ধিয়া হ'লহি। যোৱা ছুদিনমানৰ ভাগৰ আৰু উৎকণ্ঠাৰ পৰা মুক্ত হৈ ডাঃ ছুৰৰা, অৰুণ বৰুৱা, নিৰ্মলা ৰয়, মানসী আৰু অঞ্জনা ড্ৰয়িং ৰুমত বহিলহি। সৰ্বশেষত সোমাই আহি সুধাংশুৱে প্ৰস্তাৱ দিলে, সভাৰ আৰম্ভণী গীত এটা হ'ব লাগে।

—আজি কিন্তু তুমি গান গাব নোৱাৰা দেই সুধাংশু। সম্পূৰ্ণ সুস্থ হৈ লোৱা। আমি তোমাৰ পৰা বহু গান শুনিম পিছত।

—মই নাগাওঁ। গোৱা মানুহ আছে নহয়। অঞ্জনাই গাওক।

—ছোৱালীজনীক আৰু কিয় অসুবিধাত পেলোৱা?

—অসুবিধা একো নাই। মই এতিয়ালৈকে অঞ্জনাৰ গান শুনা নাই যে। আজিৰ পৰাই আমাৰ জীৱন সুৰময় আৰু মধুময় হওক।

অঞ্জনাই লাজতে তলমূৰ কৰিলে।

—হ'ব, গাওক অঞ্জুৱে।

সকলোৱে অঞ্জনাৰ ফালে চালে।

—অঞ্জনা গোৱা বুলি ঘপহকৈ উঠি গৈ সুধাংশু অৰগেনটোৰ ওচৰত বহি পৰিল। তেওঁক হস্পিটেলৰপৰা আনিবৰ দিনা অৰগেনটো অঞ্জনাৰ কোঠালিৰপৰা আনি ড্ৰয়িংৰুমৰ একাষে থোৱা হৈছিল।

—আৰম্ভ কৰা তাতে বহি। মই তোমাৰ সুৰৰ লগত সংগত কৰিছোঁ।

সুধাংশুৱে অৰগেনত আঙুলি বুলাই সুৰ তোলাৰ লগে লগে অঞ্জনাই গাই গ'ল—

'হে মহাজীৱন, হে মহামৰণ
লইনু শৰণ, লইনু শৰণ।'

গীতৰ সুৰ আৰু কথাই সকলোকে মুগ্ধ কৰিলে। সুধাংশু উঠি আহি আকৌ বহিলহি।

অঞ্জনা আৰু সুধাংশুৱে অভিভাৱকসকলে আগতে আলোচনা কৰা কথাত আপত্তি একো নকৰিলে। বৰং ডিগবৈত ৰেজিষ্ট্ৰেচন কৰিব পাৰিলে সুবিধা হ'ব বুলিহে সুধাংশুৱে মত দিলে। বিয়াৰ দিনটোৰ কাৰণে দুটা বাৰৰ নাম উঠিল—আগত বুধবাৰ আৰু শুক্ৰবাৰ। ডাঃ দুৱৰাই বুধবাৰ নাকচ কৰি শুক্ৰবাৰৰ কথা ক'লে। কাৰণ, বিয়াৰ যোগাৰ অনুষ্ঠুপীয়া হ'লেও, তাৰ বাবে তেওঁক অন্ততঃ তিনিদিন সময় লাগিব সকলোৱে ডাঃ দুৱৰাৰ অনুৰোধ ৰক্ষা কৰাত শুক্ৰবাৰৰ দিনটো বিয়াৰ বাবে ধাৰ্য কৰা হ'ল। পিছৰ ৰবিবাৰ ঠিক হ'ল—দৰা-কন্যাক গুৱাহাটীলৈ পঠোৱাৰ দিন হিচাপে। মূল কথাকেইটা ঠিক হৈ গ'লত থিয় হৈ সুধাংশুৱে মাতিলে, "অঞ্জনা আহাঁচোন মোৰ লগত। মহা, আমি আহিম অলপ পিছতে।"

—হ'ব।

তেওঁলোক দুয়ো ওলাই যোৱাৰ পিছত ডাঃ দুৱৰাই নিৰ্মলা বয়লৈ চাই ক'লে, "এই দুটি ল'ৰা-ছোৱালীক লৈ আমাৰ নিসংগ জীৱনবোৰ বহুজনৰ সংগেৰে আজি পৰিপূৰ্ণ হৈ উঠিল। আমাৰ প্ৰত্যেকজনৰ জীৱনত এটা সময়ত কি প্ৰবল ধুমুহা বলিছিল। সেই ধুমুহা শাম কাটিছে যেন বোধ হৈছে। কৃপা কাকতিও আজি আমাৰ লগত থকা হ'লে তেখেতৰ বিদীৰ্ণ হৃদয় জুৰ পৰিল হয়।"

নিৰ্মলা বয়ে আন্তৰিকভাবে শলাগিলে। সুধাংশু আৰু অঞ্জনা একেলগে ওলাই আহিল। অঞ্জনাৰ হাতত কলম আৰু এটা পেড।

—মহা, বিয়াৰ নিমন্ত্ৰণী চিঠিৰ ড্ৰাফট্ এটা কৰি আনিছো ইংৰাজীতে। ইয়াত চিনাকি হোৱা কেইগৰাকীমানক আমাৰ চিঠিৰে নিমন্ত্ৰণ কৰা ভাল হ'ব। বিশেষকৈ ডাঃ বাৰ্নচ, ডাঃ আলম, বিকাইনেৰী হস্পিটেলৰ চিকিৎসকৰ টিমটো আৰু চিষ্টাৰ জুলিয়ানাৰ লগতে কেইগৰাকীমান নাৰ্চক। ইয়াৰ বাহিৰেও চাহ বাগিচাৰ আহিব পৰা কেইজনমানক একে চিঠিৰেই মাতিলে হ'ব। হিচাপ

কৰি চালো, পঁচিশখনমান কাৰ্ড ছপা কৰিলে হ'ব বুলি ভাবিছো। আপোনালোকে নিমন্ত্ৰণ দিয়া কথাটো আপোনালোকৰ চিন্তাৰ বিষয়।

—তুমি অঞ্জুক তালৈকেহে মাতি নিছিলা ? মই ভাবি আছিলো—দুয়ো লগ হৈ আকৌ কাজিয়া কৰা নেকি ?

—নাই ছাৰ। কাজিয়াৰ আৰু কথা নাই। অঞ্জনাই বুজিলেতো শেষত—দুজন ব্যক্তিৰ বিয়া এখন বৃহৎ সমাজ বা এটা মহাজীৱনৰ লগত জড়িত হৈ পৰে যে। নিজেই গালে দেখো মহা জীৱনত শৰণ লোৱাৰ গান।

—তুমি অঞ্জুক সেইটো গানকে গাবলৈ শিকাই যোৱা নাছিলাতো ?

—নাই, সোধক অঞ্জনাক। অৱশ্যে, আমাৰ দুয়োৰো একাত্মীয়তা নাথাকিলে, মই হঠাতে তোলা সুৰত তেওঁ ইমান শীঘ্ৰে অকণো ভুল নোহোৱাকৈ গাব নোৱাৰিলেহেঁতেন।

—তোমালোক এতিয়া সন্তুষ্ট ?

—নিশ্চয়। নহয় অঞ্জনা ?

—অঁ।

শুক্ৰবাৰে আগবেলা ডাঃ দুৱৰাৰ ঘৰত ডিগবৈৰ প্ৰসিদ্ধ মেজিষ্ট্ৰেটৰ ওচৰত সুধাংশু আৰু অঞ্জনাই বিয়াৰ ৰেজিষ্ট্ৰেচনৰ বাবে নিয়মানুসাৰে চহী কৰিলে। সাক্ষী হিচাপে চহী থাকিল ডাঃ কৰুণা দুৱৰা আৰু প্ৰঃ অৰুণ বৰুৱাৰ। ওচৰে-পাজৰে বহি আছিল—কৃপা কাকতি, নিৰ্মলা বয়, মানসী আৰু ওচৰ-চুবুৰীয়া কেইগৰাকীমান ভদ্ৰলোক আৰু ভদ্ৰমহিলা। ৰেজিষ্ট্ৰেচন হৈ যোৱাৰ পিছত কাঞ্চীয়ে দুডাল ৰজনীগন্ধাৰ মালা শৰাই এখনত সজাই আনিছিল। সুধাংশু আৰু অঞ্জনাৰ প্ৰত্যেকৰে হাতত মানসীয়ে এডালকৈ মালা দিলে। নিৰ্দেশ মতে দৰা-কন্যাই দুয়ো দুয়োকো মালা পিন্ধাই দিলে। মানসী, কাঞ্চী আৰু ভদ্ৰমহিলা কেইগৰাকীয়ে উৰুলী দিবলৈ ধৰিলে। শঙ্খ বজালে নিৰ্মলা বয়ে। তাৰ পিছতে নিৰ্মলা বয় আৰু মানসীয়ে পোনে পোনে সুধাংশু আৰু অঞ্জনাক লৈ আহি কৃপা কাকতিক সেৱা কৰালে। কৃপা কাকতিয়ে দুয়োকো আশীৰ্বাদ দি বেগৰ পৰা একলাখ টকাৰ ক্ৰছ

চেক এখন সুধাংশুৰ হাতত থ'লে। সুধাংশুৱে হাতযোৰকৈ ক'লে, "ককা, আপোনাৰ মৰম আৰু আশীৰ্বাদৰ চিন স্বৰূপে এই চেকখন মই গ্ৰহণ কৰিছোঁ। কিন্তু, এইখন বাগিচাত হ'ব লগা শিশু-নিদানৰ কাৰ্যত লগাবলৈ আপোনাৰ হাততে আকৌ দিব খুজিছোঁ। মোৰ পূজনীয় আৰু পূজনীয়া শহুৰ-শাহু, অঞ্জনাৰ পিতৃ-মাতৃ আৰু আপোনাৰ স্নেহৰ পুত্ৰ-বোৱাৰীৰ নামত যি পবিত্ৰ অনুষ্ঠানে গঢ় ল'ব তাৰ বাবে এয়া আমাৰ দুয়োৰো ফালৰপৰা আগবঢ়ালো।"

ডাঃ দুৱৰাই চেকখন সুধাংশুৰ হাতৰপৰা লৈ কৃপা কাকতিৰ বেগত সুমুৱাই দিলে। তাৰ পিছতে মানসীয়ে সুধাংশু আৰু অঞ্জনাক মাকক সেৱা কৰিবলৈ ক'লে, তেওঁলোকেও ভৰি চুই সেৱা কৰিলে। লগে লগে নিৰ্মলা ৰয়ে সাবটি ধৰি ধৰি দুয়োকো চুমা খাই উঠি আশীৰ্বাদ দিলে। এইবাৰ নিৰ্মলা ৰয়ে দৰা-কন্যাৰ হতুৱাই ডাঃ দুৱৰা আৰু মানসীক সেৱা কৰালে। ডাঃ দুৱৰা অভিভূত হৈ সুধাংশুৰ মূৰত হাত থ'লে। মানসীয়ে অঞ্জনাৰ মূৰত এখন হাত থৈ আনখন হাতেৰে চকুলো মচিলে। মানসীয়ে তাৰ পিছত তেওঁলোকক অৰুণ বৰুৱাৰ ওচৰলৈ লৈ গ'ল। সুধাংশুৰ বাহুত ধৰি তেওঁ ক'লে "প্লিজ ষ্টপ ইট।"

—ছাৰ, আপুনি মাজত নাথাকিলে আজি মোৰ এই সৌভাগ্য নহ'ল হয়।

—তোমালোকৰ দুয়োৰো সৌভাগ্যত মই আজি পৰম সুখী হৈছো। এইবাৰ নিৰ্মলা ৰয় আৰু মানসীয়ে দৰা-কন্যাক লৈ গ'ল ভিতৰলৈ—বন্দনাৰ জীৱন্ত ছবিখনৰ ওচৰলৈ। দুয়ো ছবিৰ ওচৰত মূৰ দোৱাই সেৱা কৰিলে। সেৱা কৰি উঠিয়েই অঞ্জনাই মানসীক আঁকোৱালি ধৰি উচুপিবলৈ ধৰিলে। সুধাংশুৱে অঞ্জনাক হাতত ধৰি লৈ আহিল আৰু বিছনাত বহুৱাই দিলে। মানসী আৰু নিৰ্মলা ৰয় চকুপানী মচি মচি কোঠাটোৰপৰা ওলাই গ'ল।

আবেলি অভ্যাগতসকল অহাৰ অলপ আগতেই দৰা-কন্যাক সজাই-পৰাই ড্ৰয়িং ৰুমলৈ নিয়া হ'ল। অলপ ওখকৈ থোৱা দুজনীয়া চকা এখনত তেওঁলোক দুয়োকো বহুওৱা হ'ল। কিছুসময়ৰ পিছত

নিমন্ত্ৰিত অতিথিসকল আহিবলৈ ধৰিলে। সেইসকলৰ ভিতৰত আছিল তিনিটা হস্পিটেলৰ নিমন্ত্ৰিত চিকিৎসক আৰু নাৰ্চ আৰু ডিগবৈ চহৰত থকা ডাঃ ডুবৰা আৰু মানসীৰ অন্তৰঙ্গ বন্ধু-বান্ধৱীসকল। তেওঁলোকে দৰা-কন্যাক শুভ-ইচ্ছা জনাই উপঢৌকন দি দি যাবলৈ ধৰিলে। ডাঃ বাৰ্নছ আৰু লিনঠানক ফুলৰ টোৰা লৈ হাঁহি হাঁহি অহা দেখা গ'ল। ডাঃ বাৰ্নছে সুধাংশুক কৰমৰ্দন কৰিলে আৰু লিনঠানে অঞ্জনাক আকোৱালি ধৰিলে। তেওঁলোক যোৱাৰ পিছত ডিগবৈৰ দুই-এজনকৈ মানুহ আহি আছিল। বাগিচাৰপৰা অহা অতিথিসকলৰ অলপ পলম হৈছিল। সুধাংশুৱে তেওঁলোকৰ কাৰণে চিন্তা কৰিছিল। গুৱাহাটীলৈ এক্সপ্ৰেছ টেলিগ্ৰাম কৰি গৱেষক ছাত্ৰ দুজন, মাধুৰী শইকীয়া আৰু মিনাৰামক বিয়াৰ খবৰ দিয়া হৈছিল। ছাত্ৰ দুজন আহি পোৱাত সুধাংশু আৰু অঞ্জনাৰ লগতে ঘৰৰ সকলোৰে বৰ আনন্দ হ'ল।

—মাধুৰী নাহিল শইকীয়া? অঞ্জনাই প্ৰশ্ন কৰিলে।

—তেওঁৰ অহাত অসুবিধা হ'ল। শইকীয়াই উত্তৰ দিলে।

এনেতে এখন বাছেৰে দিবাকৰ কুৰ্মীৰ লগত মজদুৰ ছাত্ৰৰ দলটো আহি পালেহি। অলপ পিছতে আহিল সোমেশ্বৰ ভূঞাৰ পৰিয়াল। সৰ্বশেষত গাড়ীৰে গগন বৰুৱা আৰু ফুলমণি আহি পালেহি। সকলোকে খুৱাই-বুৱাই আজৰি হওঁতে সন্ধ্যা পাৰ হৈ গ'ল। বিয়াঘৰৰ পৰা যোৱা শেষৰ দলটো আছিল মজদুৰ ছাত্ৰসকল। তেওঁলোকে খোৱাবোৱা শেষ কৰি আকৌ দৰা-কন্যাৰ ওচৰ পালেহি। তেওঁলোকক উল্লসিত দেখি সুধাংশুৱে হাঁহিলে। সুধাংশুৰ মুখলৈ চাই দিবাকৰ কুৰ্মীয়ে ক'লে, "ছাৰ, বৰ ভাল লাগিছে আজি। আপোনাৰ জয় হ'ল শেষত। যি ঘটে সকলো ভালৰ কাৰণেই ঘটে।"

ছাত্ৰকেইজনৰ আনন্দমুখৰ কথা-বতৰা শুনি ঘৰৰ সকলো আপোনজন দৰা-কন্যাৰ ওচৰ পালেহি।

—আকৌ আমাৰ ওচৰলৈ কেতিয়া আহিব ছাৰ?

অবিনাশ বাছফৰৰ মৰমসনা প্ৰশ্নত অভিভূত হৈ সুধাংশুৱে ক'লে,

"আহিম সোনকালে। তুমি কিন্তু স্কুলত ভর্তি হ'বা। চিন্তা কৰিব নালাগে, তোমালোকৰ বুঢ়াদেউতাই সকলো ব্যৱস্থা কৰিব। সেই বিষয়ে সকলো ঠিক হৈ গৈছে।"

মজতুৰ ছাত্ৰৰ দলটোৱে হাতযোৰকৈ সকলোৰে পৰা বিদায় ল'লে। পচুলিমুখত ৰৈ তেওঁলোকে ধ্বনি দিলে—

—সুধাংশু ৰয় ছাৰৰ জয় জয় মম্ন মম্ন হওক। আমাৰ চাহবস্তুৱা সমাজে পোহৰৰ পথত আগবাঢ়ক।

অলপ পিছতে বাগিচাৰ বাছখন যোৱাৰ শব্দ শুনা গ'ল। ডাঃ ছুৱবাই আহি ক'লে, "এইবাৰ সুধাংশুক লৈ যোৱা মানসী। তেওঁৰ আজি যথেষ্ট পৰিশ্ৰম হৈছে।"

মানসী আহি ছুয়োকো অঞ্জনাৰ কোঠালিলৈ লৈগ'ল। ছুৱাৰ মুখৰ পৰা মানসীয়ে ক'লে—"তোমালোক এতিয়া ইয়াতে জিৰোৱা। টেবুলত পানী, ফলৰ ৰস আৰু খাব পৰা ছুই-এবিধ বস্তু থৈছো। যি মন যায় খাব পাৰা। মই তোমালোকৰ খবৰ কৰিমহি কিছু সময়ৰ পিছত।"

—মামু মাহী চাহহে লাগিছিল একাপ।

—চাহ খাব এতিয়া নালাগে। ৰাতিলৈ খোৱাত অভোক হ'ব।

—দৰাৰ সাজ-পাৰ সলাব পাৰিম নহয় এতিয়া ?

—পাৰিবা।

মানসী ওলাই যোৱাৰ পিছত মুখ ঘুৰাই সুধাংশুৱে দেখিলে—তেওঁৰ বিছানাখন ফুলেৰে ফুলময় হৈ আছে।

—অঞ্জনা, চোৱা। কোনোবাই আমাৰ ফুলশয্যা সজাই থৈছে।

অঞ্জনাই মনোৰমকৈ হাঁহিলে।

ড্ৰয়িংৰুমত আনসকলেও জিৰণিৰ ভাবত বহিল। কৃপা কাকতিয়ে নির্মলা বৰুৱাৰ মুখলৈ চাই ক'লে—শুভ-কার্য সুচাৰুৰূপে হৈ গ'ল।

—হয়।

নির্মলা বৰুৱা শলাগিলে। মানসীয়ে অৰুণ বৰুৱালৈ চালে। অৰুণ বৰুৱাৰ চকু কিন্তু স্থিৰ হৈ আছিল ডাঃ ছুৱবাৰ ওপৰত। ডাঃ ছুৱবাই

কিবা এটা গভীৰভাৱে চিন্তা কৰিছিল। তাৰ মাজতে অঞ্জনাৰ কোঁঠাৰ পৰা গীতৰ সুৰ ভাহি আহিল।

'অসমা নিৰুপমা জননী।'

দুয়োজনৰ সুৰদি মাত যেন এটা সুৰতে মিলি গৈছে।

———